# মঙ্গলদৈ মহাবিদ্যালয়

সম্পাদক

শ্ৰীমানৱজ্যোতি চহৰীয়া

# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

## বাৰ্ষিক প্ৰকাশ ঃ ২০০৯-১০ বৰ্ষ

## ৪৫তম সংখ্যা


তত্বাৱধায়ক
শ্ৰীডিম্বেশ্বৰ বৰুৱা

সম্পাদক
শ্ৰীমানৱ জ্যোতি চহৰীয়া

*Mangaldai Mahavidyalaya Alochani* : *The Annual House Journal of Mangaldai College published by the Magazine Department on behalf of Mangaldai College Students' Union, Mangaldai, Darrang. Edited by Manab Jyoti Sahariah, Secretary of Magazine Department, 2009-10 Academic Session.*

## মঙলদৈ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি


| | | |
|---|---|---|
| সভাপতি | ঃ | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| উপদেষ্টা | ঃ | শ্ৰীনাৰায়ণ চন্দ্ৰ মুদৈ |
| | | ড° প্ৰণৱ কুমাৰ শৰ্মা |
| | | শ্ৰীশচীন চহৰীয়া |
| | | শ্ৰীপৰেশ কুমাৰ শৰ্মা |
| | | শ্ৰীঅচ্যুৎ চন্দ্ৰ শৰ্মা |
| তত্বাৱধায়ক | ঃ | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| সম্পাদক | ঃ | শ্ৰীমানৱ জ্যোতি চহৰীয়া |
| সদস্য/সদস্যা | ঃ | শ্ৰীৰূপজ্যোতি বৰুৱা |
| | | শ্ৰীসৰযূপ্ৰিয়া দেৱী |
| | | ড° লীনা শইকীয়া |
| | | শ্ৰীমঞ্জু কলিতা চহৰীয়া |
| | | শ্ৰীপুলকেশ হাজৰিকা |
| | | শ্ৰীযুগব্ৰত বৰুৱা |
| | | শ্ৰীকুলদীপ কুমাৰ চহৰীয়া |
| বেটুপাত অংকণ | ঃ | শ্ৰীমন্টু কুমাৰ দাস |
| বেটুপাত পৰিকল্পনা | ঃ | সম্পাদনা সমিতি |
| স্কেচ্ছ | ঃ | কুলদীপ কুমাৰ চহৰীয়া |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| বৰ্ণশুদ্ধি | ঃ | সম্পাদনা সমিতি |
| অক্ষৰ বিন্যাস | ঃ | তাপস শৰ্মা, মোস্তাক আলি |
| ছপা | ঃ | কম্প-এড্ অফছেট |
| | | মহাত্মা গান্ধী পথ, মঙলদৈ |




### কৃতজ্ঞতা স্বীকাৰ—

- ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়, মঙলদৈ মহাবিদ্যালয়।
- আলোচনী সম্পাদনা সমিতিৰ সমূহ বিষয়ববীয়া।
- সমূহ লেখক-লেখিকা।
- কুলদীপ কুমাৰ চহৰীয়া।
- মানবেন্দ্ৰ কাকতি।
- কম্প-এড্ অফছেট, মঙলদৈ।

—সম্পাদক

# শ্বহীদ প্ৰণামো তোমাক



*'আয়ে দিয়া বিহু গামোচাৰে*
*গুলি খোৱা তেজ মচি*
*ৰণ দেৱতাৰ ৰঙা থাপনাত*
*জ্বলাওঁ শলিতাগছি*
*পুনৰ সষ্টম সাজু হৈছো আই*
*দিবলৈ জীৱন দান।'*

—ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

# শ্ৰদ্ধাঞ্জলি



মহাবিদ্যালয়ৰ কৰ্মচাৰী—
**প্ৰয়াত বেণু বনিয়া**
জন্ম ঃ ইং ১/১/১৯৫২
মৃত্যু ঃ ১৫/১২/২০০৯

মঙলদৈ মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাপে সুদীৰ্ঘ দিন নিষ্ঠাৰে সেৱা আগবঢ়াই অহা প্ৰয়াত বেণু বনিয়াদেৱৰ কৰ্মৰত অৱস্থাতে অকাল বিয়োগ ঘটে। প্ৰয়াত বেণু বনিয়াদেৱৰ

লগতে
বিগত সময়ছোৱাত
আমাৰ মাজৰ পৰা
চিৰদিনৰ বাবে আঁতৰি যোৱা
জ্ঞাত-অজ্ঞাত
সকলোলৈকে
শ্ৰদ্ধাঞ্জলি নিবেদিলোঁ।

—সম্পাদনা সমিতি

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▸ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় : ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী - ৭৮১০০১ ▸ (০৩৬১)২৫১০৮৩০
ফেক্স - ▸ (০৩৬১)২৭৩১৬৯৭
ডিফু কাৰ্যালয় : বাংফ্লিং ভৱন, ডিফু - ৭৮২৪৬০ ▸ (০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▸ (০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, [illegible] সংস্কৃতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩
▸ (০৩৭৩)২৩১০১২৮

ৰং বং তেৰাং
সভাপতি




## শুভেচ্ছাবাণী

দৰং জিলাৰ ঐতিহ্যমণ্ডিত মঙলদৈ মহাবিদ্যালয় এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে সুনাম আছে। মহাবিদ্যালয় ছাত্ৰ একতা সভাই ২০০৯-১০ বৰ্ষৰ বাৰ্ষিক আলোচনীখন প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। এয়া সঁচাকৈ এক প্ৰশংসনীয় পদক্ষেপ।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী এখন মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ। ইয়াৰ মাধ্যমেৰে অঞ্চল এটিৰ লেখক-লেখিকাৰ সাহিত্যৰাজি পাঠক সমাজত উদ্ভাষিত হোৱাৰ সুযোগ পায়।

আশাকৰোঁ, মঙলদৈ মহাবিদ্যালয়ৰ এই আলোচনীখনে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ভিন্নৰসৰ সাহিত্য সৃষ্টি বিকাশ হোৱাত সহায় কৰিব।

আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ হোৱাৰ কামনাৰে—

*দিনাংক - ২২ আঘোণ, ১৪১৭ ভাস্কৰাব্দ*

*(ৰংবং তেৰাং)*
*সভাপতি*


ব্যক্তিগত ঠিকনা ঃ হিলছ্ ভিউ কটেজ, থানা ৰোড, ডিফু- ৭৮২৪৬০
দূৰভাষ - ০৩৬৭১-২৭৩২৯৩, ৯৪৩৫৪-১৮৪৪৪

# শুভকামনা—



মঙ্গলদৈ মহাবিদ্যালয়ৰ শিক্ষাগুৰু, কৰ্মকৰ্তা তথা ছাত্ৰ-ছাত্ৰীসকললৈ হিয়াভৰা শুভেচ্ছা যাঁচিলো। ২০০৯ বৰ্ষৰ নবাগত আদৰণি সভাৰ মুকলি সভাত উপস্থিত থাকি অনুভৱ কৰিব পাৰিছিলো, মহাবিদ্যালয়খনৰ প্ৰীতিৰে ভৰা অতুলনীয় পৰিৱেশ। মই যিখিনি মৰম-চেনেহ আৰু আশীৰ্বাদি বুকুত লৈ উভতি আহিলো সেইখিনি আজিও বুকুৰ মাজত সজীৱ হৈ আছে আৰু ওৰেটো জীৱনতে চিৰস্মৰণীয় হৈ ৰ'ব।

মঙ্গলদৈ মহাবিদ্যালয়ে শৈক্ষিক দিশৰ লগতে, কলা-সংস্কৃতি, ক্ৰীড়া আদি সকলো দিশতে ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নি বিশ্বৰ দৰবাৰত জাকত জিলিকা কৰি মহাবিদ্যালয়ৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে মঙ্গলদৈ তথা অসমীৰ মান ঐতিহ্যমণ্ডিত কৰি ৰাখক, —এই কামনাৰে।

**অনুপম শইকীয়া**
গুৱাহাটী, ৰাজগড়



বিচিত্ৰ কুমাৰ মেধি, ভাৰপ্ৰাপ্ত অধ্যক্ষ

# অধ্যক্ষৰ আসনৰ পৰা...

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনী (২০০৯-১০ বৰ্ষ) প্ৰকাশৰ শুভ মুহূৰ্তত মহাবিদ্যালয় পৰিয়ালৰ প্ৰতিগৰাকী সদস্যলৈ মই অভিনন্দন জ্ঞাপন কৰিছো।

বিজ্ঞানৰ অভাৱনীয় উন্নতিয়ে আমাৰ ধৰালৈ আনিছে অভূতপূৰ্ব পৰিৱৰ্তন। অতি ক্ষিপ্ৰ গতিত কৃষি, পৰিবহন-যোগাযোগ, চিকিৎসা বিজ্ঞান আৰু মানৱ কল্যাণৰ অৰ্থে ব্যৱহৃত অন্যান্য ক্ষেত্ৰত বিজ্ঞান-প্ৰযুক্তিবিদ্যাই বৈপ্লবিক পৰিৱৰ্তনেৰে প্ৰতি মুহূৰ্ততে পৃথিৱীখনক নতুন কৰি তুলিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ এই স্বৰ্ণিল যুগত শিক্ষা ব্যৱস্থাৰো আমূল সংস্কাৰ ঘটিছে আৰু সময়োচিতভাৱে আমাৰ দেশতো পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই নতুন শিক্ষা ব্যৱস্থা আৰম্ভ হৈছে।

বিশ্বায়নৰ সময়ছোৱা প্ৰতিযোগিতাৰো যুগ। উৎপাদিত পণ্য সামগ্ৰীৰ দৰে বহুজাতিক ব্যৱসায়ীয়ে কলা-সংস্কৃতি-ক্ৰীড়াৰ লগতে শিক্ষাকো ব্যৱসায়িক পণ্যৰ দৰে ব্যৱহাৰ কৰিছে। নতুন নতুন বিষয়, ন-ন পদ্ধতি, আধুনিক সা-সুবিধাৰ প্ৰলোভনৰ জৰিয়তে আমাৰ অলেখ শিক্ষাৰ্থীক বিভ্ৰান্ত কৰি কেতবোৰ ব্যৱসায়িক গোষ্ঠীয়ে কেৱল ধন ঘটাৰ স্বাৰ্থত শিক্ষানুষ্ঠানৰ ব্যৱসায় কৰি আমাৰ দেশৰ বহু প্ৰতিভাবান শিক্ষাৰ্থীৰ সময়, অৰ্থ আৰু ভৱিষ্যৎ ধ্বংস কৰি পেলাইছে।

এচাম অসাধু ব্যৱসায়ীৰ বিজ্ঞাপনৰ ৰঙীণ মায়াজালত বন্দী হৈ আমাৰ সমাজৰ ভালেমান প্ৰতিশ্ৰুতিপূৰ্ণ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ লগতে পৰিয়াললৈ দুখ-দুৰ্দশা মাতি আনে।

সমাজলৈ পৰিৱৰ্তন আহিবই। একেদৰে আমাৰ শিক্ষা ব্যৱস্থালৈকো পৰিৱৰ্তন আহিব। আধুনিক শিক্ষা ব্যৱস্থাৰ সৈতে আমাৰ সমাজৰ নৱ প্ৰজন্মই নিজকে খাপ খুৱাই ল'লেহে নিজৰ সপোনৰ লগতে দেশৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিব পাৰিব।

অলেখ প্ৰতিশ্ৰুতি সম্পন্ন আমাৰ যুৱ সমাজ। শিক্ষা গ্ৰহণৰ সময়ছোৱাত তেওঁলোকক প্ৰয়োজন সঠিক পথৰ সন্ধান আৰু সেই পথ অতিক্ৰম কৰিবলৈ নিৰলস সাধনা। আশা কৰিছো, আমাৰ আশা-আকাংক্ষাক ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পছন্দ আৰু যোগ্যতা অনুসৰি শিক্ষা ব্যৱস্তাত নিজা নিজা পথেৰে আগবাঢ়ি দেশ আৰু সমাজৰ হিতৰ বাবে নিজকে উছৰ্গা কৰিব।


**(বিচিত্ৰ কুমাৰ মেধি)**
ভাৰপ্ৰাপ্ত অধ্যক্ষ, মঙলদৈ মহাবিদ্যালয়



# সম্পাদকীয়...

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন নিজস্ব ইচ্ছা আৰু দৃষ্টিভংগীৰে উলিয়াবৰ বাবে [illegible] হ'ব বাবেই প্ৰাৰ্থীত্ব আগবঢ়াইছিলো 'আলোচনী' বিভাগৰ সম্পাদকৰ পদৰ বাবে। সৌভাগ্যক্ৰমে নিৰ্বাচিত হ'লো। এতিয়া আলোচনীখন আপোনালোক সকলোৰে হাতত।

নিজৰ ভৱিষ্যৎ গঢ়াৰ বাবে প্ৰায় তিনি হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে চেষ্টা চলাইছে এই মঙলদৈ মহাবিদ্যালয়ত। এই ছাত্ৰ-ছাত্ৰীবোৰৰ লক্ষ্য— চূড়ান্ত পৰীক্ষাসমূহত সংগৃহীত নম্বৰবোৰৰ ভিত্তিত নিজৰ আকাংক্ষিত জীৱন প্ৰাপ্তি। সেয়ে প্ৰত্যেকেই দৌৰিছে নম্বৰৰ পিছে পিছে। প্ৰত্যেকৰে জীৱন ব্যস্ত; কাৰো সময় নাই।



মহাবিদ্যালয় এখন হ'ল জীৱন গঢ়াৰ এটা কেন্দ্ৰ। মঙলদৈ মহাবিদ্যালয়খনো ইয়াৰ মাজৰে। দেশত প্ৰচলিত ব্যৱস্থাবোৰ চলাই নিয়াৰ বাবে ভৱিষ্যতে আৰু অধিক চিকিৎসক, অভিযন্তা, শিক্ষক, ৰাজ বিষয়া সৃষ্টি হ'ব ইয়াতেই। কিন্তু মানৱীয় জীৱন গঢ়াৰ শিক্ষা দিয়া হ'ব নেকি ইয়াত? নে মাৰ্কশ্বিটেৰে জোখা হ'ব জীৱন গঢ়াৰ মাত্ৰা? জীৱন গঢ়াৰ অনুশীলনৰ বাবে প্ৰাথমিক ভেটি ক'ত? যিখন মহাবিদ্যালয়ত আজি নাই ছাত্ৰসকলৰ বাবে ছাত্ৰাবাসৰ ব্যৱস্থা, যাৰ ফলত গঢ়ি উঠিছে আজি চাৰিগুণ খৰছৰ প্ৰাইভেট হোষ্টেল। পুথিভঁৰালত নাই পৰ্যাপ্ত পৰিমাণৰ কিতাপ। যিখন মহাবিদ্যালয়ত আজি নামধাৰী বজৰুৱা ছাত্ৰৰ প্ৰতাপ বেছি; মহাবিদ্যালয়ৰ চাৰিবেৰৰ মাজত সিহঁতৰ আড্ডা।

যিয়েই নহওঁক, মঙলদৈ মহাবিদ্যালয় আলোচনীৰে ভুমুকি মৰা বহুত লেখক-লেখিকাক বৰ্তমান প্ৰতিষ্ঠিত সাহিত্যিক হিচাপে আমি পাইছো আৰু ইয়াৰ দ্বাৰা তেনে ফল পাই থাকিম বুলি আমি আশাবাদী। ছাত্ৰ-ছাত্ৰীৰ বিকাশত ই হৈ পৰক এক প্ৰভাৱী মাধ্যম।

মঙলদৈ মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ লগতে এই মহাবিদ্যালয়ৰ দাপোন স্বৰূপ আলোচনীখন নিজস্ব ইচ্ছা আৰু দৃষ্টিভঙ্গীৰে উলিয়াবলৈ পাই সঁচাকৈয়ে মই সুখী অনুভৱ কৰিছো।

শেষত, বছৰযোৰা চেষ্টাৰ ফলত মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰিবলৈ সক্ষম হ'লো। বহুতো লোকৰ অসহযোগিতা আৰু বিভিন্ন প্ৰতিকূল অৱস্থাৰ বিপৰীতে যিসকল লোকে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ কৰাত সহযোগ আগবঢ়ালে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম।

মোক এই আলোচনীখন প্ৰকাশ কৰাত বিশেষ সহায় কৰা তত্বাৱধায়ক ছাৰ, লেখক-লেখিকাসকল, ছপাশালৰ স্বত্বাধিকাৰৰ লগতে কৰ্মীবৃন্দ আদি সকলোকে আন্তৰিকতাৰে ধন্যবাদ জ্ঞাপন কৰিলো আৰু প্ৰকাশত অজানিতে হৈ যোৱা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

(মানৱজ্যোতি চহৰীয়া)
আলোচনী সম্পাদক, ২০০৯-১০ বৰ্ষ
মঙলদৈ মহাবিদ্যালয়

# 'আলোচনী'ৰ পাতে পাতে...


## প্ৰবন্ধ

- সুকনান্নি ওজাপালি আৰু দেওধনী নৃত্য,
  *ড° বিজয় কুমাৰ শৰ্মা/৯*
- দৰঙী লোক সাহিত্যৰ নান্দনিক সম্পদঃ বিয়াপদ,
  *জয়ন্ত ডেকা/১২*
- সাম্প্ৰতিক অসমীয়া সাহিত্য ঃ ন-লিখাকৰ সমস্যা,
  *প্ৰণৱ জ্যোতি নাথ/১৫*
- ধৰ্মনিৰপেক্ষতা,
  *পৰেশ শৰ্মা/১৭*
- অসমীয়া সংস্কৃতি আৰু দৰঙী সংস্কৃতিৰ চিন্তাধাৰা,
  *হিমাক্ষী ডেকা/১৮*
- বৈদিক সাহিত্যত পৰ্যাবৰণ সংৰক্ষণঃ এটি চমু আলোকপাত,
  *গগেণ কাকতি/২২*
- বিশ্বত আৰবী ভাষাৰ স্থান,
  *আছিৰ উদ্দিন/২৪*
- মানৱ সমাজ আৰু পাৰিপাৰ্শ্বিকতা,
  *শচীন চহৰীয়া/২৬*
- দৰঙী সংস্কৃতি,
  *কাবেৰী ডেকা/২৮*
- সামাজিক ব্যাধি এইড্‌ছ (AIDS) আৰু ইয়াৰ প্ৰতিকাৰ,
  *ৰিপুঞ্জয় তামুলী/২৯*
- সাহিত্য-সঙ্গীত শিক্ষাৰ প্ৰয়োজনীয়তা,
  *পবিত্ৰ প্ৰাণ বৰা/৩১*
- গীতাত কৰ্মৰ নিৰ্দেশ,
  *কৰবী শৰ্মা/৩৩*
- যুৱচামৰ ওপৰত মাদক দ্ৰব্যই পেলোৱা প্ৰভাৱ,
  *হিমাশ্ৰী হাজৰিকা/৩৪*
- যুৱ প্ৰজন্মৰ ফ্ৰেণ্ডছিপ দে' আৰু বৰ্তমানত ইয়াৰ প্ৰাসংগিকতা,
  *নৱজ্যোতি ডেকা/৩৫*
- বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা,
  *তন্ময়ী বৰুৱা/৩৬*
- কিয় এই আত্মঘাতী প্ৰবৃত্তি,
  *মৌচুমী কলিতা/৩৭*
- যুৱ মহোৎসৱত ছয়দিন,
  *ত্ৰিদীৱ কলিতা/৩৯*

## গল্প

- ক্ৰছ কানেক্‌চন,
  *বীতামনি শৰ্মা/৪১*
- মাকনৰ গোঁসাই,
  *জুৰিপ্ৰিয়া দেৱী/৪৪*
- গধূলি হ'ল,
  *অন্বয় নীল ডেকা/৪৫*
- পিলপিল ঘোৰাত প্ৰেম পূজাৰী,
  *জগত শৰ্মা/৪৮*
- প্ৰেম সংগোপনে,
  *নাজিয়া চুলতানা/৫০*
- সিদ্ধান্ত,
  *হৃদয়াশ্ৰী ৰাভা/৫৪*
- নুশুনা হ'লেই ভাল আছিল,
  *সঙ্গীতা শৰ্মা/৫৫*
- বিষাদৰ সন্মতি,
  *আমিনা আহমেদ/৫৭*
- আপোন মানুহ,
  *দ্বীপশিখা হাজৰিকা/৫৮*
- পৰিৱৰ্তন,
  *শিউলী সেন/৬০*
- উৰণীয়া চাকি,
  *হিমাদ্ৰী ডেকা/৬২*
- এটা স্বপ্নৰ সমাধি,
  *দিপাংকৰ ডেকা/৬৩*
- নীলা খামৰ চিঠি,
  *মিছ নাজিয়া চুলতানা/৬৫*

## মহাবিদ্যালয় সঙ্গীত

- ৰচনা ঃ *শ্ৰীপ্ৰভাত চৌধুৰী,*
  সুৰ আৰু স্বৰলিপি ঃ *কুমাৰ আনন্দ নাৰায়ণ দেৱ,*
  তাল ঃ *দাদ্‌ৰা (ভাট্‌খাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)/৬৬*

## কবিতা

- ৰোমন্থন,
  *ড° কমুদ চন্দ্ৰ শৰ্মা/৬৭*
- অনুৰাধা,
  *নাৰায়ণ মুদৈ/৬৭*
- বাজেনে পায়েলৰ শব্দ... জুন্ জুন্ জুন্,
  *কুলদীপ কুমাৰ চহৰীয়া/৬৮*
- চাৰিআলি চ'কত আড্ডা মৰা আমিবোৰ বেকাৰ ল'ৰা,
  *মুন্না ডেকা/৬৯*
- মই বিলীন হওঁ,
  *ভাৰ্গৱ কুমাৰ বৰুৱা/৭০*
- নীৰৱ নিশা,
  *চন্দ্ৰমা ডেকা/৭০*
- মাতাল নহ'বা,
  *তাপস শৰ্মা/৭১*

# 'আলোচনী'ৰ পাতে পাতে...

## কবিতা


- অবুজ কিয় হোৱা, *মোস্তাক আলি ছিদ্দিক/৭১*
- মহাবিদ্যালয় অনুভূতি, *হিমাক্ষী ডেকা/৭২*
- লুইতপৰীয়া সাধু *পাপৰী কৌশিক/৭২*
- শব্দময়তা, *সঙ্গীতা বৰুৱা/৭৩*
- এটা নবীন প্ৰভাত, *জিনুমা বৰ্মন/৭৩*
- এটি প'ল, *কৃষ্ণ কলিতা/৭৪*
- গায়ত্ৰী বৰুৱাৰ দুচকুত জ্বলিছে ভালপোৱাৰ টিউব লাইট, *অনুভৱ শইকীয়া/৭৫*
- কবিৰ বিচ্ছিন্নবাদী চিন্তা, *প্ৰণৱজ্যোতি নাথ/৭৬*
- মনালিছা, *আমিনা আহমেদ/৭৬*
- প্ৰিয়তমালৈ অনুৰোধৰ চিঠি, *নয়ন কাজল/৭৭*
- এখন প্ৰেম পত্ৰ দিয়া, *জুমি আৰা বেগম/৭৭*
- মঙলদৈ মহাবিদ্যালয়, *পূৰবী শইকীয়া/৭৮*
- কবিতাৰ তেজেৰে, *ফাতেমা চুলতানা/৭৮*
- জোনাক, *ভাস্বতী শৰ্মা/৭৯*
- জনতাৰ পৃথিৱী, *প্ৰীতিৰেখা ডেকা/৭৯*
- এক বিয়োগ এক, *নিক্ষশ্ৰী কলিতা/৮০*
- কেন্টিন, *মৌচুমী কলিতা/৮০*
- এচমকা জোনাক, *কাকলি কলিতা/৮০*
- হেৰুৱাৰ ভয় নেহেৰুৱাৰ...., *ৰেখা দেৱী/৮১*
- প্ৰতীক্ষা, *কবিতা নাথ/৮১*
- সময় সোৱঁৰণীৰ এখিলা পাত, *গিতালী বৰুৱা/৮২*
- সময়, *বৰষা শৰ্মা/৮২*
- অনুৰাগ, তোমাৰ বাবেই, *দীপশিখা হাজৰিকা/৮২*
- শেৱালী গন্ধা শৰতত সেমেকা শীতৰ ভ্ৰমণ, *বৰ্ণালী শইকীয়া/৮৩*
- শৰতৰ আনন্দ, *হিমাশ্ৰী হাজৰীকা/৮৩*
- চলনা, *মহেশ্বৰ ঘোষ/৮৪*
- সোঁৱৰণী মোৰ মিঠা অনুভূতি, *হিমাংশু শৰ্মা/৮৪*
- অনুভৱৰ দুটা স্তবক, *পুলকেশ হাজৰিকা/৮৪*
- বিচ্ছেদ, *অনামিকা ৰাজবংশী/৮৫*
- ভগ্ন হৃদয়ৰ কবিতা, *হিমাংশু শৰ্মা/৮৫*
- কঁহুৱাবোৰ হালি-জালি আছে, *প্ৰীতিৰেখা ডেকা/৮৫*
- বিনিময় বিচাৰি ফুৰাসকলৰ প্ৰতি, *প্ৰাঞ্জল ডেকা/৮৬*
- তুমি মোক পাহৰি গ'লা কিয়া, *প্ৰাঞ্জল বৰা/৮৬*
- তুমি তোমাৰ কথা ৰাখিব নোৱাৰিলা, *ছাইনা বেগম/৮৭*
- প্ৰেমৰ সপোন, *ৰিজু ৰাণী শৰ্মা/৮৭*
- প্ৰিয়তমা, *মিৰাজুল হক/৮৮*
- ঠিকনা ক'ত, *মানৱজ্যোতি চহৰীয়া/৮৮*


## English Section


- Human Rights, *Narayan Mudoi/89*
- Blues Lyrics, *Manimugdha Barthakur/90*
- I Miss You, *Manabendra Kakati/91*
- Fear of Separation, *Sunita Devi/91*
- Gita: Its influence in Human life, *Manju Kalita/92*
- Renewable Energy as Future Energy, *Dr. Budhin Ch. Hazarika/94*
- Disaster Management: Role of NCC, *Dr. Leena Saikia/98*

- সম্পাদকীয় প্ৰতিবেদনসমূহ /১০০-১০৭

# সুকনান্নি ওজাপালি আৰু দেওধনী নৃত্য

প্ৰবন্ধ

✍ ড° বিজয় কুমাৰ শৰ্মা
সহঃ অধ্যাপক, অসমীয়া বিভাগ

'ওজা' শব্দৰ অৰ্থ কোনো বিদ্যাত পাৰ্গত লোক। আধুনিক অসমীয়া অভিধানত উল্লেখ কৰা হৈছে— 'সুকনান্নী আদিৰ বা বিয়াহৰ পদ লগাই দিয়া ঘাইজন ওজা। পালি হ'ল ওজা বা তেনেকুৰা ঘাই কৰ্মীৰ তলতীয়া কৰ্মী। ওজাৰ লগত তাল দি গীত গোৱা মানুহ। ওজাপালি পদটোৱে সুকনান্নী বা বিয়াহৰ ওজা আৰু তেওঁলোকৰ লগত তাল দি গীত গোৱা মানুহৰ দলটোক সূচায়।' ওজাপালি অৰ্দ্ধনাটকীয় সমল বিশিষ্ট। ইয়াক সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ধাৰক আৰু বাহক বুলিবও পাৰি।

ওজাপালি উপাধ্যায় পদটিৰ পৰা উৎপত্তি হোৱা বুলি অনুমান কৰা হৈছে। 'উপাধ্যায়ে বেদৰ অংশ বেতনৰ বাবে পঢ়ুৱায়। সেয়ে তেওঁৰ জীৱিকা। ওজাপালিয়েও পাৰিশ্ৰমিকৰ বিনিময়ত গীত-নৃত্যাদি পৰিৱেশন কৰে।'

বৈদিক পৰম্পৰাৰ সৈতে মহাকাব্য, পুৰাণ আদি জড়িত। বৈদিক যুগৰ আগৰে পৰা মৌখিক পৰম্পৰাত এইবোৰৰ চৰ্চা হৈ আহিছে। ওজাই মৌখিক পৰম্পৰা সময়ৰে পৰা সামৰি লোৱা শিক্ষা দৰ্শকক দি আহিছে।

প্ৰাচীন কালৰে পৰা প্ৰাগজ্যোতিষ কামৰূপত নৃত্য-গীত প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। কামৰূপৰ ৰজা ভাস্কৰবৰ্মাই চীনা পৰিব্ৰাজক হিউৱেন চাঙক নৃত্য-গীতেৰে আপ্যায়ণ কৰিছিল। কামৰূপ প্ৰাগজ্যোতিষৰ বহুতো মন্দিৰত সুকীয়া নৃত্য ধাৰাৰ প্ৰচলন থকাৰ উল্লেখ্য নোহোৱা নহয়। কামাখ্যা মন্দিৰৰ পূজাৰী কেন্দুকলাইয়ে নৃত্য-গীতেৰে দেৱীক সন্তুষ্ট কৰা; বেউলাই নৃত্য-গীতেৰে দেৱগণক সন্তুষ্ট কৰি মৃত স্বামীক জীয়াই তোলাৰ পুৰাণ কাহিনীয়ে এই দেশৰ নৃত্যৰ ঐতিহ্যকে সূচায়। ওজাপালি অনুষ্ঠানে এই সংগীত পৰম্পৰা ৰক্ষা কৰি অহা অনুকূলে মত পোষণ কৰিব পাৰি।

অসমৰ ওজাপালিক দুটা শ্ৰেণীত ভগাব পাৰি— ক) মহাকাব্য আশ্ৰয়ী ওজাপালি আৰু (খ) মহাকাব্য অনাশ্ৰায়ী ওজাপালি।

মহাকাব্য আশ্ৰয়ী ওজাপালি ঃ (ক) ব্যাস ওজাপালি (খ) ৰামায়ণ গোৱা ওজাপালি (গ) ভাইৰা ওজাপালি (ঘ) দুৰ্গাবৰী ওজাপালি (ঙ) সত্ৰীয়া ওজাপালি (চ) পদতালী ওজাপালি (ছ) দুলড়ী ওজাপালি।

মহাকাব্য অনাশ্ৰয়ী ওজাপালি ঃ (ক) সুকনান্নী/সুকনান্নী ওজাপালি (খ) বিষহৰি গান (গ) মাৰেগান (ঘ) পদ্মাপুৰাণৰ গান, (ঙ) তুকুৰীয়া ওজাপালি (চ) গীতালু গীত (ছ) সমাজত প্ৰচলিত ওজাপলি।

এই নিবন্ধত আলোচ্য বিষয় সুকন্নানি ওজাপালি।

যি ওজাপালিয়ে সুকবি নৰনাৰায়ণদেৱে ৰচনা কৰা পদ্মপুৰাণৰ বা নাৰায়ণদেৱৰ নামত মৌখিক ৰূপত চলি অহা মনসা বিষয়ক গীত-পদ গায় সেই ওজাপালিক সুকনান্নী ওজাপালি বোলা হয়। সুকবি নাৰায়ণদেব নিগদতি শব্দকেইটাৰ আদ্য আখৰকেইটা সুক+না+নিৰ পৰা সুকনানি বা সুকন্নানি পদৰ নিষ্পতি হৈছে।

মাৰৈ পূজাৰ প্ৰসঙ্গত এই শ্ৰেণীৰ ওজাপালিয়ে গীত-নৃত্য পৰিবেশন কৰে বাবে এই ওজাপালিক মাৰৈ ওজাপালি ও বোলে। এদিন বা দুদিনত কৰা মনসা পূজাক অঞ্চল বিশেষে ৰংপুজা বোলা হয়। ৰং পূজাত গীত-নৃত্য পৰিৱেশন কৰা বাবে এই ওজাপালিৰ আন এটি নাম ৰং গোৱা ওজা।

সুকনান্নী ওজাপালিৰ দলত এজন ওজা এজন দাইনাপালি আৰু ৩/৪ জন সাধাৰণ পালি থাকে। ধুতি, পাঞ্জাৱী আৰু চাদৰ ওজাৰ পৰিধেয় বস্ত্ৰ, মূৰত দীঘল চাদৰ এখনৰ পাগ। ওজাৰ পাগটো আগফালে মিহি। পাগটো কুহুমীয়া পাগুৰি বা জিম পাগ নামেৰে জনা যায়। পৰিধেয় অলংকাৰসমূহ হ'ল ঢোলমাদুলী, কাণত কুণ্ডল, হাতত মুঠি খাৰু, আঙুলিত আঙঠি আৰু কপালত ৰঙা বা বগা চন্দনৰ ফোঁট। পালিসকলে ধুতি আৰু গেঞ্জি পৰিধান কৰে। কান্ধত এখন ফুলাম গামোচা, মূৰত মৈৰচালি পাগুৰি।

পালিসকলে পদ গোৱা সময়ত খুতিতাল বজায়। জয়ঢোল বজোৱাৰ সময়ত বজায় ভোৰতাল।

মনসা পূজাৰ লগত সুকনান্নী ওজাপালি বিশেষভাৱে জড়িত। বিষ্ণুপূজাৰ বাদে অন্য দেৱ-দেৱীৰ পূজাৰ সময়তো সুকনান্নী ওজাপালিয়ে গীত-নৃত্য পৰিৱেশন কৰে।

মনসা পূজাত ওজাপালিয়ে গোৱা গীতক দুটা ভাগত ভগাব পাৰি— ক) পূজাৰ গীত বা জাগেনি বা বহেনি গীত আৰু খ) পদ্মাপুৰাণৰ গীত বা উঠৈনি গীত।

ক) পূজাৰ গীত বা জাগেনী গীত মনসা পূজাৰ আৰম্ভতে পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ কৰাৰ সময়ৰেপৰা পৰিৱেশন কৰে। পূজা আৰম্ভ হোৱাৰ পূৰ্বে ঢোল বাদ্যৰ শব্দৰে পুজা থলীৰ অনুষ্ঠিতব্য কৰ্মৰ শুভাৰম্ভণি ঘটায়। পদৰ আৰম্ভণি কৰে এটি মালিতাৰে। ইয়াৰ পিছত গণেশ বন্দনা, সৰস্বতী বন্দনা, তালবেটাৰ জন্ম, ত্ৰিদশ কোটি দেৱতাৰ জন্ম, সৃষ্টি পাতন, তামোল-পাণৰ জন্ম, ঢেঁকীৰ জন্ম, পিঠাগুৰিৰ জন্ম, কুমাৰৰ জন্ম, ঘট-চাকি সজাৰ বিৱৰণ, মণ্ডপ নিৰ্মাণ, গুৰু বন্দনা, মনসাৰ জন্ম আৰু মনসা পূজাৰ প্ৰচলন, চণ্ডিকাৰ জন্ম, তেল দিয়া অধিবাস, পানীতোলা, পৃথিৱী শুদ্ধিকৰণ, মণ্ডপ জাগৰণ, ধৰ্মদেৱতাৰ পূজা, অষ্টমাৰ্গৰ পূজা, শিৱ, ভৱানী, শীতলা, শুভাচেনী আদিৰ মালিতা গায় সমাৰণি বন্দনাৰে পূজাৰ পদ শেষ কৰে। পূজা শেষ হ'লে জগোৱা মনসা পূজাত গোটেই ৰাতিটো পদ গায়। পিছদিনা পূজাৰ গীত গায় আবেলি সময়ত ঠিয়পদ গায়।

সাঙ্গীতিক বৈশিষ্ট্যৰ পিনৰপৰা উঠেনি গীতখিনি তাৎপযপূৰ্ণ। সাঙ্গীতিক স্তৰবোৰ এনেধৰণৰ—

১। আলাপ ঃ ওজাই পদ গোৱাৰ আৰম্ভণিত আলাপ বা স্বৰ সাধনা কৰে।

২। বন্দনা ঃ আলাপৰ পিছত গণেশ, শ্ৰীৰাম, বিষ্ণু, শিৱ, শীতলা, কালিকা, দুৰ্গা, লক্ষ্মী, সৰস্বতী, জগদ্ধাত্ৰী আদি যিকোনো দেৱতা বা দেৱীৰ স্তুতিমূলক গীত গায়।

৩। আলাপ ঃ বন্দনাৰ পিচতে পুনৰ হা-তা-নি-ৰি-ৰিতা ৰে আলাপ কৰে। পালিসকলে সুৰ ধৰি তাল বজাই আলাপৰ আবৃত্তি কৰে।

৪। দিহা ঃ আলাপৰ পিছত ওজাই গাব খোজা পদৰ লগত সংগতি ৰাখি দিহা এটি লগাই দিয়ে। ওজাই লগাই দিয়া দিহাটোৰ শেষৰ অংশ পালিসকলে টানি নি সম্পূৰ্ণকৈ গায়। দ্বিতীয়বাৰ দিহাটো নিৰ্দিষ্ট ৰাগ দি গায়। পদৰ বিষয়বস্তুৰ লগত সংগতি ৰাখি ওজাই বিভিন্ন মুদ্ৰা, নৃত্য-ভংগী আদি প্ৰদৰ্শন কৰে।

৫। পদ ঃ পালিসকলে দোহৰা দিহাটোৰ লগত সংগতি ৰাখি ওজাই পদ্মাপুৰাণৰ পদ লগাই দিয়ে। ওজাপালিয়ে গোৱা পদ বাৰ-চৈধ্যটা মান চৰণ থাকে। ইয়াক 'এখন পদ' বোলে। পদৰ কিছু অংশ গায় ওজা আৰু দাইনা পালিয়ে সাধাৰণ দৰ্শক-শ্ৰোতাই বুজি পাবৰ বাবে পদৰ ভাঙনি কৰে। এই সময়ত ৰসিক দাইনা পালিয়ে মূল কাহিনীটোৰ লগত সম্পৰ্ক নথকা বিষয় সামৰিও দৰ্শকক মনোৰঞ্জন দিয়ে।

**উপ-সংহাৰ ঃ** গীত-পদ গাওঁতে বিভিন্ন অপৰাধ হ'ব পাৰে। গৃহস্থ, গাওঁতা, শুনোতা সকলোৰে দোষাদোষ মৰিষণ কৰিবৰ বাবে ওজাপালিয়ে এটি স্তুতিসূচক পদ গায়। সেই সময়ত পুৰোহিতেও মন্ত্ৰোচ্চাৰণপূৰ্বক দেৱীক বিসৰ্জন দিয়ে। ইয়াৰ পিছতে ঢোল-তাল বজায় আৰু সামৰণিৰ আগে আগে পূজা মণ্ডপত থকা ধানৰ 'লক্ষ্মীদুনৰি'টো গৃহস্থই মূৰত লৈ ভৰাঁলঘৰৰ সন্মুখত থবলৈ নিওঁতে ওজাপালিয়ে ঢোল-তালৰ বাদ্যৰে আগবঢ়াই লৈ যায়।

কেইবাদিনো ব্যাপি অনুষ্ঠিত হোৱা মনসা পূজাক মাৰৈ পূজা বোলা হয়। এনে পূজাত দুই-তিনিযোৰা ওজাপালিৰ প্ৰয়োজন।

মাৰৈপূজাত দেওধনি অপৰিহাৰ্য। দেৱতাৰ অনুগ্ৰহ লাভ বা দেৱতাক সন্তুষ্ট কৰিব পৰা ক্ষমতাৰ অধিকাৰী বুলি ভবা কাৰণে চৰিত্ৰটোক দেওধনি বা দেওধনী হ'ব পাৰে। মাৰৈ পূজাৰ ভৰদকৰ দিনা দেওধনি উঠে। দৰঙৰ দেওধনি অবিবাহিতা মহিলা। দেওধনিয়ে প্ৰায় ১৮ প্ৰকাৰৰ নৃত্য কৰে। পালি কেইজনমানে ঢোল-তাল বজায় আৰু তাৰ চেৱে চেৱে দেওধনিয়ে নৃত্য কৰে। দেওধনি নৃত্যবোৰ এনেধৰণৰ- দেওনমোয়া নাচ, হাৰী নাচ, বসুমতী নাচ, ধৰ্ম নাচ, শিৱ নাচ, হৰ-গৌৰী নাচ, শীতলা নাচ, শুভাসনী নাচ, পমা নাচ, ৰনচণ্ডী বা দুৰ্গা নাচ, গঙ্গা নাচ, ব্ৰহ্মা নাচ, লক্ষ্মীনাচ, কুবেৰ নাচ, কাৰ্ত্তিক নাচ, মেচা-মেচেনী নাচ, কছাৰী পূজা, কেঁচাইখাইতী নাচ আদি।

দেওধনি নাচৰ শেষ স্তৰত দেওধনিক দকত পেলোৱা হয়। দেওধনি দকত পেলাবৰ বাবে চানখেৰ দুটা পাৰি তাৰ ওপৰত দুখন দীঘলীয়া কলপাত পাৰে। তাৰ ওপৰত বগা কাপোৰ এখন পাৰি দিয়া হয়। সেই শয্যাত দেওধনি এজন পালিৰ গাত আউজি বহে। কালিনাগে লখিন্দাৰক দংশন কৰাৰ বিৱৰণ থকা পদাংশ ওজাপালিয়ে গোৱাৰ লগে লগে ঢোল-তালৰ শব্দত দেওধনিয়ে গাত সামান্য জোকাৰণি তুলি বিচনাত লাহে লাহে বাগৰি পৰে। তেনে অৱস্থাত দেওধনিক বগা কাপোৰ এখনেৰে ঢাকি দি চাৰিওফালে ধূপ-দীপ জ্বলাই দিয়া হয়। ইয়াৰ পিছত ওজাপালিয়ে ভাটিয়নী খণ্ডৰ পদ গায়। পমাহ জাৰি-ফুঁকি লখিন্দাৰক জীয়াই তোলাৰ প্ৰতীকাত্মক অভিনয় কৰে দেওধনি দকৰ পৰা উঠাৰ সময়ত। পদৰ লগত সঙ্গতি ৰাখি পালি এজনে নতুন গামোচা এখনেৰে দেওধনিক জাৰি থাকে। কিছুসময় পিছত দেওধনিয়ে চেতনা ঘূৰাই পোৱাৰ ভাৱ প্ৰদৰ্শন কৰে। ঢোল-তালৰ শব্দত দেওধনিয়ে দকৰ পৰা উঠি পূজা মণ্ডপ আৰু ৰাইজলৈ সেৱা জনাই ৰভাস্থলীৰ পৰা বিদায় লয়। ওজাপালিয়ে বহি বহি পদ গায় দেৱীক বিদায় দিয়ে। পুৰোহিতে দেৱীক বিসৰ্জন দিয়াৰ পিছত ঘট, প্ৰতিমা বা মজু উটুৱাবলৈ গৃহস্থ আৰু সমবেত ভক্তৰ লগত ওজাপালিয়ে ঢোল -তাল বজাই জলাশয়লৈ যাত্ৰা কৰে।

কামৰূপ জিলাৰ কামাখ্যা ধাম, শুৱালকুছি, গেৰুৱা,

পদৰীয়া, পাঁচগাঁও, দুধকুঁৰৰী থান, হুদুমদূৰ, গৰল, কববা বকুলৰ তল আদিত মনসা পূজা উপলক্ষে যি দেওধনি নৃত্য প্ৰদৰ্শন কৰা হয় তাত দেওধনি দুৰুষ। সেই অঞ্চলত দেওধনি দেওধা, দেৱধ্বনি বা দেউলা নামেৰে পৰিচিত। কোনো কোনো ঠাইত ঘোঁৰা বা জকিকোল।

'সাধাৰণতে কামাখ্যা, কালী, শীতলা, বগলা, ভৈৰৱী, চামুণ্ডা, তাৰা, শ্মশানকালী, চিন্নমস্তা, ভূবনেশ্বৰী, উগ্ৰতাৰা, মহাদেৱ, মহাৰাজ আৰু জলকুবেৰৰ ঘোঁৰাহে দেওধনি উৎসৱত দেখা যায়। প্ৰতিগৰাকী দেৱ-দেৱীৰ ঘোঁৰাই সেই দেৱ-দেৱীৰ গুণ, বৰ্ণ আৰু ভাৱ প্ৰকাশক পোছাক-পৰিচ্ছদ আৰু অয়-অলংকাৰ আদি পৰিধান কৰে আৰু তেনেধৰণৰ আয়ুধাদি ধাৰণ কৰে। দেওধা বা ঘোঁৰাবিলাকে নিজ নিজ দেৱ-দেৱীৰ লক্ষণ আৰু গুণৰ লগত যথাসম্ভৱ মিল ৰাখি সাধাৰণ নৃত্য-ভংগীও প্ৰদৰ্শন কৰে।' বিশেষ ধৰণৰ পৰীক্ষা আদিৰে ঘোঁৰা বা দেওধা নিৰ্বাচন কৰা হয়। দেওধা, দেউলা বা দেওধনিয়ে কিছুমান অলৌকিক শক্তিও প্ৰদৰ্শন কৰে।

দৰঙৰ দেওধনি আৰু কামৰূপৰ দেওধা, দেওধনি বা দেউলাৰ নৃত্য ভংগীমাৰ সাদৃশ্য নাই।

দৰঙৰ দেওধনি নৃত্যত ওজাপালিৰ ভূমিকা গুৰুত্বপূৰ্ণ। কিন্তু কামৰূপৰ দেওধনি নৃত্যত ঢুলীয়াইহে ভূমিকা গ্ৰহণ কৰে। ঢুলীয়া ওজাপালিৰ দলৰ সদস্য নহ'বও পাৰে। ঢোলৰ চেওবোৰো সুকীয়া।

ওদালগুৰি বি.টি.এ.ডি. জিলাৰ ওদোল মন্দিৰত ব'হাগ মাহৰ ১৩ আৰু ১৪ তাৰিখে ৰাজহুৱা মনসা পূজা অনুষ্ঠিত হয়। প্ৰবাদ মতে এই অঞ্চলত বেউলাই জন্মগ্ৰহণ কৰিছিল। দৰঙৰ পমাবনাৰৰ পদ্মাথানত ৰাজহুৱা মনসা পূজা হয়। বৰ্তমান কোনো কোনো অঞ্চলত ৰাজহুৱা মনসা পূজা হয় যদিও ঘৰুৱাভাৱে মনসা পূজাৰ প্ৰচলন অধিক।

সুকনানি ওজাপালিয়ে পৰিৱেশন কৰা সঙ্গীতত ব্যাস ওজাপালিৰ প্ৰভাৱ লক্ষ্য কৰা যায়। সেয়েহে সুকনানি ওজাপালিয়ে শ্ৰী, মল্লাৰ, ভৈৰৱী, মালগৰা, পতমঞ্জৰী, ধনশ্ৰী, ৰামগিৰি, বৰাৰি, গান্ধাৰ ভাটিয়ালী, নাট ঝুলনা আদিৰ ৰাগ-ৰাগিনীৰ পদ গায়। অৱশ্যে ব্যাস ওজাপালিয়ে কোনো এটা ৰাগ পৰিৱেশন কৰাৰ আগেয়ে সেই ৰাগৰ মালিতা গায়, সুকনানি ওজাপালিত সেই পৰম্পৰা নাই যদিও পূজাৰ প্ৰসঙ্গত দুই এটা ৰাগৰ মালিতা গায়।

সাংগীতিক দিশৰ অন্য উপাদান নৃত্য বা নাচন (মৈৰা নাচন, পাৰোৱা ঘূৰণী, ৰূপহী, খৰকা, ভেকুলী নাচন, লেচাৰী নাচন, উঘা ঘূৰেণী, কঁকাল ভঙা আদি) গতি বা বুলন ( মৈৰা বুলন, হস্তী বুলন, ঘোঁৰা বুলন, ভেকুলী বুলন, ধুদুলী বুলন), মুদ্ৰা বা হস্ত আদিৰ গুৰুত্ব পূৰ্ণমাত্ৰাই দেখা যায়।

মনসা বিষয়ক মিঘ আৰু মনসা বিষয়ক গীত পদ অকল অসমতে নহয় ভাৰতবৰ্ষৰ বিভিন্ন স্থানত দেখা যায়। নানাধৰণৰ বিশ্বাস আৰু পৰম্পৰাৰে বিভিন্ন ধৰণৰ দৃশ্য শ্ৰব্য অনুস্থানো ইয়াৰ লগত জড়িত হৈ পৰিছে। অঞ্চল ভেদে ইয়াৰ পাৰ্থক্য থকা যেন লাগিলেও মূলতঃ মনসাৰ শুভ দৃষ্টি কামনা ইয়াৰ মূল উদ্দেশ্য।○○


প্ৰসংগ পুথি—

অতুল চন্দ্ৰ বৰুৱা ঃ মনসা কাব্য আৰু ওজাপালি।

নবীন চন্দ্ৰ শৰ্মা ঃ অসমৰ পৰিৱেশ্য কলা ওজাপালি

সত্যেন্দ্ৰ নাথ শৰ্মা ঃ মনসা কাব্য (সঃ পদ্মাপুৰাণঃ ভাটিয়ালী খণ্ড)

দৈৱচন্দ্ৰ তালুকদাৰ (সম্পাদিত) সুকনানী ঃ পদ্মাৱতী


- মই কেৱল একেটা কথাকে জানো, সেয়া হ'ল মই একো নাজানো। -চক্ৰেটিছ
- ভুল আঁতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য। -চক্ৰেটিছ
- শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা কিন্তু ইয়াৰ ফলাফল বৰ সোৱাদ। -এৰিষ্ট'টল
- যেতিয়ালৈকে মানৱ আত্মাক শক্তিশালী কৰিব নোৱাৰি, তেতিয়ালৈকে শিক্ষাও সম্পূৰ্ণ নহয়। -মহাত্মা গান্ধী
- অতি সাধু হোৱা বিপদজনক। -বাণাৰ্ডশ্ব

# দৰঙী লোক সাহিত্যৰ নান্দনিক সম্পদ ঃ বিয়াপদ

✍ জয়ন্ত ডেকা
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

অসমৰ প্ৰাচীন লোক নাট্য অনুষ্ঠানৰূপে বৰ্তমানলৈ প্ৰচলিত ওজাপালি সংগীতৰ পীঠ দৰং! এখন ঐতিহ্যপূৰ্ণ সংস্কৃতিবান সমৃদ্ধিশালী স্থান ৰূপে অতীজৰে পৰা দৰঙৰ এটা সুকীয়া চিনাকি আছে। দৰঙৰ সংস্কৃতিৰ বৰপেৰালৈ চকু দিলে দেখা পাওঁ যে, লোক সাহিত্য-সংস্কৃতিৰ অমূল্য সম্পদসমূহেৰে নদন-বদন। ঘাইকৈ কৃষিজীৱি সমাজৰ পৰা আৰম্ভ কৰি আঢ্যবন্ত সমাজলৈ লোক-সাহিত্যৰ চাপ প্ৰৱাহ মান গতিত বৈ থকা দেখা পাওঁ। দৰঙত প্ৰচলিত লোক সাহিত্যৰ সমলবোৰৰ ভিতৰত সুকন্নানী ওজাপালি, বিয়াহৰ ওজাপালি, 'চিয়াগীত', 'নাঙেলীগীত', ঢুলীয়া-খুলীয়া আদিৰ লগতে আইনাম, বিয়ানাম আদি উল্লেখনীয়।

আমাৰ আলোচ্য বিষয়লৈ লক্ষ্য কৰিলে দেখা পাম যে, দৰঙী বিয়াপদে লোক-সাহিত্যৰ ভেটিত কিদৰে সোণত সুৱগা চৰায় আছে। 'বিয়া' হৈছে যৌৱনাস্থাৰ চৰম সুখৰ অনুভূতিৰ পূৰ্ণতা দিয়াৰ ফলস্বৰূপতে পতা সামাজিক ৰীতি-নীতি সম্পন্ন উৎসৱ। 'বিয়া' বা বিবাহৰ জৰিয়তে এহাল পৈনত ডেকা-গাভৰুক সামাজিক লোকাচাৰেৰে সাংসাৰিক জীৱনৰ দায়িত্ব দিয়া হয়। শাস্ত্ৰীয় নিয়মানুসাৰে বিবাহ আঠ প্ৰকাৰৰ যেনে— ব্ৰাহ্মণ, দৈব্য, আৰ্য, প্ৰজাপত্য, আসুৰ, গান্ধৰ্ব, ৰাক্ষস আৰু পৈশাচ। হিন্দু সমাজত ঘাইকৈ প্ৰজাপত্য বিবাহৰ সমাদৰ হেছি। বিবাহ অনুষ্ঠান একেলগে দৰা আৰু কইনাৰ ঘৰত অনুষ্ঠিত হয়। বিবাহৰ লগত সংপৃদ্ধ মূল কাৰ্যতো সমাপন কৰা হয় কইনাৰ ঘৰত। বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা বিয়াপদসমূহত নাৰী মনৰ সুখ-দুখ, হাঁহি-চকুলো, বিচ্ছেদ-কৰুণা, মিলন আৰু অনাগত বৈবাহিক আকাংক্ষা প্ৰতিফলিত হয়। বিয়াপদসমূহৰ মাজত এক সাংসাৰিক জীৱনৰ প্ৰতীকময়তাৰ ৰূপ এটা দেখিবলৈ পোৱা যায়। এই বিয়াপদসমূহে অনুষ্ঠানটিক অন্য এক মাত্ৰা দান কৰি আহিছে। বিয়াপদ কেইবা প্ৰকাৰে গোৱা হয়, সেইবোৰক এনেধৰণে ভাগ কৰা হৈছে; যেনে— পানীতোলা পদ, সুৱাগতোলা পদ, সুৱাগঝাৰা পদ, নখ কটোৱা পদ, তেলভোজনীৰ পদ, দৰা-কইনা ধুওৱা পদ, বৰযাত্ৰাৰ পদ, বৰযাত্ৰীয়ে বাটত গোৱা পদ, বৰ আগবঢ়োৱা পদ, কইনা হোমৰ গুৰিত বহা পদ, মিতাবন্ধা পদ, আখৈ তোলা পদ, বিভিন্নজনক নিন্দা কৰি গোৱা গীত নিন্দা পদ, ইত্যাদি। দৰঙৰ বিবাহ অনুষ্ঠানত পৰিৱেশন কৰা 'বিয়াপদ' সমূহ অসমৰ অন্যান্য ঠাইসমূহৰ বিয়াগীতসমূহতকৈ সুকীয়া বৈশিষ্ট্যৰে সুষমা মণ্ডিত। সেয়ে 'দৰঙৰ' বিয়া পদসমূহে লোক সাহিত্যৰ ভঁৰালত অন্য এক ৰূপত জিলিকি আছে। 'বিয়া পদ'সমূহক ভাগ ভাগ কৰি আলোচনা কৰিলে দেখিম যে তাৰ স্বকীয়তা।

পানীতোলা পদ ঃ

বিবাহৰ লগত জড়িত এক মাঙ্গলিক ক্ৰিয়াদি কাৰ্য 'পানীতোলা'। এই পানীতোলা প্ৰক্ৰিয়াটোক কেন্দ্ৰ কৰি অতীজৰে পৰা নানা-বিশ্বাস পৰম্পৰা চলি আহিছে। বিবাহৰ দিনা আয়তীসকলে হাতত মাটিৰ পাত্ৰ (ঘাট) লৈ নিকটৱৰ্তী পুখুৰী-নদী আদিলৈ পানী তুলিবলৈ যায়। পানী আনিবলৈ যাওঁতে আয়তীসকলৰ মুখত বিয়াপদৰ জাউৰি উঠে। এই পানীতোলা পদবোৰ এজনে লগাই দিয়ে বাকীসকলে ধৰে।

পদবোৰৰ মাজত নাৰী মনৰ এক নৈসৰ্গিক ছবি ফুটি ওলাই এনেদৰে—

'ভাল ভাল বাচি লোৱা হৰি এ
ফুল হন কলচী হৰি এ, জয় হৰি এ
দহোঘৰৰ দহোটা হৰি এ,
ওলালে আয়তী জয় হৰি এ।'

আনহাতে পানী তুলিবলৈ যাওঁতে পূৰ্ণ বয়স্কা আয়তীসকলে যোড়শী জাকৰ চঞ্চল মনক কেন্দ্ৰ কৰি কিছুমান পদ গায় এনেদৰে—

ফুল চন্দন তুলসী, ফুল চন্দন তুলসী।
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলসী।।
লাই হালে জালে ফুল চন্দন তুলসী।
আবেলি বতাহে ফুল চন্দন তুলসী।।
ভৰিল নে নভৰিল ৰাধা তোমাৰ কলসী।

পানী তুলি উভতি আহোতে আয়তীসকলে দৰা-কইনাৰ ৰূপৰ বৰ্ণনা গীত পদসমূহৰ মাজেৰে প্ৰকাশ কৰে। কিছুমান পদত দৰা-কইনাৰ মাকক ব্যঙ্গ কৰাওঁ দেখা পোৱা যায়। এই পদসমূহে পানীতোলা পদসমূহক হাস্য ৰসাত্মক কৰিও তোলা দেখা গৈছে এনেদৰে—

সোল্কা কটাৰী বেচা মাছ ৰাম হৰি এ হে
কইনাৰ মাকক বেছ ৰাম হৰি এ হে।।
বোলে নালগেই ৰাম হৰি হে।
মাছ বেচ্‌বা নাজানেই ৰাম হৰি এ হে।।

বাচা কি ব'ল হৰি ব'ল, ভালে হ'ল।।
কইনাৰ মাক মাতে মিঠা ৰাম হৰি এ হে।
হাগ্‌বা বহি চোবৰেই পিঠা ৰাম হৰি এ হে।।
হাগ্‌বা বহি লোৰেই খৰি ৰাম হৰি এ হে।।

**দৰা-কইনা ধুওৱা পদ ঃ**

দিনতে তুলি থোৱা পানীৰে বিবাহৰ দিনা নিশা দৰা-কইনাক ধুওৱা হয়। সন্ধিয়া আহি পৰাৰ লগে লগে দৰা-কইনাৰ আত্মীয় বৌৱেকে ভনীয়েক, জীয়াৰী-বোৱাৰী আদি ব্যস্ত হৈ পৰে। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে দৰা-কইনাৰ নিকাত্মীয়সকলেই ধুওৱা কাৰ্য সমাপন কৰে যদিও সৰ্গভা নাৰীয়ে অংশ নলয়। কলগছ এডালৰ তলত সন্ধিয়া দৰা-কইনা ধুওৱাৰ সময়ত আয়তীসকলৰ মুখত জাউৰিয়ে জাউৰিয়ে ৰূপ-গুণ, দৰা-কইনাৰ মনত আনন্দ, সংশয় আৰু ধুৰেতী গৰাকীক কৰা ব্যঙ্গতাৰ ছবি এখনো ফুটি ওলাই, এনেদৰে—

কল পুলি পুতিবলৈ কোনে দিলা চিঠি এ
জালুকবাৰী কলডেনী কাটিলা পটুৱা এ
তাতে তুলি ধুৱাৱেই হাজোৰে নটুৱা এ
এ মাহে মুৰত দিয়া।
এ হালধি ভৰিত দিয়া।

কইনা সজোৱাৰ আগতে ম'হৰ শিঙৰ ফণিৰে মূৰ ফণিওৱা, নখ কটোৱা আদি কৰা হয়। নখ কটোৱাৰ সময়ত আয়তীসকলে বেজ বা নাপিতজনক তাচ্ছিল্য কৰি কিছুমান পদ গায় এনেদৰে—

পশ্চিমফালৰ পৰা বেজটো আহিছে
ঢেকুৰা কুকুৰত উঠিহে,
ঢেকুৰা বপুৰাই দিলা মুৰত মুতি
বিৰিণাৰ চেপা যেন দেখিহে।

**সুৱাগ তোলা পদ ঃ**

দৰা-কইনাক ধুওৱাৰ পিছত সজোৱা হয়। সাধাৰণতে সজোৱাৰ পিছত সুৱাগ তোলা হয়। দৰা ঘৰত ৰাতি আৰু কইনা ঘৰত বৰযাত্ৰী আহি পোৱাৰ আগে আগে সুৱাগ তোলা হয়। সুৱাগ তোলা সময়ত পুৰুষৰ প্ৰৱেশ নিষেধ।

সুৱাগ তোলা সময়ত আয়তীসকলৰ মুখত এনেদৰে পদৰ জাউৰি উঠে—

সুৱাগ তুলিবলৈ কি কি লাগে এ, হৰি এ
কইনাৰ মাকক কৌ জয় হৰি এ।।
ভাখেৰিৰ দুৱাৰ মুখতে আছে কপাহ গুটি
তাৰে একমুঠি লৌ জয় হৰি এ।
চালতে আছে চালৰে খৰিকা।
তাৰো তিনি মুঠি লৌ জয় হৰি এ।
বাটতে আছে দুবেৰি এ।
তাৰো একমুঠা লৌ জয় হৰি এ।

**বৰযাত্ৰী পদঃ**

বিবাহৰ দিনা নিশা দৰা সমাজ এখনক লগত লৈ কইনাৰ ঘৰলৈ যাবলৈ আগবাঢ়ে। সেই সময়তে আয়তীসকলে উৰুলিকৃতৰে নাম পদ গায় এনেদৰে—

বিবাহৰ কাৰণে ওলেলি ডেকা দেউ এ।
অ' হৰি মোৰ দেউতাকক নমস্কাৰ কৰি এ।।
দেউতাকে উঠিয়ে হুধ্বেনি বোলাৰে।
মোৰ বাছা বিবাহে যায় এ।।
বিবাহৰ কাৰণে ওলেলি ডেকা দেউ এ।
অ' হৰি মোৰ মাকক নমস্কাৰ কৰি এ।।
মাকে উঠিয়ে হুধ্বনি বোলাৰে।
মোৰ বাছা বিবাহে যায় এ।।
বিবাহৰ কাৰণে ওলেলি ডেকা দেউ এ।
অ' হৰি মোৰ ৰাইজক নমস্কাৰ কৰি এ।।
আগতো ঢুলিৰেই পাছতো কালিয়েই।
মাজতে ডেকা দেউ যায় এ।।

**দৰা আগবঢ়োৱা পদ ঃ**

দৰা গৈ কইনা ঘৰত উপস্থিত হোৱাৰ লগে লগে দৰা আগবঢ়াবলৈ কইনাৰ মাক আগবাঢ়ি আহে। কইনাৰ মাক পদুলিমুখলৈ আগবাঢ়ি আহোতেই গীত-পদৰ জাউৰি উঠে এনেদৰে —

বেতৰে শিহেনী, কি কচ্ছা বিয়েনী ঐ ৰাম
জৰাৰে নঙলাত ৰয়।
আগবঢ়াবলৈ মইৰাৰ বিচেনী
অ' ৰাম ভৰি ধুৱাবলৈ পানীহে
ভৰিত দিয়া কল গাখীৰ
মাথাত দিয়া মালা
দোলেনিৰ চাউল চিটেই
আগবঢ়াই নিয়া।

**কইনা হোমৰ গুৰিত বহোৱা পদ ঃ**

বিবাহৰ মূল কাৰ্য সমাপন কৰিবলৈ আগবঢ়াৰ লগে লগে কইনাক সজাই আনি হোমৰ গুৰিত বহোৱা হয়। তেতিয়া পুৰোহিতে ৰোদোজ মংগল ধনি উচ্চাৰণ কৰি বিবাহ কাৰ্য আগবঢ়াই লৈ যায়। আয়তীসকলে দৰা-কইনাক জীৱনৰ সাংসাৰিক দায়বদ্ধতা, নাৰী মনৰ কাৰুণ্যতা আৰু সৌভাগ্যৰ বৰ্ণনা সূচক কিছুমান গীত-পদ গায় এনেদৰে —

দেখ সখীহে এ ওপৰতে ৰভা।
চন্দ্ৰ সূৰ্য নমাই আনি পাতিবেক সভা।।
ওচৰতে দণ্ড ছত্ৰ এ তলে সিংহাখন।
তাৰ মাজে বহি আছে ৰাজা দুৰ্যোধন।।
ৰুক্মিনীয়ে বোলে প্ৰভু এ আহা শীঘ্ৰ কৰি।
শিশুপাল ৰাজাৰ মই ছাঁয়াত নেদো ভৰি।
ৰুক্মিনীয়ে বোলে সখী কপাল বৰ ভাল।
আহি পালে বেদনিধি আহিলে গোপাল।।
ৰুক্মিনীয়ে বোলে গুৰু কিয় ইমান দেৰী।
কৃষ্ণই বোলে প্ৰাণেশ্বৰী নহওঁ স্বতন্ত্ৰী।।

সকলোৰে জীৱনৰ যৌৱনৰ বসন্তত এবাৰ হ'লেও প্ৰেমৰ মাদকতা লাভ কৰে। এই প্ৰেমৰ মাদকতাতে কিছুমানে সপোন দেখে—

'তোৰো মনে গ'লে, মোৰো মনে গ'লে সংসাৰখন পাতিম।'

কিন্তু সকলো সপোন জানো বাস্তৱ হয়?

ঠিক তেনেকুৱা প্ৰেমিক ব্যথা হৃদয়ৰ বৰ্ণনা বিয়াপদত এনেদৰে কৰিছে —

দিহা ঃ নানা দুখে প্ৰাণেশ্বৰী পালিলো তোমাক
মাধৱক স্বামী পাই এ তেজিলি আমাক
পদ ঃ মাছ বাছি কাছ বাছি বেৰতে থলো
মাহ হালধি বৰণ যেন আইদেউৰ গা।
কাপোৰ কাছে খোপাতে বান্ধে জয় মালতী ফুল।
গুৱালিনী গাখীৰ মথেই শিৰতে সিন্দুৰ ।।
ৰুকুনীয়ে বোলে সখী মোৰ কপাল নহয় ভাল।
নাহিলেক বেদনিধি নাহিলে গোপাল।।
ৰুকুনীয়ে বোলে সখী মোৰ কপালত জেঠী।
দহো আঙুলিতে জ্বলেই বাৰীৰে আঙঠি।।
সিন্দুৰৰে দগৌ মগৌ কাজলৰে ৰেখা।
বিজুলী চমকে আহি দিছে কৃষ্ণই দেখা।।

দৰঙী বিয়াপদৰ আন এটি উল্লেখনীয় বৈশিষ্ট্য হ'ল নিন্দা পদসমূহ। অসমৰ উজনি বা বাকী অঞ্চলসমূহতকৈ সম্পূৰ্ণ পৃথক 'বিয়াপদ'ৰ নিন্দা পদ সমূহ এনেধৰণৰ —

বাইৰে বায়েকে কাপোৰ দি খেদালা,
কাপোৰ কি বৰুৱা তয়ে ডাঙাৰ মানুহ?
বাইৰে বায়াকে মেখেলা দি খেদালা
মেখেলা কি বৰুৱা তয়ে ডাঙাৰ মানুহ?

কিছুমান নিন্দাপদত বিয়াৰ ব্ৰাহ্মণ পুৰোহিতজনক উদ্দেশ্য কৰি গোৱা হয়। পুৰোহিতক ব্যঙ্গ কৰি গোৱা নিন্দাপদ এটা এনেধৰণৰ —

অইনৰ বামুণ লেটৌ পেটৌ
আমাৰ বামুণ ভাল,
দোনেৰীৰ চাউল গাজি
থিয়াই মাৰেই গাল।
বৰ দলৰ মকুৰা বামুণটো খকুৰা
পিঠা খাওঁ পিঠা খাওঁ কৰেই
পিঠা খাৱা মুখতে ঝামালেই কামোৰেই
আইধৰ বাইধৰ কৰেই।
বামুণ পৰিল বামুণ পৰিল
বামুণ পৰিল খালত
বামুণী বিচেৰবা লাগ্‌ছি
পত্নী ভাতৰ তলত।

আয়তীসকলে দৰা-কইনাক নিন্দা কৰিও কিছুমান নিন্দাপদ গায় এনেদৰে —

ধানকোচা ৰইনা
ধানকোচা ৰইনা,
বগা দৰা দেখা পাই
নাকান্দে কইনা

উৰাজাহাজ উৰেই যায়
উৰাজাহাজ উৰেই যায়
ভাল কইনা পাই ফেলে
দৰাৰ মুখত মাত নাই।

বিবাহ অনুষ্ঠান কাৰ্যত মাজনিশা কইনা আৰু দৰা উভয় পক্ষৰ উপস্থিত বুদ্ধি সম্পন্না আয়তীসকলৰ মুখত নিন্দা পদৰ জাউৰি উঠে এনেদৰে —

কইনাঘৰীয়া আয়তী ঃ
অ' চৰেতীয়া অ' চৰেতীয়া
মুখত চেনাকচু ভৰেই দিম এতিয়া।
বৰ মাৰেহঁতক অ' চৰেতীয়া,
মুখত চেনাকচু ভৰেই দিম এতিয়া।।

দৰাঘৰীয়া আয়তী ঃ

অ' লাল চাহ, অ' লাল চাহ
চেনাকচু ভৰেই দিবাৰ কাৰ আছেই সাহ?
অ' কাঁহৰ বাটি, অ' কাঁহৰ বাটি
আমাক নিন্দা কৰা কোন চাল্লিৰ বেটী।

দৰঙী হিন্দু সমাজৰ দৰে মুছলমান সমাজৰো বিবাহ অনুষ্ঠানত 'বিয়াপদ'ৰ প্ৰচুৰ পয়োভৰ আছে। মুছলমান সমাজৰ বিয়াপদৰ উল্লিখন এনেকুৱা ধৰণৰ —

এ বুল বুল ইফালে কলবাৰী
এ বুল বুল সিফালে কলবাৰী
মাজেদি জাপানীৰ আলি বুল বুল
মালে মদিনা
এ বুল বুল জাপানীৰ আলি দি
এ বুল বুল মটৰ আহিছে
মটৰৰ ভিতাৰে কিয়ে বুল বুল
মালে মদিনা।
এ বুল বুল মটৰৰ ভিতাৰে
এ বুল বুল বাকোচ আনিছে
বাকোচৰ ভিতৰে কিয়ে বুল বুল
মালে মদিনা।

উল্লেখিত বিয়াপদসমূহে ইয়াকে চানেকি দিয়ে যে দৰঙী লোক সাহিত্যৰ ভঁৰালত অনুপম সম্পদ ৰূপে জিলিকি আছে। এইখিনিতে ভাবিবলগীয়া কথা যে, কেইজনমান গৱেষকে এই গীত-পদসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰিছে যদিও যিবোৰ 'পদ' এতিয়াও জনজীৱনৰ দৈনন্দিনত প্ৰচলিত হৈ আছে সেইবোৰকো বুটলি আনি সংৰক্ষণৰ ব্যৱস্থা কৰা উচিত। আলোচনা চমুৱাই ক'ব পাৰি যে 'বিয়াপদ'সমূহে লোক-সাহিত্যৰ ভঁৰালত এক আকৰ্ষণীয় বৈভৱৰূপে সমাদৃত হৈ আহিছে।○○

প্ৰসঙ্গ পুথি ঃ—
ক) 'দৰঙী লোক-গীতি সংগ্ৰহ' ঃ ড° কনক চন্দ্ৰ চহৰীয়া (সম্পাদনা), ২০০৫
খ) 'দৰঙী লোক-সাহিত্যৰ ৰূপৰেখা' ঃ ড° কনক চন্দ্ৰ চহৰীয়া, অসম প্ৰকাশন পৰিষদ, ২০০৮

# সাম্প্ৰতিক অসমীয়া সাহিত্য ঃ ন - লিখাৰুৰ সমস্যা

✍ প্ৰণৱ জ্যোতি নাথ
স্নাতক ১ম বৰ্ষ, কলা

কিছু বছৰৰ সাহিত্যৰ তুলনাত সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্যৰ এটা উল্লেখযোগ্য পৰিৱৰ্তন সহজেই চকুত পৰে। সেইটো হৈছে অসমীয়া কিতাপৰ আপেক্ষিক প্ৰাচুৰ্য। কিছু বছৰৰ আগলৈকে যি দুই চাৰিখন কিতাপে পাঠকৰ ওচৰ চাপিছিল সেইবোৰৰ সাজ-সজ্জা আৰু চেহেৰা ইমান দৈন্য-দশা পীড়িত আছিল যে কিতাপৰ দোকানত অন্যান্য সাহিত্যৰ লগত চুকে-কোনে মুখ লুকাই থাকিবলগীয়া হৈছিল। কিন্তু এতিয়া পট্-পৰিৱৰ্তন ঘটিছে, কিতাপৰ দোকানবোৰত বিবিধ মনোৰম অংগ-সজ্জাৰে শোভিত কিতাপে গ্ৰন্থ প্ৰেমীসকলক আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে তথাপিও ভাৰতৰ আন-প্ৰাদেশিক সাহিত্যৰ তুলনাত সাম্প্ৰতিক অসমীয়া ভাষাত প্ৰকাশিত ভিন্ন-ৰুচি সম্পন্ন সাহিত্যৰ সংখ্যা নিচেই তাকৰ।অসমীয়া সাহিত্যৰ এই কাৰুণ্যতাৰ কাৰণ কেইবাটাও, সেই বিষয়ে কিছু আলচ এই লেখাৰ জৰিয়তে কৰিবলৈ চেষ্টা চলোৱা হ'ল—

যিকোনো সাহিত্যৰ বিকাশ আৰু সমৃদ্ধি বিশেষকৈ নিৰ্ভৰশীল হয় এখন বহল পাঠক সমাজৰ ওপৰত। সাহিত্যই তাৰ প্ৰাণ-ৰস আহৰণ কৰে পাঠকৰ চিত্তভূমিৰ পৰাহে। কেৱল মাষ্টাৰপিচ্ জাতীয় সাহিত্যই পাঠকৰ সংখ্যা বৃদ্ধি কৰিব নোৱাৰে। বিভিন্ন প্ৰকাৰৰ পাঠকৰ ৰূপ তৃষ্ণা নিবাৰিত কৰিবলৈ বিভিন্ন প্ৰকাৰৰ সাহিত্যৰ প্ৰয়োজন। আমাৰ সকলোৰে জ্ঞাত যে ইংৰাজী সাহিত্যৰ বিশ্বব্যাপী প্ৰসাৰৰ মূল হৈছে অষ্টাদশ শতিকাৰ নিম্ন ৰুচিৰ লঘু উপন্যাসবোৰহে, যিবোৰ এই সাহিত্যৰ এটা বহল পাঠক সমাজ গঢ়াত অৱদান আগবঢ়াইছিল। দুখৰ কথা যে অসমীয়া সাহিত্যত বিভিন্ন প্ৰকাৰৰ লোকৰ ৰুচিৰে যোগান ধৰিব পৰা কিতাপৰ যথেষ্ট অভাৱ আছে। ফলত বুজন সংখ্যক পাঠকৰ অভাৱত অসমীয়া সাহিত্যৰ ভেটিটোত অতিশয় নিশকতীয়া হৈ গৈছে। সাহিত্যিক সকলে এতিয়াও সাহিত্য সেৱাক প্ৰফেশ্যন হিচাবে ল'ব নোৱাৰাটোও সাম্প্ৰতিক অসমীয়া সাহিত্যৰ দাৰিদ্ৰতাৰ মূল কাৰণ। এইখিনি চমৰচেট সমৰ কথাষাৰি উনুকিওৱাটো তাৎপৰ্যপূৰ্ণ যে সাহিত্যিক প্ৰফেশ্যন হিচাবে ল'ব নোৱাৰালৈকে সাহিত্যৰ প্ৰকৃত বিকাশ সম্ভৱ নহয়।প্ৰফেনিলিজমৰ সূচনাৰ প্ৰতিবন্ধকতাৰ বাবে প্ৰধানকৈ জগৰীয়াৰ পাত্ৰ প্ৰকাশন

গোষ্ঠী। যিকোনো লেখকৰ কিতাপ এখন ধুনীয়া সাজ-সজ্জা নিখুঁত পৰিকল্পনাৰে পাঠকৰ মাজলৈ লৈ যোৱাত প্ৰকাশকৰ ভূমিকাই সৰ্বাধিক। কিন্তু দেখা যায় যে এতিয়াও অসমীয়া সাহিত্যত গ্ৰন্থ প্ৰকাশন কাৰ্য চালুকীয়া অৱস্থাতে আছে। যিকেইটা গোষ্ঠী ওলাই আহিছে তেওঁলোকে কেৱল স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি আৰু সহায়ক পুথি আদি প্ৰকাশ কৰাৰ কামতেই সম্পূৰ্ণ ৰূপে ব্যস্ত থাকে। সৃষ্টিমূলক লেখা, গল্প-উপন্যাস তথা সমালোচনা সাহিত্য প্ৰকাশৰ কাৰণে পিঠি দিয়া দেখা যায় আৰু যদিও কেতিয়াবা আগ্ৰহ দেখুৱাই তাত নামী-দামী লেখক-লেখিকাৰ কিতাপ কেইখনমানহে প্ৰাধান্য পায়।ভালদৰে যদি জুমি চাও দেখা যায় যে অসমত গ্ৰন্থ প্ৰকাশক সকলে বিশেষকৈ চৈয়দ আব্দুল মালিক, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা, প্ৰয়াত ভবেন্দ্ৰ নাথ শইকীয়া দেৰৰ দৰে প্ৰতিস্থিত লেখক সকলৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে আৰু সেই হেতুকে সাংবাদিক সকলৰ বাহিৰে সৃজনী মূলক লিখনিৰে জীৱিকা অৰ্জন কৰাৰ কথা ভবাটো আজিৰ আমাৰ ৰাজ্যত পৰ্বতত কাছৰ কণী বিচৰাৰ দৰে কথা।

দ্বিতীয় উল্লেখযোগ্য সমস্যাটো হ'ল ন-লিখাৰুৰ সমস্যা। নিম্ন ৰুচিৰ লঘু উপন্যাসৰ জন্ম হয় ন লিখাৰুৰ পৰাহে, প্ৰতিস্থিত লেখকৰ দ্বাৰা নহয়। দেখা যায় মুষ্টিমেয় কেইজনমানৰ বাহিৰে বেছি সংখ্যক ন-লিখাৰুৰ ভাগ্যত ঘটিছে প্ৰকাশকৰ প্ৰত্যাখ্যান, নিৰুৎসাহ, অভদ্ৰোচিত আচৰণ। কেতিয়াবা নতুন লিখকসকলক নিৰুৎসাহ কৰা হৈছে। কেতিয়াবা প্ৰত্যাখান কৰা হৈছে।

কেতিয়াবা প্ৰকাশ কৰিম বুলি বছৰৰ পিছত বছৰ আশাদি অৱশেষত হেৰুৱাই পেলাইছে কষ্ট উপাৰ্জিত পাণ্ডুলিপি। যি দুই-চাৰিখন কিতাপ প্ৰকাশ কৰা হৈছে তেওঁৰ ৰয়েল্টী হিচাবে এপইচাও পোৱা নাই। এনেদৰে প্ৰৱঞ্চনাৰ বলি হৈ নতুন লিখকে লেখা-মেলা পেৰাৰ এচুকত সোমাই থৈ বজাৰত শাক-পাচলি দুমুঠিমান আগত লৈ বহিব লগা অৱস্থা হৈছে।

ন-লিখাৰু সকল মুখা-মুখি হোৱা দ্বিতীয় সমস্যাটো হ'ল সাহিত্যৰ সাম্প্ৰতিক ধাৰাটোত সাধনাৰ লব্ধ গভীৰতাতকৈ খ্যাত আৰু সংখ্যাৰ ওপৰত দিয়া গুৰুত্ব। ফলত চিন্তামূলক কামতকৈ সহজ-সৰল, অনায়াসে টকা অনা, খ্যাতি অনাৰ প্ৰতিহে আগ্ৰহ বাঢ়িছে। সমাজৰ সৰ্বত্ৰ ক্ৰিয়াশীল দুৰ্নীতিয়ে এটি কুফল সাহিত্য সাধনাৰ মাজতো প্ৰতিফলিত হৈছে। তাৰ ফলত ছিৰিয়াছ সাহিত্য সাধনাৰ প্ৰতি আগ্ৰহী সকলেও কলম চলোৱাৰ প্ৰতি অন্তৰৰ তাগিদা অনুভৱ নকৰা হৈছে।

প্ৰতিষ্ঠিত লেখক সকলৰ পক্ষপাতমূলক মনোভাৱ আৰু নবীন লেখকক অৱদমনৰ ঘটনাৰ উদাহৰণ অসমীয়া সাহিত্যত অভাৱ নিশ্চয় নঘটিব। যিয়ে ন-লিখাৰুৰ অন্তৰত ফুলি উঠা ফুলপাহ চূৰ্ণ-বিচূৰ্ণ কৰাত ইন্ধন যোগাইছে।

সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ন-লিখাৰুসকলে এই সমস্যাৰ নিৰ্দিষ্ট সমাধান কৰিব লাগিব মূলতঃ দুটা উপায়েৰে নিজৰ লিখাৰ মান আৰু ৰুচি উন্নত কৰাৰ কৌশল ভালদৰে আয়ত্ত কৰি আৰু প্ৰকাশকে আশা কৰা স্তৰলৈ নিজৰ লিখা উন্নত কৰি আৰু দ্বিতীয়তে নিজে গ্ৰন্থ প্ৰণয়ন কৰিব লাগিলে প্ৰকাশনৰ কৌশল আয়ত্ব কৰা, নিশ্চয় এই দুটা অৱলম্বন কৰিলে সীমিত সংখ্যক লেখা-মেলা কৰা এই ন-লেখকৰ পৰা ভৱিষ্যত আন কিবা এটা আশা কৰিব পাৰিম। ষষ্ঠ দশকতে অসমীয়া সাহিত্যত এটা নতুন আন্দোলনৰ সুত্ৰপাত ঘটিছিল কিন্তু পৰিতাপৰ কথা আন্দোলনৰ পূৰ্ণ পৰিণতি নৌপাওঁতেই এই আন্দোলনৰ গতিবেগ নিঃশেষ হৈ গ'ল। বৰ্তমান যিকেইজন ন-লিখাৰু আগবাঢ়ি আহিছে আৰু যিসকলে লিখাৰ অদম্য হেঁপাহলৈ জীয়াই আছে তেওঁলোক ওলাই আহি হঠাৎ বালি চাপৰিৰ মাজত হেৰাই যাব ধৰা অসমীয়া সুঁতি উদ্ধাৰ কৰি এক আন্দোলনৰ সূত্ৰপাতৰ আৱশ্যকতা আহি পৰিছে। ন-প্ৰতিভাবোৰৰ সঠিক মূল্যায়ন, অনুপ্ৰেৰণা, গঠনমূলক সমালোচনাৰ প্ৰচেষ্টাৰে ন-যুগৰ সূচনা কৰাত চৰকাৰী প্ৰকাশন প্ৰতিস্থান 'অসম প্ৰকাশন পৰিষদ' 'সাহিত্য সভা'ৰ দৰে সামাজিক অনুষ্ঠানে মনোযোগ দিয়ক। লেখক, প্ৰকাশক, চৰকাৰৰ সদিচ্ছা আৰু পাঠক সমন্বয় সাধনাৰ বাবে সময় আহি পৰিছে। অসমীয়া সাহিত্য ন-যুগ এটাৰ সূত্ৰপাত ঘটোৱাবলৈ এটা সযত্ন অনুসন্ধানৰ বিষয় বুলি আমি ভাবো। OO

'ভাষা যেতিয়া অৰ্থেৰে ঠাহ খাই পৰে
তেতিয়াই সি মহৎ সাহিত্য হয়।'
—এজৰা পাউণ্ড

# ধৰ্মনিৰপেক্ষতা

✍ পৰেশ শৰ্মা
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ

'ধৰ্মনিৰপেক্ষতা' শব্দটো প্ৰথম পাশ্চাত্যৰ দেশবোৰতেই ব্যৱহৃত হয়, যেতিয়া চাৰ্চক ৰাষ্ট্ৰৰ পৰা পৃথক কৰা হয়। ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো প্ৰথম কাৰ্যকৰী কৰে ১৫ শ শতিকাত ইটালীত মেকিয়াভেলীয়ে, যেতিয়া তেওঁ ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰি দিয়ে। ১৮৪৬ জৰ্জ জে হলিয়কে (Jeorze J Holliyake) প্ৰথম এই শব্দটি উদ্ভাৱন কৰে। 'ধৰ্মনিৰপেক্ষ' শব্দটিয়ে ধৰ্মবিৰোধী নুবুজায়। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰক নিৰপেক্ষ ভূমিকা পালনৰ সুবিধা দিয়া হয়। বিশ্ববিখ্যাত দাৰ্শনিক পণ্ডিত ড° ৰাধাকৃষ্ণনে কৈছিল যে ধৰ্মনিৰপেক্ষতাই বুজায় আধ্যাত্মিক প্ৰমূল্যৰ সাৰ্বজনীনতা যাক মানুহে বিভিন্ন পদ্ধতিৰে বা নীতিৰে অনুসৰণ কৰে। ধৰ্মনিৰপেক্ষতাই ধৰ্মক সম্পূৰ্ণৰূপে নাকচ নকৰে। ই সকলো ধৰ্মৰ সহাৱস্থান কৰে।

ইজৰাইলত আৰৱ সংখ্যালঘুসকলক খ্ৰীষ্টান আৰু মুছলমান সকলো ধৰণৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে। এইটো অৱশ্যে বহু শতিকাজুৰি ইহুদিসকলে ইউৰোপৰ বিভেদৰ লাঞ্চনা ভোগ কৰাৰ প্ৰতিক্ৰিয়াৰ প্ৰকাশ। এনে ধৰণেৰে দেখা যায় যে, ইউৰোপৰ কিছুমান দেশত অনাখ্ৰীষ্টানসকলৰ প্ৰতি এতিয়াও বৈষম্যমূলক আচৰণ কৰা হয়। পাকিস্তানত ধৰ্মীয় সংখ্যালঘুসকলক সমানে ব্যৱহাৰ কৰা হয়। আফ্ৰিকাৰ কিছুমান দেশতো ধৰ্মবিদ্বেষ প্ৰত্যক্ষ কৰা হয়। আজিৰ বিশ্বত অৱশ্যে এনেধৰণৰ ধৰ্মীয় ভিত্তিত বৈষম্য কাম্য নহয়। ই অগণতান্ত্ৰিক আৰু অমানৱীয়।

মানুহক নিজেই নিজৰ ভাগ্য বিধাতা বুলি কোৱা হয়, অৰ্থাৎ মানুহে নিজেই নিজ কৰ্মৰ দ্বাৰা নিজৰ জীৱন গঢ়ি লব পাৰে। ভাগ্যক ধিয়াই থাকিলে মানুহে কেতিয়াও জীৱনত আগবাঢ়ি যাব নোৱাৰে। মাক্সে কৈছে যে, ধৰ্ম হ'ল জনগণৰ বাবে কানিৰ দৰে। ধৰ্মৰ দোহাই দি বা ধৰ্মত শৰণ লৈ মানুহে জীৱনৰ দুখ-কষ্ট পাহৰিব বিচাৰে। মানুহে কৰ্ম কৰিলে নিজৰ মূল চাহিদাবোৰ পূৰণ হ'ব আৰু তেতিয়াই মানুহে এটা সুখী জীৱন যাপন কৰিব পাৰিব। কিন্তু বহুত সময়ত দেখা যায় যে, কৰ্ম কৰিও বিভিন্ন কাৰণত মানুহে উন্নতি কৰিব নোৱাৰে। তেতিয়াই মানুহে ভাগ্যক ধিয়াই ধৰ্মৰ আশ্ৰয় লয়। ধৰ্মনিৰপেক্ষতাই এই সত্যক মানি লয়, গতিকে ধৰ্মনিৰপেক্ষতা ধৰ্মবিৰোধী নহয়। ইন্দিৰা গান্ধীয়েও কৈছিল যে, ধৰ্মনিৰপেক্ষতা এটা নিৰ্দিষ্ট ধৰ্মত নহয় আৰু ধৰ্ম সম্পৰ্কে উদাসীনো নহয়। ই সকলো ধৰ্মৰ প্ৰতি কেৱল সহিষ্ণুতাই নুবুজায়, কাৰ্যকৰী সন্মান দেখুওৱাও বুজায়। ধৰ্ম নোহোৱাকৈ এটা জাতিৰ কোনো ভৱিষ্যৎ নাথাকে। হাৰ্ভে কক্স (Harvey Cox) এওঁ কৈছে যে, ধৰ্মনিৰপেক্ষতাই ধৰ্মক আঁতৰত নাৰাখে, বৰঞ্চ ই সকলো ধৰ্মৰ শান্তিপূৰ্ণ সহঅৱস্থানহে বুজায়। ধৰ্মনিৰপক্ষতাৰ মূল কথা হ'ল ৰাষ্ট্ৰৰ ধৰ্ম সম্পৰ্কে একো কৰিবলগীয়া নাই।

প্ৰত্যেক ধৰ্মৰ মাজত কিছুমান আভ্যন্তৰীণ সমস্যা আছে। এতিয়াও ভাৰতবৰ্ষত দলিত শ্ৰেণীৰ লোকৰ কিছুমান মন্দিৰত প্ৰৱেশ নিষেধ। তিৰোতা মানুহক এতিয়াও বহু ধৰ্মীয় অনুস্থানত অংশগ্ৰহণ কৰিব নিদিয়ে। তিৰোতা মানুহক বহুত মন্দিৰ, নামঘৰ আদিত এতিয়াও সোমাব নিদিয়ে। ইছলাম ধৰ্মতো তিৰোতা মানুহৰ স্থান অতি নিম্ন। কিছুমান মছজিদত তিৰোতা মানুহৰ প্ৰৱেশ নিষেধ। ইছলাম ধৰ্মত ছিয়া আৰু ছুন্নী সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ হোৱা দেখা যায়। খ্ৰীষ্টধৰ্মত প্ৰটেষ্টান্ট আৰু কেথলিক সম্প্ৰদায়ৰ মাজত বিৰাট ব্যৱধান আৰু কাজিয়া। ভেটিকান চিটিৰ পোপ এতিয়াও ইংলেণ্ডলৈ যাব নোৱাৰে বা নাপায়, কাৰণ পোপ কেথলিক সম্প্ৰদায়ৰ আৰু ইংলেণ্ডৰ মানুহখিনি প্ৰ'টেষ্টান্ট সম্প্ৰদায়ৰ। এইদৰে দেখা যায় মূল ধৰ্ম কিছুমানত ধৰ্মৰ ভিতৰুৱা অৰিয়া-অৰি দেখা যায়।

ধৰ্মনিৰপেক্ষতাই সকলোবোৰ ধৰ্মীয় গোড়ামীৰ বিৰোধিতা কৰে। ধৰ্মনিৰপেক্ষতাই এটা আদৰ্শত মত দিয়ে যিয়ে এখন ধৰ্মনিৰপেক্ষ আৰু সকলো ধৰ্মৰ লোকৰ সহঅৱস্থান কৰা সমাজৰ সৃষ্টিৰ কামনা কৰে, য'ত আন্তঃধৰ্মৰ বা নিৰ্দিষ্ট ধৰ্মৰ আভ্যন্তৰীণ পন্থাবোৰৰ মাজত কোনো বিদ্বেষ নাথাকে।

ৰাষ্ট্ৰই যদি নিজাববীয়াকৈ কোনো ধৰ্মত অনুসৰণ বা পৃষ্টপোষকতা কৰে তেতিয়াহ'লে সেইখন ৰাষ্ট্ৰত ধৰ্মনিৰপেক্ষতাৰ নীতি কাৰ্যকৰী কৰা সহজ নহয়। ইংলেণ্ডত এতিয়াও এটা পৰম্পৰা আছে যে, কোনো কেথলিক পন্থাৰ লোক ইংলেণ্ডৰ ৰজা-ৰাণী হ'ব নোৱাৰিব। মধ্যপ্ৰাচ্য দেশবিলাকৰ বেছিভাগেই ধৰ্মীয় ৰাষ্ট্ৰ । পৃথিৱীত বহু দেশ আছে, য'ত ধৰ্মনিৰপেক্ষতাৰ নীতি দৃঢ়ভাৱে পালন কৰা হয়। ফ্ৰান্সত অলপতে চৰকাৰে এটি

নীতি ঘোষণা কৰিছে যে, তাত কোনো মুছলমান ছাত্ৰী বা মহিলাই স্কুল-কলেজলৈ অহা-যোৱা কৰোঁতে বোৰ্খা পিন্ধিব নোৱাৰিব। ধৰ্মৰিপেক্ষতাৰ পাশ্চাত্য ধাৰা মতে ৰাষ্ট্ৰযন্ত্ৰই ধৰ্মীয় কথাত হস্তক্ষেপ নকৰিব। আনহাতে ধৰ্মীয় অনুষ্ঠানেও ৰাষ্ট্ৰ পৰিচালনাৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰিব। এই ধাৰণাটোৰ নেতৃত্বত আছে মাৰ্কিন যুক্তৰাষ্ট্ৰ। পাশ্চাত্য ধাৰণা মতে স্বতন্ত্ৰতা আৰু সমতা ব্যক্তিগত কথা। সম্প্ৰদায় ভিত্তিত স্বতন্ত্ৰতা সমতা থাকিব নোৱাৰে।

ধৰ্মনিৰপেক্ষতাৰ ভাৰতীয় ধাৰণাটো পাশ্চাত্য ধাৰণাৰ পৰা সম্পূৰ্ণ বেলেগ। ভাৰতীয় ধৰ্মনিৰপেক্ষতা কেৱল ৰাষ্ট্ৰ আৰু ধৰ্ম সম্পৰ্কৰ ওপৰতে দৃষ্টি নিদিয়ে, ইয়াত আন্তঃধৰ্মীয় সমতা অতি গুৰুত্বপূৰ্ণ বিষয়। ভাৰতবৰ্ষলৈ শাসক হিচাপে অহাৰ বহু আগৰে পৰাই ইয়াত বহু ধৰ্মীয় ব্যৱস্থা চলি আছে। ইয়াত বহু আগৰে পৰা আন্তঃধৰ্মীয় সহিষ্ণুতা চলি আহিছে। সম্ৰাট আকবৰে যোধাবাইক বিয়া কৰাই তেওঁৰ পূজা-অৰ্চনাৰ বাবে ধুনীয়াকৈ মন্দিৰ সাজি দিছিল। ঔৰঙ্গজেবে হিন্দুৰ ওপৰত জিজিয়া কৰ বহুৱাইছিল, কিন্তু সেনাপতি পাতিছিল হিন্দু ৰামসিংহক। বাহাদুৰ শ্বাহ জাফৰক পুনৰ মোগল সিংহাখনত বহুৱাবলৈ বহু হিন্দু সেনাই প্ৰাণ বিসৰ্জন দিছিল। এয়া ভাৰতবৰ্ষৰ প্ৰকৃত ধৰ্মনিৰপেক্ষতাৰ নমুনা।

ভাৰতীয় ধৰ্মনিৰপেক্ষতাই কেৱল ব্যক্তিৰ ধৰ্মীয় স্বাধীনতাৰ কথাই নকয়, ই সম্প্ৰদায়ৰ মাজৰ স্বাধীনতাৰ কথাও বুজায়। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ধৰ্মীয় সংস্কাৰৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ পৃষ্ঠপোষকতাৰ পথ খোলা ৰাখিছে। ভাৰতীয় সংবিধানে অস্পৃশ্যতাৰ বৰ্জনৰ নীতি গ্ৰহণ কৰিছে। ভাৰতবৰ্ষত ধৰ্মক ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰপৰা সম্পূৰ্ণৰূপে ৰেহাই দিয়া হোৱা নাই, যিটো আমেৰিকাত কৰা হৈছে। মূল কাৰণ ভাৰতত বহুতো ধৰ্ম আৰু ধৰ্মাৱলম্বী লোক আছে।

ৰাষ্ট্ৰৰ কৰ্তব্য ধৰ্মৰ মাজত সহযোগ আৰু সহমৰ্মিতা কাৰ্যকৰী হ'লেই হ'ব আদৰ্শ শান্তিপূৰ্ণ ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ।

ৰাষ্ট্ৰৰ কৰ্তব্য কি? কি উপায়েৰে সকলো ধৰ্মৰ মাজত সহযোগ আৰু সহমৰ্মিতা সৃষ্টি কৰিব। যি ৰাষ্ট্ৰত এই প্ৰশ্নৰ উত্তৰ বিচাৰি পোৱা যাব সিয়েই হ'ব আদৰ্শ শান্তিপূৰ্ণ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ। ভাৰতৰ গণতন্ত্ৰৰ ভবিষ্যতৰ স্বাৰ্থত ধৰ্মনিৰপেক্ষতাই এটা বিশেষ ভূমিকা পালন কৰিবলগীয়া আছে। ধৰ্মনিৰপেক্ষতাক অধিক কাৰ্য্যক্ষম কৰিবলৈ হ'লে—

(১) বেচৰকাৰী অনুষ্ঠান, স্বেচ্ছাসেৱী অনুষ্ঠান আৰু চৰকাৰী প্ৰচাৰ মাধ্যমসমূহে ধৰ্মনিৰপেক্ষতাৰ ভাৱধাৰা প্ৰচাৰৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব।

(২) যুৱ সম্প্ৰদায়ৰ মাজত যাতে বেয়া ভাৱ নোসোমায় তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

(৩) ৰাজনৈতিক দলবিলাকে দায়িত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব।

(৪) ধৰ্মীয় মৌলবাদী সংগঠনসমূহক বন্ধ কৰি দিব লাগিব।

OOO

# অসমীয়া সংস্কৃতি আৰু দৰঙী সংস্কৃতিৰ চিন্তাধাৰা

✍ হিমাক্ষী ডেকা
স্নাতক ২য় বৰ্ষ, কলা

সংস্কৃতি হ'ল এটা জাতিৰ বোৱতি সুঁতি। নৈৰ গতিয়ে সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰৱিচ্ছিন্নভাৱে চিৰকাল ধাৱমান হয় ঠিক সেইদৰে সংস্কৃতিও তেনেদৰেই ধাৰাবাহিক ভাবে প্ৰসাৰিত হয়। অসমলৈ যুগ যুগ ধৰি মানুহ আহিছে, তেওঁলোকৰ নতুন নতুন সমলবোৰ যোগ-বিয়োগৰ চিৰাচৰিত ৰীতি-মানি অনেকৰে উপাদান সংযোজিত হৈছে। অনেক উপাদান এনেকৈয়ে জীণ গৈছে যে তাক আজি বিশ্লেষণ কৰি বিচাৰি উলিওৱাটো টান। কেতিয়াবা নতুন সোঁত প্ৰৱল হয়, পুৰণি সোঁত তৰাং হয়। বৈচিত্ৰৰ মাজত ঐক্য সাধনেই অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য। অসমৰ জাতীয় উৎসৱ বিহু অসমীয়া সংস্কৃতিৰ এটা মূল্যৱান সম্পদ। ইয়াত সমন্বয়ৰ লক্ষণ পোৱা যায়।

মানুহৰ মনত সৃষ্টি ক্ষমতা আছে সেয়েহে প্ৰগতিশীল, সংস্কৃতিও গতিশীল। অৰণ্যত আহাৰ বিচাৰি ফুৰা আদিম মানৱে পৃথিৱী কৰ্ষণ কৰি কৃষিজীৱী উৰ্বৰা বিশ্বাসৰ ভেঁটিত চিন্তাৰ বুৰবুৰণিৰ সৃষ্টি কৰিছিল। শস্য দাতৃ পৃথিৱীৰ প্ৰতি কৃতজ্ঞতা জনাই আবিৰ্ভাৱ হ'ল পূজা-পাৰ্বন। বিষুৱ শব্দৰ লগত বিহু শব্দৰ সমধ্বনি সূচক সামঞ্জস্য থাকিব পাৰে বা পিছৰ যুগত বিষুৱৰ পৰাই বিহু শব্দটো আহিছে বুলি ধাৰণা হয়। কিন্তু এই মূল উৎসৱটোৰ জন্ম বহু আগতেই, সম্ভৱত অষ্ট্ৰিক সংস্কৃতিয়ে লুইতৰ পাৰত বিকাশ লাভ কৰাৰ সময়তেই। আজি পৃথিৱীৰ বুকুত যিমানেই সংস্কৃতিৰ উপাদান নোলাওক, মূলত কৃষিমুখী উৰ্বৰা -বিশ্বাসৰ অনুষ্ঠানহে আছিল।

অসম যেনেকৈ ঐক্য আৰু মিশ্ৰিত সংস্কৃতিৰ লীলাভূমি ঠিক তেনেকৈ অসমত তাহানিৰ পৰা প্ৰচলিত বিহু উৎসৱো মিশ্ৰিত সংস্কৃতিৰ উৎৱহে। অসমৰ ৰঙালী বিহু কেৱল অ-জনজাতীয় লোকসকলৰ মাজতেই সীমাবদ্ধ নহয়, পাহাৰ-ভৈয়ামৰ জনজাতীয় লোকসকলৰ মাজতো নিজা পদ্ধতিৰে ব'হাগ বিহু উৎযাপন কৰা হয়। সেয়ে ইয়াৰ আন এটা নাম বসন্তোৎসৱ। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ বসন্তোৎসৱ নামমাত্ৰাই উল্লেখ কৰিলোঁ, সেইবোৰ হ'ল — অকাঁ, আও-নগা, ইদু, মিচিমি, আপাটানি, আদি, আংগামী, ঠেঙাল কছাৰী, টাগিন, জয়ন্তীয়া, চেমা-নগা, টাই আহোম, কুকি, খামতি, গাৰো, চাকমা, চেৰদুকপেন, টাংছা, জেমি নগা, চিংফৌ, গালং, খাচী, কাৰ্বি, চাহ-জনগোষ্ঠী, সোনোৱাল, কছাৰী, হাজং, ৰাভা, ৰেংমা,লুংচাং, মিনং, মেইথেই, ৰাংখাল, মিজো, মিৰি, মাৰ, মৰাণ, মিচিং(মিৰি), পাদাম, বেফে(বেইফে), বেটে(বেইটে), মনপা, তিৱা(লালুং), ডোমৰা (ভৈয়ামৰ কাৰ্বি), ডিমাচা, ডিগাৰু-মিচিমি, ত্ৰিপুৰী, বড়ো, বাংনি ইত্যাদি।

অসম লোক সংস্কৃতিত বিশেষভাবে চহকী। লোক উৎসৱ বা লোক সংস্কৃতি বা লোক সাহিত্যবোৰ লিখিত সাহিত্য সৃষ্টিৰ আগৰ পৰাই মানুহৰ মুখে মুখে যিবোৰ কথা প্ৰচলিত হৈছিল সেয়ে লোক সাহিত্যত সেই কথাবোৰ গীত আকাৰত সুৰ মিলোৱাত লোকগীত, পদ আৰু সমাজত চলি থকা, ধৰ্মীয় ৰীতি-নীতি আদিয়েই লোক উৎসৱ বা লোক সংস্কৃতি বা লোক সাহিত্যত পৰিণত হৈছিল।

গ্ৰাম্য সমাজত দেখা পোৱা সৰু সৰু সংস্কৃতিবোৰক ৰবাৰ্ট ৰেফিল্ডৰ সিদ্ধান্ত অনুযায়ী ক্ষুদ্ৰ সংস্কৰণ। শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ প্ৰতিখন জিলাত লোক সংস্কৃতিৰ অজস্ৰ সম্পদ এতিয়াও আপুৰুগীয়া হৈয়ে আছে, অঞ্চলভেদে লোক সংস্কৃতিৰ ৰূপ আৰু বৈশিষ্ট্য একে নহয়।

এনে দৃষ্টিভঙ্গীৰ পিনৰ পৰা নামনি অসমৰ লোক সংস্কৃতিক বহুল ভাৱে কামৰূপী, গোৱালপৰীয়া আৰু দৰঙী — এই তিনিটা ভাগত ভাগ কৰিব পাৰো। কামৰূপ, গোৱালপাৰাৰ দৰে সংস্কৃতিৰ ভূ-স্বৰ্গ দৰং। প্ৰাচীন ৰঙ্গভূমি দ্যৌৰঙ্গ, দৰঙ্গ দেশ আৰু আজিৰ দৰং। কিছুমান অশুভ শক্তিৰ হাতত প্ৰাচীন ঐতিহ্যমণ্ডিত দৰঙ্গ ভাঙি-ছিঙি থানবান হ'ল, কেৱল নামমাত্ৰহে বৰ্তি আছে আজিৰ দৰং জিলা। অথচ দৰঙৰ চিনাকি পৰিৱেশীয় সংস্কৃতিয়েহে জীয়াই ৰাখিছে মানৱ সমাজক। সেয়েহে এই মানৱ সমাজেও গৌৰৱেৰে নিজক পৰিচয় দিব খোজে। কিন্তু সময়ৰ লগে লগে বিশেষকৈ শিক্ষা-দীক্ষা আদিৰ সম্প্ৰসাৰণৰ লগে লগে লোক-সংস্কৃতিৰ ভালেমান সম্পদ বিলুপ্ত হৈ যাবলৈ ধৰিছে। প্ৰধানত গণ সংস্কৃতিৰ আগ্ৰহীৰূপে স্বতন্ত্ৰ বৈশিষ্ট্য সম্পন্ন স্থানীয় লোক সংস্কৃতিবোৰক নিশ্চিহ্ন কৰাৰ উপক্ৰম হৈছে। এনে পৰিস্থিতিত অসমৰ বিভিন্ন অঞ্চলৰ লোক-সংস্কৃতিৰ সম্পদবোৰ উদ্ধাৰ কৰি সেইবোৰৰ বিৱৰণমূলক ব্যাখ্যা গ্ৰন্থৰ মাজত ধৰি ৰখাটো অতি প্ৰয়োজনীয়। পিছে পিছৰ দৰঙী ৰজাঘৰৰ ক্ষমতাৰ খোৱা-কামোৰাৰ মাজত, ইংৰাজৰ আমোলত ঐতিহ্য মণ্ডিত দৰঙী কলাকৃষ্টিৰ বৰসুতিটো ক্ষীণ হৈ পৰিল। ভাৰতবৰ্ষই স্বাধীনতা পালে এই কলাকৃষ্টি যে পুনৰ আগৰ দৰে জীপ পাই উঠিব। পিছে একমাত্ৰ প্ৰয়োজনৰ খাতিৰতহে দুই এপদ, দৰঙী কলাকৃষ্টিয়ে খোজ কাঢ়িব পৰা হ'ল যদিও ভালদৰে গা টঙাব নোৱাৰিলে।

দৰঙৰ জন গাঁথনি বাৰে বৰণীয়া। বড়ো, ৰাভা, ব্ৰাহ্মণ, কায়স্থ, কোঁচ, কলিতা, মুছলমান আৰু চাহ জনগোষ্ঠীৰ বিভিন্ন সম্প্ৰদায়ৰ বাসস্থান দৰঙৰ লোক সংস্কৃতিও বৈচিত্ৰ্যময়। দৰঙৰ প্ৰাচীন আৰু সাম্প্ৰতিক ভৌগলিক পৰিচয়, দৰঙৰ বিচিত্ৰ জন-গাঁথনি আদিৰ চমু আভাস দি দৰঙী লোক-সংস্কৃতিক মৌখিক সাহিত্য, সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোক পৰিবেশ্য কলা এই চাৰিটা ভাগত ভাগ কৰিছে। এই প্ৰতিটো ভাগৰে উপবিভাগবোৰ স্পষ্টকৈ দেখুৱাই বিভিন্ন গীত-পদ, প্ৰবচন, সাঁথৰ আদিৰ যথোপযুক্ত উদ্ধৃতিৰে দৰঙী লোক সংস্কৃতিৰ স্বৰূপটো সুন্দৰকৈ প্ৰকাশ কৰিছে। লোক কাহিনী, লোক কবিতা, লোক মহাকাব্য, লোকোক্তি, সাঁথৰ মন্ত্ৰ, লোক বিশ্বাস, লোক উৎসৱ খেল-ধেমালি, লোক ঔষধ, লোক-শিল্প, লোক নৃত্য আৰু সংগীত, লোকনাট্য, লোক-কলা, লোক-স্থাপত্য বিদ্যা, লোক আভৰণ, লোক-ৰন্ধন প্ৰণালী আদিবোৰ ।

অসমৰ প্ৰাচীন, ঐতিহ্যমণ্ডিত মাৰ্গীয় পৰিৱেশ্য কলা ওজাপালিক লৈ আমি গৌৰৱ অনুভৱ কৰোঁ— এই ওজাপালি ধৰ্মনাৰায়ণৰ প্ৰত্যক্ষ ৰাজ পৃষ্ঠপোষকতাতেই এক স্ব-মহিম্ন সত্বা লাভ কৰিলে। সুকনান্নী আৰু বিয়াহ এই দুটি শাখা ধৰ্মনাৰায়ণৰ দিনতেই সম্ভৱ হ'ল। ব্যাসপাৰা গাঁওতেই বিয়াহৰ ওজাক থাকিবলৈ দিয়া হ'ল। ভূটানৰ তৌৰ্যত্ৰিক মুদ্ৰা বিয়াহৰ ওজাৰ হাতত তুলি জাগাৰ গীত গোৱাৰ নিয়ম বান্ধি দিয়া হ'ল। পূজা-পাৰ্বনত ওজাপালি, খুলীয়া ভাউৰীয়া, ঢুলীয়া আদি অপৰিহাৰ্য অংগ। দেওধনীয়ে সুকীয়া মৰ্যদা পালে। ধৰ্ম নাৰায়ণেই দৰঙী কলা-কৃষ্টিক ন-ৰূপত সজালে।

দৰঙী কলা কৃষ্টি বুলি আমি প্ৰথমতে ওজাপালিৰ কথাকে ভাবোঁ। তলত দৰঙী কলাসমূহ দাঙি ধৰিলোঁ—

**ব্যাস সংগীত বা ব্যাসৰ ওজাপালি ঃ**

ব্যাস সংগীত বিশেষকৈ ৰাগ সংগীত। ৰামায়ণ, মহাভাৰত বা পুৰাণ কাহিনীৰে ব্যাস সংগীত পৰিৱেশন কৰে।

এই গীত পৰিৱেশন কৰোতে এজন ওজা আৰু পাঁচ-ছয়জন পালি থাকে। এই গীত পৰিৱেশন কৰোতে ওজাই মূৰত পিছফালে ওখ এটা পাগুৰি আৰু পালিবিলাকে বগা কাপোৰৰ পাগুৰি মাৰে। ওজাই জামা পিন্ধে আৰু ভৰিত জুনুকা, নূপুৰ পিন্ধে। পালি সকলে বগা ধুতি আৰু দীঘল চোলা পিন্ধে, পালিসকলে দুয়োখন হাতেৰে খুতি তাল বজাই গীতৰ তাল ৰাখে। গীতসমূহৰ অৰ্থ বুজাই ক'বলৈ প্ৰতিটো দলতে এজন দাইনাপালি থাকে। এই ব্যাসৰ ওজাপালি গাঁওৰ ৰাজহুৱা গোসাঁইঘৰত বাৰ্ষিক সভা, গোন্ধ চৌপৰি সভা, আদ চৌপৰি সভা আৰু মৃতকৰ শ্ৰাদ্ধ আদিত পৰিৱেশন কৰে। ব্যাসৰ ওজা সচৰাচৰ পুৰুষ প্ৰধান যদিও আজিকালি ছোৱালীৰ দলো ওলাইছে।

**সুকনান্নী গীত বা ৰং গোৱা ওজাপালি ঃ**

সুকবি নাৰায়ণ দেৱে ৰচিত পক্ষ পুৰাণত গীত পৰিৱেশন কৰাকে সুকনান্নী বা ৰং গোৱা ওজাপালি বোলে। এই ওজাপালি দলতো ওজা আৰু বিশেষভাবে ছয়জন পালি থাকে। ওজাই বগা কাপোৰৰ পাগুৰি মাৰে আৰু পালি বিলাকে গামোচাৰে পাগুৰি মাৰে। সকলোৱে ধুতি-চোলা পিন্ধে আৰু চোলাবোৰ বগা যদিও কেতিয়াবা পাট-কাপোৰৰ চোলাও পিন্ধে। ওজাই এখন অংগবস্ত্ৰ গাত লয়। গীতত ভাঙনি কোৱা পালি এজন থাকে। তেওঁক দাইনাপালি বোলে। এই ওজাপালিয়ে মনসা পূজা, কালীপূজা, ৰং পূজা, মাৰৈ পূজা আৰু দুৰ্গা পূজাত গীত পৰিৱেশন কৰে। এওঁলোকে জয়ঢোল বজায়, দুজন ঢুলীয়াই ঢোল মাৰে আৰু এজনে তাল বজায়। তিনিদিনীয়া আৰু পাঁচদিনীয়া মাৰৈ পূজাত এওঁলোকে দেওধনী নচুৱায়।

**নাগাৰা নাম ঃ** নাগাৰা নাম এটি সমূহীয়া সংগীত দল। ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ কাহিনীৰ সাংগীতিক ৰূপ দি প্ৰায় বিশ-পঁচিশজন মান লোকে বহি এই নাম পৰিৱেশন কৰে। দলটি ঘূৰণীয়াকৈ বহে আৰু মাজতে অলপ ঠাই খালী ৰাখি তাতে নাম লগাই দিয়া পাঠকজন থাকে। পাঠকে থিয় হৈ নাম লগাই দিয়ে আৰু বাকীসকলে সমস্বৰে ধৰে। এই নামৰ তাল ৰাখিবলৈ নাগাৰা আৰু কুৰুলী বা কুল কুলি বাদ্য আৰু ভোৰতাল ব্যৱহাৰ কৰা হয়। এই নাগাৰা নামৰ দল পুৰুষৰ বেলেগ আৰু মহিলাৰো বেলেগ থাকে। যিকোনো ধৰ্মীয় অনুষ্ঠানত এই নাম পৰিৱেশন হয়। মহিলাসকলৰ নাগাৰা কুৰুলি অলপ সৰু ধৰণৰ।

ইয়াৰ উপৰিও দৰঙৰ বিভিন্ন ঠাইত দিহা নাম, খুঞ্জুৰী নাম, ভকতীয়া গীত বা চিয়াঁগীত পৰিৱেশিত হৈ আছে। সেইদৰে লোকগীত, জিকিৰ-জাৰি, চেৰাঢেক, কমলা কুঁৱৰীৰ গীত, নাঙেলী গীত আদি দৰঙৰ আপুৰুগীয়া সংস্কৃতি বুলি ক'ব পাৰি।

**ঢুলীয়া ঃ** দৰঙত বিশেষকৈ দুবিধ ঢুলীয়া থাকে। ঢেপা ঢুলীয়া আৰু বৰ ঢুলীয়া। ঢেপা ঢুলীয়াৰ ঢোলবিলাক প্ৰায় চাৰিফুট মান দীঘল। এমূৰ অলপ ডাঙৰ আৰু আনটো মূৰ চিপ্‌ৰা। ডাঙৰ মূৰৰফালে দুচটা চালেৰে ঢোল বিওৱা হয় আৰু বাহিৰ ফালৰ চাল খনত এটা সৰু ফুটা ৰাখি সেইপিনে পানী ভৰাই দিয়ে। ঢোলৰ মাৰিৰে কোবালে ঢেপত ঢেপত উঠে বাবে ইয়াক ঢেপাঢুলীয়া বোলে। ঢেপা-ঢুলীয়াৰ দলত দুটা ঢোল বা দুটা ঢুলীয়া থাকে আৰু চাৰিজন তালুৱাই বা তাল মৰা মানুহ থাকে। ঢোলৰ বাদীৰ লগে লগে এওঁলোকে নাচি নাচি বিবিধ জামা পিন্ধি বিভিন্ন অঙ্গি-ভঙ্গীৰে গীত-নৃত্য কৰে।

বৰঢুলীয়াৰ ঢোলবোৰ বৰ ডাঙৰ। কেইবাটাও ডাঙৰ-সৰু ঢোল একেলগে বজায়। বিভিন্ন গীত-নৃত্য কৰে। গীত-বাদ্যত লগে লগে এওঁলোকে বিভিন্ন কুষ্ঠি দেখুৱায়। সেইবাবে এই ঢুলীয়াক সৰু ধৰণৰ চাৰ্কাচ দল বুলিও ক'ব পাৰি। এই ঢুলীয়া বিভিন্ন ৰাজহুৱা অনুষ্ঠান বা ব'হাগ মহীয়া দৌল আদিত প্ৰদৰ্শিত হয়। আনহাতে ঢেপাঢুলীয়া বিয়াত পানী তোলা আদি আৰু বিশিষ্ট অতিথি আদি আগবঢ়াই অনাত ঢেপাঢুলীয়া প্ৰদৰ্শন হয়।

**কালীয়া ঃ** কালী এবিধ বিশেষধৰণে প্ৰস্তুত কৰা পেঁপা। এই কালী বা কালীয়া অতীতৰ দৰঙৰ বিয়াত অতি প্ৰয়োজনীয় আছিল। কিন্তু আজিকালি এই সংস্কৃতি প্ৰায় লোপ পাই আহিছে। তথাপিও জিলাখনত ছিপাঝাৰ অঞ্চলৰ দুজনমানহে এই সংস্কৃতি ধৰি ৰাখিছে।

**বেণ্ড-পাৰ্টি ঃ** বেণ্ড-পাৰ্টিও ঢোল, পেঁপা, বাঁহী আৰু অন্যান্য কেইবাবিধো সা-সৰঞ্জামেৰে গীত-নৃত্য পৰিৱেশন কৰা এটা সাংস্কৃতিক দল। এই দলত দহৰ পৰা পোন্ধৰ-যোল্লজনলৈ শিল্পী থাকে। গীতৰ সুৰৰ সৈতে তাল মিলাবলৈ সৰু ডাঙৰ দুটা ড্ৰাম, কেইবাবিধো পেঁপা আৰু বাঁহী ব্যৱহাৰ কৰে। বেণ্ড-পাৰ্টি বিশেষভাৱে বিবাহ উৎসৱত পৰিৱেশিত হয় যদিও অন্যান্য ৰাজহুৱা উৎসৱ আদিতো ইয়াক পৰিৱেশন কৰা হয়। সভা-সমিতিৰ বাবে বিশেষভাৱে আমন্ত্ৰিত অতিথি আদৰি আনিবলৈ আৰু স্বাধীনতা দিৱস বা গণতন্ত্ৰ দিৱস আদিত গীত পৰিৱেশনৰ বাবে বেণ্ড-পাৰ্টি পৰিৱেশিত হয়। আজিকালি এই দলবোৰে ইউনিফৰ্ম পিন্ধি নৃত্য-গীত কৰি শালীনতা বজাই ৰাখি অতি মোহনীয় কৰি তুলিছে।

**খুলীয়া ভাউৰীয়া ঃ** খুলীয়া ভাউৰীয়া দৰঙৰ এক আপুৰগীয়া সংস্কৃতি। ৰামায়ণ বা মহাভাৰতৰ কাহিনীৰ পৰা নাট বাচি লৈ এই ভাওনা কৰা হয়। কেৱল খোল-তালেৰে সকলো কৰা হয় বাবেই ইয়াক খুলীয়া ভাউৰীয়া বোলে। ই খোলা পৰিৱেশিত ভাওনা। আৰম্ভণিতে ৰভাতলিৰ প্ৰায় আঠ-দহোটা মান খোল-তাল মিলাই বজায়। ইয়াকে 'খোলা ঘাটেনি' বোলে।

তাৰপিছত সূত্ৰধাৰ ওলাই নাটকৰ পাতনি মেলে। সূত্ৰধাৰে মূৰত নৌকা আকৃতিৰ মণি-মুক্তা খটোৱাৰ এটা টুপি আৰু জামা পিন্ধে। খোলৰ চেৱে চেৱে হাতত লোৱা বগা চোঁৰৰ কোঁচাৰে বিবিধ মুদ্ৰা দেখুৱাই নাটৰ বিৱৰণী সুৰেৰে কৈ যায়।

নাটকৰ সূত্ৰ ধৰি যায় বাবে তেওঁক সূত্ৰধাৰ বোলে। সূত্ৰধাৰে কৈ যোৱাৰ পিছতে যাৰ যি বচন আছে সেইমতে ভাৱৰীয়াসকল সোমাই আহি দৃশ্যসমূহ দেখুৱায়। দৰঙত কথিত ভাষাত ভাৱৰীয়া শব্দটো 'ভাউৰীয়া' ব্যৱহাৰ হৈ আহিছে। খুলীয়া ভাউৰীয়াৰ বিশেষ ৰস হৈছে বহুৱা। প্ৰায় প্ৰতিটো দৃশ্যৰ শেষত বিভিন্ন খুহুতীয়া কথা বা ধেমেলীয়া দৃশ্য, দেখুওৱা বাবে এই লোকসকলক 'বহুৱা' বোলে। তেওঁলোকৰ বহুৱালিবোৰে নাটখিনি অধিক ৰসাল কৰি তোলে।

**বিহুগীত, বিহু নৃত্য ঃ** দৰঙত আগতে নাঙেলী গীতহে প্ৰচলন আছিল প্ৰায় ষাঠিৰ দশকৰ পৰাহে দৰঙত বিহু গীত বা বিহু নৃত্যৰ প্ৰচলন হোৱা বুলি ক'লে ভুল কোৱা নহয়। বিহু আগেয়ে উজনি অসমৰহে সম্পদ আছিল যদিও এতিয়া ই অসমৰ চুকে-কোণে সোমাই গৈছে। দৰঙতো এতিয়া বিহু নৃত্য-গীতৰ দল প্ৰায় গাঁৱে-ভূঁঞে হৈছে। বিহুক বাদ দি অসমীয়া জাতীয় জীৱনৰ কথা ভাবিব নোৱাৰি। সেয়ে বিহুক বিশ্বৰ দৰবাৰত প্ৰতিস্থিত কৰিব পৰাকৈ এতিয়া দৰঙতো বিহু কৃষ্টিয়ে অগ্ৰগতি লাভ কৰিছে।

'বেলাড'ৰ ক্ষেত্ৰতো দৰঙী সংস্কৃতি চহকী। সৃষ্টি সম্পৰ্কীয় বিভিন্ন মিথ, জনশ্ৰুতিমূলক বাহিনী গীত ঐতিহাসিক বেলাড বা লোক কাব্যৰ পৰিসীমাত সামৰিব পৰা দুই-এটা বেলাড দৰঙত প্ৰবাহমান। 'পথৰুঘাটৰ ৰণ' বা 'দলি-পুৰাণত' লোক কাব্যৰ বৈশিষ্ট্য বৰ্তমান 'বামুণ-পোৰা' গীতটিত বিনাদ্বিধাই বাস্তৱানুগ বেলাড আখ্যা দিব পাৰি। এই গীতসমূহ সমলা অঞ্চল মানে বুঢ়ীনগৰৰ ওচৰে-পাজৰে 'বামুন পুৰাণ' ৰূপেহে পৰিচিত। হিন্দু-তিৰোতাসকলৰ নিচিনাকৈ দৰঙৰ অঞ্চল বিশেষৰ মুছলমান তিৰোতাসকলে 'ফকিৰ আলিগীত' গায় প্ৰতি বৃহস্পতি আৰু শুক্ৰবাৰে অনুষ্ঠিত হোৱা বৈঠকখানাত।

এই সংস্কৃতিবোৰৰ উপৰিও দৰঙত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ বিভিন্ন গীত-মাতে দৰঙৰ সংস্কৃতি অধিক সবল কৰিছে। বড়োসকলৰ বৈশাগু, বাগৰুম্বা আৰু খেৰাই, চাহ-জনগোষ্ঠী, তুচু গীত, বঙ্কচ ঝুমুৰ হিন্দী ভাষীসকলৰ ষট পূজাৰ গীত, নেপালীসকলৰ বিভিন্ন গীত-নৃত্যই দৰঙৰ সংস্কৃতিৰ ভঁড়াল চহকী কৰি ৰাখিছে। বিভিন্ন জনগোষ্ঠীৰ বিয়া-সবাহত গোৱা গীতসমূহ দৰঙৰ গৌৰৱৰ সম্পদ বুলি গণ্য কৰিব পাৰি। দৰঙত প্ৰাচীন কালত প্ৰচলিত বিষ্ণু পূজা বা গোন্ধ চৌপৰী সভাৰ সৈতে অংগাংগি ওজাপালি আচলতে সৰ্বভাৰতীয় কথকতা পৰম্পৰাত এক মহিম্নি নীতি কাব্যৰ ধাৰাত সুকবি নাৰায়ণদেৱৰৰ 'পদ্মা পুৰাণ'ৰ আধাৰত দৰঙী ৰজাৰ পৃষ্ঠপোষকতাতেই সম্ভৱ হৈছিল। ইয়াৰ আগতে ওজাপালিৰ শ্ৰেণী বিভাজনৰ পৰিৱেশন পদ্ধতিত পৰিলক্ষিত হোৱা নাছিল। প্ৰসিদ্ধ ওজা আৰু নীতি কবি দুৰ্গাবৰে ৰামায়ণ আৰু মনসাৰ পদ ৰচনা কৰি পৰিৱেশনো কৰিছিল। আজি সত্ৰীয়া নৃত্যই শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি পোৱাৰ আগতেই ওজাপালিয়ে বিশেষকৈ বিয়াহৰ ওজা পালিয়ে শাস্ত্ৰীয় নৃত্য হিচাপে স্বীকৃতি পাব লাগিছিল এয়া সম্ভৱ হোৱা নাই একমাত্ৰ দৰঙত বৌদ্ধিক নেতৃত্ব দুৰ্বল হোৱা বাবে।

আজিৰ এই বিশ্বায়ণৰ যুগত দৰঙী কলা সমূহে ৰাজ পৃষ্ঠ পোষকতা নোপোৱাতো খুবেই লজ্জাজনক কথা। কোনো এজনৰ প্ৰচেষ্টাতহে কেলচোপ-কেলচোপকৈ জীয়াই থকা এই অনুষ্ঠান সমুহক পুনৰ উত্থানৰ বাবে আমি যুগোপযোগী চিন্তাৰে আগবাঢ়িব লাগিব। ওজা-পালিৰ শাস্ত্ৰীয় উপাদান সমূহ চিনাক্ত কৰি সৰ্বভাৰতীয় পৰ্যায়ত দাঙি ধৰিববৈলে হ'লে এখনি উৎকৃষ্ট মানৰ ইংৰাজী গ্ৰন্থৰ লগতে এই পৰম্পৰাগত প্ৰাচীন কলাসমূহ, পৰিবেশনৰ লগে লগে ইংৰাজী, হিন্দী ভাষাত ইয়াৰ বৈশিষ্ট্য সমূহ ভালদৰে বুজাই দিয়াৰ এক অবিৰত প্ৰচেষ্টা আমি কৰিব লাগিব। তেতিয়াহে সৰ্ব ভাৰতত স্থান পাব। সম্প্ৰতি দৰঙী কলা-কৃষ্টিৰাজি অকালতে লোপ নাপাববৈলে হ'লে আমি ইয়াৰ ব্যৱসায়িক দৃষ্টিভংগীক বিশেষ গুৰুত্ব দিব লাগিব। বিহু অথবা সত্ৰীয়া-নৃত্যক চৰকাৰে বিভিন্ন সাংস্কৃতিক উপলক্ষ্যত সঘনাই স্থান দিয়াৰ বাবেই দুয়োটি কলাই আন্তৰ্জাতিক ক্ষেত্ৰখনতো ভুমুকি মাৰিব পাৰিছে। অকল চৰকাৰক দোষ দিলেই নহ'ব সেয়েহে সৰ্ব সাধাৰণ লোক সকলো জাগ্ৰত হৈ থাকিব লাগিব আৰু এই কলাসমূহ যদি আমি কিছু পৰিশীলিত ভাৱে সজাই পৰাই পৰিৱেশন কৰোঁ তেনেহ'লে বিভিন্ন সাংস্কৃতিক অনুষ্ঠান তথা প্ৰতিষ্ঠানে নিমন্ত্ৰণ কৰিব।

ৰাইজে নখ জোকাৰিলেহে নৈ বয়। এজনেই সকলো কৰিব নোৱাৰে, এই কলাসমূহে আমাৰ আৰু দৰঙৰ চিনাকি বুলিয়েই ক'ব লাগিব। সময় থাকোঁতেই এই সম্পদৰাজি জীয়াই ৰাখিববৈলে আমি একতা আৰু ভ্ৰাতৃত্ববোধেৰে কাম কৰিব লাগিব। নহ'লে ৰাজ-পৃষ্ঠপোষকতাৰ আশা এতিয়া আকাশত চাং পতাৰ দৰেহে হ'ব। OO

# বৈদিক সাহিত্যত পৰ্যাবৰণ সংৰক্ষণ ঃ এটি চমু আলোকপাত

✍ গগেন কাকতি
মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ

পৰ্যাবৰণ শব্দ পৰি আৰু আ উপসৰ্গ পূৰ্বক বৃ ধাতুৰ সৈতে ল্যুট্ প্ৰত্যয়ৰ যোগত নিষ্পন্ন হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হৈছে— 'পৰিতঃ সম্যক বৃণোতি-আচ্ছাদয়তি ইতি পৰ্যাববৰণম্'। পৰ্যাবৰণ বুলি ক'লে আমি বায়ুমণ্ডল, স্থলমণ্ডল আৰু জলমণ্ডলৰ সকলো ভৌতিক আৰু ৰাসায়নিক তত্ব, সমস্ত জীৱজগত আৰু সকলো প্ৰকাৰৰ গছ-গছনিৰ সন্মিলিত সমষ্টিক বুজো। বিশ্বকোষত পৰ্যাবৰণক ভৌতিক আৰু জৈৱিক তত্বৰ দ্বাৰা নিৰ্মিত বুলি স্বীকাৰ কৰা হৈছে। [১] ভৌতিক পৰ্যাবৰণত বায়ু, মাটি, জল, পোহৰ আৰু তাপ তথা জৈৱিক পৰ্যাবৰণত সমস্ত জীৱ-জন্তু আৰু গছ-বনস্পতি পৰিগণিত হৈছে।

প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ পৰ্যাবৰণে মানুহক আৰু মানুহে পৰ্যাবৰণক প্ৰভাৱিত কৰি আহিছে। এইটো স্পষ্টভাৱে দেখা যায় যে প্ৰাচীন কালতো ঋষি-মুনিসকলে পৰ্যাবৰণ সন্তুলিত কৰি ৰখাৰ কাৰণে অনেক ধৰ্মীয় ক্ৰিয়া-কলাপ অনুষ্ঠিত কৰিছিল। বৈদিক মন্ত্ৰবোৰত পৰ্যাবৰণ সংৰক্ষণৰ সন্দৰ্ভত ঋষিসকলে পৰ্যাপ্ত আলোচনা প্ৰস্তুত কৰা দেখা যায়। পৃথিৱী, জল, বায়ু আৰু আকাশৰ শুদ্ধি আৰু প্ৰদূষণৰ পৰা মুক্ত কৰি ৰখাৰ কাৰণে অনেক উপায় বৈদিক মন্ত্ৰত পোৱা যায়। অৰ্থবেদত পৰ্বত, জল, বায়ু, পৰ্জন্য (মেঘ) আৰু অগ্নি পৰ্যাবৰণ শোধক তত্বৰ ৰূপত বৰ্ণিত আছে যি প্ৰদূষণক দূষিত কৰে। [২] ঋগ্বেদত পৃথিৱী, পানী, গছ-গছনি, বায়ু, মেঘ, নদী, বন, পৰ্বত, সূৰ্য, উশাহ আৰু অগ্নি এই এঘাৰটা পৰ্যাবৰণ শোধক তত্বৰ বৰ্ণনা আছে। [৩] অথৰ্ব বেদত পৰ্যাবৰণ শুদ্ধিৰ মহত্বক প্ৰতিবাদিত কৰি কোৱা আছে যে, য'ত পৰ্যাবৰণ শুদ্ধ থাকে তাত মানুহ পশু-পক্ষী আদি সকলো সুখপূৰ্বক জীয়াই থাকে। [৪] জীৱ-জগতত বায়ুৰ বিশেষ মহত্ব আছে। ঋগবেদত বায়ুক সম্বোধিত এটা মন্ত্ৰত কোৱা আছে যে, হে বায়ু ! তোমাৰ ওচৰত অমৃতৰ নিধি আছে, তাৰ দ্বাৰা তুমি আমাক জীৱনী শক্তি দিয়া।[৫] অন্য এটা মন্ত্ৰত আহ্বান আছে যে বায়ুত অমৃত আছে তাক নষ্ট হ'বলৈ নিদিবা।[৬] ঋগবেদত বায়ুত সকলো প্ৰকাৰৰ ঔষধৰ বিদ্যমানতা স্বীকাৰ কৰা দেখা যায়।[৭] বেদত পানীৰ মহত্বৰ বিষয়েও উল্লেখ আছে। বৈদিক মন্ত্ৰত পানীক অমৃত, ঔষধ তথা জীৱন বুলি কৈ পানীৰ মহত্ব প্ৰকাশ কৰিছে। যজুৰ্বেদত 'মাহয়োহিংসী'ৰ উল্লেখ কৰি পানীক দূষিত নকৰিবলৈ আহ্বান কৰিছে।[৮] ঋগ্বেদৰ এটা মন্ত্ৰত নদী আদিৰ জলক প্ৰদূষণ মুক্ত কৰি ৰখাৰ কাৰণে যজ্ঞক সাধন-ৰূপত বৰ্ণনা কৰা আছে আৰু উল্লেখ আছে যে, যজ্ঞৰ সুগন্ধিত বায়ুৱে পানীৰ প্ৰদূষণ নষ্ট কৰে।[৯] পৰ্যাবৰণ সংৰক্ষণত বৃক্ষৰ ভূমিকা যথেষ্ট আছে। ঋগ্বেদত স্পষ্টকৈ বৰ্ণনা আছে যে, বৃক্ষই প্ৰদূষণ নোহোৱা কৰে। গতিকে সেইবোৰ কটা উচিত নহয়।[১০] যজুৰ্বেদতো এইবোৰ কটা তথা ধ্বংস কৰা নিষেধ আছে।[১১] অৰ্থবেদত পীপল, দেৱদাৰু, বড়, অৰ্জুন, পলাশ আদি বহুতো এনেকুৱা বৃক্ষ তথা বনস্পতিৰ উল্লেখ আছে যিবোৰে পৰ্যাবৰণ সংৰক্ষণ কৰি ৰাখে। কাৰণ এইবোৰৰ প্ৰদূষণ নিয়ন্ত্ৰণৰ অধিক সামৰ্থ আছে।[১২] ছান্দোগ্য উপনিষদত যজ্ঞক পৰ্যাবৰণ-প্ৰদূষণ নিবাৰণৰ সৰ্বোত্তম সাধন হিচাপে স্বীকাৰ কৰি কোৱা আছে যে, ই সকলো অশুদ্ধি আৰু দোষ দূৰ কৰি পবিত্ৰ কৰে, এই কাৰণে এইবোৰক যজ্ঞ বুলি কোৱা হয়।[১৩] যজুৰ্বেদৰ অষ্টাদশ অধ্যায়ক যজ্ঞৰ মহিমা বৰ্ণনা কৰি কোৱা আছে যে, ই ৰোগ নাশকৰ্তা, প্ৰদূষণ নাশকৰ্তা আদি হোৱা কাৰণে সুখ-শান্তি প্ৰদাতা বুলি কোৱা হয়। যজ্ঞৰ দ্বাৰা পৃথিৱী, অন্তৰীক্ষ আৰু দ্যুলোকৰ সকলো দোষ দূৰ হয়।[১৪] বৈদিক মন্ত্ৰত কঠোৰ বাণীক বজ্ৰ [১৫] আৰু বৈদিক মন্ত্ৰত মধুৰ বাণীক ঔষধি বুলি কোৱা আছে। এইদৰে বেদত ধ্বনি প্ৰদূষণৰো আলোচনা কৰা পৰিলক্ষিত হৈছে। মনুস্মৃতিত বৃক্ষ-কটা পাপ বুলি কৈছে [১৬] আৰু বিষ্ণু স্মৃতিত বৃক্ষ কটাজনক দণ্ড-বিধানৰ উল্লেখ কৰি স্পষ্ট কৰি কৈছে যে, ফলধৰা গছ কটাজনক পাঁচশ টকা আৰু লতা আদি কাটিলে এশ টকাৰ দণ্ড দিব লাগে।[১৭] যাজ্ঞবল্কই গছ-গছনিৰ অনিষ্ট কৰাটো অপৰাধ বুলি কৈছে।[১৮] কৌটিল্যৰ অৰ্থ শাস্ত্ৰত উদ্যানত থকা ফল-ফুল পাত গছৰ সৰু ডাল আদি কটাজনৰ কাৰণে দণ্ডৰ বিধান আছে।[১৯] ঐতৰেয় ব্ৰাহ্মণ আৰু কৌষীতকি ব্ৰাহ্মণত 'প্ৰাণো বৈ বনস্পতিঃ' অৰ্থাৎ গছ মানুহৰ বাবে প্ৰাণ বুলি কৈছে।[২০]

যাজ্ঞবল্ক্য আৰু গৌতমে নদী, জলাশয় আদিত মল-মূত্ৰ ত্যাগৰ নিষেধ কৰিছে। বিষ্ণুস্মৃতি আৰু বৃহস্পতিস্মৃতিটো ৰাজমাৰ্গ অথবা উদ্যানত মল-মূত্ৰ ত্যাগ কৰাটো নিষেধ কৰাৰ বৰ্ণনা পোৱা যায়।[২১] কৌটিল্যাই ৰাজমাৰ্গ, তীৰ্থস্থান আৰু জলাশয় অপৰিস্কাৰ কৰা আৰু শ্মশান ভূমিৰ বাহিৰে অন্য ঠাইত শৱ দাহ কৰাটো জঘন্য কাৰ্য বুলি কৈছে।

উল্লেখিত তথ্যৰ পৰা আমি এইটো ক'ব পাৰো যে প্ৰাচীন ভাৰতীয় ধৰ্ম শাস্ত্ৰ, বেদ, উপনিষদ আদিত পোৱা মতে পৰ্যবৰণ অনিষ্ট কৰাটো কেৱল বৰ্জনীয়ই নহয় দণ্ডনীয়ও আছিল । বৰ্তমান সময়তো পৰ্যাবৰণ সংৰক্ষণ তথা প্ৰদূষণ দূৰ কৰাৰ কাৰণে আধুনিক বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰা দেখা যায়। গতিকে পৰ্যাবৰণৰ বিশিষ্ট জ্ঞান প্ৰাচীন কালৰ পৰা ঋষি মুনিসকলৰ চিন্তাধাৰাত আছিল আৰু নিৰন্তৰ প্ৰবাহিত হৈ থকা বৰ্তমান সমাজকো সু-সমৃদ্ধ কৰি আছে।○○

১। The new encyclopaedia Britania Micropaedia. Vol. III

২। যে পৰ্বতা সোমপৃষ্ঠা আপঃ বাত পৰ্জন্য আদিগ্নস্তে ক্ৰব্যাদমশীলমন্, অথৰ্ববেদ ৩/২১/১০

৩। ঋগ্বেদ্ ১০/৩৫/৮, ৬৪/৮, ৬৬.৯-১০

৪। সৰ্বো বৈ তত্ৰ জীৱতি গৌৰশ্বঃ পুৰুষঃ পশুঃ।
মত্ৰেদং ব্ৰহ্ম ক্ৰিয়তে পৰিধি জীৱিনায় কম্।। অথৰ্ববেদ ৮/২/২৫

৫। মদদো বাত তে গৃহে অমৃতস্য নিধিৰ্হিতঃ।
ততো নো দেহি জীৱসে।। ঋ. ১০/১৮৬/৩

৬। নু চিন্নু বায়োৰমৃতং বি দস্যেত। ঋ. ৬.৩৭.৩

৭। ঋ.১০.৩৭.৩

৮। যজু. ৬.২২

৯। অপো দেৱীৰুপহ্বয়ে যত্ৰ গাবঃ পিবন্তি নঃ
সিন্ধুভ্যঃ কৰ্ত্বং হবিঃ।। ঋ. ১.২৩.১৮

১০। মা কাকম্বীৰ মুদ্ বৃহো বনস্পতিমশস্তীৰ্বি হি নীনশঃ, ঋ.৬.৪৮.১৭

১১। ওষধ্যাস্তে মূলং মা হিংসিতম্, যজু. ১.২৫

১২। অশ্বত্থো দেবসনঃ, অথৰ্ব. ৫.৪.৩

১৩। এষ হ বৈ যজ্ঞো মোহয়ং পবতে।
ইদং সৰ্ব পুনাতি তস্মাদেব এব যজ্ঞঃ।।
ছান্দোগ্য ৪.৬.১

১৪। যজু.৯.২১.১৮.১-২৯

১৫। বাৰা হি বজ্ৰঃ, ঐ. ব্ৰা. ৪.১

১৬। মনুস্মৃতি ৮/২৮৫

১৭। বিষ্ণুস্মৃতি-অধ্যায় ৫

১৮। যাজ্ঞবল্‌ক্যস্মৃতি- ২/২২৭-২২৯

১৯। কৌটিলীয় অৰ্তশাস্ত্ৰ ৩/৭৬/১৯

২০। ঐতৰেয় ব্ৰা. ২.৪ কৌষীতকি ১২.৭

২১। বিষ্ণুস্মৃতি ৫/১০৬, ১০৭
বৃহস্পতিস্মৃতি ১৯/২৮

---

## হাঁহো আহক—



হিন্দী মাধ্যমৰ বিদ্যালয় এখনত ইংৰাজী শিক্ষক এজনে ইংৰাজী গ্ৰামাৰ পঢ়াই আছিল।

শিক্ষক : अनुवाद करो- मै एक आम आदमी नही हूँ।

ৰাজু : I am not a mango man, ছাৰ।

শিক্ষক : ফাৰুক, কচোন দিনকণা কাক বোলে?

ফাৰুক : ছাৰ, দিনত বাইক, স্কুটাৰ, কাৰত যিবিলাক মানুহে লাইট জ্বলাই ফুৰে সিহঁতক দিন কণা বোলে।

শিক্ষক : জৱাহৰলাল নেহৰুৱে ক'ত আৰু কেতিয়া জন্ম গ্ৰহণ কৰিছিল?

আমিৰ : তেখেতে হস্পিতালত তেওঁৰ জন্মদিনত জন্ম গ্ৰহণ কৰিছিল।

# বিশ্বত আৰবী ভাষাৰ স্থান

✍ আছিৰ উদ্দিন
সহকাৰী অধ্যপক, আৰবী বিভাগ

বিশ্বৰ গুৰুত্বপূৰ্ণ ভাষাবোৰৰ মাজত আৰবী এটা অন্যতম চহকী ভাষা। ভাষা বিজ্ঞানীসকলৰ মতে প্ৰাচীন ছেমীয় গোষ্ঠীৰ দক্ষিণ শাখাৰ অন্যতম ভাষা হ'ল আৰবী। এই ভাষা সকলো ছেমীয় ভাষাৰ ভিতৰত কনিষ্ঠতম্ যদিও সেইবোৰৰ মাজত শ্ৰেষ্ঠ ভাষাৰূপে চিহ্নিত হৈছে। খ্ৰীষ্টপূৰ্ব অষ্টম শতিকাৰ পৰাই এই ভাষাৰ উদ্ভৱ হয় বুলি ইতিহাসত পোৱা যায়। অৱশ্যে আৰবী ভাষাৰ জন্মৰ ইতিহাস অতি প্ৰাচীন হ'লেও এই ভাষাই খ্ৰীষ্টজন্মৰ আৰম্ভণিৰ পৰাহে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয় আৰু খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰাহে আৰবী কাব্যসমূহ লিখিত ৰূপত প্ৰকাশ পোৱাৰ প্ৰমাণ পোৱা যায়। ইয়াৰ পূৰ্বে আৰবী ভাষা আৰবৰ কিছুমান ঠাইত কেৱল কথিত ভাষাৰূপে ব্যৱহাৰ হোৱাৰ কথা জনা যায়। আনহাতে ইছলামী যুগৰ প্ৰাক্ কালত আৰবী ভাষা সমগ্ৰ আৰৱ দেশত সাৰ্বজনীন ভাষা ৰূপে স্বীকৃতি পাইছিল। পৰৱৰ্তী কালত ইছলামৰ আগমন, ইয়াৰ জনপ্ৰিয়তা আৰু সম্প্ৰসাৰণৰ ফলত আৰবী ভাষা সাহিত্যত ক্ৰমান্বয়ে পৰিৱৰ্তন, পৰিবৰ্দ্ধন আৰু প্ৰগতিৰ বাটত খোজ পেলাবলৈ সক্ষম হয়। খ্ৰীষ্টীয় সপ্তম আৰু অষ্টম শতিকাৰ ভিতৰত, ইৰাক ছিৰিয়া, লেবানন, জৰ্দান, মিছৰ, ছুদান, লিবীয়া, আলজেৰীয়া, টিউনেছীয়া, মৰক্কো জনজিবৰ, জিবুতি, মাদাগাস্কাৰ আদি দেশ মুছলিমসকলৰ অধীনলৈ আহে। সেইদৰে স্পেইন, চিছিলী, পাটেনাৰীয়া আদি ঠাইতো মুছলিমসকলৰ ধৰ্ম, ভাষা আৰু সাহিত্যৰ প্ৰভাৱ পৰে। ব্যৱসায়-বাণিজ্য, ইছলামী সংস্কৃতি আৰু ধৰ্মীয় ভাষা হিচাপে আৰবী ভাষাৰ বিস্তৃত প্ৰভাৱ বিশ্বৰ বিভিন্ন ঠাইত পৰিলক্ষিত হয়। আৰবী ভাষাত কথা কোৱা অঞ্চল বিস্তাৰিত হৈ আছে মধ্য আফ্ৰিকা আৰু মধ্য প্ৰাচ্যৰপৰা ছোভিয়েট ৰাছিয়া আৰু ইন্দোনেছিয়ালৈ। পবিত্ৰ কুৰৱান আৰু ইছলামী সংস্কৃতিৰ ভাষা হিচাপে আৰবী ভাষাই মুছলিম বিশ্বত এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিছে। আৰবী ভাষাই প্ৰাক ইছলামী যুগৰপৰা আধুনিক যুগলৈ সাহিত্য সংস্কৃতিৰ এক বাহক হিচাপেও কাম কৰি আহিছে। এই আৰবী ভাষাই বহু শতিকাজুৰি বৈজ্ঞানিক আৰু দাৰ্শনিক চিন্তাধাৰাৰ মুখ্য মাধ্যম হিচাপে কাম কৰি আহিছে, যিহেতু ইউৰোপীয় ভাষাবোৰৰ ওপৰতো যথেষ্ট প্ৰভাৱ পেলাইছে; বিশেষকৈ ৰাসায়নিক আৰু জ্যোতিৰ্বিজ্ঞানৰ শব্দবোৰৰ ক্ষেত্ৰত যেনে- এলক'হল, ইলক্জিৰ, আজিমুখ আৰু নাদিৰ আদি। বৰ্তমান পৃথিৱীত প্ৰায় বিয়াল্লিশখন মুছলিম ৰাষ্ট্ৰ আছে। তাৰে প্ৰায় পঁচিশখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ভাষা আৰবী। পবিত্ৰ কুৰআন মুছলিমসকলৰ ধৰ্মীয় গ্ৰন্থ। এই কুৰআন অধ্যয়ন কৰা প্ৰতিজন মুছলমানৰ বাবে বাধ্যতামূলক। তাৰোপৰি পবিত্ৰ কুৰআন আৰু ৰছুলৰ হাদিছৰ ভাষা আৰবী হোৱা হেতুকে বিশ্বৰ সকলো প্ৰান্ততে মুছলমানসকলৰ মাজত এই ভাষা প্ৰচলিত হৈ আছে। এইদৰে ভাষা হিচাপে অগ্ৰগতি লাভ কৰা ফলত আৰবী ভাষাই সমগ্ৰ বিশ্বত এক বিশেষ স্থান অধিকাৰ কৰিছে। বৰ্তমান বিশ্বত যিকেইটা ভাষাই আন্তৰ্জাতিক ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে, সেইবোৰৰ ভিতৰত আৰবী ভাষাই অন্যতম। ইংৰাজী, ফ্ৰেন্স, ৰাছিয়ান, চীনা, স্পেনিচ আৰু আৰবী বৰ্তমান আন্তৰ্জাতিক ভাষা তথা ৰাষ্ট্ৰসংঘৰ স্বীকৃত ভাষা। পৃথিৱীৰ বহু কোটি মানুহে আৰবী ভাষাত কথা কয় আৰু ধৰ্মীয় ভাষা হিচাপে অধ্যয়ন কৰে।

বৰ্তমান বিশ্বত যিদৰে ইংৰাজী ভাষা শ্ৰেষ্ঠ ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে, সেইদৰে মধ্যযুগত আৰবী ভাষাও আন্তৰ্জাতিক খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। সেইযুগত এছিয়া, ইউৰোপ, আফ্ৰিকা আৰু ভূমধ্য সাগৰৰ উপকূলীয় অঞ্চলবোৰৰ বিভিন্ন জাতিৰ মানুহে আৰবী ভাষাক কথিত আৰু লিখিত ভাষাৰূপে ব্যৱহাৰ কৰিছিল। মধ্যযুগত বেছিভাগ মুছলমানেই আৰবী ভাষাত কথা কৈছিল। এইলোকসকলৰ বসতি সিন্ধু উপত্যকাৰ পৰা আটলান্টিক মহাসাগৰলৈ বিস্তৃত আছিল। আৰবী ভাষা আইন-আদালত, ধৰ্মানুস্থান, বেহা-বেপাৰ, কূটনৈতিক, সাহিত্য আৰু জ্ঞান বিজ্ঞানৰ একমাত্ৰ ভাষা আছিল। যি সময়ত ইংৰাজী ভাষাত বাইবেল আৰু কিছুমান ৰজাৰ জীৱনীমুলক লিখনিৰ বাহিৰে লেখত ল'বলগীয়া আন বিশেষ সাহিত্য ৰচিত হোৱা নাছিল, সেইসময়ত পবিত্ৰ কুৰআন আৰু ৰছুলৰ হাদিছৰ প্ৰভাৱত আৰবী ভাষাত জ্ঞান-বিজ্ঞান আৰু সাহিত্য সংস্কৃতিৰ বিভিন্ন দিশত অধ্যয়ন হৈছিল আৰু গৱেষণাও হৈছিল। ফলত আৰবী সাহিত্যই বিশ্বৰ আন আন সাহিত্যক পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। সেই যুগত জ্ঞান-বিজ্ঞানৰ অধ্যয়ন আৰু কথা কোৱাৰ উচ্চ মানবিশিষ্ট ভাষা আছিল আৰবী।

মধ্যযুগত মুছলিম বিশ্বৰ আইন বিজ্ঞান আৰু ধৰ্মতত্ত্বৰ উপৰিও ভূগোল, চিকিৎসা, অৰ্থনীতি, দৰ্শন, গণিত, জ্যোতিৰ্বিদ্যা, সঙ্গীত, ৰসায়ন বিজ্ঞান, পদাৰ্থ বিজ্ঞান, উদ্ভিদ, জীৱ আৰু আলোক

বিজ্ঞানৰ ওপৰতো আৰবী ভাষাত অধ্যয়ন কৰা হৈছিল। আধুনিক সভ্যতা, বৈজ্ঞানিক চিন্তাধাৰা আৰু প্ৰযুক্তি বিজ্ঞানৰ অগ্ৰগতিৰ পথত আৰবী ভাষাৰ অৱদান অপৰিসীম। এই বিষয়ে প্ৰখ্যাত বুৰঞ্জীবিদ অধ্যাপক R.A.Nicholson য়ে তেওঁৰ বিখ্যাত পুথি "A Literary History Of the Arabs" ত উল্লেখ কৰিছে "During the middle ages, it(Arabic) was spoken and written by all cultivated moslems of whatever nationality they might be,from the Indus to the Atlantic,it was the language of the court and the church,of low and commerce,of diplomacy and literatures and services."

আন এক বুৰঞ্জীবিদ Prof. P.K. Hitti য়ে তেওঁৰ "The History Of The Arabs" নামৰ পুথিত উল্লেখ কৰিছে "For many centuries in the middle ages it was the language of learning and culture progressive thought out the civilized world.The language of western Europe still bear the impress of its influence in the form of numerous loan words.Its alphabets,next to Latin,is the most widely used system inthe world.It is one employed by person,Afgan,Urdu and a number of Turkish,Berber and Malayam Languages."

মধ্যযুগত সভ্য দেশসমূহৰ শিক্ষা আৰু সাহিত্য-সংস্কৃতিৰ উন্নতিৰ ক্ষেত্ৰত আৰবী ভাষাই চিন্তাশক্তিৰ বাহক স্বৰূপ আছিল। বৰ্তমান যুগতো বহুত আৰবী শব্দৰ ব্যৱহাৰ পশ্চিম ইউৰোপৰ অনেক ভাষাত স্পষ্টভাৱে সোমাই পৰা দেখা যায়। লেটিন ভাষাৰ পিছতে আৰবী বৰ্ণমালা অধিক পৰিমানে বিশ্বৰ বিভিন্ন ভাষাত ব্যৱহৃত হৈ আছে। আৰবী ভাষাৰ বৰ্ণমালা ব্যৱহৃত হোৱা ভাষাৰ ভিতৰত পাৰ্চী, আফগানী, উৰ্দু, কাশ্মীৰী, তুৰ্কী, বাৰবাৰ, মালায়ী আদিয়ে প্ৰধান। আধুনিক ভাৰতীয় ভাষাবোৰৰ অগ্ৰগতিৰ পথতো আৰবী ভাষাৰ প্ৰভাৱ মন কৰিবলগীয়া। ভাৰতবৰ্ষলৈ মুছলমানসকলৰ আগমণৰ পৰাই বহুতো আৰবী শব্দ ভাৰতীয় মূলৰ ভাষাবোৰৰ মাজত সোমাই পৰা দেখা যায়। বৰ্তমান কালৰ ভাৰতীয় মূলৰ যেনে- অসমীয়া, বাংলা, উৰিয়া, উৰ্দু, হিন্দী আদি ভাষাবোৰৰ অস্তিত্ব আৰবী ভাষাৰ শব্দ অবিহনে কল্পনাও কৰিব নোৱাৰি।

খ্ৰীষ্টীয় অষ্টম শতিকাৰ পৰা ষোল্ল শ শতিকালৈ আৰবী ভাষাত অসংখ্য পুথি ৰচনা কৰা হৈছিল। সেই অমূল্য পুথিবোৰৰ অধিকাংশই মধ্য এছিয়াৰ আক্ৰমণকাৰীসকল যেনে- ছেঙ্গীচ খাঁ, হালুক খাঁ, টাইমুৰ আদিৰ আক্ৰমণত ধ্বংশ হৈছিল। ইয়াৰ উপৰিও বহুত পুথি তথা মূল্যবান তথ্য জুইত পুৰি, সাগৰত জাহাজ ডুবি আৰু সংৰক্ষণৰ অভাৱত বিনষ্ট হৈছিল।

খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা ষষ্টদশ শতিকালৈ ইউৰোপৰ পুনৰ জাগৰণৰ সময় বুলি ধৰা হয়। এই জাগৰণ সম্ভৱ হৈছিল একমাত্ৰ সেই যুগৰ আৰবী সাহিত্যবোৰ গ্ৰীক, লেটিন, জাৰ্মানি, ডাটচ্, ফ্ৰেন্স আৰু ইংৰাজী ভাষালৈ অনুদিত হোৱাৰ ফলত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বাৰাক অ'বামাই কাইৰোৰ পৰা মুছলিম বিশ্বক সম্বোধন কৰি দিয়া ভাষণত কৈছিল— " ইতিহাসৰ ছাত্ৰ হিচাপে মই জানো ইছলামৰ ওচৰত মানৱ সভ্যতা কিমান ঋণী। আল আজহাৰ বিশ্ববিদ্যালয়ৰ নিচিনা ঠাইবিলাকৰ পৰাই ইছলামে জ্ঞানৰ পোহৰ বিশ্বৰ চুকে-কোণে বিয়পাই দিছিল। যাৰ ফলত ইউৰোপত নৱজাগৰণৰ পথ মুকলি হৈছিল। মুছলমান সম্প্ৰদায়ৰ পৰা লাভ কৰা জ্ঞানৰ জৰিয়তে আমি বীজগণিত, কম্পাচ, নৌ-পৰিবহন যন্ত্ৰ, ৰোগ সংক্ৰমণৰ কাৰন আৰু ইয়াৰ নিৰাময়ৰ উপায় ইত্যাদি জানিবলৈ সক্ষম হৈছো। ইছলামিক সংস্কৃতিৰ পৰা আমি লাভ কৰিছো মনোৰম তোৰণ নিৰ্মানৰ কলা, অমৰ কবিতামালা, ধুনীয়া হস্তলিপি বিদ্যা আৰু শান্তিপূৰ্ণ ধ্যানৰ ঠাইসমূহ।"

আৰব বিশ্বৰ বাহিৰেও ইয়েমেন, ওমান আৰু পাৰস্য উপসাগৰীয় ৰাজ্যসমূহ যেনে— কাতাৰ, বাহৰাইন আৰু কুৱেইটত কোনো ধৰণৰ প্ৰতিবন্ধকতা নোহোৱাকৈ প্ৰাক্ ইছলামী যুগৰপৰাই আৰবী ভাষা-সাহিত্যই প্ৰাধান্য লাভ কৰি আহিছে। ইয়াৰ উপৰিও ইৰাক, ছিৰিয়া, লেবানন, জৰ্ডান, জানজিবৰ, জিবোটি, উত্তৰ চাহাৰা, লিবিয়া, টিউনেচিয়া, আলজেৰিয়া, মৰক্কো, চুডানৰ বহুলাংশ, মিউৰেটানিয়া আদিত আৰবী কথিত ভাষা হিচাপে ব্যৱহাৰ হয়। ইউৰোপৰ স্পেইনত খ্ৰীষ্টীয় পঞ্চদশ শতিকালৈ আৰু বালেৰিক দ্বীপ, মালটা, চিছিলী, পানটেনীয়া খ্ৰীষ্টীয় অষ্টাদশ শতিকালৈ আৰবী সাধাৰণ ভাষাৰূপে প্ৰচলিত আছিল। উত্তৰ আৰু দক্ষিণ আমেৰিকাত থকা ছিৰিয়ান লেবানীসকলেও আৰবী ভাষাত কথা কয়। সেইদৰে পশ্চিম আফ্ৰিকাতো আৰবী কথিত ভাষাৰূপে ব্যৱহৃত হোৱা দেখা যায়।

মধ্য প্ৰাচ্য তথা আৰব দেশত খাৰুৱা তেল আৱিষ্কাৰ হোৱাৰ ফলত বিশ্বৰ উন্নত আৰু উন্নয়নশীল দেশবোৰৰ সৈতে বাণিজ্যিক আৰু কাৰিকৰী ক্ষেত্ৰত ঘনিষ্ঠ যোগসূত্ৰ স্থাপিত হৈছে। তদুপৰি বিশ্বৰ বিভিন্ন দেশৰ লগত স্থাপিত হোৱা কূটনৈতিক সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰতো আৰবী ভাষাই মুখ্য আকৰ্ষণ লাভ কৰিববলৈ সমৰ্থ হৈছে। বিগত চাৰি দশকজুৰি আৰব বিশ্বই বিশ্বৰ প্ৰায়বোৰ দেশ, বিশেষকৈ তৃতীয় বিশ্বৰ দেশবোৰৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু তথা যোগাযোগৰ অবিচ্ছেদ্য অংগ হিচাপে আবিৰ্ভাৱ

হোৱা পৰিলক্ষিত হৈছে। এয়া কেৱল মাত্ৰ উদ্যোগিক ক্ষেত্ৰ তথা অৰ্থনৈতিক দ্ৰুত উন্নয়নৰ বাবেই নহয়, বৰং সামাজিক আৰু ৰাজনৈতিক লাভালাভৰ দিশৰ পৰাও সমানে তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। যাৰ বাবে পশ্চিম এছীয় বজাৰ দখল কৰিবলৈ আৰু আৰব দেশবোৰৰ সৈতে অৰ্থনৈতিক তথা বাণিজ্যিক সম্পৰ্ক স্থাপন কৰাৰ বাবে প্ৰতিযোগিতাৰ পৰিৱেশৰ সৃষ্টি হৈছে। সেয়ে বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰত আৰবী ভাষাত জ্ঞান লাভ কৰিবলৈ জাতি-ধৰ্ম নিৰ্বিশেষে মানুহৰ আকৰ্ষণ অস্বাভাৱিক ৰূপত বৃদ্ধি পাইছে। এইদৰে আৰবী ভাষাই প্ৰাক্ ইছলামী যুগৰপৰা বিভিন্ন পৰিক্ৰমাৰে উন্নতিৰ পথেৰে আগুৱাই আহি বৰ্তমান অৱস্থাত উপনীত হৈছে।

প্ৰসংগ পুথিঃ

১) A New Standard Encyclopedia Vol. VIII P-62

২) Oxford Junior Encyclopedia

৩) আৰবী সাহিত্যৰ চমু বুৰঞ্জী
প্ৰথম খণ্ড- দেৱান মঃ আলম হুছেইন

৪) A Study Of Literary History Of The Arabs
By Dr. Chand Mohammad Ali

# মানৱ সমাজ আৰু পাৰিপাৰ্শ্বিকতা

✍ শচীন চহৰীয়া
সহঃ অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

প্ৰকৃতিৰ অংশ বিশেষ মানুহক অতিকে প্ৰয়োজন হোৱা মৌলিক সামগ্ৰীসমূহৰ উৎস প্ৰকৃতিয়েই। প্ৰকৃতিৰ পৰাই আমাক লগা সামগ্ৰীখিনি আহৰণ কৰি ভৌতিক পৰিৱেশ আৰু নিজৰ ভিতৰত ক্ৰিয়া-প্ৰতিক্ৰিয়া কৰি প্ৰাকৃতিক ভাৰসাম্য বজাই ৰাখি পৃথিৱীত জীৱজগত বৰ্তি আছে। জনসংখ্যা বৃদ্ধি আৰু যান্ত্ৰিক সভ্যতা প্ৰসাৰৰ লগে লগে পৃথিৱীত সীমিত সম্পদৰাজিৰ ওপৰত প্ৰচণ্ড চাপৰ সৃষ্টি হৈ প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হোৱাৰ উপক্ৰম ঘটিছে, যাৰ ফলত পৃথিৱীত অতিবৃষ্টি, অনাবৃষ্টি, অ'জন স্তৰত বিন্ধা , গোলকীয় উষ্ণতা বৃদ্ধি, জলবায়ুৰ পৰিৱৰ্তন, বায়ু ,পানী, মাটি প্ৰদূষণ, জীৱৰ বিলুপ্তি আদি সমস্যাৰাজিয়ে দেখা দিছে। ফলত মানৱ জাতি ভীষন প্ৰদূষণৰ কবলত পৰি নিজৰ বিপদ নিজেই চপাই আনিছে।

প্ৰকৃতিৰ উপাদানসমূহ হ'ল বায়ু, পানী, মাটি, উদ্ভিদ আৰু প্ৰাণী; যিবিলাক এটা আনটোৰ ওপৰত নিৰ্ভৰশীল। যাৰ ফলত এক পৰিস্থিতি তন্ত্ৰ গঢ় লৈ উঠিছে। এই উপাদানসমূহৰ যিকোনো কাৰণতে যেনে, জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, যান-বাহন, নগৰীকৰণ, শক্তি উৎপাদনকাৰী প্ৰক্ৰিয়া, কৃষি আধুনিকীকৰণ, বনাঞ্চল সংহাৰৰ বাবে পৰিৱেশ দূষিত হৈ পৰিস্থিতি তন্ত্ৰৰ অৱক্ষয় হৈ পৰিছে আৰু বিশ্বব্যাপী এক জ্বলন্ত সমস্যা ৰূপে স্বীকৃতি পাইছে। জনসংখ্যা বৃদ্ধিৰ ফলত কৃষি ভূমিৰ সন্ধানৰ লগতে ঘৰ সজা, খৰি-কাঠ, জীৱ-জন্তুৰ খাদ্য আদিৰ বাবে বনাঞ্চলসমূহ ধ্বংস কৰাত লিপ্ত হৈছে। উদ্যোগ, কল-কাৰখানা, অনুষ্ঠান-প্ৰতিষ্ঠান, ৰাস্তা-ঘাট নিৰ্মানৰ বাবে জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ অসমৰ ঐতিহ্যমণ্ডিত জলাহভূমি (Wefland) সমূহৰ ধ্বংস কাৰ্য কোনো নীতি-নিয়ম নোহোৱাকৈ চলি আছে। ৰাষ্ট্ৰীয় পৰিৱেশ আয়োগৰ মতে কোনো এখন সমতলভূমি পৰিৱেশ সুৰক্ষাৰ বাবে বনাঞ্চলৰ মাটিকালিৰ শতকৰা ৩৩.৩ ভাগ থকা উচিত। কিন্তু সমীক্ষা মতে ভাৰতবৰ্ষত থকা বনাঞ্চলৰ হাৰ ১৯.৪৭ ভাগ। বনাঞ্চল ধ্বংস হোৱাৰ বাবে পৰিৱেশ পাৰিপাৰ্শ্বিকতাৰ আমূল পৰিৱৰ্তন হৈছে। বায়ু মণ্ডলত $co_2$ ৰ পৰিমাণ দ্ৰুত গতিত বাঢ়িছে। বায়ুমণ্ডলৰ উষ্ণতা বাঢ়ি সেউজ গৃহ প্ৰতিফল (Green house effect) ঘটিছে। ইয়াৰ ফলত বায়ুমণ্ডলত আদ্ৰতা কমি বৰষুণৰ মাত্ৰা কমিছে যাৰ বাবে মাটিৰ উৎপাদিকা শক্তি কমি কৃষি শস্যৰ উৎপাদন হ্ৰাস পাইছে। গছ-গছনি ধ্বংসৰ ফলত উদ্ভিদৰ এক অতি লাগতীয়াল জৈৱিক প্ৰক্ৰিয়া সালোক-সংশ্লেষণৰ হাৰ ক্ৰমাগতভাৱে কমি যাব ধৰিছে যাৰ ফলত জীৱৰ প্ৰাণ অক্সিজেন গেছৰ মাত্ৰা বায়ুমণ্ডলত কমি বায়ুমণ্ডলৰ ভাৰসাম্যতা ৰক্ষাত ব্যাঘাত জন্মাইছে।

নগৰ-চহৰত বিভিন্ন উদ্যোগ-প্ৰতিষ্ঠানৰ পৰা ওলোৱা ধোঁৱা, ধূলিকণা সন্নিবিষ্ট থকা গেছবিলাক— নাইট্ৰ'জেন অক্সাইড, সীহ, আৰ্চেনিক, এন্টিমানি আদি ধাতুৰ ফলত বায়ুমণ্ডল বিষাক্ত হৈ পৰিছে আৰু অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰি শ্বাসজনিত ৰোগৰ লগতে অন্যান্য ৰোগাক্ৰান্ত কৰিছে। দেশৰ প্ৰগতি আৰু আয় বৃদ্ধিৰ বাবে উদ্যোগ স্থাপন হ'ব লাগিবই, কিন্তু মানৱ জীৱনৰ ভবিষ্যৎ আৰু পৰিৱেশ এই দিশ আগত ৰাখিহে নতুন ঔদ্যোগিক নীতি প্ৰৱৰ্তনৰ প্ৰয়োজনীয়তা আহি পৰিছে। বিভিন্ন আন্তৰ্জাতিক সন্মিলন অভিৱৰ্তনৰ জৰিয়তে এই দিশত ইতিবাচক পদক্ষেপ গ্ৰহণ কৰা উচিত।

কৃষিৰ বিকাশ আৰু উৎপাদন বৃদ্ধি এই মূলমন্ত্ৰ সাৰোগত কৰি সেউজ বিপ্লৱৰ জৰিয়তে কৃষিৰ সম্ভাৱৰ উৎপাদন বৃদ্ধি সম্ভৱ হৈ উঠিছে সঁচা, কিন্তু তাৰ লগে লগে কৃষি কাৰ্যত ব্যৱহৃত অনিয়মিত ৰাসায়নিক সাৰ, কীটনাশক আৰু বেমাৰ নাশক ঔষধে পানী আৰু খাদ্য উভয়তে বিষক্ৰিয়াৰ সৃষ্টি কৰাত মানৱ জীৱনত ই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নতুন কৃষি পদ্ধতিত জৈৱ সাৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে যদিও অসমৰ কিমান কৃষকে ইয়াৰ ব্যৱহাৰ উপলদ্ধি কৰিছে?

পৰিৱেশ প্ৰদূষণ যিহেতু বিপদজনক সমস্যা। ইয়াক প্ৰতিৰোধ কৰিবলৈ আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু আমাৰ অসম চৰকাৰেও কিছুমান ব্যৱস্থা হাতত লৈ কেতবোৰ আইন প্ৰণয়ন কৰিছে। বায়ু, পানী, জীৱ-জন্তু, গছ-গছনি জলাশয়, মাটি আদি উপাদানবোৰৰ ৰক্ষণাবেক্ষণ আৰু সংৰক্ষণৰ বাবে ভাৰত চৰকাৰেও কেইবাখনো আইন বলবৎ কৰি ইয়াক প্ৰয়োগৰ চিন্তা-চৰ্চা কৰি আহিছে।

১৯৭৬ চনত সংবিধানৰ ৪২ তম সংশোধনীৰ দ্বাৰা ভাৰতীয় সংবিধানত পৰিৱেশ সুৰক্ষাৰ দিশ চিন্তা কৰিয়েই পৰিৱেশ মন্ত্ৰালয়, পৰিৱেশ আয়োগ আদি গঠন কৰাৰ বাদেও জল সুৰক্ষা আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন (১৯৭৪) বনাঞ্চল সুৰক্ষা আইন (১৯৮০), বায়ু সুৰক্ষা আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন (১৯৮১), পৰিৱেশ সুৰক্ষা আইন (১৯৮৬), বণ্যপ্ৰাণী সংৰক্ষণ আইন (১৯৭২) এই আইনবোৰ বলবৎকৰণত কেতবোৰ গুৰুত্বপূৰ্ণ আসোঁৱাহ আৰু সমস্যা থকা বাবে ইয়াক কঠোৰ ভাৱে কাৰ্যকৰী কৰিব নোৱাৰাৰ বাবেই বৰ্তমান আমাৰ সমাজত প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণ সম্পৰ্কে প্ৰশ্ন উত্থাপন হৈ আহিছে।

সমগ্ৰ বিশ্বৰ লগতে মানৱ জাতিক জীয়াই ৰাখিবলৈ একমাত্ৰ দায়িত্ব মানৱ জাতিৰেই। কেৱল বিভিন্ন আইন-কানুন চৰকাৰীভাৱে আৰোপ কৰিলেই পৰিৱেশ সংৰক্ষণ তথা পাৰিপাৰ্শ্বিকতাৰ উন্নতি সাধিত হ'ব নোৱাৰে। বৰ্তমান ব্যক্তিকেন্দ্ৰিক ভোগবাদী সমাজ ব্যৱস্থাত মানৱ জাতিৰ প্ৰকৃতি সুলভ প্ৰবৃতি ক্ৰমাগত কমি আহিবলৈ ধৰিছে। সেয়েহে চৰকাৰী আইন প্ৰনয়ণৰ লগতে পৰিৱেশীয় নৈতিকতা (Environmental Ethics) সকলোৱে স্বীকাৰ কৰি ল'লেহে আমি আমাৰ ঘৰখন, সমাজ তথা পৃথৱীখন প্ৰদূষণমুক্ত কৰিব পাৰিমহক।

পৰিৱেশ উন্নতিকৰণৰ বিভিন্ন ব্যৱস্থাৰ ভিতৰত আমি সহজতে পালন কৰিব পৰা কেইটিমান দিশ হ'ল—

ক) প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিবলৈ সৰ্বোত্তম কাৰ্যব্যৱস্থা হ'ল বৃক্ষৰোপন। নৈতিক কাৰণত এজোপা গছ কাটিব লাগিলেও আমি দুজোপা গছ ৰোপন কৰাৰ ব্যৱস্থা কৰিব লাগিব।

খ) পাৰিপাৰ্শ্বিকতা সংৰক্ষণৰ কাৰণে যাৱতীয় ব্যৱস্থা সামাজিক বনানীকৰণ, শক্তি সংৰক্ষণ আদিও জনসাধাৰণ সজাগ হ'ব লাগিব।

গ) উদ্যোগ প্ৰতিষ্ঠাৰ বেলিকা উদ্যোগৰ পৰা যাতে কোনোধৰণৰ প্ৰদূষণ সৃষ্টি হৈ মানৱ জীৱনত বিঘিনি নঘটায় তাৰ বাবে সকলো পৰ্যায়ৰ লোকসকল সচেতন হোৱাটো বাঞ্ছনীয়।

ঘ) উদ্যোগৰ পৰা ওলোৱা প্ৰদূষিত পদাৰ্থ প্ৰয়োজনীয় নিস্ক্ৰিয় কৰা ব্যৱস্থা।

ঙ) আমাৰ বননিবোৰৰ সংৰক্ষণৰ জৰিয়তে যাতে জৈৱ বৈচিত্ৰ্যতাৰ কোনো হানি নহয় তাৰ বাবে সজাগ বৃদ্ধি।

চ) অনুকূল পৰিৱেশৰ বাবে আধুনিক কৃষি পদ্ধতিত কৃত্ৰিম ৰাসায়নিক প্ৰযুক্তিৰ পৰিৱৰ্তে জৈৱ কৃষি পদ্ধতি অৱলম্বন কৰাত কৃষকসকলক অনুপ্ৰাণিত কৰা।

আমি অনুধাৱন কৰিছো যে, চৰকাৰীভাৱে পৰিৱেশ সংৰক্ষণৰ বাবে কটকটীয়া আইন-কানুন প্ৰণয়ন কৰিও কৃতকাৰ্য হ'ব নোৱাৰাৰ কাৰণ জনসাধাৰণৰ পৰিৱেশ শিক্ষাৰ অভাৱ। চৰকাৰী তথা বেচৰকাৰীভাৱে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগৰে প্ৰত্যেকগৰাকী ব্যক্তিৰ সজাগতা তথা প্ৰত্যক্ষ অংশগ্ৰহণেৰে পৰিৱেশ ৰক্ষাত নিশ্চয় সফল হ'ব পৰা যায়। ○○

---

➡ যিজনে নিজক উপদেশ দিব পাৰে তেৱেঁই উন্নতি কৰিব পাৰে। —স্বামী ৰাম তীৰ্থ।

➡ পদ মানুহে কামৰ বাবে লয়, কিন্তু কাম কৰিব নোৱাৰিলে পদৰ মূল্য কি? —গোপীনাথ বৰদলৈ।

➡ আমি চৰাইৰ দৰে আকাশত উৰিবলৈ শিকিছো, মাছৰ দৰে পানীত সাঁতুৰিবলৈ শিকিলো;
কিন্তু একেখন পৃথিৱীত ইজনে সিজনৰ লগত ভাইৰ দৰে বসবাস কৰিবলৈ শিকা নাই।
—মাৰ্টিন লুথাৰ।

# দৰঙী সংস্কৃতি

✍ কাবেৰী ডেকা
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

দৰং শব্দৰ বিশেষণ ৰূপ দৰঙী। মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভাতৃ চিলাৰায়ৰ মৃত্যুৰ পিছতহে দৰং ৰাজ্যৰ জন্ম। আহোম স্বৰ্গদেৱে স্বৰ্গ নাৰায়ণক যৌতুক স্বৰূপে দিয়া ৰাজ্যখণ্ডই দৰং ৰাজ্য। এই দৰং ৰাজ্যৰ সীমা আছিল উত্তৰে গামৰিগিৰি অৰ্থাৎ ভূটান পাহাৰ; পূৱে ভৈৰবীৰ থান বা ভৰালী নদী। দক্ষিণে শ্ৰীপাহাৰ অৰ্থাৎ ব্ৰহ্মপুত্ৰ নদলৈকে আৰু পশ্চিমে কৰতোৱা নদী। বলিনাৰায়ণৰ মৃত্যুৰ লগে লেগ কিন্তু দৰং ৰাজ্যৰ পৰিসীমা সংকুচিত হৈ ইয়াৰ পশ্চিম সীমা বৰ্তমান বৰ নদীলৈ পিছুৱাই আহে।

কোনো এক অঞ্চলৰ কলা-কৃষ্টি বা সংস্কৃতিৰ অধ্যয়ন বা অন্বেষণ কৰোতে সেই অঞ্চলটোৰ ভৌগলিক, সামাজিক, ঐতিহাসিক আৰু নৃতাত্ত্বিক পটভূমিৰ প্ৰতি চকু ৰাখিব লাগিব। দৰঙৰ সামাজিক আৰু ঐতিহাসিক পটভূমিৰ ওপৰত দৃষ্টি ৰাখি ক'ব পাৰি যে ইয়াৰ সাংস্কৃতিক ইতিহাসত প্ৰাচীন হিন্দু ৰজা, কোঁচ ৰজা আৰু আহোম ৰজাসকলৰ অভাৱ পৰিছে, যদিও প্ৰথম দুটাৰ অভাৱৰ গভীৰতা তৃতীয়টোতকৈ অনেক গুণে বেছি।

সংস্কৃতিক সাধাৰণভাৱে দুভাগত ভগাব পাৰি— মাৰ্গী বা শাস্ত্ৰীয় সংস্কৃতি আৰু দেশ্য বা দেশীয় বা লোক সংস্কৃতি।

'মাৰ্গো দেশীতিতদদ্বেধা তত্ৰ মাৰ্গঃ স উচ্যতে।'

দৰঙৰ সংস্কৃতিতো এই দুটা উপসংযুক্তি (Substructure) স্থিতি লক্ষ্য কৰা যায়। ব্যাস সংগীত বা বিয়াহৰ ওজাপালি শাস্ত্ৰীয় বা মাৰ্গী সংস্কৃতিৰ প্ৰতিনিধি আৰু সুকনানি ওজাপালি বা অন্যান্য পৰিৱেশ্য অনুষ্ঠান লোকায়ত পটভূমিত গঢ়ি উঠা।

পুতলা-নাচ, খুলীয়া ভাউৰীয়া, সুকনানি ওজাপালি, দেওধনী, নাম আদি দৃশ্য-শ্ৰব্য কলা ৰূপক লোক-নাট্য পৰ্যায়ত অংগীভূত কৰিব পাৰি। অৱশ্যে লোক-নাট্য, লোক-সংগীত আৰু লোকনৃত্য—এই তিনিওটাৰে সমাহাৰ প্ৰায়বিলাক পৰিৱেশ্য কলা-ৰূপত লক্ষ্য কৰা যায়; উদাহৰণ ওজা-পালি অনুষ্ঠান।

পুতলা নাচৰ পৰম্পৰা অতিকৈ প্ৰাচীন। কামৰূপ, উজনি অসম আদিত প্ৰচলিত পুতলা নাচৰ শৈলী আৰু টেকনিকৰ বৈশাদৃশ্য নথকা নহয়। অন্য ঠাইত শংকৰদেৱৰ 'অংকীয়া ভাওনা'ৰ প্ৰভাৱৰ ফলত খুলীয়া ভাউৰীয়াৰ জন্ম হ'লেও দৰঙী খুলীয়া ভাউৰীয়াৰ জন্ম হয় বিয়াহৰ ওজা-পালিৰ প্ৰভাৱতহে।

দেওধনী নৃত্যানুষ্ঠানৰ লগত দেৱদাসী আৰু খেৰাই নৃত্যৰ আদৰ্শগত আৰু ৰূপগত সাদৃশ্য আৰছ। সুকনানি ওজা-পালিৰ লগত দেওধনীৰ অবিচ্ছেদ্য সম্পৰ্ক নাই, পৰৱৰ্তী কালতহে সম্পৰ্ক স্থাপন কৰা হৈছে।

বৰঢুলীয়া, ঢেপাঢুলীয়া আদি অনুষ্ঠানত ব্যৱহৃত ঢোলৰ উল্লেখ 'অথৰ্ববেদ'ত পোৱা যায়। ঢেপা-ঢুলীয়া দৰঙৰ একক অনুষ্ঠান, যিহেতু এনে অনুষ্ঠান অসমৰ অন্যত্ৰ লক্ষ্য কৰা নাযায়। অৱশ্যে পুৰণি দৰং ৰাজ্যৰ অন্তৰ্ভুক্ত পাতিদৰং অঞ্চলত (অৰ্থাৎ পূৱ কামৰূপত) ঢেপা-ঢুলীয়া বা চুঙা ঢুলীয়াৰ চলতি দেখা যায়। দৰঙৰ বহুৰঙী বৰঢুলীয়াও অনুপম অনুষ্ঠান। দৰঙী ঢুলীয়াই বান্দৰৰ পুতলা নচুৱাই বিদ্ৰূপাত্মক গীত আবৃত্তি কৰে ঢোলৰ ছেৱে ছেৱে ঃ

দিহা ঃ ডাঙৰ বাপা ঐ ভাল কৰি নাচন দিবি।
পদ ঃ চানা বাপা ঐ ভাল কৰি নাচন দিবি।
গৰু বাট খোট দি আৰু এটা জুৰ্ বি।।

লোক সংগীততো দৰং আগবঢ়া। এই অঞ্চলত প্ৰচলিত দুই-চাৰিটা 'বিয়া-গীতে' আমাক যেন কালিদাসৰ কল্পনাৰ ওচৰ চপায়—

'বাৰীত কান্দে বাৰীৰ লতাই
ঘৰত কান্দে আই।
ৰভাৰ খুটাত ধৰি ধৰি কান্দে
চেনেহৰ পিতাই।।'

'কিয় কান্দা পিতা তুমি মোৰ মুখ চাই।
কালি পুৱাই লৈ যাবো তোমাৰ জোৰেই পাই।।'

দৰঙত বিয়া-গীত বা বিয়া নামৰ সলনি বিয়াৰ পদ অভিধাটিৰহে জনপ্ৰিয়তা অধিক। তেনেদৰে 'নামতী' বা 'গীদেলী' পদৰ নিচিনাকৈ দৰঙত 'পদেলী' অভিধাটিৰ ব্যৱহাৰ দেখা যায়। অসমৰ বিভিন্ন অঞ্চলত প্ৰচলিত হিৰানাম বা হিয়ানাম, দিহানাম, থিয়নাম, চেও-চাপৰিনাম, গোসাঁই নাম, গুপিনী নাম, আইনাম, নাগাৰানাম, পালনাম আদি বিভিন্ন নাম দৰং অঞ্চলতো আছে। অসমৰ অন্য অঞ্চলত নোহোৱা 'নাঙেলী-গীত'ৰ প্ৰচলন কেৱল দৰঙতে লক্ষ্য কৰা যায়। আই বসুমতীৰ উৰ্বৰতা বৃদ্ধিৰ বাবেই 'নাঙেলী গীত'বোৰ গোৱা হৈছিল।

'বেলাড'ৰ ক্ষেত্ৰতো দৰঙী সংস্কৃতি চহকী। সৃষ্টি সম্পৰ্কীয় বিভিন্ন মিথ, জনশ্ৰুতি মূলক কাহিনী গীত আৰু ঐতিহাসিক বেলাড বা লোক কাব্যৰ পৰিসীমাত সামৰিব পৰা দুই এটা বেলাড দৰঙত প্ৰবাহমান।

প্ৰশ্ন আৰু উত্তৰৰ সহায়ত গীত পদৰ গতি উপসংহাৰৰ ফালে ক্ৰমাগ্ৰসৰণ কৰা এবিধ গীত পৃথিৱীৰ বিভিন্ন সংস্কৃতিত আছে। এন ধৰণৰ গীত পদক 'কণ্টে-ফেবল' (Cant Fable) বোলা হয়। এই জাতীয় নিচুকনি গীত দৰঙত পোৱা যায়—

—আৰে ৰে, পৈয়েৰে ক'ক গেইছি?
—খেৰ কাট্‌বা।
—কোনে কলা?
—নেটাই কলা।
—কোন নেটা?
—সেই নেটা।
এডিয়া কাপোৰৰ দীঘল দহি।
নেটাক বান্ধো কহি কহি।।

নৈদানিক গীত-পদৰ ক্ষেত্ৰটো দৰঙী সংস্কৃতি চহকী। ৰভা, আম, গছ, ঘিউ, তাল, নূপুৰ, ঢোল, মৰাপাট, মাটিৰ পাত্ৰ, ঘট, কুমৰ-চৰু, মুদ্ৰা, লাউটোকাৰী আদিৰ জন্ম সম্পৰ্কীয় গীত-পদ ওজাপালি-ঢুলীয়া আদিৰ মুখে মুখে।

হিন্দু তিৰোতাসকলৰ নিচিনাকৈ দৰঙৰ অঞ্চল বিশেষৰ মুছলমান তিৰোতাসকলে 'ফকিৰ আলিগীত' গায় প্ৰতি বৃহস্পতি আৰু শুক্ৰবাৰে অনুষ্ঠিত বৈঠকখানাত।

দৰঙৰ ৰাভাসকলৰ মাজত ৰং-ধেমালিৰ গীতৰ বৰ সমাদৰ। ৰং-ধেমালী কৰোতে গোৱা গীত-পদৰ নাম 'আহু-শালি গীত'।

যোজনা বা যোজনা পটন্তৰ, দিষ্টান আদি দৰঙৰ লোক জীৱনৰ মুখে মুখে । উপকথা, গোঁসাই কথা আদি বিভিন্ন প্ৰসংগত আৰু বিভিন্ন স্তৰত শুনিবলৈ পোৱা যায়।

আধুনিক শিক্ষা, নগৰীকৰণ আদিয়ে পৰম্পৰাক গ্ৰাস কৰিছে। তেনে এক সন্ধিক্ষণত দৰং তথা অসমৰ সংস্কৃতিৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে সংস্কৃত প্ৰেমী উত্তৰ-পুৰুষ আৰু সংস্কৃতিৰ ধাৰক বাহকসকলৰ আন্তৰিকতাপূৰ্ণ নিষ্ঠা আৰু উদাৰ দৃষ্টিভংগীৰ ওপৰত। OO

# সামাজিক ব্যাধি এইড্‌ছ (AIDS) আৰু ইয়াৰ প্ৰতিকাৰ

✍ ৰিপুঞ্জয় তামুলী
স্নাতক ১ম বৰ্ষ, অৰ্থনীতি বিভাগ

২১ শতিকাৰ এই এইড্‌ছ (AIDS) নামৰ ব্যাধিবিধে মানৱ সমাজৰ ভয়াবহতাৰ প্ৰতীক ৰূপে থিয় দিছে। বৰ্তমান সময়ত চিকিৎসা বিজ্ঞানৰ বহুল উন্নতি হ'লেও এই এইড্‌ছ ৰোগ নিৰাময়ৰ সফলতা অৰ্জন কৰিবলৈ সক্ষম হোৱা নাই। গতিকে একেষাৰে ক'বলৈ গ'লে এইড্‌ছ মানে মৃত্যুৰ দুৱাৰদলি। যদি এইড্‌ছ মানে মৃত্যুৰ দুৱাৰদলি হয় তেনেহ'লে আমিনো কিয় এই ব্যাধিবিধৰ বিষয়ে জ্ঞান আহৰণ নকৰো? জীয়াই থকাই যিহেতু মানুহৰ মূলমন্ত্ৰ। গতিকে জীয়াই থাকিবৰ বাবে আমি এই ব্যাধিবিধৰ বিষয়ে জনাতোৰ যথেষ্ট প্ৰয়োজনীতা আছে।

এই এইড্‌ছ ৰোগৰ বিষয়ে সম্পূৰ্ণ জ্ঞান পাবলৈ আমি বহু প্ৰশ্নৰ উত্তৰ পাব লাগিব।

প্ৰথমতে আহো এইড্‌ছ (AIDS) কাক বোলে! এইড্‌ছ (AIDS) বুলিলে "Acquired Immuno Dificiency Syndrame" বুলি জনা যায়। এই 'AIDS' ৰোগ 'এইচ্-আই-ভি' (HIV) "Human Immino Deficiency Virus" নামৰ ভাইৰাছ বিধৰ পৰা হয়।

HIV ভাইৰাছে মানৱ শৰীৰত লাহে লাহে প্ৰতিক্ৰিয়া কৰে। প্ৰধান কথাটো হ'ল এইড্‌ছ ৰোগ যি কোনো মানুহৰে হ'ব পাৰে। নিজকে সম্পূৰ্ণ সুস্থ যেন লাগিলেও এই ৰোগত আক্ৰান্ত হ'ব পাৰে। কাৰণ এই ৰোগ ৫/১০ বছৰ আগৰে পৰা হৈ থাকিব পাৰে। এই ৰোগত আক্ৰান্ত হ'লে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায়। ফলত দেহত বিভিন্ন ৰোগে দেখা দিয়ে আৰু এই ৰোগবোৰো সহজে ভাল নহয়।

এই ৰোগৰ প্ৰধান লক্ষ্যণবোৰ হ'ল—
১। অস্বাভাৱিক ভাৱে শৰীৰৰ ওজন হ্ৰাস পায়।
২। প্ৰায়ে এৰাধৰাকৈ জ্বৰ হৈ থাকে।
৩। গ্ৰহণী, ডায়েৰীয়া হ'ব পাৰে।
৪। কাহ হৈ থাকে।
৫। শৰীৰৰ গ্ৰন্থিবোৰ ফুলে আৰু ৰাতি শৰীৰ ঘামি থাকে।
৬। খাদ্যনলীত ঘাঁ হয় আৰু খাদ্য খাব মন নাযায়।

৭। উশাহবোৰ ঘন-ঘন হয়।

এইড্‌ছ ৰোগ নিশ্চিতভাৱে চিনাক্ত কৰিবলৈ হ'লে তেজ পৰীক্ষা কৰিবই লাগিব।

**এইড্‌ছ ৰোগ কেনেকৈ বিয়পে—**

১। পৰীক্ষা নকৰা তেজ গ্ৰহণ কৰিলে।

২। একেটা চিৰিঞ্জেৰে বহুজনে চিকিৎসা গ্ৰহণ কৰিলে।

৩। অসুৰক্ষিত বা একাধিক নাৰী-পুৰুষৰ লগত যৌন সম্ভোগ কৰিলেও এই ৰোগ বিয়পে।

৪। এইড্‌ছ ৰোগত আক্ৰান্ত গৰ্ভৱতী মাতৃৰ পৰা সন্তানলৈ।

**এইড্‌ছ ৰোগ কেনেকৈ নিবিয়পে—**

১। এইড্‌ছ আক্ৰান্ত ব্যক্তিৰ লগত একেলগে চলা-ফুৰা কৰিলে।

২। একেলগে খেলা-ধূলা কৰিলে।

৩। এইড্‌ছ ৰোগীয়ে ব্যৱহাৰ কৰা কাপোৰ-কানি ব্যৱহাৰ কৰিলে।

৪। একেলগে শোলে আৰু মহে কামুৰিলে এই ৰোগ নিবিয়পে।

**এইড্‌ছ ৰোগ কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি —**

১। পৰীক্ষা নকৰা তেজ গ্ৰহণ কৰিব নালাগে।

২। অচিনাকি বা একাধিক স্ত্ৰী-পুৰুষৰ লগত যৌন সম্ভোগ কৰিব নালাগে।

৩। যৌন সম্ভোগৰ সময়ত কনড়ম ব্যৱহাৰ কৰিব লাগে।

৪। বিজাণুমুক্ত চিৰিঞ্জ ব্যৱহাৰ কৰিব লাগে।

৫। এইড্‌ছত আক্ৰান্ত গৰ্ভৱতী মহিলাই ভাল চিকিৎসকৰ পৰামৰ্শমতে স্বাস্থ্যৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে যাতে তেওঁৰপৰা শিশুটিলৈ এইড্‌ছ নিবিয়পে।

**আমাৰ দায়বদ্ধতা ঃ**

এইড্‌ছ ৰোগীৰ প্ৰতি আমি মৰম, বন্ধুত্বপূৰ্ণ ব্যৱহাৰ কৰা উচিত। এইড্‌ছ ৰোগীসকলক কেতিয়াও অকলশৰীয়া কৰিব নালাগে।

বিশ্ব স্বাস্থ্য সংস্থাই প্ৰতি ১ ডিচেম্বৰ দিনটো 'বিশ্ব এইড্‌ছ দিৱস' হিচাপে পালন কৰি আহিছে। এতিয়ালৈকে ২১ বাৰ বিশ্ব স্বাস্থ্য সংস্থাই এই দিৱস পালন কৰিছে। এজন সন্দেহযুক্ত মানুহক এইড্‌ছ ৰোগৰ তেজ পৰীক্ষা কৰিবলৈ হ'লে তেওঁৰ অনুমতি ল'ব লাগিব আৰু 'Counselling' কৰিব লাগে এইটো যদিও আইনমতে বাধ্য নহয়। তথাপি ই 'গাইড লাইন'ত পৰে।

আজিৰ সমাজত বিবাহৰ সময়ত ৰাহি-যোৰা চোৱাৰ দৰে এইড্‌ছ ৰোগৰ তেজ পৰীক্ষা কৰাটো অনিবাৰ্য অংগ হ'ব লাগে যাতে এই ৰোগ বিয়পিব নোৱাৰে।

দেশৰ প্ৰতিজন চিকিৎসকে এই ৰোগীক ভালদৰে চিকিৎসা আগবঢ়াব লাগে। যদি কেতিয়াবা কোনো চিকিৎসকে এইড্‌ছ ৰোগীৰ চিকিৎসাত অনীহা প্ৰকাশ কৰে তেতিয়া আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ দেশৰ আইন সংশোধন কৰি সকলো চিকিৎসকক এইড্‌ছ ৰোগীক চিকিৎসা কৰাটো বাধ্যতামূলক কৰা উচিত। অন্যথা এনে চিকিৎসকৰ পঞ্জীয়ণ পত্ৰ বাতিল কৰা উচিত।

ৰোগীসকলে সমাজলৈ ওলাই আহিবলৈ সংকোচ বোধ কৰে। আমাৰ দৃঢ় বিশ্বাস এই এইচ্-আই-ভি নিবাৰণ প্ৰক্ৰিয়া মুকলিমূৰীয়া হ'লে এইড্‌ছৰ লগত থকা কালিমা নাইকিয়া হ'ব আৰু এই ৰোগ অচিৰেই নিয়ন্ত্ৰণত আহিব।

এইড্‌ছ ৰোগ নিয়ন্ত্ৰণৰ দায়িত্ব আমাৰ সমাজখনে আন কামৰ দায়িত্ব দিয়াৰ দৰে খ্যাতি আৰু অৰ্থলোভী সমাজ সেৱক বা চৰকাৰী বিষয়াৰ হাতত এৰি দিলে নহ'ব। এইড্‌ছৰ চিকিৎসাৰ লগত প্ৰত্যক্ষভাৱে জড়িত লোকেহে সুস্থ আলোচনাৰ এই কাৰ্যক্ৰমক আগবঢ়াই নিব পাৰিব।

---

➠ অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। কুকুৰাই ভাৱে যে সি ডাক দিয়াৰ বাবেহে ৰাতি পুৱাল।
—জৰ্জ ইলিয়ট।

➠ এটা পুখুৰীত মাগুৰ, চেং, গৰৈ, পুঠি, শিঙি আদি বিভিন্ন মাছ থাকিলেও পুখুৰীৰ মাছ বুলিয়েই কোৱা হয়। অসমত বিভিন্ন সম্প্ৰদায়ৰ মানুহ থাকিলেও মূলতঃ সকলো অসমীয়া।
—বেণুধৰ শৰ্মা।

# সাহিত্য-সঙ্গীত শিক্ষাৰ প্ৰয়োজনীয়তা

✍ পবিত্ৰ প্ৰাণ বৰা

'নহি বিদ্যা সঙ্গীতৎ পৰা' প্ৰাচীন কালতো মানৱৰ মানসিক আৰু আধ্যাত্মিক বিকাশ সাধনত সঙ্গীতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। মানৱ চিন্তাশক্তি আৰু সহানুভূতি বিকাশৰ ক্ষেত্ৰত সঙ্গীতৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা বৰ্তমান যুগৰ চিন্তাবিদসকলেও স্বীকাৰ কৰিছে। সঙ্গীতৰ যোগেদি মানৱ মনৰ উদ্বেক শাম কটাই জীৱননৈ আনন্দৰ সোঁত বোৱাই আনি এখন সুস্থ সমাজ গঢ়াৰ কথা হৃদয়ংগম কৰিব পাৰি। এৰিষ্ট'টলৰ মতে— 'সঙ্গীত হ'ল মানৱৰ আধ্যাত্মিক উন্নতিৰ প্ৰধান মাধ্যম'। গ্ৰীক দাৰ্শনিক পিথালোচৰ মতে— 'সঙ্গীত বিশ্ব-ব্ৰহ্মাণ্ডৰ ঐক্য আৰু সংহতিৰ প্ৰতীক'। বিথিউচৰ মতে— 'সঙ্গীতে মানুহৰ দেহ আৰু মনৰ সংহতি আনি আত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ পথ সুগম কৰে'। আত্মানুভূতিয়ে পৰমাত্মাৰ সান্নিধ্য লাভ কৰিবলৈ সক্ষম আৰু মাধ্যমেৰে পৰমাত্মাৰ সাধনাৰ মাধ্যম আৰু হিচাপে মণিষীসকলে সঙ্গীতক স্থান দিছিল। সঙ্গীতৰ যোগেদি ঈশ্বৰক অতি সহজে লাভ কৰিব পাৰি। সঙ্গীতে মানৱৰ সকলো চিন্তা-ভাৱনা দূৰ কৰি মনক সতেজ আৰু উৎফুল্লিত কৰে। মানৱ চৰিত্ৰ কঠোৰতা দূৰ কৰি ভদ্ৰ, সদাচাৰী, বিনয়ী কৰে। সঙ্গীতৰ আন এটা নাম ধ্যান। 'তাতে আছে জ্ঞান, যাৰ নাই তাকে বোলে অজ্ঞান', —সেয়ে চিন্তাবিদসকলৰ উপলদ্ধি হৈছিল যে—

'সাহিত্য সঙ্গীত কলাবিহীনঃ সাক্ষাৎ পশুঃপুচ্ছবিষানহীন।
তৃণাং ন খাদন্নপি জীৱমানং তভ্ভাগধেয়ং পৰৱং পশুনান।।'

অৰ্থাৎ সাহিত্য, সঙ্গীত আৰু কলাবিহীন লোক নেজ আৰু শিং নথকা সাক্ষাৎ পশুৰ দৰে। ঘাঁহ নোখোৱাকৈ যে সিহঁত জীয়াই আছে, সেইটো পশুসকলৰ বাবে পৰম সৌভাগ্য। শ্বেক্সপীয়েৰৰ ৰচনাতো তাকেই ধ্বনিত হৈছে—

'The man that no music in himself.
not is moved with conecord of sweet sounds.
is fit for treasons. stratagems spali.let
not sush man be trusted.'

উক্ত আপ্ত বাক্যকেইটিয়ে সঙ্গীতৰ মহত্বৰ কথা দেখুওৱাৰ উপৰিও মানৱ জীৱনৰ লগত সঙ্গীতৰ পৰম সম্পৰ্কৰ কথা দেখুওৱাইছে। সঙ্গীত সাধনাই মানুহক কেনেদৰে সহায় কৰে তাৰ সাধনাৰে সমাজৰ বিশ্বাসভাজন হ'ব পাৰি আপ্ত বাক্যকেইটিৰ মূল তত্ব।

"Man does not live by lerand alone" —মানুহ কেৱল আহাৰ আৰু বতাহৰ দ্বাৰা চালিত যন্ত্ৰ নহয়। মানৱ মনৰ আনন্দৰ উৎস হ'ল মানসিক অৱস্থা,চিন্তা শক্তি আৰু অনুভূতি সম্পন্ন দৃষ্টিভংগী। সেয়েহে মানুহৰ শৰীৰৰ পুষ্টিৰ লগে-লগে মানসিক পুষ্টিৰো প্ৰয়োজন। প্ৰাচীন কালত এই পুষ্টি সাধনৰ কাৰণ সাহিত্য আৰু সঙ্গীত হৈছিল। বৰ্তমান যুগতো শাৰীৰিক মানসিক পুষ্টি সাধনাৰ কাৰণে সাহিত্য আৰু সঙ্গীতক প্ৰধান মাধ্যম হিচাপে ল'ব লাগিব।

অতীতৰ ঋষিমুনিসকলে নীতি-শিক্ষা, সঙ্গীতৰ শিক্ষা, সাহিত্য শিক্ষা, কলা-কৌশলৰ শিক্ষা আদি গুৰু গৃহত থাকিশিক্ষা গ্ৰহণ কৰিছিল। নাৰদ মুনি ১২ বছৰ সঙ্গীত শিক্ষাৰ কাৰণে পঞ্চাৰত্ৰ থাকি লৈছিল। ভাৰতীয় সঙ্গীত শাস্ত্ৰত চাৰিটা সঙ্গীত মতৰ উল্লেখ আছে— শিৱমত, হনুমত, কৃষ্ণমত আৰু ভাৰতমত। উত্তৰ আৰু দক্ষিণ ভাৰতত সঙ্গীত ভাৰতমতৰ ওপৰত প্ৰতিষ্ঠিত। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সঙ্গীতধাৰা মহাপুৰুষৰ স্বকীয় আৰু মৌলিক। সেয়ে ভাৰতীয় সঙ্গীতক সঙ্গীতৰ ৫ম ধাৰা হিচাপে শঙ্কৰী মত বা পণ্ডিতসকলে স্থান দিছে। অন্যহাতে সঙ্গীত উৎপত্তিৰ তিনিটা ধাৰণা পোৱা যায়, যেনে— আধ্যাত্মিক,বৈজ্ঞানিক আৰু ব্যৱহাৰিক। এই দীঘলীয়া ব্যাখ্যা পাছলৈ এৰিলো।

ভাৰতীয় সঙ্গীত শাস্ত্ৰমতে শিৱক 'নটৰাজ' বুলি মানি লোৱা যায়। চৌষষ্ঠি কলাৰ গৰাকী কৃষ্ণক 'নটবৰ' বুলি মানি লোৱা হয়। শ্ৰীকৃষ্ণ চৌষষ্ঠি কলাপূৰ্ণ শিৱৰ অংশ কলা। কৃষ্ণৰ চৌষষ্টি কলাৰ গুণবোৰ থকাৰ বাবে শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ সঙ্গীতধাৰাত শ্ৰীকৃষ্ণক মূল নায়ক হিচাপে লৈ শঙ্কৰী সঙ্গীত ধাৰাটো ভক্তি লভাত সম্পৰ্ক ৰাখিছে। সেয়ে গুৰুজনাই হৰিভক্তি লভাত সেৱা ৰক্ষাৰ বাবে 'ঝুমুৰা' আদি শাস্ত্ৰসমূহ ৰচনা কৰিছে। ধৰ্ম, অৰ্থ কামৰ লগত মোক্ষ সাধন কৰি দুষ্টটিক মষিমুৰ কৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱ ভগৱন্ত লীলা কীৰ্ত্তনৰ বাবে আঙ্গিক, বাচিক, সাত্বিক আৰু আহায্যৰ দ্বাৰা প্ৰদৰ্শন কৰিবৰ কাৰণে গীত বাদ্য আৰু নৃত্য, ভাওনাৰ প্ৰাণ। তিনিবিধৰ নাট্যৰ সু-প্ৰয়োগত অভিনয়ে নাটৰ উদ্দেশ্য ৰক্ষা কৰিছে। একোটা নামঘৰক কেন্দ্ৰ কৰি ভাওনা যি মাহাত্ম্য প্ৰদান কৰিছে সি অক্ষয় আৰু অব্যয়।

ভাওনা প্ৰদৰ্শন বাদ দি সাহিত্য সঙ্গীতৰ কথা চিন্তা কৰা নিৰৰ্থক। ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই ভাওনা সম্পৰ্কে এটি প্ৰবল মন্তব্য দি গৈছে— 'অসমীয়া ভাওনা গুৰু-গোসাঁই, ধৰ্মৰ বেদী। সাহিত্য চৰ্চা আৰু গীত, বাদ্য, নৃত্যৰ অনুশীলনৰ ক্ষেত্ৰত এলিজাবেথান মঞ্চৰ বিষয়েও তেনে এটি কথা পোৱা যায়— "Elizabethan stage was made to serve pulpite for sermaen a platform literature and singing galaxy for leoland." গুৰুজনাৰ নাটৰ মূল উদ্দেশ্য হ'ল— ধৰ্ম সংস্কৃতি প্ৰসাৰ-প্ৰচাৰ, সঙ্গীত ৰচনা আৰু কাব্য সৃষ্টি। ভাওনাই ব্যক্তিপ্ৰধানক বিভিন্ন শিক্ষা দিয়াৰ উপৰিও সামূহিকভাৱে ৰীতি-নীতি আচাৰ-আচৰণ আদিৰো শিক্ষা দিয়ে। পবিত্ৰ জীৱন যাপন কৰাৰ শিক্ষা দিয়ে। 'নাহি ভকতি জাতি অজাতি বিচাৰ (কীৰ্ত্তন) নকৰে, উদাৰতা, গুণগ্ৰাথিতা,মানৱতা আৰু ঐক্য-সংহতি আদি বিশিষ্ট গুণবোৰ নিহিত হৈ আছে। সেয়ে নাট য'ত সপ্তৰস আছে। পূৰ্বৰঙ্গ চাৰিটা ভাগ আছে— প্ৰতীক, প্ৰয়োগ, মেৰপাক, ধেমালি, আৰিয়া কাপোৰ, অগ্নিগৰ্ভ, মহতাপ্ৰতীক আদি 'চতুবৎ' বোলা হয়। চাৰি বেদৰ চাৰি তত্ত্ব জ্ঞান-বিজ্ঞান, তদঙ্গ আৰু ৰহস্য। সত্য, নীচ, ক্ষমা, দয়া ইত্যাদি গুণবোৰ আছে। বিজ্ঞানসন্মতভাৱে ষষ্ঠ ইন্দ্ৰিয়ৰ যি অভিনয় কৰা হয় তাক ইংৰাজীত Sin sence of acting বুলি কোৱা হয়। ষষ্ঠ ইন্দ্ৰিয় হ'ল— দৰ্শন, শ্ৰৱন, ঘ্ৰাণ, স্বাদ, স্পৰ্শ আৰু অনুভৱ। সাহিত্য আদিবীৰ, ভয়ানক, কৰুণ বীভৎস, হাস্য, শান্ত, অদ্ভুদ, ৰৌদ্ৰ আদি নৱৰস সম্পন্ন জ্ঞান থকা যেনেকৈ আৱশ্যক তেনেকৈ আমাৰ ষষ্ঠ ইন্দ্ৰিয়ৰ সহায়ত অভিনয় কেনেদৰে কৰিব লাগে বুজি বা জানি লোৱা বিধেয়। নৱৰস আৰু ষষ্ঠ ইন্দ্ৰিয়ৰ কাৰ্যবাৰন বিধি-বিধান জনা থাকিলেও ক্ৰিয়াত্মক নহ'লে নাটৰ চৰিত্ৰ ৰূপায়ণত কৃতকাৰ্যতা লাভ কৰা সম্ভৱ নহয়। যৌৱনকাল জীৱনৰ আটাইতকৈ মূল্যবান সময়। সেয়ে ছাত্ৰ অৱস্থাতে পবিত্ৰ জ্ঞান আহৰণ কৰিব লাগিব। গীতা শাস্ত্ৰত কৈছে— 'নদি জ্ঞানেন সদশং পৰিশ্ৰম হৰি বিদ্যতে' এই জীৱনত জ্ঞানৰ সমান পবিত্ৰ বস্তু নাই।

শ্ৰদ্ধা আৰু বিষাদ অবিহনে পবিত্ৰ জ্ঞান আহৰণ কৰিব নোৱাৰি। প্ৰাচীনকালৰে পৰাই ভাৰতীয় ঋষিমুনি আৰু মহাপুৰুষসকলে শ্ৰদ্ধা আৰু বিশ্বাসক জ্ঞান লাভৰ একমাত্ৰ উপায় বুলি কৈ গৈছে। সাধুসকলে শিষ্য সম্বন্বিতে প্ৰতিদিনে পুৱাৰ শ্ৰদ্ধাৰ আহ্বান কৰিছিল। ঋক্‌বেদৰ শ্ৰদ্ধা সাধনাৰ মন্ত্ৰটি এনেধৰণৰ— 'শ্ৰদ্ধা আমি প্ৰাতঃকালত আহ্বান কৰো। শ্ৰদ্ধাক আমি মধ্যাহ্নকালত আহ্বান কৰো। সূৰ্য অস্ত গ'লে আমি শ্ৰদ্ধাক আহ্বান কৰো। শ্ৰদ্ধা বুলিলে বুজা যায় যে গুৰুক সন্মান কৰা, জ্যেষ্ঠসকলৰ আজ্ঞা পালন কৰা, ঈশ্বৰক বিশ্বাস কৰা ইত্যাদি। কিন্তু ঋষিমুনি বা মহাপুৰুষসকলৰ মতে বেদ-বেদান্ত আদি শাস্ত্ৰ আৰু গুৰুবাক্যত দৃঢ় বিশ্বাসেই হ'ল শ্ৰদ্ধা। বেদ-বেদান্ত শাস্ত্ৰ মতে মানুহৰ মনৰ পঞ্জীভূত অজ্ঞতা দূৰ কৰিবৰ কাৰণে প্ৰয়োজন হয় গুৰুবাক্য আৰু শাস্ত্ৰবাক্যত অপৰিসীম বিশ্বাস। দৃঢ় বিশ্বাসৰ ফলত মন শুদ্ধি ভয় আৰু শুভবুদ্ধিৰ উদয় হৈ মানুহে দেহৰ অভ্যন্তৰত থকা মূঢ় প্ৰবৃত্তিবিলাক লক্ষ্য কৰিব পাৰে। কাৰণ প্ৰত্যেক মানুহৰ অন্তৰত অগণন সূক্ষ্ম ভাল-বেয়া কামনা-বাসনা লুকাই থাকে। এই কামনা-বাসনাবিলাককে সংস্কাৰ বুলি কোৱা হয়। সংস্কাৰ দৈৱিক গুণবিলাকৰ উদ্ভৱ হয়। শ্ৰদ্ধাই হ'ল বিদ্যা সংস্থাৰ পৰম শ্ৰদ্ধাৰ ফলত জানিবলৈ সক্ষম হব মহাপুৰুষ মাধৱদেৱৰ চিৰ শ্বাশ্বত বাণী—

'যিহেতু চৈতন্যপূৰ্ণ পৰমাত্মাৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাতেহে ইন্দ্ৰিয় ভূত প্ৰাণ বৃদ্ধিসৱ
পূৰ্বতে থতেক ভজ ৰাশি।।' (নামঘোষা)

'শ্ৰদ্ধা' শব্দৰ অৰ্থ হ'ল গভীৰ বিশ্বাসেৰে গ্ৰহণ তত্বত নিজৰ হৃদয় স্থাপন কৰা। ভগৱান শ্ৰীকৃষ্ণই কৈছে— 'শ্ৰদ্ধাবান লভতে জ্ঞানৰ তৎপৰ সংসত্যেন্দ্ৰিয়ঃ জ্ঞান শ্ৰদ্ধা পৰাং। শাস্ত্ৰৰ কথা আৰু গুৰু বাক্য যি সিশ্বাস কৰে আৰু সেইবিলাক পালন কৰে, যি ইন্দ্ৰিয়বিলাক জয় কৰিব পাৰে তেওঁহে জ্ঞান লাভ কৰিব পাৰে। সাহিত্য, সঙ্গীত সাধনাৰ দ্বাৰা সুপ্ত শক্তি জাগৃত হয়। সেয়ে 'যাদশি ভাৱনা কাম্য সিদ্ধি ভকতি তাদশী' সাধনাত সিদ্ধি লাভ কৰিবলৈ ছাত্ৰ ছাত্ৰীসকলৰ সাধন তীব্ৰতৰ হ'ব লাগিব। দেশ তথা জাতিক সমৃদ্ধিশালী কৰাত ছাত্ৰ-ছাত্ৰীসকল ব্ৰতী হওঁক, —এয়ে আহ্বান জনালো।○○

➡ মিঠা মাত ব্যৱহাৰ প্ৰণালীৰ ঘাই মন্ত্ৰ। —সত্যনাথ বৰা।
➡ গভীৰভাৱে মনত সাঁচ বহুৱাব পৰাটো সাহিত্যিকৰ লক্ষণ। —হেম বৰুৱা।

# গীতাত কৰ্মৰ নিৰ্দেশ

✍ কৰবী শৰ্মা
স্নাতক ৩য় বৰ্ষ, সংস্কৃত বিভাগ

'কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভূৰ্মা তে সঙ্গোঁহস্ত্বকৰ্মনি।।'

সকলো ধৰ্মৰে একোখন মূল ধৰ্মপুথি থাকে। যেনে — মুছলমান সকলৰ কোৰাণ, খ্ৰীষ্টান সকলৰ ত্ৰিপিটক, ঠিক সেইদৰে হিন্দুসকলৰ বেদ। এই বেদৰে এটা ভাগ হৈছে উপনিষদ। উপনিষদ হৈছে বেদৰ সাৰ আৰু উপনিষদৰ সাৰ হ'ল গীতা। গীতাৰ সম্পূৰ্ণ নাম— 'শ্ৰীমদ্ভাগৱদ্গীতা'। এইখন স্বয়ং ভগৱান শ্ৰীকৃষ্ণৰ শ্ৰীমুখনিঃসৃত ৰহস্যময় দিব্যবাণী। গীতা শাস্ত্ৰত ভগৱান শ্ৰীকৃষ্ণই মানুহৰ কল্যানৰ কাৰণে অৰ্জুনক নিমিত্ত মাত্ৰ কৰি এনে পৰম দিব্য উপদেশ প্ৰদান কৰিছে, যিয়ে সহস্ৰাধিক বছৰ ধৰি ধৰ্ম প্ৰাণ মানুহক অনুপ্ৰাণিত কৰি আহিছে। এই গীতা শাস্ত্ৰ বিভিন্ন ভাৰতীয় ভাষাৰ বাহিৰেও বিদেশী ভাষাতো অনুদিত হৈ প্ৰকাশিত হৈছে।

পৃথিবীৰ শ্ৰেষ্ঠ বৃহত্তম ঐতিহাসিক মহাকাব্য মহাভাৰতৰ ভীষ্মপৰ্বৰ অন্তৰ্গত শ্ৰীমদ্ভাগৱদ্গীতাত ওঠৰটা (১৮) অধ্যায় বা যোগ আছে। সেয়ে ইয়াক কিছুমানে যোগশাস্ত্ৰ বুলিও কয়।

এই ওঠৰটা (১৮) অধ্যায়ৰ ভিতৰত ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ চৰণ প্ৰাপ্তিৰ দুই মাৰ্গৰ ভিতৰত সহজ আৰু সৰ্বসাধাৰণৰ উপযোগী হিচাবে তৃতীয় অধ্যায়ৰ কৰ্মযোগ বুলি উল্লেখ কৰিছে। এই কৰ্মযোগত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক নিমিত্ত মাত্ৰ কৰি সমগ্ৰ বিশ্ববাসীক নিজ কৰ্মৰ বিষয়ে সকীয়াই দিছে।

শ্ৰীকৃষ্ণই এই অধ্যায়ত কৈছে যে—'সকলো বস্তুৱেই ভগৱানৰ বুলি ভাবি সফলতা আৰু বিফলতাক সমজ্ঞান কৰি আসক্তি আৰু ফলাকাংক্ষা ত্যাগ কৰি ভগৱৎ নিৰ্দেশানুযায়ী কেৱল ভগৱানৰ কাৰণে সমস্ত কৰ্মৰ আচৰণ কৰা তথা শুদ্ধ ভক্তি সহকাৰে মন, বাক্য আৰু শৰীৰৰ দ্বাৰা সকলো প্ৰকাৰে ভগৱানৰ শৰণাগত হৈ গুণ, প্ৰভাৱসহ তেৰাৰ স্বৰূপ নিত্য দ্যান কৰা— এয়ে কৰ্মযোগৰ সাধনা।'

এই অধ্যায়ত শ্ৰীকৃষ্ণই নিজ কৰ্মৰ প্ৰতি অৱহেলা কৰা অৰ্জুনক সকীয়াই দি কৈছে যে— 'তুমি নিৰ্ধাৰিত কৰ্ম (শাস্ত্ৰবিহিত) কৰ্ম কৰা, কাৰণ অকৰ্মতকৈ (কৰ্ম নকৰাতকৈ) কৰ্ম কৰা শ্ৰেয়। আনহাতে কৰ্ম নকৰিলে তোমাৰ শৰীৰ নিৰ্বাহো নহ'ব। অৰ্থাৎ, হে অৰ্জুন, যিহেতু ক্ষত্ৰিয়ৰ ধৰ্মই হৈছে যুদ্ধ কৰা। ইয়াত নিৰ্ধাৰিত কৰ্ম বুলি যুদ্ধ কৰাৰ কথা কৈছে।'

কৰ্মৰ ক্ষেত্ৰত মানুহে কেতিয়াও মোহ, আসক্তি আদিক প্ৰশ্ৰয় দিব নালাগে। শ্ৰীকৃষ্ণই অৰ্জুনক কৰ্মৰ কথা ক'বলৈ গৈ আত্মা আৰু শৰীৰৰ বিষয়েও কৈছে। আত্মাৰ জন্ম কোনোকালে হোৱা নাই আৰু মৃত্যুও নাই। আত্মা এবাৰ উৎপন্ন হৈ যে অস্তিত্ববান নহ'ব সেয়াও নহয়। আনহাতে শৰীৰ অস্তিত্বহীন, ক্ষণস্থায়ী। গতিকে শৰীৰ ধ্বংস হ'লে দুখ কৰাৰ কোনো প্ৰয়োজন নাই, যিহেতু আত্মাৰ মৃত্যু নাই। এইবোৰ কৈ শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধ অথবা নিজ কৰ্ম কৰিবলৈ উৎসাহ দিছিল। যুদ্ধক্ষেত্ৰত অৰ্জুনে নিজ আত্মীয়-স্বজনক দেখি বিবুদ্ধিত পৰিছিল আৰু মোহগ্ৰস্ত হৈ যুদ্ধ কৰাৰ বাসনা ত্যাগ কৰি ৰথত বহি পৰিছিল। তেতিয়া শ্ৰীকৃষ্ণই অৰ্জুনক বুজাইছিল যে —'কৰ্মযোগীসকলে কেতিয়াও কৰ্মফল বাঞ্চা কৰিব নালাগে। কৰ্মফল বাঞ্চা কৰিলে কাৰ্য সিদ্ধি নহয়। প্ৰাচীন কালত জনক আদি ঋষিয়ে কৰ্মৰ দ্বাৰাই সিদ্ধি লাভ কৰিছিল।' শ্ৰীকৃষ্ণই আৰু কৈছে যে— 'মোলকৈ চোৱা, মোৰ সংসাৰত প্ৰাপ্য অপ্ৰাপ্য একো নাই; তথাপি মই কৰ্ম কৰি আছো। আসক্তি বিহীন হৈ কৰ্ম কৰিবা, অনুৰাগ ; বিদ্বেষ নামৰ ৰিপু দুটাৰ বশৱৰ্তী নহ'ব, কাম আৰু ক্ৰোধকো ত্যাগ কৰিবা। সকলো ইন্দ্ৰিয়ই স্থুল শৰীৰতকৈ বলবান যদিও মনটো সকলোতকৈ বলী, মনতকৈও বুদ্ধি বলী আৰু বুদ্ধিতকৈ আত্মা বলী। সেয়ে আত্মাৰ বলেৰে বুদ্ধিক, বুদ্ধিৰ বলেৰে মনক আৰু মনৰ বলেৰে ইন্দ্ৰিয়সমূহক বশ কৰি কাম নামৰ মহাশত্ৰুক জিনি ল'বা আৰু কৰ্ম কৰি যাবা।'

গীতাৰ এই শ্ৰীকৃষ্ণৰ অৰ্জুনৰ প্ৰতি মহৎ উপদেশবোৰ কেৱল অৰ্জুনৰ বাবে নহয়। এই অমৃত সদৃশ উপদেশ বাণীবোৰ অৰ্জুনৰ মাধ্যমেৰে শ্ৰীকৃষ্ণই সমগ্ৰবিশ্ববাসীৰ কল্যাণৰ হকে প্ৰদান কৰিছে আৰু কৰ্মযোগত বিশ্ববাসীক কৈছে যে—'যাৰ যি কৰ্ম তাক কোনো ধৰণৰ আসক্তি, লোভ, মোহ, কাম, ক্ৰোধ আদিক প্ৰশ্ৰয় নিদিয়াকৈ আৰু কৰ্মফল আশা নকৰাকৈ পালন কৰিব লাগে। তেতিয়াহে সকলো প্ৰাণীৰে শৰীৰ নিৰ্বাহ সিদ্ধি হ'ব। ○○

*(সহায় লৈ)*

# যুৱচামৰ ওপৰত মাদক দ্ৰব্যই পেলোৱা প্ৰভাৱ

✍ হিমাশ্ৰী হাজৰিকা
স্নাতক ২য় বৰ্ষ, অসমীয়া বিভাগ

আদিম সমাজখনৰ তুলনাত বৰ্তমান সমাজখন বহুত পৰিৱৰ্তন হ'ল বুলি ক'ব পৰা যায়। আদিম সমাজখন সংস্কাৰিত হৈ বৰ্তমান এখন সভ্য সমাজত পৰিণত হোৱা বুলি বহুতে ক'ব খোজে। কিন্তু বৰ্তমানৰ এই সমাজখনত বিভিন্ন দিশৰ পৰা বিভিন্ন উশৃংখলতাই দেখা দি আহিছে। মাদক দ্ৰব্যই সমাজৰ ওপৰত প্ৰভাৱ পেলোৱাৰ ফলত এই উশৃংখলতাসমূহৰ সৃষ্টি হয় বুলি ক'ব পাৰি।

মাদক দ্ৰব্য বুলিলে সাধাৰণে ৰাগিয়াল বস্তুসমূহকে বুজা যায়। যেনে- মদ, চাধা, চিগাৰেট, ভাং, কানি ইত্যাদি। কিন্তু বৰ্তমান সমাজত প্ৰচুৰ পৰিমানে প্ৰচলিত গুট্খা, ড্ৰাগ্ছ আদিকো মাদক দ্ৰব্যৰ অন্তৰ্ভূক্ত কৰিব পাৰি। পুৰণি কালৰ মানুহে কানি, ধঁপাত আদি সেৱন কৰাৰ কথা আমি বিভিন্ন গল্প, প্ৰবন্ধ আদিত পঢ়িবলৈ পাইছো। ইয়াৰপৰা বিশ্বাস হয় যে, পুৰণি কালৰ পৰা ইয়াৰ প্ৰচলন আছিল। কিন্তু বৰ্তমান সমাজত ইয়াৰ প্ৰচলন বহু পৰিমানে বৃদ্ধি পাইছে। এনেদৰে বৰ্দ্ধিত হাৰত মাদক দ্ৰব্য সেৱনৰ ফলত বৰ্তমানৰ সমাজখন পৰ্যায়ক্ৰমে ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈ আছে।

বৰ্তমান সমাজৰ যুৱচামেই মাদক দ্ৰব্য যথেষ্ট পৰিমানে সেৱন কৰে যদিও সমাজৰ প্ৰায় ৮০ শতাংশ লোকেই ইয়াক কম-বেছি পৰিমানে সেৱন কৰে। সমাজৰ লোকসকলৰ ভিতৰত কোনো মাদক দ্ৰব্যৰ প্ৰতি আসক্ত, কোনোলোকে স্ফূৰ্তিত আৰু আন এচাম লোকে দুখত ইয়াক সেৱন কৰে। বৰ্তমান সমাজত কোনো ধৰণৰ উৎসৱ-পাৰ্বন আহিলে বা বিয়া-সবাহ পাতিলে মাদক দ্ৰব্য সেৱন কৰাটো এটা অভ্যাসত পৰিণত হৈ পৰিছে। এনেদৰে মাদক দ্ৰব্য সেৱন কৰি বৰ্তমানৰ যুৱচামে এটা অপ্ৰিতীকৰ, অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰে। মাদক দ্ৰব্য সেৱন কৰি এনেধৰণৰ অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি কৰে বাবেই বৰ্তমান সমাজৰ নাৰীসকলে মুকলিভাৱে চলন-ফুলন কৰাটো অসুবিধাৰ সৃষ্টি হয়। মাদক দ্ৰব্য সেৱন কৰাৰ ফলতেই বন্ধু-বান্ধৱৰ লগত হাই-কাজিয়া, মাৰপিট আদিৰ সৃষ্টি হয়। ইয়াৰ উপৰিও ওচৰ-চুবুৰীয়াৰ লগত উত্তগুালি, হাই-কাজিয়া, ঠাট্টা-বিদ্ৰূপ আদি, আনকি ঘৰৰ পৰিয়ালৰ লগতো হাই-উৰুমি আৰু কাজিয়াত লিপ্ত হ'ব লগা হয়। মাদক দ্ৰব্য সেৱন কৰাৰ ফলতেই আজি দেশত নানধৰণৰ অত্যাচাৰ, দুৰ্নীতি, ধৰ্ষণ, হত্যা আদি ঘটনাসমূহ সঘনাই ঘটিবলৈ ধৰিছে। মাদক দ্ৰব্য সেৱন কৰি মাতাল হৈ যান-বাহনসমূহ অতি তীব্ৰ বেগেৰে চলোৱাৰ ফলত দৈনিক দুই-চাৰিটা পথ দুৰ্ঘটনাৰ সন্মুখীন হ'বলগীয়া হৈছে। ইয়াৰ লগতে ঘৰৰ তিৰোতাজনী বা ল'ৰা-ছোৱালীকেইটাও অত্যাচাৰৰ বলি হ'বলগীয়া হৈছে। এই মাদক দ্ৰব্য সেৱনৰ ফলতেই বৰ্তমান দেশসমূহতো কৰ্কট ৰোগীৰ সংখ্যা যথেষ্ট পৰিমানে বৃদ্ধি পাইছে। ইয়াৰ উপৰিও আন বিভিন্ন ধৰণৰ বেমাৰ-আজাৰে দেখা দিছে। বৰ্তমান সমাজৰ কিছু সৎ চৰিত্ৰৰ যুৱকে আন কিছুমান অসৎ চৰিত্ৰৰ যুৱকৰ সংগত পৰি এই মাদক দ্ৰব্যৰ প্ৰতি আসক্ত হৈ পৰিছে। এনেদৰেই সমাজৰ প্ৰতিজন যুৱক আজি ধ্বংসৰ মুখলৈ আগবাঢ়ি গৈ আছে। ইয়াৰ পৰা পৰিত্ৰান পাব নোৱাৰি জানো? নিশ্চয় পাৰি!

ইয়াৰ বাবে সকলো জনসাধাৰণৰ সহযোগৰ প্ৰয়োজন। মাদক দ্ৰব্যৰ এনে ধৰণৰ কু-প্ৰভাৱৰ পৰা সমাজক মুক্ত কৰি দেশখনক ধ্বংসৰ মুখৰপৰা বচাই আনিবলৈ হ'লে দেশৰ সকলো সচেতন যুৱক-যুৱতীয়ে আগ ভাগ ল'ব লাগিব। সমাজৰ আন আন সচেতন ব্যক্তিসকলেও এই যুৱক-যুৱতীসকলক উৎসাহ-উদ্দীপনা প্ৰদান কৰিব লাগিব। যিকোনো অঞ্চলত লুকাই-চুৰকৈ মদ বিক্ৰী কৰা আদি কথা গম পালে তাৰ বিৰুদ্ধে যুঁজিব লাগিব। ওচৰ-চুবুৰীয়াৰ মাদক দ্ৰব্য সেৱন কৰা লোক থাকিলে তেওঁলোকক ইয়াৰ অপকাৰিতা আৰু ক্ষতিৰ বিষয়ে বুজাবলৈ চেষ্টা কৰিব লাগিব। এইবোৰ কামৰ বাবে কিন্তু দৃঢ়তা, আত্মবিশ্বাস, একাগ্ৰতা আৰু দায়িত্ববোধৰ প্ৰয়োজন হ'ব। নিজক এজন সৎ, নিষ্ঠাৱান, বহল মনোবৃত্তিৰ সু-নাগৰিক কৰি তুলিব পৰাটো সকলো যুৱক-যুৱতীৰে কৰ্তব্য। নিজে ভাল হোৱা মানে সমাজ, দেশ, ঘৰখনৰ উন্নতি। আজিৰ যুৱ প্ৰজন্মই এনে কাম কৰিব লাগিব যাতে তেওঁলোকৰ দ্বাৰা এখন ঘৰ, এখন দেশ আৰু জাতিৰ উন্নতি হয়। এনেবোৰ কাম কৰিব পাৰিলেহে বৰ্তমান এখন সুস্থ সমাজ গঢ়ি তোলাৰ আশা কৰিব পাৰি। ○○

# যুৱ প্ৰজন্মৰ ফ্ৰেণ্ডছিপ দে' আৰু বৰ্তমানত ইয়াৰ প্ৰাসংগিকতা

✍ নৱজ্যোতি ডেকা
স্নাতক ১ম বৰ্ষ, কলা শাখা

সময় পাখি লগা কাঁড়ৰ দৰে। সময়ৰ সোঁতে সোঁতে সকলোবোৰ পৰিৱৰ্তিত। জীৱ বৈচিত্ৰ্যময়ী এই পৃথিৱীত অন্য জীৱ-জন্তুৰ দৰে মানুহেও সদায় এজনে আনজনৰ কাষ চাপিবলৈ চেষ্টা কৰে। মানুহৰ সামাজিক পৰিৱৰ্তনশীল আৰু পৰিৱৰ্তিত মনস্তাত্বিকৰ গুণৰ বলতেই প্ৰথমতে পৰিয়াল, চুবুৰী, গাঁও আৰু তাৰ পিছত এখন ৰাষ্ট্ৰ অথবা দেশৰ উৎপত্তি হৈছিল। হয়তো তেনে এক গুণৰ অধিকাৰী হোৱাৰ বাবেই আমাৰ মাজত গঢ়ি উঠিছিল বন্ধুত্ব বা ইংৰাজীত ফ্ৰেণ্ডছিপ্ বোলা সম্পৰ্কটো। ফ্ৰেণ্ডছিপ্ অথবা বন্ধুত্বৰ এই সম্পৰ্কক দৃঢ়তাৰে আমাৰ মাজত জীয়াই ৰাখিবলৈয়ে ১৯৩৫ চনত আগষ্ট মাহৰ প্ৰথমটো দেওবাৰৰ দিনা আমেৰিকাৰ কংগ্ৰেছে পালন কৰিছিল 'ফ্ৰেণ্ডছিপ দে' ৰাজহুৱাভাৱে। ফ্ৰেণ্ডছিপ দেৰ বিষয়ে মনত পৰিলে এবাৰ হ'লেও আমাৰ মনলৈ আহে এসময়ৰ 'ৰাম-হনুমান', 'কৃষ্ণ-সুদামা', কৃষ্ণ-অৰ্জুনৰ পৰা বৰ্তমানলৈ 'শোলে" নামৰ হিন্দী বোলছবিৰ 'জয় আৰু বীৰু' লৈকে। এই ফ্ৰেণ্ডছিপ দিৱসতে আমি আমাৰ বন্ধুত্বৰ এনাজৰীডাল টনকিয়াল কৰি ল'বলৈ সংঘবদ্ধ হওঁ। বন্ধুত্ব এক স্বৰ্গীয় সম্পৰ্ক। বৰ্তমান বন্ধুত্বৰ পৰিধি অসীম হোৱাৰ বাবেই বন্ধুত্বৰ সংজ্ঞা এটা বাক্যত অথবা এই চমু লিখনিত দাঙি ধৰাতো সম্ভৱ ন'হব। কিন্তু আমাৰ বাবে অতি দুৰ্ভাগ্যজনক বিষয় এই যে এচাম যুৱ প্ৰজন্মই বৰ্তমান ফ্ৰেণ্ডছিপ্ দে'ৰ নামত লিপ্ত হোৱা কু-সংস্কৃতিবান কৰ্মৰ বাবেহে হয়তো যুৱচাম লাহে লাহে এন্ধাৰ পথেৰে আগবাঢ়িছে কু-সংস্কাৰ দিশলৈকে। বৰ্তমান পৰ্যায়লৈ চাই ফ্ৰেণ্ডছিপ দে' ক এচাম যুৱ প্ৰজন্মৰ বাবে এক সুবিধাবাদী দিন বুলিয়েই ক'ব লাগিব।

বৰ্তমান দৃষ্টিভংগীৰে চাবলৈ গ'লে অধিকাংশ যুৱচামেই নিজস্ব সভ্যতা আৰু জাতীয় সংস্কৃতিৰ প্ৰতি পিঠি দি ক্ৰমশঃ পশ্চিমীয়া সংস্কৃতিৰ ফালেহে আগবাঢ়িব ধৰিছে। তদ্ৰূপ এনেদৰেই যদি নিজৰ সংস্কাৰক পৰিহাৰ কৰি গৈ থাকিলে এদিনাখন আমাৰ সংস্কৃতি, সভ্যতাৰ অস্তিত্ব আমাৰ মাজতেই যে হেৰাই নাযাব তাক নকৈ ক'ব নোৱাৰি। এইখিনিতে যদি আমি উনুকিয়াই চাওঁ কোনো এখন দেশে যদি উন্নতিৰ দিশত আগবাঢ়িবলৈ হয় তেন্তে দুখন ভিন্ন দেশ বা ৰাষ্ট্ৰৰ মাজত বুজাবুজিৰ চুক্তি ভাৱৰ আদান-প্ৰদান, সম্পদৰ আমদানি-ৰপ্তানি ইত্যাদিবোৰ সম্পৰ্ক খুবেই প্ৰয়োজনীয়। কিন্তু এনেধৰণৰ সম্পৰ্ক গঢ়িবলৈ গৈ আমাৰ নিজস্ব সংস্কাৰিত ভাৱধাৰাক পাহৰি যোৱাটো অতি দুৰ্ভাগ্যজনক বিষয়। উদাহৰণ স্বৰূপে আমি যদি চাবলৈ যাওঁ যোৱা ২০ জুন, ২০১০ তাৰিখে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসত অসমৰ ব্যক্তিগত খণ্ডৰ নিউজ চেনেল এটাত এক অনুষ্ঠান দেখিবলৈ পোৱা গৈছিল। এই অনুষ্ঠানটোত আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে প্ৰশ্নোত্তৰ শিতান য'ত নেকি কলেজ, বিদ্যালয়সমূহত পঢ়ি থকা উদীয়মান যুৱক-যুৱতী তথা বিদ্যাৰ্থীক সোধা হৈছিল বিষ্ণুপ্ৰসাদ ৰাভা কোন? তেওঁ কি আছিল? কিন্তু এই সম্পৰ্কে সোধা প্ৰশ্নোত্তৰ শিতানটো হাস্যকৰ তথা দৃষ্টিৰ আৰ্কষণীয় হ'লেও দেখিবলৈ পোৱা গৈছিল শতকৰা দুইৰ পৰা তিনি শতাংশ যুৱক-যুৱতী তথা বিদ্যাৰ্থীয়েহে সঠিক উত্তৰ দিবলৈ সক্ষম হৈছিল । কিন্তু ইয়াৰ বিপৰীতে তেওঁলোকক পুনৰ সোধা হৈছিল পাশচাত্যৰ ইংলিচ গায়িকা তথা বিশ্বকাপ ফুটবলৰ সময়ত পৰিৱেশন কৰা 'চাৰ মিনা মিনা, ৱাক্কা ৱাক্কা' গানৰ গায়িকা 'ছাকিৰা'ৰ বিষয়ে। প্ৰতুৎতৰত খুৱ ভালদৰেই ছাকিৰাৰ সম্পৰ্কে ব্যাখ্যা দাঙি ধৰিছিল। যিটো আমাৰ বাবে অতি দুৰ্ভাগ্যজনক বিষয়। এনে দৃশ্যপট যদি সদায়েই ঘটে তেন্তে আমাৰ জাতীয় স্বাৰ্থৰ হকে বলিদান দিয়া শ্বহীদ ভগৎ সিং, কনকলতা, কুশল কোঁৱৰ আদি ব্যক্তিৰ দৰে অৱদান যেন ধীৰে ধীৰে অথলে যাব ধৰিছে আৰু আমাৰ মাজৰ পৰাই জাতীয় সংস্কৃতিৰ সত্বা ৰক্ষাৰ হকে বলিদান দিয়া একাংশ ব্যক্তিৰ পৰিচয় আমাৰ মাজতেই হেৰাই যাব।

বৰ্তমান যুৱ সমাজৰ মাজত উৎসৱ-অনুষ্ঠানতো বিশেষকৈ 'ভাইৰাছ' সদৃশ যৌনতা বা বিপৰীত লিংগৰ আকৰ্ষণ ক্ৰমান্বয়ে পশ্চিমীয়া সভ্যতাৰ দৰেই আমাৰ ইয়াতো পৰিলক্ষিত হ'ব ধৰিছে। ই যিমানেই আগবাঢ়ি আহিব ধৰিছে সিমানেই আমাৰ সংস্কৃতি, সংস্কাৰ আৰু সভ্যতাৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। ফ্ৰেণ্ডছিপ দে'ৰ দৰে এক পবিত্ৰ বন্ধুত্ব গঢ়ি তোলা দিনটোকো সেইচাম যুৱ-প্ৰজন্মই বিৰ্তকৰ মাজলৈ উলিয়াই আনিছে। বিভিন্ন 'পাৰ্ক', 'ৰেষ্টুৰেন্ট', 'বাৰ', আদিৰ দৰে আকৌ এচাম ব্যৱসায়ীসকলে মুকলি কৰি দিয়া চৰণীয়া বজাৰত বৰ্তমান যুৱ-প্ৰজন্ম লিপ্ত হয়, অৰ্ধনগ্ন পোছাক পৰিধান কৰি অশালীন অৱস্থাৰে। সেইসকলে কুণ্ঠাবোধ বা লাজ অনুভৱ নকৰি যেতিয়া ৰাজহুৱাভাৱে মুকলি পাৰ্কত একেলগে আলিংগন কৰি তথা

বয়োজ্যেষ্ঠ, সংগীবৃন্দ আৰু কণ কণ শিশুৰ সন্মুখত ওঁঠত ওঁঠ গুজি 'ইংলিচ' চুম্বন কৰাটোও এক প্ৰকাৰ ফেচনত পৰিলক্ষিত হৈছে। গতিকে এই ক্ষেত্ৰত আমাৰ যুৱ প্ৰজন্মই নিজে নিজে সচেতন হোৱাটো বাঞ্ছনীয়। এই লিভিং টুগেদাৰৰ বাবেই আমাৰ মাজত এইড্ছ নামৰ ভয়াবহ ব্যাধিয়েও দেখা দিছে আৰু নিজকে পশ্চিমীয়া সভ্যতাৰ সৈতে খাপ খুৱাবলৈ গৈ হয়তো আমি আমাৰ লক্ষ্য, উদ্দেশ্য আৰু জীৱনৰ পথত জাতীয় ভাৱধাৰা, সংস্কাৰ-সংস্কৃতিৰ সত্বাক জাহ যাবলৈ দিয়াটো আমাৰ বাবে অনুতাপৰ বিষয়। আজিৰ যুৱসমাজেই হৈছে ভৱিষ্যৎ দেশৰ সবল নাগৰিক। এখন সুস্থ-সবল সমাজ গঢ় দিয়াৰ ক্ষেত্ৰতো যুৱ শক্তিয়েহে যথেষ্ট অৰিহণা যোগায়। গতিকে যুৱ সমাজৰ এই শক্তি যাতে বিপথে পৰিচালিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি যোৱাটো বাঞ্ছনীয়। গতিকে আমাৰ যুৱ প্ৰজন্মৰ মনৰ মাজত ভাৰতীয় ভাৱধাৰা অটুট ৰাখি নিজস্ব সভ্যতা আৰু সংস্কৃতিৰে আগবাঢ়ি গ'লেহে হয়তো এদিন আমাৰ দেশ ভাৰতবৰ্ষক বিশ্ব দৰবাৰত, শীৰ্ষতম আসনত অধিষ্ঠিত কৰিবলৈ সক্ষম হ'ব আৰু বন্ধুত্ব বা ফ্ৰেণ্ডছিপৰ নিচিনা এক বিৰল সম্পৰ্কও আমাৰ মাজত পৱিত্ৰতাৰে চিৰদিনৰ বাবে জীয়াই থাকিব। ○○

# বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা

✍ তন্ময়ী বৰুৱা
স্নাতক ১ম বৰ্ষ, বুৰঞ্জী বিভাগ

সময়ৰ নিৰৱচ্ছিন্ন গতিৰ সৈতে খোজ মিলাই গৈয়ো এটা সময়ত পিছপৰি ৰৈ যাবলগীয়া হোৱা বিভিন্ন ঘটনাৰ সৃষ্টিয়েই বুৰঞ্জী বা ইতিহাসৰ সমল। এই বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ বাবে আগ্ৰহ যিসকলৰ থাকে, স্বাভাৱিকতেই সেই সকল লোকে নজনা হৈ থকা বহু তথ্যৰ সন্ধান বুৰঞ্জী অধ্যয়নৰ যোগেৰে হৃদয়ঙ্গম কৰিবলৈ সক্ষম হ'ব পাৰে।

বুৰঞ্জী বা ইতিহাস সৃষ্টিৰ সৈতে সময়ৰ সম্পৰ্ক এৰাব নোৱাৰা। কিন্তু সময় যিহেতু কাৰো বাবে স্থবিৰ হৈ পৰিব নোৱাৰে; সেয়ে যিকোনো সৃষ্টি বা ধ্বংসকে ধৰি ঘটনা প্ৰবাহ কোন সময়ৰ সেইটো নিৰূপন কৰি উলিয়াব পৰাৰ ওপৰতেই ইতিহাস অধ্যয়নৰ সফলতা নিহিত থাকে।

সময়ৰ ওপৰত ভিত্তি কৰিয়েই ইতিহাসত মানৱ সভ্যতাৰ ক্ৰমবিকাশৰ পৰা বিভিন্ন যুগত মানৱ সমাজৰ সৃষ্টিৰ অধ্যয়ন আৰু বিশ্লেষণে পৰৱৰ্ত্তী প্ৰজন্মক পূৰ্বৰ প্ৰজন্মৰ সৈতে পৰিচয় হ'বলৈ সুযোগ দিয়ে। এনেদৰে শুদ্ধ তথা সত্য তথ্যই ইতিহাসৰ গুৰুত্ব ৰক্ষা কৰি থাকে। সেয়ে সমূচিত অধ্যয়ন্য অভাৱে ইতিহাসৰ যে বিকৃত ৰূপ প্ৰতিফলিত কৰিব পাৰি; সেই কথা ইতিহাসৰ সত্য ৰূপৰ আগত ম্লান পৰাটোৱে অধ্যয়নৰ অসাৰ্থকতা তথা ইতিহাস অধ্যয়নৰ গুৰুত্বৰ ছবি প্ৰতিফলিত কৰে।

সৃষ্টি বা ধ্বংসকে ধৰি বিভিন্ন সময়ৰ বিভিন্ন ঘটনা প্ৰবাহে সমৃদ্ধ কৰি অহা ঐতিহাসিক সমলসমূহ অধ্যয়নৰ যোগেৰে প্ৰজন্মই প্ৰজন্মই ইতিহাসৰ গুৰুত্ব অধিক বৃদ্ধি কৰি আহিছে।

আজিৰ কোনো ঘটনা কাইলৈৰ বাবে ইতিহাস হৈ পৰে যদিও; ঘটনাৰ ঐতিহাসিক গুৰুত্বৰ ওপৰতহে ইয়াৰ স্থায়িত্ব নিৰূপণ সম্ভৱ। কিয়নো ঐতিহাসিক উদাহৰণসমূহৰ পৰা আমি শিক্ষা লৈ তেনে আদৰ্শ ৰক্ষা কৰিবলৈ বিচাৰিলেও পৰিৱৰ্ত্তিত সময়ে ঘটনা প্ৰবাহৰ ৰূপৰো পৰিবৰৰ্ত্তন ঘটাব পাৰে।

একোখন সমাজৰ জীৱন পদ্ধতি, ভাষা-সংস্কৃতি, ধৰ্ম-সংস্কাৰ আদিৰ যিদৰে ঐতিহাসিক মূল্যায়ন সম্ভৱ; ঠিক তেনেদৰে ইতিহাসৰ গৰিমা বৃদ্ধি কৰাৰ মানসিকতা গঢ় লৈ উঠিলে তেনে মানসিকতা ইতিহাসৰ বাবে আৰ্শীবাদ স্বৰূপ হৈ পৰিব পাৰে।

ইতিহাস বা বুৰঞ্জী বিষয়টো সেয়ে এটি অতিশয় গুৰুত্বপূৰ্ণ আৰু চিত্তাকৰ্ষক। কিয়নো নজনা বহু কথাৰ সম্ভেদ সাঁচি ৰখা ইতিহাস সকলোৰে বাবে প্ৰয়োজনীয়। কালিৰ ঘটনাৰাজিৰে আজিৰ ইতিহাস আৰু আজিৰ ঘটনা প্ৰবাহেৰে কালিৰ ইতিহাস যিদৰে হ'ব, সেইদৰে ইতিহাসৰ ভৱিষ্যত সম্পৰ্কীয় ধাৰণা কৰোঁতে সদায়ে অতীত নিৰ্ভৰ হ'ব লাগে।

আমাৰ বহু পুৰণি কীৰ্ত্তিচিহ্ন, দৌল-দেৱালয়, মঠ-মন্দিৰ, পুখুৰী আদিৰ উপৰিও বিভিন্ন সাংস্কৃতিক সম্পদৰ ইতিহাসে অসমৰ বিষয়ে যিদৰে এখন সম্পদশালী ৰাজ্য বুলি ভাবিবলৈ অৱকাশ দিয়ে; তাৰ আধাৰতেই নতুন ইতিহাস সৃষ্টিৰ পথ উন্মোচন হ'ব পাৰে।

ঐতিহাসিক উদাহৰণ সমূহৰ সংৰক্ষণৰ গুৰুত্বক মুঠেই উলাই কৰা উচিত নহয়। কাৰণ সংৰক্ষণৰ দ্বাৰা ইতিহাসক শব্দ ৰূপত ৰখাৰ দায়িত্ব সকলোৰে আছে। এই ক্ষেত্ৰত অলেখ ঐতিহাসিক উদাহৰণ নিদিও ক'ব পাৰি যে ইতিহাসৰ গুৰুত্ব কালজয়ী। সেয়েহে এখন সুস্থ সমাজৰ ভৱিষ্যতৰ স্বাৰ্থত বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ প্ৰয়োজন অনস্বীকাৰ্য।○○

# কিয় এই আত্মঘাতী প্ৰবৃত্তি

✍ মৌচুমী কলিতা
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

মৃত্যু এক শাশ্বত সত্য। যাৰ জন্ম হৈছে, এদিন নহয় এদিন তাৰ মৃত্যু হ'বই, —ই প্ৰকৃতিৰ অমোঘ নীতি। তথাপি মানুহকে ধৰি বোধশক্তি সম্পন্ন সকলো প্ৰাণীয়েই মৃত্যুক ভয় কৰে, মৃত্যুৰ কবলৰ পৰা যথাসম্ভৱ নিজকে মুক্ত কৰি ৰাখিবলৈ বিচাৰে। কিন্তু কেতিয়াবা ইয়াৰ ব্যতিক্ৰম ঘটে। কোনো কোনো মানুহে মৃত্যু ভীতি তথা জীৱনৰ প্ৰতি মায়া-মোহ পাহৰি আগবাঢ়ে স্বেচ্ছাই নিজৰ জীৱনৰ যৱনিকা পেলাবলৈ; যাক 'আত্মহত্যা' বোলা হয়।

যুগ যুগ ধৰি আত্মহত্যাই মানুহৰ মনত প্ৰৱল কৌতূহল তথা প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি আহিছে। বেছিভাগ ধৰ্মতেই আত্মহত্যাক মহাপাপ আখ্যা দিয়া হৈছে। কোৰাণৰ মতে আত্মহত্যা কৰাটো আনক হত্যা কৰাতকৈও ডাঙৰ পাপ। হিন্দু ধৰ্মৰ মতে আত্মহত্যাকাৰীৰ আত্মাই কেতিয়াও মুক্তি নাপায়। সেয়েহে আত্মাঘাতী হৈ মৰা লোকৰ শ্ৰাদ্ধাদিৰ বিধানো নাই। আত্মঘাতী হোৱাজনৰ আত্মা শূণ্যতে ওলমি থকাৰ দৰে থাকে আৰু কল্পান্তকাল প্ৰেতাত্মাৰূপে বিচৰণ কৰি ফুৰিব লগা হয়। সকলো আত্ম হত্যাই মানুহৰ মনত কৌতুহলৰ সঞ্চাৰ কৰে যদিও তাৰ মাজৰে কেতবোৰ আত্মহত্যাৰ ঘটনাই আপেক্ষিকভাৱে অধিক আলোড়নৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে নেপালৰ ৰাজকোঁৱৰ দীপেন্দ্ৰৰ আত্মহত্যাৰ ঘটনা, কবি শ্যেলী, মায়াক' ভস্কী, সাহিত্যিক আৰ্ণেষ্ট হেমিং, ভাৰ্জিনিয়া উলফ, বোলছবিজগতৰ গুৰুদত্ত, জয়লক্ষ্মী, ডাঃ সুভাষ মুখাৰ্জী আদিৰ আত্মহত্যা বা আত্মহত্যা বুলি ধাৰণা কৰা ৰহস্যজনক মৃত্যুৰ লেখিয়া দুৰ্ভাগ্যজনক ঘটনাবোৰে মানুহৰ মাজত আপেক্ষিকভাৱে অধিক ৰহস্যৰ উদ্ৰেক ঘটাই আহিছে।

আত্মহত্যা সম্পৰ্কে সৰ্বসাধাৰণৰ মনলৈ অহা প্ৰধান প্ৰশ্নটো হ'ল— মানুহে আত্মহত্যা কৰে কিয়? এই প্ৰশ্নৰ উত্তৰত বহুতে ক'ব খোজে যে যেতিয়া মানুহে জীৱনত বিন্দুমাত্ৰাও আশাৰ কণিকা নেদেখা হয় অৰ্থাৎ সম্পূৰ্ণৰূপে হতাশাগ্ৰস্থ হৈ পৰে তথা জীয়াই থকাটো অৰ্থহীন হৈ পৰা বুলি অনুভৱ কৰে, তেতিয়াই আত্মহত্যা কৰে। মনোবিজ্ঞানী ফ্ৰয়েডৰ মতে আত্মহত্যাৰ কাৰণ হৈছে কাৰোবাৰ ওপৰত প্ৰতিশোধৰ ভাৱ। মানুহৰ আত্মপ্ৰীতি ইমানেই প্ৰৱল যে নিজক নিজে ধ্বংস কৰাৰ কথা ভবাটো সম্পূৰ্ণ সুস্থ মানুহৰ বাবে সম্ভৱ নহয়। আত্মপ্ৰীতি অতিশয় প্ৰৱল হোৱাৰ বাবে কাৰোবাৰ দ্বাৰা অৱহেলিত বা অপমানিত হোৱা যেন পালে তেওঁৰ ওপৰত প্ৰতিশোধ লোৱাৰ পণ বা উপায় হিচাপে নিজক ব্যৱহাৰ কৰে। আলফ্ৰেড এড্‌লাৰৰ মতে সমাজৰ প্ৰতি দায়বদ্ধতা নাথাকিলে একোটা মুহূৰ্তত মানুহৰ নিজকে অকাজভাগী যেন বোধ হয় আৰু নিজৰ ওপৰত ধিক্কাৰ উপজি আত্মহত্যা কৰে। এই দুয়োজন মনোবিদৰ মতে আত্মহত্যাৰ প্ৰবৃত্তি এক মানসিক ব্যাধি।

ফ্ৰান্সৰ এমিল ডাৰ্খাইম(Emil Durkheime) নামৰ এজন সমাজ বিজ্ঞানীয়ে ১৮৯৭ চনত আত্মহত্যাৰ ওপৰত লিখা এখন গ্ৰন্থত পোন প্ৰথমবাৰৰ বাবে এই সমস্যাটোৰ ওপৰত সামাজিক আৰু মনস্তাত্ত্বিক ভিত্তিত দৃষ্টিপাত কৰে। তেওঁৰ মতে মানুহৰ মনৰ ওপৰত বিভিন্ন শক্তিৰ সামূহিক ক্ৰিয়াৰ ফলতহে আত্মহত্যাৰ দৰে এটা সাংঘাটিক প্ৰৱণতা সৃষ্টি হ'ব পাৰে। দুৰ্দমনীয় দুখ-বেজাৰ, প্ৰিয়জনৰ বিৰহ, আত্মশ্লাঘা, আনৰ ওপৰত প্ৰতিশোধ ল'ব নোৱাৰা ক্ষোভ, লজ্জা, হতাশা বা আশাভঙ্গ, দুৰাৰোগ্য ব্যাধিৰ পীড়া আদিৰ চৰম পৰিণতি হৈছে আত্মহত্যা। ডাৰ্খাইমৰ মতে আত্মঘাতী হোৱা লোকসকলক তিনিটা ভাগত ভাগ কৰিব পাৰি। প্ৰথমবিধ হ'ল— আত্মকেন্দ্ৰিক আত্মহত্যা (egoistic suicide)। অতিশয় আত্মকেন্দ্ৰিক আৰু সমাজৰ প্ৰতি কোনোধৰণৰ দায়বদ্ধতা অনুভৱ নকৰা লোকৰ দ্বাৰা এনেধৰণৰ আত্মহত্যা সংঘটিত হয়। দ্বিতীয়বিধ হ'ল— পৰাৰ্থী আত্মহত্যা (altruistic suicide)। যিসকলে নিজকে সমাজৰ বাবে অপৰিহাৰ্য বুলি ভাবে অথচ কৰিবলগীয়া বুলি ভবা কৰ্তব্যখিনি কৰাত ব্যৰ্থ হয়, তেতিয়া অতিশয় হতাশাগ্ৰস্ত হৈ নিজক ধ্বংস কৰাৰ প্ৰবৃত্তি জাগি উঠে। তৃতীয়বিধ হ'ল— নৈতিকতাহীন আত্মহত্যা (anomic suicide)। নিজৰ অস্থিৰ আৰু দুৰ্বল ব্যক্তিত্বৰ বাবে সমাজৰ লগত খাপ খাব নোৱাৰি উশৃঙ্খল অৱস্থাত কৰা আত্মহত্যা ।

এক সমীক্ষা মতে অকল ভাৰতবৰ্ষতে বছৰি চল্লিছ হেজাৰৰো অধিক লোক অৰ্থাৎ গড় হিচাবে প্ৰতি ১২ মিনিটত এজন লোকে আত্মহত্যা কৰে। বিভিন্ন ধৰ্মৰ বিভিন্ন সমাজত সংঘটিত হোৱা আত্মহত্যাৰ তথ্য সংগ্ৰহ কৰি দেখা গৈছে যে ইয়াৰ বেছিভাগেই ৫৫ বছৰৰ পৰা ৬৪ বছৰৰ ভিতৰৰ লোক।

আনহাতে আত্মহত্যাৰ চেষ্টা কৰি বিফল হোৱাসকলৰ বয়স ২৪ ৰ পৰা ৪৪ বছৰৰ ভিতৰত। লিঙ্গ ভেদে বিচাৰ কৰিলে দেখা যায় যে মহিলাতকৈ অধিক সংখ্যক পুৰুষে আত্মহত্যা কৰে। আৰ্থ-সামাজিক দিশৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে একেবাৰে নিম্ন স্তৰৰ আৰু অতি উচ্চ স্তৰৰ লোকৰ দ্বাৰা অধিক আত্মহত্যা সংঘটিত হয়। আকৌ গাঁও অঞ্চলতকৈ নগৰ অঞ্চলত আৰু নিম্নবৰ্গৰ চাকৰিয়ালতকৈ উচ্চবৰ্গৰ চাকৰিয়ালৰ ক্ষেত্ৰত এই অনুপাতৰ মাত্ৰা অধিক। আত্মহত্যাৰ সমীক্ষাত এইটোও দেখা গৈছে যে অবিবাহিত বা বিবাহ-বিচ্ছেদ ঘটা লোকৰ ক্ষেত্ৰত আত্মহত্যাৰ অনুপাত তুলনামূলকভাৱে অধিক। যুদ্ধৰ সময়তকৈ শান্তিৰ সময়ত, দিনটোৰ পুৱাৰ ভাগতকৈ আবেলিৰ ভাগলৈ অধিক সংখ্যক আত্মহত্যা সংঘটিত হয়। 'World Health Organisation' আৰু আমেৰিকাৰ লচ্ এঞ্জেলচ্‌ত থকা 'Suicide Prevention Centre' আদি স্বেচ্ছাসেৱী সংগঠনসমূহেও মাজে মাজে এই সম্পৰ্কে এনেধৰণৰ মনোযোগ আকৰ্ষণীয় তথ্য কিছুমান প্ৰকাশ কৰে। বছৰটোৰ ভিতৰত বসন্ত কালতেই অধিক সংখ্যক আত্মহত্যা সংঘটিত হয়। মনোবিজ্ঞানীসকলৰ মতে বছৰটোৰ আন সময়তকৈ এইখিনি সময়ত মানুহৰ মন অধিক চঞ্চল হয় আৰু মনলৈ বিষন্নতা আহে। স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো বৰ্তমান আত্মহত্যাৰ সংক্ৰমিত প্ৰৱণতা বৃদ্ধি হৈছে। কৈশোৰ আৰু যৌৱনৰ বয়ঃসন্ধিৰ কালছোৱাত কিছুমানে নিজৰ ভৱিষ্যতৰ প্ৰতি সন্দিহান হৈ বা নিজক প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ আক্ষেপতো একোটা মূহূৰ্তত আত্মহত্যাকে সমস্যা সমাধানৰ একমাত্ৰ পথ বুলি ভাবে। মনোবিদসকলে ইয়াৰ বাবে ভোগবাদী আদৰ্শৰ জোৱাৰকে জগৰীয়া কৰিব খোজে।

শেহতীয়া ভাবে দেখা দিয়া আন এবিধ আত্মহত্যা হৈছে বিভিন্ন উগ্ৰপন্থী সংগঠনবোৰে গঠন কৰা 'চুইচাইড স্কোৱাড' অথবা মৃত্যু-বাহিনীৰ মৃত্যুভিলাষ। এওঁলোকে শত্ৰু বুলি ভবাজনক হত্যা কৰাৰ লগতে নিজেও আত্মঘাতী হয়। সংগঠনৰ সমৰ্থকসকলে এনে মৃত্যুক বৃহত্তৰ স্বাৰ্থৰ খাতিৰত আত্মবলিদান দিয়া বুলি সন্তুষ্টি লভিলেও ই এক সামাজিক ব্যাধি। জাৰ্মান দাৰ্শনিক কাণ্টে কোৱাৰ দৰে কোনো মানুহেই নিজকে উদ্দেশ্য পূৰণৰ উপায় হিচাপে ব্যৱহাৰ কৰা উচিত নহয়। (Donot use yourself as means for other, you are end in yourself.)

বেছিভাগ ক্ষেত্ৰতে কোনো এজনে আত্মহত্যা কৰিলে আত্মীয়-স্বজনৰ প্ৰতিক্ৰিয়া দেখি ভাৱ হয় যেন এই বিষয়ে তেওঁলোকে কোনো সংকেত ঘূণাক্ষৰেও নাপালে। বিশেষজ্ঞসকলৰ মতে কোনো লোকে নিজক একেবাৰে নিঃশেষ কৰি পেলোৱাৰ আগতে তেওঁৰ আচৰণত কিছুমান অস্বাভাৱিকতা প্ৰকাশ পায় আৰু এনেধৰণৰ অস্বাভাৱিকতা আচলতে আত্মহত্যাৰ আগতীয়া সংকেত। দুখৰ বিষয়- বেছিভাগ ক্ষেত্ৰতে আত্মীয়-স্বজনে এইবিলাক সংকেতলৈ ভ্ৰূক্ষেপ নকৰে। আত্মহত্যা কৰাৰ কিছুদিন আগৰে পৰাই সংশ্লিষ্ট ব্যক্তিজনৰ অতি ঘনিষ্ঠ সম্পৰ্কীয় লোক, যেনে- পতি হ'লে পত্নীৰ লগত, পত্নী হ'লে পতিৰ লগত নাইবা মাক-দেউতাক আৰু অন্তৰঙ্গ বন্ধুৰ লগত সম্পৰ্কৰ বান্ধোন ক্ৰমে শিথিল হৈ আহে। এনে অৱস্থাত এই সম্পৰ্ক পুনৰ্জীৱিত কৰিব পাৰিলে এই চূড়ান্ত পৰিণতিৰ পৰা এজনক উদ্ধাৰ কৰাটো অসম্ভৱ নহয়। আত্মহত্যা বিষয়টো অতীজৰে পৰাই এটা 'টেবু' অৰ্থাৎ বিধৰ্মী মনোভাৱৰ পৰিচায়ক বুলি গণ্য কৰি অহা হৈছে। সেয়েহে আত্মহত্যা কৰিবলৈ উদ্যত হোৱা ব্যক্তি এজনৰ প্ৰতি সমাজৰ বাকীসকলে সহানুভূতিৰ মনোভাৱতকৈ তিৰস্কাৰ সূচক মনোভাৱহে প্ৰদান কৰা দেখা যায়। অকল ইমানেই নে? এগৰাকী ধৰ্ষিতা নাৰী বা অবৈধ প্ৰেমত লিপ্ত হোৱা যুৱতীৰ প্ৰতি— 'এনেকুৱা অপবাদ কলংক লৈ জীয়াই থকাতকৈ মৰি যোৱাই ভাল' —এনেধৰণৰ শ্লেষপূৰ্ণ বাক্যবান নিক্ষেপ কৰি সংশ্লিষ্টজনক আত্মহত্যাৰ পথ ল'বলৈ বাধ্য কৰোৱা ব্যক্তিৰো আমাৰ সমাজত অভাৱ নাই। কিন্তু তথাকথিত সমাজৰ চকুত পৰ্যবসিত হোৱা বুলি গণ্য কৰা এই ব্যক্তিসকলক সমাজৰ ঘাই সুঁতিলৈ ঘুৰাই অনাৰ দায়িত্ব জানো আমাৰ সমাজখনৰে নহয়?

লচ্ এঞ্জেলচ্‌ৰ 'Suicide Prevention Centre' ত পৰীক্ষা-নিৰীক্ষা চলাই দেখা গৈছে যে এজন অন্তৰঙ্গ বন্ধুৱে গভীৰ আন্তৰিকতা আৰু সহানুভূতিৰে আত্মহত্যা কৰিবলৈ ওলোৱা বন্ধুজনৰ সমস্যাৰ গুৰুত্ব অনুধাৱন কৰি আত্মহত্যাৰ বিকল্প পথৰ সন্ধান দিব পাৰিলে এই চূড়ান্ত অৱস্থাৰ পৰা এজনক ৰক্ষা কৰাটো অসম্ভৱ নহয়। চিকিৎসকসকলেও এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে। কাৰণ আত্মহত্যা কৰিবলৈ উদ্যত হোৱা ব্যক্তিজন সম্পূৰ্ণৰূপে পাগল নহ'লেও সাময়িকভাৱে ভাৱসাম্য হেৰুৱাই পেলোৱা লোক। এনে লোকৰ চিকিৎসাৰ ক্ষেত্ৰত চিকিৎসকজনৰ গভীৰ সহানুভূতি আৰু মননশীলতাৰ লগতে ৰোগীৰ লগত অন্তৰংগ সম্বন্ধ (Support) স্থাপন কৰিব পৰা ব্যক্তিত্বৰ প্ৰয়োজন।

জীৱনৰ পৰা পলাবলৈ বিচৰাটো কাপুৰুষালিৰ পৰিচায়ক, এনে কাপুৰুষালিক কোনো পৰিস্থিতিতে প্ৰশ্ৰয় নিদি, জীৱনৰ বিফলতাবোৰক প্ৰত্যাহ্বান হিচাপে গ্ৰহণ কৰি সংঘাত-সমস্যাবোৰৰ বিৰুদ্ধে বীৰৰ দৰে যুঁজি যুঁজি, গভীৰ জীৱনমুখিতাৰে জীৱন-বন্দনা কৰি জীৱনৰ শেষ দিনটোলৈ জীয়াই থকাটোৱেই প্ৰতিজন ব্যক্তিৰ জীৱন দৰ্শন হোৱা উচিত। ○○ *(সহায় লৈ)*

# যুৱ মহোৎসৱত ছয়দিন

ত্ৰিদীব কলিতা
স্নাতক ৩য় বৰ্ষ (কলা)

এটা জাতিৰ অস্তিত্ব বজাই ৰখাৰ ক্ষেত্ৰত যুৱকসকলৰ কৰণীয় অধিক। এইক্ষেত্ৰত যুৱ শক্তিৰ সঠিক ব্যৱহাৰৰ দ্বাৰাহে এখন সুন্দৰ তথা সুস্থ সবল সমাজ গঢ়াত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। বৰ্তমান পৃথিৱীৰ বিভিন্ন দেশৰ ওপৰিও ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত কোনো এক নিৰ্দিষ্ট সময়ত নানা ধৰণৰ খেল-ধেমালি, আন অনুষ্ঠান আদিৰ জৰিয়তে যুৱকসকল একত্ৰিত হোৱাৰ এক সুন্দৰ প্ৰচেষ্টা দেখিবলৈ পোৱা যায়। ইয়াৰ জৰিয়তে যুৱকসকলৰ মনৰ ভাব আদান-প্ৰদানৰ লগতে এক ভাতৃত্ববোধৰ মনোভাব গঢ়িতোলাৰ কথা অধিকভাৱে পৰিলক্ষিত হৈছে।

ঠিক সেইদৰে অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ একত্ৰিত হোৱাৰ এক মহান উদ্দেশ্যৰে অসমৰ এখন উচ্চ শিক্ষানুষ্ঠান গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰতিবছৰে যুৱ মহোৎসৱৰ আয়োজন কৰি আহিছে। এই যুৱ মহোৎসৱত যোৱা বা তাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা কথাটো মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা দিনাৰ পৰাই মই মনত হেঁপাহ বান্ধিছিলো। হয়তো মনৰ প্ৰবল ইচ্ছা আৰু ঈশ্বৰৰ কৃপাত মহোৎসৱত অংশগ্ৰহণ কৰাৰ সৌভাগ্য ঘটিছিল ১৮ আগষ্ট, ২০১০ তাৰিখে। অধ্যক্ষ বিচিত্ৰ কুমাৰ মেধি ছাৰৰ অনুমতি সাপেক্ষে মঙ্গলদৈ মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি আমি ক্ৰমে - যুগব্ৰত, ঋতুপৰ্ন, পংকজ, বনজিৎ, মুকুন্দ, ৰাতুল, চন্দ্ৰ নাৰায়ণ, দ্বীপ, দীপক, মুন্না, দিব্য, তাৰা, ভৃগু, হৰিশ, কুলদীপ, হিৰণময়, মানৱ, মানবেন্দ, পুলক, চয়নিকা, শোভামিত্ৰা, প্ৰাঞ্জল, হিৰক, জন আৰু মই নিজক ধৰি সৰ্বমুঠ ২৫ গৰাকী ছাত্ৰ-ছাত্ৰী ১৮ তাৰিখে আবেলি ৫ বজাত ৰাওনা হৈছিলো গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱথলীলৈ।

সন্ধিয়া ৭ মান বজাত তাত উপস্থিত হৈ হোষ্টেলৰ আৰ.চি.চি. ২ ৰ ৰুম নং ৪১, ৪৭ আৰু ৫১ এই তিনিটা কোঠা আমি ভগাই ল'লো। এইক্ষেত্ৰত হোষ্টেলৰ চিনিয়ৰ দাদা কেইগৰাকীয়ে আমাক সহায় কৰিছিল। পিছত তেওঁলোকৰ মাজত দুজনমান মঙ্গলদৈৰ বুলি জানি ভাল লাগিছিল। আমি ক্ষন্তেক জিৰণি লোৱাৰ পিছত মই, ঋতুদা, যুগব্ৰত তিনিওৰে কাৰ্যালয়ত গৈ আইকাৰ্ড, কুপন আদি সংগ্ৰহ কৰিলো। ৰাতি প্ৰায় ১০ বজাত নিশাৰ আহাৰ গ্ৰহণ কৰি সকলোৱে পিছদিনাৰ সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে মানসিকভাৱে প্ৰস্তুত হৈ জিৰণি ল'লো।

*বহুতো দৰ্শক মঙ্গলদৈ মহাবিদ্যালয়ৰ নাটক উপভোগ কৰাৰ অপেক্ষাত। আমাৰ ভয়ৰ লগতে ভালো লাগিছিল। নটগুৰুৰ কৃপাত দৰ্শকৰ পৰা আমি ভাল সমাদৰ পাইছিলো। নাটক শেষ হোৱাৰ পিছতো বহুতে আমাক সঁহাৰি জনালে। ৰাতি প্ৰায় ৩.৩০ বজাত আমি ফলাফল শুনিবলৈ আহিলো। বিচাৰক লক্ষী বৰঠাকুৰৰ ফলাফল ঘোষণাত মঙ্গলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ নাট্যদলৰ বটা লাভ কৰা কথাটি শুনি আমাৰ মন আনন্দত আকাশ চুইছিল।*


সিদিনা ১৯ আগষ্ট। ৰাতিপুৱা সোনকালে উঠি আমি শোভাযাত্ৰাৰ বাবে সাজু হৈছিলো। চাৰিওফালে উলহ-মালহ পৰিৱেশ শোভাযাত্ৰা বুলিয়েই ছোৱালীবোৰে নিজকে আৰু বেছি ধুনীয়া কৰিবলৈ নানা ৰঙীণ চাদৰ-মেখেলা, আ-অলংকাৰেৰে সজ্জিত কৰিলে। আমি দৰঙী কলা কৃষ্টি হিচাপে ব্যাসৰ ওজাপালি, নাঙেলী গীত, খুলীয়া ভাওৰীয়াৰ এটি দৃশ্য ভাওৰীয়াৰ বহুৱা আদিকে ধৰি সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলো। শোভাযাত্ৰাৰ পৰা আহি সকলো 'বিৰিঞ্চি কুমাৰ বৰুৱা' প্ৰেক্ষাগৃহ (BKB) ত প্ৰৱেশ কৰিলো। মঞ্চত ড° ভূপেন হাজৰিকাৰ 'জিলিকাব লুইতৰে পাৰ' সংগীতটি বিশ্ববিদ্যালয়ৰ শিল্পীসকলে পৰিৱেশন কৰিলে। কিন্তু গীতটি শেষ হোৱাৰ লগে লগে গোটেই হলটোতেই অন্য এটা পৰিৱেশে বিৰাজ কৰিলে। মঞ্চত "We want justice" এইদৰে ধৰ্ণা দিবলৈ ধৰিলে। আমাৰ লগতে বাকীবোৰো অবাক। কি হ'ল? কিছু সময়ৰ পিছত গম পালো সেয়া তেওঁলোকৰ ভিতৰুৱা কন্দল। যি নহওঁক তাত আমি ক্ষন্তেক বহি আঁতৰি আহিলো। ভাত-পানী খোৱাৰ পিছত কিছুমানৰ মুখত শুনিলো যে প্ৰগ্ৰেম ন'হব। শুনি বেয়া লাগিছিল। পিছত তেওঁলোকৰ সিদ্ধান্ত অনুসৰি অনুষ্ঠান পুনৰ সুকলমে আৰম্ভ হ'ল। সিদিনাখন ৰাতি নাটক প্ৰতিযোগিতা আৰম্ভ হৈছিল। আমি সকলোৱে নাটক চাব আহিলো। অসমৰ বিভিন্ন কলেজৰ ভাল

নাটক চাব পাই খুউব ভাল লাগিছিল।

পিছদিনাখন সংগীতৰ প্ৰতিযোগিতাত দিব্য, তাৰাহঁতে ভাগ লৈছিল। ৰাতি আমাৰ নৰেন পাটগিৰিৰ দ্বাৰা ৰচিত নাটক 'বাক'। ৬ নম্বৰত। মই, ঋতুদা, পল, শোভামিত্ৰা, হৰিশ আৰু কুলদীপে মেক আপ লৈ প্ৰতিযোগিতাৰ বাবে সাজু হলো।

বহুতো দৰ্শক মঙ্গলদৈ মহাবিদ্যালয়ৰ নাটক উপভোগ কৰাৰ অপেক্ষাত। আমাৰ ভয়ৰ লগতে ভালো লাগিছিল। নটগুৰুৰ কৃপাত দৰ্শকৰ পৰা আমি ভাল সমাদৰ পাইছিলো। নাটক শেষ হোৱাৰ পিছতো বহুতে আমাক সঁহাৰি জনালে। ৰাতি প্ৰায় ৩.৩০ বজাত আমি ফলাফল শুনিবলৈ আহিলো। বিচাৰক লক্ষী বৰঠাকুৰৰ ফলাফল ঘোষণাত মঙ্গলদৈ মহাবিদ্যালয়ে শ্ৰেষ্ঠ নাট্যদলৰ বঁটা লাভ কৰা কথাটি শুনি আমাৰ মন আনন্দত আকাশ চুইছিল। এনেদৰে ২১ তাৰিখে ৰাতি ব্যংগ নাটক আৰু মুকাভিনয়। আমাৰ দলৰ ক্ৰমে - চন্দ্ৰনাৰায়ণ, দীপ, দীপক, হিৰণময়, মুকুন্দ, ৰাতুল, বনজিৎ, ঋতু, চয়নিকা, শোভামিত্ৰা আদিয়ে মুকাভিনয় আৰু ব্যংগ নাটকৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলে।

*নাটকৰ দৰে এই দুয়োটা প্ৰতিযোগিতাতেই আমি দৰ্শকৰ বহুত সঁহাৰি পালো। ইয়াৰ ওপৰিও ২২ তাৰিখে হোৱা তৰ্ক, স্বৰচিত কবিতা আদি প্ৰতিযোগিতাত মুন্না, বণজিৎ, মৌচুমীয়ে অংশগ্ৰহণ কৰিছিল। মুকাভিনয়ত দ্বিতীয়, নকল কণ্ঠস্বৰত (ঋতু) প্ৰথম, শ্ৰেষ্ঠ পৰিচালকৰ বঁটা আদি পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো।*



নাটকৰ দৰে এই দুয়োটা প্ৰতিযোগিতাতেই আমি দৰ্শকৰ বহুত সঁহাৰি পালো। ইয়াৰ ওপৰিও ২২ তাৰিখে হোৱা তৰ্ক, স্বৰচিত কবিতা আদি প্ৰতিযোগিতাত মুন্না, বণজিৎ, মৌচুমীয়ে অংশগ্ৰহণ কৰিছিল। মুকাভিনয়ত দ্বিতীয়, নকল কণ্ঠস্বৰত (ঋতু) প্ৰথম, শ্ৰেষ্ঠ পৰিচালকৰ বঁটা আদি পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো।

জীৱনত বহুতো পোৱা-নোপোৱাৰ মাজতে এনে সন্মানে আমাক আগবাঢ়ি যোৱাত অধিক উৎসাহ জন্মাইছিল। ইয়াৰ আঁৰত আমাক প্ৰতিটো ক্ষেত্ৰতে শিকাই-বুজাই লোৱাৰ ক্ষেত্ৰত অধিক কষ্ট স্বীকাৰ কৰা বিপুলজ্যোতি শৰ্মা (জোনদা) আৰু জ্যোতিৰ্ময় শৰ্মা (জিতুদা) ৰ নাম ন'ললে ভুল হ'ব যেন মোৰ অনুভৱ হয়। ইয়াৰ ওপৰিও নাটক প্ৰতিযোগিতাত কিছু ক্ষেত্ৰত সহায় কৰা ব্যক্তি ক্ৰমে নিতুদা, বাপাদা, ৰাতুলদা, জয়ন্তদা আদিৰ নাম পাহৰিব নোৱাৰো।

২৩ আগষ্ট তাৰিখে বঁটা বিতৰণী সভা। সকলো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ কলেজৰ পতাকা লৈ BKB ত প্ৰৱেশ কৰিলে। গোটেই হলটোতেই উৎসৱমুখৰ পৰিৱেশ। ঢোল-তাল বজাই পুৰস্কাৰ গ্ৰহণ কৰিলো। আমাৰ লগত সন্দিকৈ কলেজৰ ছাত্ৰী কেইগৰাকীয়ে সহযোগ কৰিছিল। নিশাৰ ভাগত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান। কণ্ঠশিল্পী জুবিন গাৰ্গ আৰু জুবলিয়ে পৰিৱেশন কৰা সংগীতৰ লহৰত সকলোৰে মন আনন্দত নাচি উঠিছিল।

২৪ তাৰিখে ৰাতিপুৱা সকলোৱে বিদায় লৈ ঘৰমুৱা হ'ল। বেয়া লাগিছিল, কিন্তু ২৩ তাৰিখেই যুৱ মহোৎসৱৰ অনুষ্ঠান সমাপ্ত হৈছিল। আমিও দিনৰ ১০ মান বজাত হোষ্টেলৰ সকলোকে বিদায় সম্ভাষণ জনাই ৰাওনা হলো মঙ্গলদৈ অভিমুখে।

যুৱ মহোৎসৱত থকা ছয়দিনৰ অভিজ্ঞতাৰ লগতে এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে কৰা অধ্যয়নৰ লগতে সাংস্কৃতিক পথাৰখনৰ লগত হোৱা পৰিচয়ে জীৱনত মচিব নোৱাৰা প্ৰভাৱ সম্পৰ্কীয় ধাৰণাৰ বিষয়ে মনত আকৌ এবাৰ সোঁৱৰাই দিয়া যেন অনুভৱ হ'ল। OO

# ক্ৰছ কানেক্‌চন

গল্প

✍ বীতামনি শৰ্মা
স্নাতক ৩য় বৰ্ষ

গল্প এটা লিখিম লিখিম বুলি ভাবি আছো বহুদিনৰ পৰাই। কিন্তু প্লটেই দেখোন নোলায়! গল্পৰ 'প্লট' মানে কি সেইটো মই ভালকৈ বুজি নাপাওঁ। কিন্তু গল্প লিখিবলৈ হ'লে 'প্লট' এটা যে লাগে সেইটো বেলেগৰ মুখত শুনিছো, কিতাপ-পত্ৰইয়ো পঢ়িছো। মই ভাবি লৈছো, নিজে এটা ধাৰণা কৰিছো যে, মানুহৰ আহ-যাহ নথকা ঠাইত কাগজ-কলম হাতত লৈ আৰামকৈ বহি (গৰম দিনত গছৰ তলত আৰু ঠাণ্ডা দিনত লেপৰ তলত হ'লে বেছি ভাল হয় নেকি?) কলমৰে কাগজত মূৰত যি আহে তাকেই লিখি লিখি কলমৰ চিয়াঁহী শেষ হোৱাৰ পিছত লেখাখিনি এবাৰ নিজে পঢ়ি চোৱাটোৱেই কিজানি গল্পৰ 'প্লট'! তাৰপিছত সেইখিনি বেলেগক পঢ়িবলৈ দিলে পঢ়োতাই পঢ়ি যি মানসিক পুষ্টি পায় সেয়াই কিজানি 'গল্প'! কোনোবাই কোনোবাই কয়— প্ৰেমত ব্যৰ্থ হৈ 'ভগৱান, তুমি মোক কিয় কাঁচৰ হৃদয় দিলা? আৰু দিলাতো দিলাই, সেই কাঁচত শিলগুটি দলিয়াবলৈ মোৰ প্ৰেমিক/প্ৰেমিকাক কিয় এই পৃথিৱীলৈ পঠিয়ালা' বুলি টেটু ফালি গাব পাৰে, যিয়ে ফটিকা আৰু চিগাৰেট খাব পাৰে তেওঁলোকে হেনো ধুনীয়া ধুনীয়া গল্প লিখিব পাৰে!

মই পিছে গল্প লিখিম কি? মোৰ ওচৰলৈ প্লটেই দেখোন নাহে! মই অৱশ্যে কাঁচৰ হৃদয়ৰ গৰাকী নহয় আৰু ফটিকা-চিগাৰেট খাবলৈ মোৰ হাতত পইচাতো নায়েই, গল্প লিখি গল্পকাৰ হ'ম বুলি সেইবোৰ খালেও দেউতাই যে তেওঁৰ ঘৰৰপৰা হমেচা হমেচা কে' লিয়ে বাহিৰ কৰি দিব সেইটোও ভালদৰে জানো।

প্লটক ধৰিবলৈ বহুদিন পঢ়া টেবুলত বহি মাৰ্ক্সবাদ, লেনিনবাদ, মাওবাদ, আমেৰিকা-চীন আদিৰ সংবিধান, মানৱ অধিকাৰ, নাৰী সবলীকৰণ আদি বিষয়সমূহক কাটি কৰি থৈ কাগজ-কলম লৈ বহি আছিলো। ভাবি আছিলো 'প্লট'টোনো দেখিবলৈ কেনেকুৱা; লিওনাৰ্ড' ডেক'প্ৰিয়ৰ নিচিনা নে ৰামায়ণ-মহাভাৰতত থকা মূৰবিহীন ৰাক্ষসকেইটাৰ নিচিনা, জপৰা চুলীয়া নে তপামূৰীয়া! গহীন-গম্ভীৰ নে আমাৰ লগত পঢ়া ইটাৰ টুকুৰা দলিয়াই কলি আমলখি পাৰি খোৱা দগধা বন্ধু কেইটাৰ নিচিনা! গালত শালমইনা নে মন্ত্ৰীৰ আগমণৰ দিনা ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ নিচিনা ফিন্‌ফিনিয়া।

ছয়খন মেজৰ পে'পাৰক পিছ কৰি থৈ বহুদিন পঢ়া সময়ত কাগজ-কলম হাতত লৈ গল্পৰ হাউলীলৈ সোমোৱা মেইন গে'ট প্লটৰ কথা ভাবি আছিলো। তেনেতে এদিন কাগজ-কলম হাতত নোলোৱা অপ্ৰস্তুত অৱস্থাতে প্লটে তাৰ নোমাল শক্তিশালী হাত দুখনেৰে আহি মোৰ মন ইৰু মগজুত টেপা মাৰি ধৰিলেহি।

বাতৰি কাকতত চাকৰি এটাৰ কাৰণে বিজ্ঞাপন দিছে, অনলাইনত আবেদন কৰিব লাগে। ইন্টাৰনেটৰ দোকানলৈ গ'লো, আবেদন কৰিব নোৱাৰিলো। CICলৈ গ'লো, কাৰেন্ট নাই। ইফালে সেইদিনাই লাষ্ট ডেট। ডিব্ৰুগড়ত থকা দাদালৈ ফোন কৰিলো, কেনেবাকে সি পঠিয়াব পাৰে নেকি এপ্লিকেচনখন। ৰিং কৰি আছে, কৰি আছে... নাই.., তাৰ কোনো খবৰেই নাই। তিনিবাৰমান ৰিং হৈ ফোনটো কাটি গ'ল, সি ৰিচিভ নকৰিলে। খং উঠি গল মোৰ। চালা গৰুতো, হোষ্টেলৰ ঘাঁহ-পানী খাই গেৰেলা হৈ শুই আছে কিজানি! তীব্ৰ খঙত মই মেচেজ লিখিলো। মূৰত যি আহিল তাকেই এসোপামান লিখি তাৰ নাম্বাৰকেইটা লিখি 'চেণ্ড' কৰিলো। মেচেজ ডেলিভাৰো হ'ল। চকু চলচলীয়া কৰি মই বহি আছো CIC ৰুমৰ বাৰান্দাত।

হঠাৎ মোবাইল ৰিং কৰিলে। নিশ্চয় দাদাৰ ফোন! 'ৰবি, আজি তোৰ বাপেৰৰ চৈধ্য গোষ্ঠী উজাৰিম! লাগিলে মোৰ গোষ্ঠীও যাব, কি হ'ল তাতে!' —ভাবিলো।

পিছে স্ক্ৰীণত চাই দেখিলো অচিনাকি নাম্বাৰ এটা। মূৰটো যথাসম্ভৱ ঠাণ্ডা কৰি ফোনটো ৰিচিভ কৰিলো।

ঃ হেল্ল' কোনে ক'লে?

ঃ আপোনাৰ নাম্বাৰৰ পৰা কিছুসময় আগেয়ে মেচেজ এটা আহিছিল। —অচিনাকি পুৰুষ কণ্ঠ এটা ভাঁহি আহিল।

ঃ মোৰ নাম্বাৰৰ পৰা? আপোনালৈ? নাইতো, মই এই নাম্বাৰৰ পৰা মেচেজ দিয়া?

ঃ ভালকৈ চাওকচোন। আপোনাৰ নাম্বাৰৰ পৰাই আহিছে।

মৰিলো এতিয়াহে! দাদালৈ মেছেজটো দিওঁতে মই তাৰ নাম্বাৰৰ বুটামকেইটা টিপিছিলো। চে'ভ কৰি থোৱা নাম্বাৰটো লৰালৰিতে উলিয়াবলৈ নহ'ল। নিশ্চয় নাম্বাৰ টিপোতে ভুল হ'ল! দাদালৈ নগৈ বেলেগলৈহে মেচেজটো গ'ল।

মই লগে লগে যিমান পাৰো নম্ৰতাৰে নিজৰ ভুলটো স্বীকাৰ কৰিলো। মোৰ কণ্ডিচনটোও ক'লো। তাৰ পিছত ফোনটো

কাটি দিলো।

অলপ পিছতে দাদাই ফোন কৰিলে। মই ফোনটো এনেভাৱত ৰিচিভ কৰিলো, যেন সিটো মূৰত মোৰ কথাখিনি শুনি থকা দাদাৰ কাণখন মই খাইহে পেলাম।

ঃ ঐ, ফোন কৰি আছিলো; গম পোৱা নাছিলি? ক'ত মৰিবলৈ গৈছিলি?

ঃ ফুটবল খেলিবলৈ। হাৰিলো। —দাদাই ক'লে।

ঃ কবিৰাজ ক'ৰবাৰ! লোকৰ মৰা শৰ কাটোতে-চাওঁতে জীৱন যাব; 'জিদান' ওলাবলৈ যায়! (ডিব্ৰুগড়ৰ এম. এম. চিত পঢ়ি থকা দাদাক মই কবিৰাজ বুলি মাতো।

ঃ তেনেকে নকবিদেই। ইগ'ত লাগে। মেডিকেল ষ্টুডেন্ট হয়।

ঃ হ'ব হ'ব, মেডিকেল ষ্টুডিঅ'ৰ কেমেৰামেন, তহঁতৰ গছৰ শিপাৰ ৰস নাখাওঁ। মাছ-মাংস, হুইস্কি-ব্ৰাণ্ডি খাম, সময় আহিলে মৰি যাম। তহঁতক খাটিব নকৰো।

ঃ হৈছে গোসাঁনী, কি আছে ক'।

দাদাক ক'লো। সি ধুনীয়াকৈ মোৰ কামখিনি কৰি দিলে, আগতে যিদৰে ঘৰত থাকোতে সি ধুনীয়াকৈ মোৰ চাইকেলৰ চকাত ফুল পাম্প কৰি দিছিল।

মই ঘৰ আহি পোৱালৈ সেই অচিনাকী নাম্বাৰটোৰ পৰা চাৰিটাকৈ মেছেজ আহিল। এটা ফোনকলো আহিল। মই ৰিচিভ কৰিলো। যোৰহাটৰ কোনোবা মিচিং ল'ৰা। মাৰুতী চলায় বোলে। ময়ো ধুনীয়াকৈ মোৰ পৰিচয়টো দিলো।

গধূলি পঢ়া টেবুলত বহিলো। পোনপ্ৰথমেই পঢ়াৰ ৰুটিন এখন বনোৱা হ'ল। দিন-ৰাতিৰ চৌবিশ ঘন্টাৰ ভিতৰত চৈধ্য ঘন্টাই পঢ়িম, বাকীখিনি সময়তহে বেলেগ কাম। কোন সময়ত কি পঢ়িম সেয়াও ভগাই ললো। তাৰ পিছত সেইখন পঢ়া টেবুলৰ সন্মুখত আঁৰি থলো। আগৰ এখন আছিল, সেইখন আঁতৰাই পেলোৱা হ'ল। আচল কথাটো হ'ল মই এনেকুৱা ৰুটিন বহুত বনাওঁ, ভাবো কাইলৈৰ পৰা ফল' কৰিম। কিন্তু সেই কাইলৈটো কোনোদিনে নাহে। কিছুদিন পিছত আন এখন ৰুটিন বনোৱা হয়। সেই ৰুটিনখনে আগৰখন ৰুটিনক তাৰ ঠাইৰ পৰা হতাই দিয়ে। এই কাৰ্যৰ বাবে মই নিজক কেতিয়াও দোষ নিদিওঁ। তাৰ বিপৰীতে মোক নিজকে 'UBI' অৰ্থাৎ 'Unfortunatly Born In India' বুলি ক'বলৈ মন যায়। ভাৰতত‌টো বেছিভাগ প্ৰশাসনীয় কাম-কাজ কাগজে-কলমেৰেহে চলে, কাগজত লিখা সকলো কামেইতো কাৰ্যকৰী নহয়। গতিকে ময়ো মোৰ কৰণীয় পঢ়া-শুনা কাম ৰুটিনেৰেই চলাওঁ, কিতাপৰ পাতত গুৰুত্ব দিয়াৰ সলনি পঢ়াৰ ৰুটিন বনাই টেবুলৰ সন্মুখত আঁৰি থৈ দিওঁ। ভাৰতৰ প্ৰশাসন ব্যৱস্থাক সমৰ্থন কৰা আৰু সন্মান জনোৱাৰ মহৎ উদ্দেশ্য আগত লৈ মই ৰুটিনমতে পঢ়া-শুনা নকৰো।

কিতাপখন মেলিবলৈ লৈছোহে, এনেতে যোৰহটীয়া ড্ৰাইভাৰৰ পৰা ফোন আহিল। পোন্ধৰ মিনিটমান বকবাজ কৰোতেই গ'ল। ফোন ৰখাৰ পিছতেই দেউতাৰ নটিচ আহিল— 'পৰীক্ষা আহিলেই নহয়, ভালকৈ পঢ়। আৰু পঢ়াৰ সময়ত মোবাইলৰ চুইচতো অফ কৰি থ'ব লাগে বুজিছ?'

ভালকৈয়ে বুজিলো, দেউতাই বেয়া পাইছে। মই কাৰোবাৰ লগত ৰাতিৰ পঢ়া সময়খিনিত দুই মিনিটো কথা পাতিলে দেউতাই বেয়া পায়। মোৰো বেয়া লাগিল। খঙো উঠিল— কিতাপখন উলিয়াই লওঁতেই বাধা অহা কাৰণে। দেউতাই আকৌ কাৰোবালৈ ফোন কৰিবলগীয়া হ'লে ডায়েৰীখন মোৰ ওচৰলৈ লৈ আহে। নাম্বাৰ এটা দেখুৱাই কয়— 'এই নাম্বাৰতো লগাই দিবিচোন মাইনা।' কেনেবাকে নাম্বাৰটো নালাগে যদি হ'ল আৰু! মোবাইল কোম্পানীয়ে খাব এজাউৰি ভালকৈ। লাগিলে, লাগিলেতো টাইম ট্ৰেকাৰ লগাই নথলে দিগদাৰীয়েই হয়। এজনৰ লগত কথা পতা শেষ হ'লে আন এজনলৈ লগাই দিব লাগে, তাৰ পিছত আন এজন...। শেষত আকৌ মোক খুচ কৰিবলৈ টিপচ্ দিয়ে— 'ৰিচাৰ্জ কৰিব লাগিলে ক'বি।' যেন মই ফাইভ ষ্টাৰ হোটেলৰ ওৱেইটাৰহে।

মই কিতাপ মেলি ল'লো। মোবাইলৰ চুইচ অফ কৰি থলো। কাৰণ কিতাপৰ পৃথিৱীত যে মোবাইল এটা অপ্ৰাসংগিক আৰু অধঃপতনমুখী আছিলা।

দুসপ্তাহমান পাৰ হ'ল। যোৰহটীয়া মিচিং ডেকাই মোলৈ প্ৰতিদিনেই ফোন কৰিলে। প্ৰথমতে ভালেই লাগিছিল, বিনা পইচাত উজনীয়া ভাষা কোৱা লগ এটা পায়। পিছে সিফালৰ পৰা অহা ফোনকলে দিনটোত দুবাৰ-তিনিবাৰৰ মাত্ৰা পোৱাতহে মোৰ মনটো চোবালে। এদিন ফোন ৰিচিভ নকৰিলো। পিছত ৰিচিভ কৰোতে তাৰ যিহে ঢেৰেকনি এটা খাবলগীয়া হ'ল, যেন সি মোৰ আইন সন্মত অভিভাৱকহে। মই ভাবিলো এই টেলিফোনিক কাৰবাৰ এৰি দিব লাগিব!

কিন্তু সময় আৰু সুযোগ পোৱা নাছিলো। এদিন হঠাতে সুযোগ আহিল। এদিন ৰাতি ফোন আহিল, ৰিচিভ কৰিলো। ক'লে— "ষ্টেণ্ডতে আছো এতিয়াও, ভাড়া পাওঁনেকি ৰখি। দিনৰ দিনটো লোকৰ গাড়ী চলাওঁ, ৰাতি তোমাৰ মাতটো নুশুনিলে বৰ বেয়া লাগে।"

'ও, এতিয়াহে চেন্টাৰত পৰিছে!' —মই মনতে ভাবিলো। মোৰ মাত শুনি মিচিং ডেকাৰ হৃদয়ত প্ৰেমৰ জুই জ্বলিছে কিজানি! অৱশ্যে মই নহয় কোনোবা বেলেগ ছোৱালীৰ মাত শুনিলেও যে

এই জুই জ্বলিলহেঁতেন, মই এশ শতাংশই নিশ্চিত।

ঃ কিয় বেয়া লাগে কওঁকচোন? —মই যিমান পাৰো সিমান মৰমীয়াল কণ্ঠ বৰষিলো তেওঁৰ প্ৰেমৰ জুই নুমুৱাবলৈ।

ঃ মা..মানে তোমাক এটা কথা ক'ম বুলি ভাবি আছিলো বহুদিনৰ পৰাই। শুনিবানে?

ঃ ক- ও- ক- চো- ন

ঃ মানে তোমাক যিদিনাৰ পৰাই লগ পাইছো, তোমাৰ মাতটো যিদিনাৰ পৰাই শুনিছো সেইদিনাৰ পৰাই তোমাক নেদেখাকৈয়ে তোমাৰ প্ৰেমত পৰি গৈছো জানা?

আহ্-হা.. জুই লাগি গ'ল! মই এতিয়া এজন ফায়াৰ অফিচাৰ! কাম হ'ল জুই নুমুওৱা। মই ভাবিলো— জুই লাগিছে যেতিয়া ভালকৈয়ে লাগক! তাৰ পিছতহে তাক নুমুৱাম।

ঃ আৰু মই? ময়ো যে আপোনাৰ প্ৰেমত পৰি গৈছো।

ঃ সঁচা?

ঃ ওঁ সঁচা। আজিকালি মই প্ৰতিদিন-প্ৰতিপল আপোনাৰ কথাই ভাবি থাকো।

ঃ অ' হয় নেকি? ময়ো যে তোমাৰ কথাকে ভাবি থাকো জানা? তোমাক লগ ধৰিবলৈ মঙলদৈলৈ যাম কেতিয়াবা। তোমাক নাপালে মই মৰি যাম। মই তোমাক মোৰ বাহিৰে আৰু আন কাৰো হ'বলৈ নিদিওঁ।

মোবাইলত মোৰ স'তে দুই-চাৰিষাৰ কথা পাতিয়েই তেওঁৰ প্ৰেমে এনেকুৱা ইনটেনচিভ কেয়াৰ ইউনিটত থবলগীয়া ৰূপ পোৱা দেখি ভাবিলো— প্ৰেমনো বাৰু ইমান সস্তীয়া নে! প্ৰেম যদি ইমানেই সস্তীয়া, তেন্তে 'প্ৰেম স্বৰ্গীয়' বুলি কোন বুৰ্বকে কৈছিল বাৰু?

ঃ আপুনি মঙলদৈলৈ আহিব কেনেকৈ? চিনি পাব জানো? —মই সুধিলো।

ঃ পাম পাম, কিয় নাপাম? পিছততো চিনি পাবই লাগিব। —তেওঁ ক'লে।

ঃ পিছত মানে ?

ঃ তুমিও বৰ আকৰীদেই। পিছত মানে বিয়াৰ পিছত আকৌ।

হায় মোৰ পোৱা কপাল! তেওঁ একেবাৰে বিয়ালৈ গ'ল। বিয়া দিবনে মোক তেওঁৰ লগত দেউতাই? নিদিলে কি কৰিম? পলাই গ'লে যে আলনা এড়ালো নাপাম। যামনে বাৰু পলাই কোনো দিনে নেদেখা, মোবাইলৰ ক্ৰছ কানেকচনৰ চিনাকি হোৱা ল'ৰা এটাৰ লগত? মই সচাঁকৈয়ে আকৰী কিজানি!

মনতে এইবোৰ ভাবি ভাবিয়েই ক'লো—

ঃ মই আপোনাৰ লগত বিয়া হ'ম। কিন্তু এটা প্ৰব্লেম আছে মোৰ।

ঃ কি প্ৰব্লেম? কি প্ৰব্লেম আছে তোমাৰ? যি প্ৰব্লেম আছে তোমাৰ চব মোক ক'বা, মই চ'লভ্ কৰি দিম। অ'কে?

ঃ মোৰ বাচ্ছা দুটাৰ কি হ'ব?

ঃ তোমাৰ বাচ্ছা...?

ঃ ও মোৰ। হাজবেণ্ড ঘৰত নাথাকে বাৰু। কিন্তু বাচ্ছা দুটাই যদি আমাৰ কথা দেউতাকৰ আগত কৈ দিয়ে?

ঃ তুমি বিয়া হৈছা?

ঃ ও, মোৰ এঘাৰ বছৰ আগতেই বিয়া হৈছে। ল'ৰা দুটা। ডাঙৰটোৰ বয়স তেৰ, সৰুটোৰ সাত। —মুখত যি আহে তাকেই বলকি গৈছো।

ঃ গিৰিয়াৰা ক'ত থাকে?

ঃ নাজানো। তেওঁ চাকৰি কৰে ঘূৰি ফুৰিব লাগে। আজি অ'ত, কালি ত'ত।

ঃ কি চাকৰি? কি ডিপাৰ্টমেন্টত?

ঃ ডিপাৰ্টমেন্ট নহয়, সংগঠনত। তেওঁ আলফাত কাম কৰে। ময়ো পলাইহে আহিছিলো, খবৰ কৰিবৰে নহ'ল ভালকৈ। তেওঁ মাজে মাজে ঘৰলৈ আহে। কয়— পুলিচে খেদি ফুৰিছে হেনো। তেওঁৰ হাতত নাইন এম.এম. পিষ্টল আছে। মানুহ মাৰিবলৈ তেওঁ অলপো ভয় নকৰে। —মই গৌৰৱেৰে স্বামীৰ 'চাকৰি'ৰ গুণ বখানিলো।

ঃ হেল্ল'... হেল্ল'... শুনি আছেনে আপুনি? —মাতবোল কমি অহা যেন পায় মই সুধিলো।

ঃ ও, শুনি আছো।

ঃ মই কিন্তু সেইবোৰ নামানো। এবাৰ বিয়া হ'লো বুলিয়েই প্ৰেম কৰিব নোৱাৰিমনে কিবা? আপুনি 'মান গয়ে মোগল-ঈ-আজম চিনেমাখন চাইছেনে?

ঃ নাই চোৱা।

ঃ নাচালেওঁতো 'জব প্যাৰ কিয়া ত' ডৰনা ক্যা' গানটো শুনিছে? ময়ো ঠিক তেনেকৈয়ে ভাবো। হ'ব পাৰো উগ্ৰপন্থীৰ ঘৈণীয়েক, দুটা বাচ্ছাৰ মাক, তথাপি মই আপোনাক ভাল পাওঁ। দৰকাৰ পৰিলে মই আপোনাৰ লগত দ্বিতীয় বিবাহত বহিবলৈও ৰাজী। মই কাকো কেয়াৰ নকৰো। আপুনি কি কয়?

ঃ এতিয়া ৰাখোদেই, ৰাতি বহুত হ'ল।

যোৰাহটীয়াৰ ফোনতো কাট্ খাই গ'ল।

মই অলপ সময় পিছত কলবেক কৰিলো, চুইচ্ অফ। কেঁচুৱাৰ মুখত ঠিকেই জলকীয়া পৰিছে। সম্ভৱ সেইটো নাম্বাৰৰ পৰা মোলৈ আৰু কোনোদিনে ফোন নাহিব কিজানি!

নিজৰ ওপৰতে হাঁহি উঠি গ'ল মোৰ। হায়! কি বিড়ম্বনা!

বিশবছৰীয়া এই অকলশৰীয়া জীৱনটোক মই তেৰ বছৰীয়া ল'ৰাৰ মাকৰ জীৱন কাহিনী কৰি পেলাবলগীয়া হ'ল। গল্পৰ 'প্লট' বিচাৰি ফুৰোতে নিজেই যে 'প্লট' হৈ যাম ভবাই নাছিলো!

সেইদিনা ৰাতি দহ বজাত মই দাদাৰ ৰুমলৈ গ'লো। সি কিজানি এতিয়া মানে ৱাৰ্ডৰ ডিউটিত আছে! তাঁলৈ বৰকৈ মনত পৰিল মোৰ। তাৰ পঢ়া টেবুলখনত চকু ফুৰালো। লেবৰেটৰীৰ নোট বুক এখন পৰি আছিল। মই বহীখনৰ অপব্যৱহৃত পিছফালৰ পাত এটা উঠাই আনিলো। ডাঠ ডাঠ ৰুলিং পাতবোৰেৰে ৰুলপে'পাৰ বনাবলৈ বিৰাট ধুনীয়া হয়।

'দাদা, তোলৈ বৰকৈ মনত পৰিছে; সেয়ে পাতটো চুৰ কৰিলোদেই। বেয়া নাপাবি, তইতো জানই সৰুৰে পৰা মোৰ আখৰৰ শাৰীবোৰ বেঁকা...।' OO

# মাকনৰ গোঁসাই

✍ জুৰিপ্ৰিয়া দেৱী
প্ৰবক্তা, অসমীয়া বিভাগ

...উস্ ৰাম! আৰু নোৱাৰিছোঁ দেই! সেই কুকুৰাই ডাক্ দিয়াৰে পৰা কাম কৰি কৰি অতাবই পৰা নাই। ইফালে কঁকালৰ বিষটোৱেই লগ নেৰা হৈছে। যিমানে শেষ কৰিব খুজিছোঁ সিমানেই নতুন নতুন কাম এটা ওলায়েই গৈ আছে। আজি শেষ নহ'ব যেনেই পাইছো। আঘোণীহঁতৰ কিজানি কাম বন কৰি জিৰনি লবৰেই হ'ল। উপাই নাই! মই হ'লো অকলশৰীয়া মানুহ। যা! যি হয় হ'ব আৰু।

...সময় যিমানে আগবাঢ়িছে মাকনৰ গাত তত্ নাইকিয়া হৈছে। বেলিটোৰ ফালে চাইছে আৰু হাত খৰকৈ চলাইছে। মাঘৰ বিহুৰ উৰুকা বুলিলে বুলিবলৈ নাই। গাঁৱৰ সকলোৱে ধুম্-ধামেৰে এই বিহুৰ আয়োজন কৰিছে। মাকনেও অকলেই সকলোবিলাক কম-বেছি পৰিমানে যোগাৰ কৰিছে। আৰ্মিত চাকৰি কৰি থকা পুতেক আজি আহি পোৱাৰ কথা। ব্যস্ততাৰ মাজতে মাকনৰ মনটো অতীতলৈ এবাৰ উৰি গ'ল। মনত পৰিল জীৱনৰ সেই ৰঙীন মূহূৰ্তবোৰ...।

আজিৰপৰা প্ৰায় কেইবাবছৰ আগৰ কথা। মাকনৰ ঘৰ আছিল চিৰাং জিলাৰ পদুমনী গাৱঁত। নিজৰ বুলিবলৈ ভায়েকজনৰ বাহিৰে অইন কোনো নাছিল। গাভৰু মাকনৰ বিয়া দাঁতি কাষৰীয়া গাঁও বাবেই চুবাৰ ৰমেশ মাষ্টৰৰ লগত হয়। বিয়াৰ দুবছৰমান পিছতেই মাকনৰ এটি পুত্ৰ সন্তান উপজিল। জীৱনলৈ অকণমান সুখ আহিব ধৰোতেই বিধাতাই তেওঁক ভৰিলে। এদিন হঠাতে মাষ্টৰৰ হৃদৰোগত মৃত্যু হ'ল। চকুৰে ধোৱাঁ-কোৱা দেখা মাকনে একমাত্ৰ পুত্ৰ মনোজকে বুকুত সাৱটি ধৰি পাৰে মানে কান্দিব ধৰিলে। গিৰীয়েকৰ সকাম শেষ হোৱাৰ পিছত মাকনে বাৰুকৈয়ে অকলশৰীয়া অনুভৱ কৰিলে। বাৰ বছৰীয়া পুত্ৰ মনোজৰ সৈতে তেওঁ গোটেই জীৱনটো কেনেকৈ পাৰ কৰিব...?

দিন বাগৰিল। মনোজ প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ বিজ্ঞান শাখাত নামভৰ্ত্তি কৰিলে। সি কলেজলৈ অহা-যোৱা কৰিলে। মাকে সদায় তাক ভালদৰে পঢ়িবলৈ কোৱাৰ লগতে ৰাতিপুৱা তিনি বজাতে জগাই দিয়ে ব্যায়াম কৰিবলৈ। মাকনৰ এটাই চিন্তা কেনেবাকৈ তাক চৰকাৰী চাকৰি এটাত নিযুক্তি কৰোৱা। যিহে দিন-কাল পৰিছে। চাৰিওফালে হাঁহাকাৰ, ইফালে বোলে ব'ম ফুটিছে, সিফালে বোলে গাড়ী এক্সিডেন্টত মানুহ মৰিছে। ইফালে আকৌ চৰকাৰে চাকৰিও দিব নোৱাৰে। এইবোৰ সমস্যাটো আছেই। তথাপি মাকৰ মন— ল'ৰাটো ক'ৰবাত থান-থিত লগাব পাৰিলে ভাল আছিল!

সেয়ে তেওঁ ৰাতিপুৱা তিনি বজাৰ লগে লগে নিজে শোৱাপাটি এৰি "মনোজ, ঐ মনোজ! উঠ্ উঠ্, দেৰি হ'ল! যা, অকণমান দৌৰি আহগৈচোন।"

মাকৰ মাতত মনোজ উঠিব খুজিও উঠিব নোৱাৰিলে। চোতালৰ পৰা মাকে আকৌ চিঞৰাত এইবাৰ তাৰ টোপনি ভাঙিল। সি মাকক উদ্দেশ্য কৰি— "তয়ো যে আৰু? অকণমান ভালদৰে শুবলৈও নিদিয়!"—এই বুলি কৈ সি ৰাস্তাৰ ফালে দৌৰিব ওলাই গ'ল।

কিছু সময় পিছত মনোজ ঘৰলৈ উভতি আহিল। মুখ-হাত ধুই পঢ়া টেবুলত বহিল। মাকে চাহ দিয়াত সি খাই গা-ধুবলৈ গ'ল। ভাত খাই উঠি কলেজলৈ গ'ল। মনোজৰ মনত সেই একেই চিন্তা। পেপাৰত সি সদায় বিভিন্ন বিজ্ঞাপনবোৰ চাই থাকে। কেতিয়াবা আৰ্মিৰ বাহিৰেও যেই-সেই বিভাগবোৰতে চাকৰি কৰিবলৈ ইচ্ছা কৰে। অৱশেষত সি সুখ্যাতিৰে উচ্চতৰ মাধ্যমিক পৰীক্ষা পাছ কৰিলে। ইতিমধ্যে সি আৰ্মিৰ কেইবাটাও বিভাগত ইন্টাৰভিউ দিছিল যদিও টেক্নিকেল বিভাগৰ পৰাহে

তাৰ্লৈ নিযুক্তিপত্ৰ আহিল। অৱশেষত মনোজে প্ৰয়োজনীয় ট্ৰেইনিং পাছ কৰি চাকৰিত যোগদান কৰিলে। এনেদৰে দিনবোৰ গৈ থাকিল। বৰ্তমান সি মধ্য প্ৰদেশত আছে। মাজে সময়ে মাকলৈ সি দুই-এখন চিঠি লিখে। নতুন চাকৰিত যোগদান কৰি সোনকালে আহিব পৰা নাছিল, কাৰণ চুটী নাই। সেয়েহে এইবাৰ মাঘৰ বিহুৰ সময়ত সি ঘৰলৈ আহিব বুলি মাকক টেলিগ্ৰামেৰে জনালে। খবৰ পায়েই মাক মাকনৰ গাত গোসাঁই নোহোৱা হৈ পৰিল।

মন থৌকি-বাথৌ। কি কৰিব, কি নকৰিব; কি ৰান্ধিব, কি বনাব! মনোজ আহিলে কেনেদৰে আদৰি আনিব এইবোৰ কথা ভাবি আনন্দত অধীৰ হৈ পৰিছে। ওচৰ-চুবুৰীয়া যাকে য'তে লগ পাইছে, সকলোকে মনোজ অহা খবৰটো দিলে।

আজি উৰুকা। মাকনে কাউৰীয়ে কা-কা নকৰোতেই শোৱাপাটী এৰিলে। ৰাতিও ভালকৈ টোপনি নহ'ল। কেৱল এটাই চিন্তা, সি কেতিয়া পাবহি। মনত সকলো গুজৰি-গুমৰিও আছে, কামো কৰি আছে। মনটো কেতিয়াবা দুঃচিন্তাৰে ভৰি পৰে।

আবেলি প্ৰায় চাৰিমান বজাত খবৰ আহিল টাটা চুমু এখনৰ এক্সিডেন্ট হৈছে আৰু দুজন ল'ৰাৰ হেনো থিতাতে মৃত্যু হৈছে। মাকনে কথাটো শুনিলে যদিও পুতেকৰ আশাত বাকী কথাৰ্লৈ মন নিদি ৰন্ধা-বঢ়াত লাগিলগৈ। মাছৰ তৰকাৰী, মুৰ্গীৰ মাংস শুকান ভজা, মাটিৰ দাইল, মাছৰ খাৰলি, আদি বৰ জুতিকৈ ভিনে ভিনে ৰান্ধিছে। কেৱল ভাতখিনি বনালেই শেষ।

এনেতে তেওঁ চোতালত কিবা শব্দ এটা শুনা যেন অনুমান হ'ল। হাতত চাকিটো লৈ মাকন পাকঘৰৰ পৰা ওলাই আহিল। চোতালত মানুহৰ জুম দেখি মাকন আচৰিত হ'ল। মানুহৰ জুমটোৰ ফাঁকেৰে তেওঁ চাবলৈ যত্ন কৰিছে— কি হৈছে! বগা কাপোৰেৰে ঢাকি থোৱা মানুহৰ মৃতদেহ? ...কাৰ...কাৰ? কোন এয়া? কোনোবা এজনে মুখৰ কাপোৰখন আঁতৰাই দিলে। লগে লগে মাকনে 'অ'মোৰ গোসাঁই অ'... মোৰ গোঁসাই অ'... মোৰ বাছাটো...' বুলি মৃতদেহটোৰ ওপৰত বাগৰি পৰিল।

সমবেত সকলোৰে চকুত চকুপানী। কিন্তু তাৰ পিছত নাই কোনো বিননি, নাই হুমুনিয়াহ, আৰ্তনাদ। বুকুৰ আমঠু, গোঁসাই মনোজৰ লগতে মাক মাকনেও চিৰ বিদায় মাগিলে এই পৃথিৱীৰ পৰা। চাৰিওফালে এক অজান নিস্তব্ধতা। ৰাতিৰ আন্ধাৰে যেন সকলো নিঃচিহ্ন কৰি পেলালে...। ○○

## গধূলি হ'ল

✍ অন্বয় নীল ডেকা
স্নাতক ৩য় বৰ্ষ

টিপ্ চাকিটোৱে মিতব্যয়ীতাৰে পোহৰ বিলাই পিৰালিৰ মাত্ৰ এচুক পোহৰাই ৰাখিছে। চৌদিশে মাথোঁ মৰিশালিৰ নিস্তব্ধতাই গ্ৰাস কৰিছে। ক'ৰবাত টু শব্দ এটাও নাই। কিমান নীৰৱ হ'ব পাৰে জগতখন। অন্ধকাৰৰ মাজেৰে কেইখন চকুলোৰ নৈ বৈ যাব পাৰে? মৃত্যু কিমান কঠিন সেই কথা চাংকি বসুমতাৰীয়ে অনুমান কৰিব নোৱাৰে। মাত্ৰ উপলব্ধি কৰিব পাৰে জীয়াই থকাতো যে তাতোকৈও বহু কঠিন। কেইটোপাল মান চকুলোৱে তাইৰ মাত্ৰ শিৰৰ সেন্দুৰকণ উটুৱাই নিয়েই ক্ষান্ত থকা নাছিল; বোকোচাৰ এটুকুৰা জীৱনো নিষ্ঠুৰতাৰে কাঢ়ি নিছিল। চাংকিয়ে জুপুৰি ঘৰটোৰ বাঁহৰ চাংখনৰ ওপৰতে জুপুকা মাৰি বহি আছে। ওচৰতে গকুলে ফটা কাপোৰেৰে সজা গাৰুটোত মুখখন গুজি গভীৰ টোপনিত নিমগ্ন হৈছে। ওচৰতে মাকে যে ওৰে ৰাতি সাৰে আছে তাৰ্লৈ তাৰ অকনো ভ্ৰূক্ষেপ নাই। জুপুৰিটোৰ ওচৰৰ চালৰ ফাঁকেৰে ওলোৱা জোনটো ক্ৰমশঃ চালৰ আঁৰ হৈ আহিছে। এলান্ধুৰে আঁৰৰা চালখনে চাংকিৰ চকুৰ আগতে এখুট্-এখুট্কৈ জোনটো গিলি পেলাইছে। চাংকিয়ে একেথৰে চালখনৰফালে চাই ৰ'ল।

বোৱাৰী পুৱাতে বিছনাৰ পৰা উঠি পুতেক গকুলে সাৰ নাপাওঁতেই মানিচুনি পোহৰতে চাংকিয়ে হাতত তামোল-পান এযোৰ আৰু কফ্ চিৰাপৰ খালী হোৱা বটল এটা লৈ দাদুল বুঢ়াৰ ঘৰলৈ বুলি খোজ দিলে। দাদুল বুঢ়াৰ ঘৰ কাকৈ চুবুৰীত। দুখন তামোলৰ বাট। বুঢ়াক এই অঞ্চলৰ মানুহটো বাদেই যেন জীৱ-জন্তুৱেও চিনি পায়। আনকি বহু দূৰৰ চেৰেং চাপৰিৰ পৰাও মানুহ জৰা পানী, জৰা তেল, জাপ আদি বিচাৰি বুঢ়াৰ ঘৰত ওলাইহি। মানুহৰ মনে তেওঁৰ জাপ, তাবিজে হেনো সৰু বৰ বহুকেইতবহৰ বেমাৰ পলকতে ভাল কৰি দিব পাৰে। চাংকিয়ে পথাৰৰ মাজৰ লুংলুঙীয়া বাটটোৰে দাদুল বুঢ়াৰ ঘৰলৈ পোনালে। বুঢ়াৰ সন্মুখত তামোল-পান এযোৰ আগবঢ়াই কৰযোৰ কৰি চাংকিয়ে ক'লে— "দাদো মোৰ ল'ৰাটোলৈ অলপ আৰ্শীবাদ কৰক। মাত্ৰ তাৰ বাবেই জীয়াই আছো মই। নহ'লেনো মোৰ আৰু কি ৰৈছেগৈ। তাৰ দেউতাক আৰু ককায়েক ঢুকুৱাৰ পৰা সি আনৰ সৈতে ভালদৰে কথা-বতৰা পাতিবলৈ বাদ দিছে। মাজৰাতি সদায় টোপনিতে থতমত খাই উঠি বহে। কেতিয়াবা সপোনতে 'তেজ-তেজ' বুলি চিঞৰ বাখৰ কৰে। এতিয়া

দুদিনমানৰ পৰা মানুহ দেখিলেই খেদা মাৰি যোৱা হৈছে। ৰঙা কাপোৰ, দা-কুঠাৰ দেখিলেই দেহৰ সমস্ত শক্তিৰে চিঞৰে।"

দাদুল বুঢ়াই বটলত পানী আনি তাত ন-ডাল খৰিকা ডুবাই কেইবাৰমান মন্ত্ৰ আওৰালে। বটলটো চাংকিৰ হাতত গুজি দি ক'লে— "সদায় ৰাতিপুৱা আৰু গধূলি ইয়াৰ পানী এচলুকৈ খুৱাই দিবি আৰু দেহত সানি দিবি। মই বাৰু পূজা-অৰ্চনা সমাপ্ত কৰি এপাক মাৰিমগৈ।" লগতে জাপ এডালো গাঁথি দিলে। চাংকিয়ে সেইখিনি আঁচলৰ এমূৰে বান্ধি লৈ ঘৰমুৱা হ'ল।

এজাক আচম্বিতে অহা ধুমুহাই থেৰো-গেৰো কৰি পেলাইছে জীৱনৰ বাট। নাঙঠ হৈ পৰিছে সৰু সৰু সপোনবোৰ। তথাপিও চাংকিয়ে নিজৰ জীৱটো দেহত লৈ জীৱিত বুলি জীয়াই আছে।

ঘৰত গকুলে টোপনিৰ পৰা সাৰ পাইছে। সাৰ পায়েই চিঞৰ-বাখৰ আৰম্ভ কৰি দিছে। পাছ চোতালত সতীশ আৰু বলোৰামৰ সৈতে কেইজনমানে তাক কিবা-কিবি বুজাবলৈ চেষ্টা কৰিছে। কিন্তু নিৰৰ্থক। সি একো নুবুজে। ততোধিক জংঘলি হৈ পৰিছে সি। চাংকি গৈ ঘৰৰ পাছ চোতাল পাই মানে গকুলে সতীশক মাৰিবলৈ চোঁচা লৈছিল। সতীশে গকুলৰ হাত দুখনত কট্‌কটীয়াকৈ ধৰি ল'লে। সতীশৰ মুখত ফুটি উঠিল— "ইচ্, এই দহ-এঘাৰ বছৰীয়া ল'ৰাটোৰ দেহত ইমান ব'ল। নিশ্চয় ইয়াক কোনোবা অশুভ শক্তিয়ে গ্ৰাস কৰিছে। ই পাগল হৈছে। পগলা ফাটেকলৈ নিব লাগিব ইয়াক।"

'পগলা' শব্দটো শুনাৰ লগে লগে চাংকিৰ চকু দুটা ট্ ট্ কৈ জ্বলি উঠিল— "ঐ সতীশ, নাই হোৱা একো, মোৰ ই পাগল হোৱা নাই। চাবিচোন এই জৰাপানী আৰু জাপডাল দিলেই ভগৱানেই ইয়াক ভাল কৰি দিব।" মাকে গকুলৰ ওচৰলৈ গৈ জাপডাল পিন্ধাই দিব খোজোতেই সি একে আঁজোৰতে মাকৰ হাতৰ জাপ টুকুৰা-টুকুৰ কৰি পেলালে। উগ্ৰমূৰ্ত্তি ধাৰণ কৰি গকুলে এইবাৰ চোতালৰ এফালে থিয় দি থকা বলোৰামৰ ফালে চোঁচা মাৰি খেদি গ'ল। চিঞৰ-বাখৰ শুনি খৰ-খেদাকৈ আহি তুলাৰাম গাঁওবুঢ়াই গৰ্‌গৰীয়া মাতটোৰে বিস্ফোৰক শব্দ কৰি চিঞৰিলে— "ঐ নৰাধমহঁত, তহঁতো বলিয়া হৈছ' হে? ঐ দা-কুঠাৰবোৰ কিয় এনেকৈ পেলাই থৈছ? তৎক্ষণাত ইয়াৰ পৰা আঁতৰ কৰ বুলিছো। ঐ বলোৰাম, তই ইয়ালৈ আৰু নাহিবি। ভালে ভালে ইয়াৰ পৰা আঁতৰ হ' বুলিছো। তোৰ দেহত ৰঙা কাপোৰ আছে।" তুলাৰাম গাঁওবুঢ়াৰ দঁতাল হাতীৰ দৰে মাতটোত থৃতমৃত খাই সতীশে দা-কুঠাৰকেইখন চিলাই থপিওৱাদি নি ভৰাঁলঘৰৰ তলত লুকুৱাই থ'লেগৈ। বলোৰাম তৎক্ষণাত তাৰপৰা আঁতৰ হ'ল। গকুলে বলোৰামৰ ফালে কেঁচা বাহৰ টুকুৰা এটা মাৰি পঠালে, কিন্তু সেই টুকুৰা তামোল গছ এজোপাত খুন্দা খাই তলত পৰিল।

তুলাৰাম গাঁওবুঢ়াই বুজি পায়, গকুলে দা-কুঠাৰবোৰ দেখিলেই তাৰ মগজু অচল হৈ পৰে। ৰঙা কাপোৰ নাইবা ৰঙা বস্তু দেখিলেই 'তেজ-তেজ' বুলি চিঞৰি উঠে। সকলো ৰঙা সামগ্ৰীয়েই তাৰ দুচকুত তেজ ৰূপে ধৰা দিয়ে। সমগ্ৰ মানুহটো আতঙ্কিত হৈ পৰে। এটা ভয়ঙ্কৰ দিনৰ নিষ্ঠুৰ ছবিয়ে তাৰ কুমলীয়া মনটোত ক'লা ছাঁ পেলাইছে। এদিন সি নিজ হাতেৰেই মচিছিল দেউতাক আৰু ককায়েকৰ তেজেৰে তুমৰলি হোৱা দেহৰ তেজবোৰ। সেই তেজবোৰ এতিয়াও যেন তাৰ হাতত লাগি আছে! নিজৰ হাত দুখনৰ ফালে সি থৰ লাগি চাই ৰয়, বুকুৰ মাজত সুমুৱাই লয়।

গকুলৰ চৰিত্ৰত অস্বাভাৱিকতা ফুঁটি উঠিলেই সেই নষ্ট দিনৰ দেওলগা সময়বোৰলৈ মনত পৰি মূহুৰ্ততে চিৎকাৰ কৰি উঠে তাই। বুকুত কিহবাই প্ৰচণ্ড গতিত চুৰিকাঘাত কৰে। তেজবোৰ যেন বাটে-ঘাটে পৰি ৰোৱা বাৰিষাৰ পানী। সেইদিনা চৌদিশে আৰম্ভ হৈছিল নিজৰ প্ৰাণ ৰক্ষাৰ বাবে কৰা হত্যালীলা। বাতৰি কাকতবোৰত বৰ বৰ আখৰেৰে প্ৰকাশ পাইছিল— 'জাতিগত সংঘৰ্ষত লিপ্ত দৰঙৰ একাংশ।' ক'ৰ পৰা কেনেকৈ এই সংঘৰ্ষৰ উৎপত্তি হৈছিল সেই কথা নাজানে। মাত্ৰ সেইদিনাখন সন্ধিয়া দূৰৰ গাঁও এখনৰ ঘৰবোৰ দপ্‌দপ্‌কৈ জ্বলি উঠা দেখিছিল। চাংকিৰ চকুৰ আগতে চোঁ-চোৱাই কুকুহাবোৰ বতাহত উৰি ফুৰিছিল। সেই জুই আৰু নুনুমাল। প্ৰথমতে জ্বলিছিল মানুহৰ ঘৰবোৰত। তাৰপিছত হৃদয়বোৰত। সদায় একেখন পথাৰতে একেলগে খেতি-বাতি কৰা, বাটে-ঘাটে মাতষাৰ লগোৱা একেলগে বজাৰ-সমাৰ কৰা মানুহৰ মাজত আৰম্ভ হৈছিল বিবেক-বিহীন হত্যাকাণ্ড। কোনেও কাকো চিনি নোপোৱা হৈ পৰিছিল। তাৰ ওপৰত আকৌ আৰম্ভ হৈছিল ৰাজনৈতিক দল বোৰৰ চতুৰালি। মৰাশবোৰ য'তে ত'তে চেদেলি-ভেদেলি হৈ পৰি আছিল।

গকুলৰ দেউতাকে সেইদিনা সোনকালেই হালখন চপাই ঘৰ পাইছিলহি।

ঃ চাংকি, তই গকুল আৰু ডাঙৰ বোপাক লৈ মাৰেৰ ঘৰত কেইদিনমান থাকগৈ । পৰিস্থিতি ক্ৰমে অধিক বেয়াৰ ফালে ঢাল খাইছে। ক'ত কি অঘটন ঘটে তাৰ একো ঠিক নাই।

ঃ কিন্তু আপুনি?— চাংকিয়ে ওলোটাই গিৰিয়েকক প্ৰশ্ন কৰিছিল।

মই ইয়াতে থাকিম। ঘৰখন ৰখিব লাগিব।

ঃ মই আপোনাক এনেকৈ অকলে এৰি থৈ নাযাওঁ। গ'লে চাৰিওজন একেলগে যাম। নগ'লে আটায়ে ইয়াতে থাকিম।

গিৰিয়েকে বহু বুজায়ো চাংকিক বুজাব পৰা নাছিল। আপদে-বিপদে, সুখে-দুখে সমভাগী হোৱাৰ পণ কৰা মানুহজনক এৰি থৈনো এনে পৰিস্থিতিত কোন স'তে তাই আঁতৰি যায়। সেইদিনা ৰাতি আটায়ে সিহঁতৰ জুপুৰি ঘৰটোত কটাইছিল। ৰাতি দুপৰ। চাৰিওজনে বিছনাতে নিঃসাৰে বহি আছিল। মজিয়াৰ এচুকত জ্বলি ৰোৱা টিপ্ চাকিটোৱে ক্ষীণ পোহৰ বিলাইছিল। ক'ৰবাৰ পৰা ওচৰৰে বলুকা মহলীয়া আহি বাঁহৰ দুৱাৰখনত এবাৰ খুন্দিয়াই ফুচ্‌ফুচাই ক'লে— 'ঐ কাকো, সোনকালে উঠচোন, কথা সৰ্বনাশ হ'ল। গৰমুখৰ পথাৰখন পাৰ হৈ আমাৰ গাঁৱৰ সীমাত এজাক মানুহ সোমাইছে। সময়ত যিহকে পাই তাকে কাটি-মাৰি পেলাইছে। ঘৰবোৰ জ্বলাই দিছে। গাঁৱৰ যোধাই, বাফলু সকলোৱে হাতে হাতে দা-কুঠাৰ লৈ ওলাই গৈছে। আমিও যাওঁ ব'ল, নহ'লে সিহঁতক অকলে পালে ক'ত কি কৰে একা ঠিক নাই। ইতিমধ্যে চাংকিৰ গিৰিয়েকে হুৰমুৰকৈ দুৱাৰখন খুলি ওলাই আহিছিল।

চাংকিয়ে গিৰিয়েকক বহুবাৰ বাধা দিলে, কিন্তু বাধা দি ৰাখিব নোৱাৰিলে। একমাত্ৰ গাঁওখন, ঘৰখন ৰক্ষাৰ খাতিৰতে হাতত খৰা দাখন লৈ বলুকাৰ সৈতে ওলাই গ'ল। যাবৰ সময়ত চাংকিক কৈ গ'ল— "তহঁতে মোলৈ চিন্তা নকৰিবি। দুৱাৰৰ ডাংডাল ভালকৈ দি ভিতৰতে সোমাই থাকিবি। কোনোবাই মাতিলেও নোলাবি। সিহঁতক অহা বাটতেই ভেঁটা দিব নোৱাৰিলে গাঁৱত অত্যাচাৰ কৰিবহি।"

মূহুৰ্ততে গোটেই অঞ্চলটোতে হৈ-চৈৰ সৃষ্টি হ'ল। চুবুৰীটোৰ আটাইকেইজনী ছোৱালী-তিৰোতা একগোট খালে। বয়সস্থসকলে সিহঁতক নানা বুজনি দিলে। মুখত ঈশ্বৰৰ নাম বাৰে বাৰে উচ্চাৰিত হ'ল। সকলো চিন্তান্বিত। লাহে লাহে কিছু দূৰৰ ঘৰবোৰ দপ্‌দপ্‌কৈ জ্বলি উঠিল। আকাশত যেন শ শ কাৰখানাৰ ধোৱা একেলগে উঠিছে। আকাশেৰে বৈ যোৱা জোনটোৰ ওপৰত ধোৱাঁই আঁৰকাপোৰ তৰিছে। চৌদিশে মাথোঁ মৃত্যুৰ কৰাল ছাঁ। দূৰত জ্বলিব ধৰা জুইবোৰ আহি ক্ষন্তেকতে চাংকিহঁতৰ ঘৰতো জ্বলি উঠিল। ঘিউ ঢলা চিতা জ্বলা ঘৰবোৰ। একো ঠাইত জুম বন্ধা চুবুৰীৰ মানুহবোৰ চেদেলি-ভেদেলি হৈ পৰিল। চাংকিয়ে গকুলৰ হাতখনত এৰাই নোযোৱাকৈ ধৰি ল'লে। কিন্তু ডাঙৰ পুতেকে হঠাৎ ক'ত ল'ৰ মাৰিলে তাই উৱাদিহ নাপালে। বিচাৰি বিচাৰি অৱশেষত পালেগৈ নিজৰ ভস্মীভূত ঘৰৰ ছাইবোৰৰ মাজত। তাৰ দেহৰ পৰা পোৱা মঙহৰ ভেকেট-ভেকেট গোন্ধ। মৰি গ'ল ষোল্ল বছৰীয়া থুলন্তৰ ল'ৰাটো। চাংকিয়ে মৰণ কাতৰ আৰ্তনাদ কৰি ছাইবোৰৰ ওপৰতে মূৰ্চা গৈ ঢলি পৰিল। গকুলে কান্দিবলৈ পাহৰিলে। সি নিঃশব্দে গৈ ককায়েকৰ আধাপোৰা দেহটোৰ ওচৰত শুই থাকিল। মুখেৰে সি সামান্য এটা শব্দও কৰা নাছিল। জঠৰ হৈ পৰিছিল দেহটো।

নিশাটো জুই, চিঞৰ আৰু কান্দোনৰ মাজতেই পাৰ হৈছিল। ৰাতিপুৱা মানিচুনি পোহৰতে কেইজনমানে চাংকিৰ গিৰীয়েকক দাঙি আনি চোতালৰ এফালে শুৱাই দিছিল। তেওঁৰ দেহৰ বহু ঠাইত চোকা অস্ত্ৰৰ গভীৰ আঘাত। বাঁও কাষলতিৰ তলত এডাল ধনুৰ শৰ তেতিয়াও সোমাই আছিল। ডিঙিৰ এফালে অস্ত্ৰৰ আঘাত। তেজেৰে তুমৰলি হোৱা দেহ। জেকা মাটিৰ ওপৰেৰে বৈ আহিছে তেজ। মৰি গ'ল মানুহজন। চাংকিৰ বিকট চিঞৰটো বতাহত বহুসময় ভাহি থাকিল। আন মানুহবোৰে বুকুত চপৰিয়াই চপৰিয়াই হুৱাওৱাৰে কান্দিছিল। কিন্তু গকুলে অকণো নাকান্দিলে। সি ককায়েকৰ মৃত দেহৰ ওচৰৰ পৰা উঠি আহি দেউতাকৰ দেহৰ তেজবোৰ এবাৰ চুই চাইছিল। তাৰ মাখন কোমল হাত দুখনত তেজৰ দাগবোৰ চেঁকুৰা-চেঁকুৰকৈ লাগি ধৰিছিল। 'কি তপত তেজ।' সি যেন এটা চাবি দিয়া পুতলা। তাৰফালে কাৰো ভ্ৰূক্ষেপ নাই । সি কান্দিছে নে হাঁহিছে তাক চাবলৈও কোনো নাই। তাৰ কোমল বুকুখনত যেন এটি মাতাল ঢৌৱে অহৰহ খুন্দিয়াইছে। চকু দুটা তাৰ যৎসামান্যও সেমেকা নাই। মাত্ৰ চকুৰ চেলাউৰি দুটা মাজে মাজে কোঁচ খাইছে। দেহত পিন্ধি থকা হাফ ছাৰ্টটো সি বাৰে বাৰে আজুৰিছে। ভৰিৰ আঙুলি কেইটাৰে ভৰিৰ তলত মাটিত হেঁচুকি ধৰিছে।

সেইদিনা নৈৰ পাৰত বহুকেইখন চিতা একেলগে জ্বলিছিল। তাৰ মাজত গকুলৰ ককায়েক আৰু দেউতাকৰ চিতা। চাংকিয়ে এবাৰ একে দৌৰতে গৈ নৈৰ পাৰত চিতাৰ জুইত আত্মজাহ দিব খুজিছিল। কিন্তু গাঁৱৰ আন মানুহবোৰে একেটানে চাংকিক ঘৰলৈ লৈ গৈছিল। তাৰ পিছত এডৰা ক'লা মেঘৰ বুকুত জাহ গৈছিল জীৱনৰ সমস্ত আশা-সপোন। এডৰা ক'লা মেঘে বেলি ঢাকি গধূলি হ'ল বুলি ঘোষণা কৰিছিল।

ইতিমধ্যে ঘৰৰ পাছ চোতালত ওচৰ-পাজৰৰ বহু মানুহ গোট খালে। গকুলে হিংস্ৰ জন্তুৰ দৰে চিঞৰিলে। তুলাৰাম গাঁওবুঢ়াই অকলে তাক ধৰি ৰাখিব পৰা নাই। এনে সময়তে দাদুল বুঢ়াৰ চাইকেলৰ কেৰ্‌কেৰণিৰ শব্দটো ওচৰ চাপি আহিল। তেওঁ আহি পাছ চোতাল পালেহি। গকুলৰ ফালে ওবাৰ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰি দাদুল বুঢ়াই সতীশক ক'লে— "ইয়াক কোনোবা অশুভ শক্তিয়ে অনিষ্ট কৰিব বিচাৰিছে । এবাল্টি পানী আৰু সৰিয়হ কেইটামান লাগিব।" সতীশে সেইখিনি আনি দিয়াত দাদুল বুঢ়াই পানী আৰু সৰিয়হত আনে শুনা-নুশুনাকৈ কেইবাৰমান মন্ত্ৰ আওৰালে। তাৰ পিছত মগ্ এটাৰে বাল্টিটোৰ পানী প্ৰচণ্ড বেগেৰে গকুলৰ মুখমণ্ডললৈ মাৰি পঠিয়ালে। এনেকৈ এবাল্টি

পানী শেষ নোহোৱাকৈ মাৰি থাকিল। গকুলে ছট্‌ফটাই থাকিল। মাজে মাজে টেটুফালি চিঞৰিলে। দাদুল বুঢ়াইয়ো লগে লগে চিঞৰি ক'লে—

ঃ এইয়া ই চিঞৰা নাই। মন্ত্ৰপুত পানী পাই গাত সোমাই থকা অশুভ শক্তিয়েহে চিঞৰিছে। ঐ পানী শক্তি, সোনকালে তই ইয়াৰ দেহ ত্যাগ কৰি য'ৰ পৰা আহিছিলি তালৈ উভতি যা, যা বুলিছো!

পুনৰ এমগ পানীয়ে গকুলৰ মুখত আঘাত কৰিলেগৈ। বাল্টিৰ পানী শেষ হোৱাত বুঢ়াই সৰিয়হ কেইটামান হাতত লৈ মন্ত্ৰ মাতি সতীশৰ হাতত তুলি দিলে। বুঢ়াৰ কথামতে সতীশে সৰিয়হ কেইটামান গকুলৰ ককাঁলত বান্ধি দিলে আৰু কেইটামান ঘৰত চৌদিশে ছটিয়াই দিলে। ওচৰৰ মানুহবোৰ মন্ত্ৰমুগ্ধৰ দৰে একেথৰে চাই ৰ'ল। দাদুল বুঢ়াই মাননি এটা লৈ ঘৰমুৱা হ'ল।

সতীশে গকুলক দাঙি নি বিচনাত শুৱাই থ'লে। অলপ পিছতে সাৰ পাই আকৌ সি 'তেজ তেজ' বুলি চিঞৰি উঠি বহিল। চাংকিয়ে চকুলো টুকি-টুকিয়ে তাৰ মূৰত তেল-পানী অলপ সানি দিলে। তাৰ কোমল হৃদয়ৰ নিভৃত কোণত গোপনে সোমাই থাকিল তেজৰ নৈৰ স্পষ্ট না'খন। যিখন নৈৰ উত্তাল ঢৌবোৰে তাৰ বুকুত নিৰ্দয়ে চুৰিকাঘাত কৰিবলৈ নেৰিলে। নিষ্ঠুৰ দিনটোৰ প্ৰতিটো দৃশ্যই গকুলৰ বুকুত বিন্ধি ধৰে। স্তব্ধ হৈ পৰে মানুহটো। মুখৰ শব্দবোৰ অসংযতভাৱে নিৰ্গত হয়। নিজৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। মন-মগজুত মানুহৰ প্ৰতিঘৃণাই আক্ৰান্ত কৰে। বাটে-ঘাটে, সকলোতে সি যেন কিবা এটা বিচাৰি ফুৰে।

মানুহৰ বাবে সি এতিয়া পাগল। চাংকিৰ প্ৰতিটো দিন, প্ৰতিটো ৰাতি এতিয়া নিৰন্ধ-অন্ধকাৰৰ মাজত ঢলং-পলং হৈ পাৰ হয়। OO

# পিলপিলি ঘোৰাত প্ৰেম পূজাৰী

✍ জগত শৰ্মা
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

"আচিক বানায়া, আচিক বানায়া
আচিক বানায়া আপনে....."

হিমেশৰ ৰোমান্টিক গীত ফাঁকি মোৰ মুখত বিগ.এফ.এম.ৰ দৰে বাজি থাকিল। মোৰ গীতৰ সুৰত বাটৰুৱাই কৰা মন্তব্য বুটলাৰ সময় মোৰ নাই। তেতিয়া মই হাৱাত মিলি যোৱা স্পীডত লক্ষ্যস্থানলৈ আহি আছো। মোৰ লক্ষ্য হাইস্কুলৰ দুৱাৰমুখ। অমুকাৰামে বিদ্যাক কেতিয়াবাই ৰিজাইন দিলো। ছবছৰ আগতে মেট্ৰিকত বেয়াকৈ পৰাজয় বৰণ কৰি শিক্ষাৰপৰা অৱসৰ লৈ পিতাৰ হোটেলত ৰাজা সুখত খাই আছো। লে'ট মৰা অফিচাৰৰ দৰে ঘড়ীটোলৈ চাই পঠালো, চাৰে-ন বাজিছে। কংকনা, লিংকীহত বোধহয় স্কুলৰ ভিতৰ সোমালেই। ওৱাৰ্নিং পৰাৰ আগতে দেখা নাপালে নিজকে কিবা বেকাৰ বেকাৰ লাগে। আগতকৈ দুগুণ বেগে চাইকেলৰ পেদেলত জোৰ দিলোঁ।

পিলপিলি ঘোঁৰা(চাইকেল)খনৰ ত্ৰিশটা মান ভিন্ন সুৰৰ সৈতে অটমেটিক বাজি যোৱা টিলিঙাটোৱে এক সংগীতৰ মূৰ্ছনা তুলি আগবাঢ়িছো। ব্ৰেকৰ চিষ্টেমটো অলপ বেলেগ ধৰণৰ। আগত কিবা পৰিলে আধা কিল'মিটাৰ আগৰ পৰা মাটিত ভৰি চোঁচৰাই ব্ৰেক কৰিব লাগে। সেই সুবিধাটোৰ পৰা অৱশ্যে মই বঞ্চিত! কিয়নো পেদেল টুকি পোৱাতকৈ মই বহুত বেছি চাপৰ। ঘৰৰ পিলপিলি খন পিতাই ভাড়া মৰা গাড়ীৰ দৰে পুৱাতে লৈ যায়। পিতাৰ বন্ধু চৈয়দ চাচাই কাৰবাৰ সূত্ৰে গুৱাহাটীলৈ যোৱাত পিলপিলিখন আমাৰ ঘৰত থৈ যোৱাত মোৰ ৰাম-ৰামি। সেয়ে চাচাক কেতিয়াবা তালুৰ চুলি চিঙি আশীৰ্বাদ দিবৰ মন যায়।

হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰে মোলৈ ঘূৰি ঘূৰি চোৱা প্ৰত্যক্ষ কৰিলোঁ। সেইবোৰলৈ কাণ কৰিলে মোৰেই লছ বুলি ভাবি গুজুং-গুজুঙকৈ আহি থাকিলোঁ। স্কুলৰ গেট ৰিণি ৰিণি দেখাত সোনকালে আহি পোৱা যেন বোধ হ'ল। চৈয়দ চাচাৰ নাইট চুপাৰখনক এই ক্ষেত্ৰত তাৰিফ কৰিব লাগিব। এনেতে ৰাস্তাৰ আনটো ফালে তিনিজনী ভিন্ন ৰঙীণ কাপোৰ পিন্ধি অহা ছোৱালী চকুত পৰিল। ভাবিলোঁ যোৱা ৰাতি চোৱা ফিল্মখনৰ প'জ কেইটা মানেৰে কাম আৰম্ভ কৰো। ভবা মতে কাম। চলন্ত চাইকেলৰ ওপৰত শ্বাহৰুখ খানৰ প'জ কেইটামান দি দিলো। দুয়ো কান্ধ ওপৰলৈ উঠাই দি গল-মূৰ তললৈ সোমাই দিলো 'দ' বৰ্ণটোৰ দৰে। চুৰু কৰিলোঁ আৰম্ভণি পৰ্বৰ গীতেৰে—

ঃ কোন চহৰৰ ছোৱালী আমাৰ গাঁৱলে বুলি আৰু মোক অজলা যেন পাই, বলিয়া কৰিলি, মোৰো মন দহিলি আৰু বুকু জ্বলালি...।

ঃ ঐ চা চা, সেই পিলিঙাটোৰ মন কোনে দহিলে?

ঃ ঐ কাক পিলিঙা বুলিছ? দুদিন পিছত অটোগ্ৰাফ বিচাৰি মোৰ পিছত দৌৰিব লাগিব।

ঃ হৈছে হৈছে, বোলে 'মাকৰ পেটত নাই চলি নাউ থ মূৰাৰি'।

বাটৰ কচু গাত ঘঁহি কাম নাই বুলি জানি সিহঁতৰ কাষৰ পৰা আঁতৰি আহিলো। বায়ুবেগে সিহঁতক ক্ৰছ কৰোতে মোৰ চাইকেলৰ আগ চকা পুখুৰী যেন গাতত পৰি '৪' সংখ্যাটোৰ ৰূপ ল'লে। পেদেলপাত লৰাব নোৱাৰাকৈ চেইনডাল পৰিছে। ছোৱালী কেইজনীয়ে থিয় হৈ মোৰ কাৰুকাৰ্য চাই থাকিল। হিন্দী চিনেমাৰ কায়দাত তিনিটা মান কিক্ মাৰি ঠেলি আনিব পৰা কৰিলোঁ। সিহঁতে হাঁহি হাঁহি আঁতৰি গ'ল।

'বিদ্যা আলোক' প্ৰাঞ্জলদাৰ কিতাপৰ দোকান। আমাৰ আড্ডাৰ কেন্দ্ৰস্থল গুম্‌টিটোৰ বেৰত চাইকেলখন বাইকৰ দৰে আওজাই দিলো। বুকুৰ তিনিটামান বুটাম খুলি চাৰ্টৰ কলাৰটো পিঠিত পেলাই দুয়ো হাত জেপত ভৰাই এটা 'হিৰো' ভংগীমাত থিয় দিলো। এনে কৰিলে তিনিটামান কুজ বাহিৰ ওলাই যায়। প্ৰাঞ্জলদাই ছোৱালী কেইজনীমানক মাল বেছি আছে। আমি তালৈ কেৰেপ কৰা নাই। সকলোৰে দৃষ্টি নিজৰ নিজৰ 'নেটৱৰ্ক'ৰ ওপৰত। গেটৰ সন্মুখত থকা কংকনাই কৰোবাক হাত বাউল দি মাতি আছে। মই মনতে ভাবিলো 'বাপ্পেকে আজি তাই নিজে মাতিছেনে? চা মোৰ কামাল!' ধেৎ মোকতো নামাতিবও পাৰে বুলি থিয় হৈ ৰ'লো। এনেতে বন্ধু অমলে ক'লে— "এই ৰূপ, তোৰ কপাল ফুলি আছিল ৰে, যা যা সোনকালে।" মোৰ বুকু তিনি ইঞ্চিমান ফুলি গ'ল গৰ্বতে। সিহতে মোক 'বেষ্ট অৱ লাক' দিলে। ভগৱানক 'থেংক ইউ' এটা দি দিলো। জেং হৈ থকা চুলিকেইডাল ঠিক কৰি কইনা খোজেৰে আৰু এটা লাজকুৰীয়া ভাৱেৰে তাইৰ কাষত আহি থিয় হ'লো। ধান বানি থকা মেচিনৰ দৰে মনটো উথপ্-থপ্ লাগি আছে। কি বুলি আৰম্ভ কৰিম ভবিলো, নাই নাই তাই মাতিছে যেতিয়া তায়ে আৰম্ভ কৰিব। বন্ধু কেইটা ভাব গুণা-গঁথা কৰি তাইৰ ওচৰত থিয় হৈ ৰ'লো। তাইৰ বান্ধৱীবোৰে ইটোৰে-সিটোলৈ চাওঁতে মোৰ লাজ ভাবটো উক দিলে আৰু তলমূৰ কৰিব বাধ্য কৰালে। মুক হৈ থিয় হৈ ৰ'লো বহু সময়। তায়ো একো কোৱা নাই। মই অহা বাটেদি আৰু তিনিজনী ছোৱালী আহি আমাৰ কাষত আৰু সিহঁতৰ সন্মুখত থিয় দি ৰ'ল। মোৰ পৰা দুখোজমান গৈ সিহঁতে কথাৰ লেংকুৰি আৰম্ভ কৰিলে। কংকনাৰ মাত মোৰ কাণত পৰিল— "ঐ দীপিকা, তোক তেতিয়াৰ পৰা হাত বাউল দি মাতিছোঁ, তই দেখাই নাছিলিনে?" সিহঁতে আৰু কিবাকিবি কৈছিল যদিও মোৰ মাথাত নোসোমাল। সিহঁতৰ হাঁহিৰ শব্দ শুনি মোৰ ধৈৰ্যচ্যুতি ঘটিল। কংকনাই তাৰমানে মোৰ পাছত থকা ছোৱালী কেইজনীকহে হাত বাউল দি মাতিছিল। মোৰ অৱস্থা 'ফাঁট মেলা বসুমতী পাতালে লুকাওঁ'ৰ দৰে হ'ল। সিহঁতক জানো মই দেখাই নাই এনে এটা ভাব লৈ তাপৰা আমন-জিমনকৈ আঁতৰি আহিলো।

দুপৰ বেলাৰ টিকা ফটা ৰ'দত চাইকেলখন ঠেলি ঠেলি ঘৰ পালোগৈ। গল খেকাৰিৰে মোৰ আগমনৰ সংকেত মাক দি দিলো আৰু কোঠাৰ দুৱাৰখন হিৰিমকৈ জপাই দিলো। গাৰুটো গলত গুজি হৈ যোৱা ঘটনাটো পাগুলি আছো। ইস্মান টেনচনত চাল্লা বাকী থকা চুলি কেইডালো সৰি যাব। আকাশ-পাতাল গুণি থাকোতে পাকঘৰত শুনো মায়ে গুণগুণাই আছে। সাধাৰণতে মায়ে কথাৰ লেচেৰি মোৰ গুণৰ পৰ্বন্ধে আৰম্ভ কৰে। আজিও বোধহয় তাৰ ব্যতিক্ৰম হোৱা নাই। টেনচনৰ মাজতো এটা মৃদু ভাল লগা জোকাৰণিয়ে ভূমিকম্পৰ দৰে জোকাৰি গ'ল আৰু অপেক্ষা কৰি ৰ'লো দেৱী দৰ্শনৰ অৰ্থে।

কাঁহী-বাটিৰ শব্দই মোৰ কোঠাতো গুজৰি-গুমৰি থাকিল। পূৰ্বে খাই থকা টেনচনবোৰ ভোকলৈ ৰূপান্তৰিত হৈ পেটত কুচকাবাজ আৰম্ভ কৰিছে। পৰাজিত নায়কৰ দৰে মায়ে আৱাজ নিদিয়ালৈ কোঠাৰ ভিতৰত চট্‌ফটাই থাকিলোঁ। মায়ে 'বাপ্পা' শব্দটো সম্পূৰ্ণ নকৰোতেই পাকঘৰ পালোগৈ।

টেবুলত চাৰিখন কাঁহীত ভাত সাজি থৈছে। খাওঁতা কোনো নাই। কোনেও নেদেখাকৈ প্ৰতিখন কাঁহীৰ পৰা বেঙেনা ভাজিৰ চান তুলিলো। মায়ে ভিতৰত কিবা কৰি আছে। মোৰ আধা খোৱা শেষ, অথচ আন কাহীৰ খাউৰীয়া বহাই নাই। এনেতে হাঁহি হাঁহি তিনিজনী ছোৱালী পাতত বহিল। মায়ে চিনাকি কৰাব বুলি আগুৱাই আহিল। মুখত থকা ভাত গালেৰে মোক লংকা পোৰা হনুমন্ত যেন দেখা হৈছিল। মায়ে মোক সিহঁতৰ সতে চিনাকী কৰাই দিলে আৰু সিহঁতক ক'লে—

ঃ মাইহঁাত, মই যে কছ্লু আমাৰ বাপ্পাৰ কথা, এইটোৱে আমাৰ বাপ্পা।

ঃ তা' পেহী আমি এওঁৰ সতে ৰাস্তাতে চিনাকি হৈছো।

মোৰ গাটো গেছ দিয়া কলৰ দৰে ঘামি উঠিল। লাজ-খংবোৰ ঘামলৈ বদলি হৈ টোপা-টোপে সৰি পৰিল। গুণ বখানি থকা মাৰ আগত সত্য উদ্‌ঘাটন হোৱাৰ ভয়ত দেহত এটা জোকাৰণি উঠিল। আহো আহো কৰি থকা হাক্‌চিটো ওলাই গ'ল। বাপৰে বাচি গ'লো। আধাপেটিকৈ বাহিৰলৈ ওলাই আহিলো।

আলহী ছোৱালী কেইজনী হেনো দুৰ সম্পৰ্কীয় মামাৰ জীয়েক বাইদেউ। নিপা, দীপা আৰু অনামিকা। আমাৰ ওচৰত থকা শিৱ মন্দিৰলৈ আহি দুপৰীয়াৰ সাজ ধৰি যাব। যিকেইজনীক ৰাস্তাত প্ৰাণ পূৰাই জোকাইছিলো সিহঁতৰ স'তে কেনে ব্যৱহাৰ কৰা যাব তাৰ উপায় বিচাৰি বাবা ভোলনাথলৈ ভোগৰ শোঠা তুলি কোঠাৰ ভিতৰত নিৰ্বিকাৰভাৱে বহি ৰ'লো, বাকীকেইজনীৰ আগমনলৈ বাট চায়। ○○

# প্ৰেম সংগোপনে

✍ নাজিয়া চুলতানা
স্নাতক ২য় বৰ্ষ (বিজ্ঞান)

হাতঘড়ীটোলৈ চালে নিশাই, ন বাজি পোন্ধৰ মিনিট। এই চ'কটোত ট্ৰেকাৰ ৰখি ৰখি পোন্ধৰ মিনিট সময় এনেই বৰবাদ কৰি দিলে তাই। ৰিক্সা এখন দেখি ৰিক্সাত যোৱাই ভাল হ'ব বুলি ৰিক্সাখন ৰখাই "বাছষ্টেণ্ডলৈ ব'ল" বুলি ৰিক্সাত বহিল।

*'নহ'লে পৰিচয় হিয়াৰে*
*চিনাকি জানো কোনো হ'ব পাৰে ....... ?'*

—তাইৰ মোবাইলটো বাজি উঠিল। আকাশৰ ফোন।

ঃ হেল্ল' আকাশ মই গৈ আছো। তুমি মোৰ কাৰণে আৰু ১৫ মিনিট Wait কৰিব লাগিব।

ঃ আৰু ১৫ মিনিট? চোৱা, তুমি মোক ন বজাত আহি বাছ ষ্টেণ্ড পাম বুলি কৈছিলা। মই ন বজাত আহি ইয়াত বৈ আছো আৰু তুমি এতিয়াও...... !

আকাশৰ কণ্ঠত অভিমানৰ সুৰ।

ঃ প্লিজ, বুজিবলৈ চেষ্টা কৰা। মই ট্ৰেকাৰত আহিম বুলি ভাবিছিলো, কিন্তু নাপালো আৰু ৰিক্সাত আহি আছো।

ঃ Ok, dear, তিনিমাহ কৰিব Wait পাৰিছো যেতিয়া আৰু পোন্ধৰ মিনিটো নিশ্চয় পাৰ হৈ যাব। I am waiting for you. Ok Bye.

ফোনটো কাট খাই গ'ল। যথেষ্ট উৎকণ্ঠিত হৈ আছে আকাশে তাইক লগ পাবৰ বাবে। নিশাইয়ো কম উত্তেজিত হৈ থকা নাই। আজি পুৱাৰে পৰা একো কামতে ভালকৈ মন বহুৱাব পৰা নাই। আকাশ আৰু তাইৰ মাজৰ তিনিমহীয়া অচিনাকী সম্বন্ধৰ আজি সমাপ্তি ঘটিব। আচৰিত ল'ৰা এই আকাশ, আচৰিত সিহঁতৰ সম্পৰ্কও। ৰং নম্বৰ লাগি চিনাকি হৈছিল তাইৰ আকাশৰ লগত। এটা সময়ত এই চিনাকিয়েই বন্ধুত্বত পৰিণত হৈছিল। পিছত গম পাইছিল আকাশৰ ঘৰ তাইৰ ঘৰৰ পৰা ৩ কিমি. মান দূৰত। আকাশ আৰু তাই একেখন স্কুলৰে ছাত্ৰ-ছাত্ৰী। কিন্তু আকাশ তাইতকৈ দুবছৰ ছিনিয়ৰ হোৱা বাবে তাই H.S.ত নাম লগোৱাৰ বছৰটোতে সি সেই স্কুলৰ পৰা ওলাইছিল। এতিয়া তাই পঢ়া কলেজখনৰ পৰা এই বছৰেই ডিগ্ৰী সম্পূৰ্ণ কৰি ওলাই গৈ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত পঢ়ি আছে। নিশাৰ মতে সিহঁতৰ গাঁৱৰ ওচৰত কোনো ল'ৰাকে চিনি নাপায়। আকাশেও তাইক দেখা নাই বুলিয়ে ভাবি আছিল। কিন্তু হঠাৎ এদিন সি তাইক কৈছিল—

ঃ নিশা, মই তোমাক আজি Surprise এটা দিব পাৰো।

ঃ কি Surprise? উৎসুকতাৰে সুধিছিল তাই।

ঃ মই তোমাক দেখিছো।

ঃ তুমি মোক দেখি আছা? মানে কি? তোমাৰ দিব্য-দৃষ্টিৰে এতিয়া মই কি কৰি আছো তাকে চাই আছা। কোৱাচোন মই কি কৰি আছো?

ঃ প্লিজ নিশা, I am serious, মই তোমাক আজিৰ পৰা চাৰি বছৰ আগতে দেখিছিলো। আজি মই তোমালোকৰ গাঁৱত মোৰ ক্লাছফ্ৰেণ্ড ৰাহুলক লগ পাইছিলো। তাৰ পৰাই গম পালো যে মই তোমাক চিনি পাওঁ। প্ৰায়ে দেখিছিলো তোমাক গাড়ী ৰখি থকা অৱস্থাত লগৰ কেইজনীমানৰ লগত Stationৰ শিৱ মন্দিৰটোৰ ওচৰত.....

তাই তাক সুধিছিল তাইতো তাক চিনি নাপায়। মানুহৰ মাজত কেনেকৈ বিচাৰি উলিয়াব তাক। সি মাথো ক'লে তাই চিনি নাপালেও সিটো চিনি পাব আৰু যদি তাইক হৃদয়ত তাৰ প্ৰতি অকণমানো সহৃদয়তা আছে তেন্তে তাই অজানিতেই বিচাৰি পাব তাক। আকাশৰ এই ব্যতিক্ৰমী চৰিত্ৰৰ কাৰণেই ভাল লাগে তাইৰ। আকাশে তাইক কোনো ৰেষ্টোৰা বা পাৰ্কত লগ ধৰিব বিচৰা নাই। তাইৰ কলেজত কিবা কাম আছে বুলি জানি বাছ ষ্টেণ্ডত লগ ধৰি মাত্ৰ তাইৰ লগত তাৰ এৰি অহা কলেজখন চাবলৈ যাব বুলি ক'লে আৰু বাছ ষ্টেণ্ডতে চিনাকিও হ'ব।

শিহঁৰিত হৈ পৰিছে তাই! আকাশে বাৰু তাইক সঁচাই চিনি পায়নে? তাইতো তাক কোনো দিনে দেখা নাই। দেখা নাই বুলি ভাবি আছে। কিন্তু তাই দেখা অথচ অচিনাকী সিহঁতৰ অঞ্চলৰ ল'ৰাওটো হ'ব পাৰে। কথাবোৰ ভাবি ৰোমাঞ্চিত হৈ পৰিল নিশা। বিগত তিনি মাহৰ ঘটনাবোৰ তাই চকুৰ সন্মুখেৰে চিনেমাৰ ৰিলৰ দৰে পাৰ হৈ যাব ধৰিলে। তাৰ লগত ফোনত প্ৰথম চিনাকী হোৱা দিনটোৰ কথা এতিয়াও স্পষ্টকৈ মনত আছে তাইৰ।

জানুৱাৰী মাহৰ পোন্ধৰ তাৰিখ। নিশা ন মান বাজিছে। নিশাই হোষ্টেলৰ দহ নং ৰূমত তাইৰ মেজৰৰ Practicalৰ কাৰণে একান্ত মনে ছবি আঁকাত ব্যস্ত। তাইৰ ৰূমমেট জিনিয়ৰ প্ৰিয়ংকা দুদিন আগতে ঘৰলৈ গৈছে বাবে ৰূমত অকলে

তাই আৰু বান্ধৱী বৰষা। বৰষাই কিবা নোট লিখি আছে।

*'নহ'লে পৰিচয় হিয়াৰে.....*

*চিনাকী জানো কোনো হ'ব পাৰে...'*

'হিয়া দিয়া নিয়া' ছবিখনৰ তাই প্ৰিয় সুৰেৰে বাজি উঠিছিল মোবাইল। কোনোবাই মিছকল দিছে। হয়তো লগৰ কোনোবা। আকৌ এবাৰ বাজি উঠিল সুৰটো। তাই বহা ঠাইৰ পৰা হাতেৰে বিচনাত পৰি থকা মোবাইলটো উঠাই ল'লে। আকৌ মিছকল। স্ক্ৰীনত ভাহি আছে এয়াৰচেলৰ এটা অচিনাকী নম্বৰ ৯৮৫৪২....। কাৰ নম্বৰ হ'ব পাৰে! মানস, ৰিমি অথবা দিপাংকৰৰ! হয়তো তাইৰ লগৰ কোনোবাই নম্বৰ সলনি কৰি তাইক নতুন নম্বৰৰে মিছকল দিছে। তাইয়ো ওলোটাই মিছকল দিব খুজিও ৰৈ গ'ল। নম্বৰটো তাইৰ কোনো বন্ধুৰ নহ'বওটো পাৰে। এনেতে পাঁচমিনিট মান সময় পিছত সেই নম্বৰৰ এটা মেছেজ পালে তাই—

*"Keep the lamp of frndshp*
*Burning with the oil of love*
*Coz' seen rises in the east*
*& sets in the west'*
*But frndshp rises in the heart*
*And sets after death..... How are u?"*

তাই ভাবিলে তাইৰ কোনোবা friend য়েই হ'ব নিশ্চয়। "I am fine, But I don't know you ! Who are you? Are you my friend ?" বুলি লিখি অচিনাকী নম্বৰলৈ পঠাই দিলে। আকৌ দুই মিনিট মান পিছত নম্বৰটোৰ পৰা ফোন আহিল গম পালে কোনোবা আকাশ নামৰ ল'ৰাই ৰাকেশৰ তাত পঠাইছিল মেছেজ, মিছকল, নম্বৰটো ভুলকৈ লাগিল। লাহে লাহে গম পালে তাৰ ঘৰ তাইৰ ঘৰৰ ওচৰতে।

তাৰ পিছদিনা আকাশে তাইৰ লগত বন্ধুত্ব স্থাপন কৰিব খুজি মেছেজ দিছিল। তাই প্ৰথমতে ইচ্ছা কৰা নাছিল। এনেয়ো ল'ৰাৰ পৰা তাই সদায় আঁতৰি থাকিয়ে ভাল পায়, তাই ক্লাছমেট কেইজনৰ বাহিৰে। আন ছোৱালীবোৰৰ দৰে কলেজত পঢ়ি প্ৰেমত পৰি কেৰিয়াৰ হেৰাই দিব নিবিচাৰে। কাৰণ তাই সদায় ব্যতিক্ৰমী হ'ব বিচাৰে। তথাপিও তাৰ নেৰা-নেপেৰা প্ৰচেষ্টাত বন্ধুত্ব হৈ উঠিলগৈ। গাঢ় হৈ উঠিল সেই বন্ধুত্ব, দুয়োজনৰে মনৰ ৰুচিবোধৰ মিলৰ কাৰণে আৰু এটা সময়ত দুয়ো দুয়োৰে ইমান অন্তৰঙ্গ হৈ পৰিল যে সি সদায় ফোন কৰে তাইলৈ। দিনটোৰ ক'ত কি হ'ল, কি কৰিলে, কলেজৰ পৰা আৰম্ভ কৰি হোষ্টেলৰ আড্ডালৈকে সকলো কথাই এফালৰ পৰা কৈ যায় নিশাই দিনটোৰ অন্তত। নিশাই কবিতা লিখি ভাল পায় আৰু সি শুনি ভাল পায়। সেয়ে তাই লিখা প্ৰতিটো কবিতাৰ প্ৰথম শ্ৰোতা হৈ পৰিল আকাশ নামৰ অচিনাকী বন্ধুজন। আকাশ নিশাৰ Best friend হৈ পৰিল। বহুতবাৰ আকাশে আহি নিশাক হোষ্টেলত লগ কৰিব বিচাৰিছিল বন্ধুত্বৰ খাতিৰতে। প্ৰতিবাৰেই তাই বাধা দি কৈছিল "অচিনাকী হৈ থকাটোৱেই ভাল। যদি ভগৱানে বিচাৰে তেনেহ'লে এদিন নিশ্চয় এনেই লগ পাই যাব জীৱনৰ অকোৱা-পকোৱা বাটত।"

মাজতে ৰাহুল নামৰ আকাশৰ বন্ধুজনৰ পৰা গম পাইছিল নিশাই, আকাশৰ এজনী সৰুকালৰে বান্ধৱী আছিল। লাহে লাহে তাইক ভাল পাব লৈছিল হয়তো সি। ছোৱালীজনীৰ নাম নেহা। দেখাত ধুনীয়া মৰম লগা, পঢ়াতো চোকা আছিল। এটা সৰু পথ দূৰ্ঘটনাত তাইৰ মৃত্যু হৈছিল হায়াৰ ছেকেণ্ডাৰী ফাইনেল পৰীক্ষাৰ সময়তে। নিশাৰ লগত বন্ধুত্ব হোৱাৰে পৰাহে সি নেহাৰ শোকবোৰ পাহৰিবলৈ ধৰিছে হেনো। অৰ্থাৎ নিশাই নেহাৰ শূণ্যতা দূৰ কৰিছে...।

কথাটো গম পোৱাৰে পৰা আকাশৰ মনৰ মাজত লুকাই থকা ক'লীয়া ডাৱৰবোৰ আঁতৰাবলৈ তাই যত্ন কৰিছিল। সি দুখ পাব বুলি সোধা নাছিল কেতিয়াও তাক নেহা নামৰ ছোৱালী এজনী তাৰ জীৱনত কোনোবা ঘাটত লগ পাইছিল নেকি বুলি। কিন্তু সি নিজেই এদিন সকলো খুলি কৈছিল তাইৰ আগত। মেলি ধৰিছিল তাইৰ আগত তাৰ অপৰিপক্ক অথচ নিষ্পাপ, নিৰ্দোষ প্ৰেমৰ এপিটাফ আৰু কৈছিল নিশাক লগ পোৱাৰ পৰা নেহাৰ কথা বেছিকৈ মনত পৰা হৈছে। কাৰণ তাইৰ কথাবোৰ, মাতটো নেহাৰ লগত হেনো মিলে। মনটো বিষাদেৰে ভৰি পৰিছিল তাইৰ তথা সহানুভূতিয়ে উক লুকাই আছিল। তাৰ লগে লগে বাহ সাজিছিল তাইৰ মনত এটা ভয়ে... ক্ৰমে ক্ৰমে গোপনে। আকাশে যদি তাইক এদিন কৈ দিয়ে সি তাইক ভাল পাবলৈ লৈছে বুলি কি কৰিব তাই। তাই হয়তো চিৰদিনৰ বাবে হেৰুৱাই পেলাব তাইৰ প্ৰিয় বন্ধুক। প্ৰায়ে কয় " মই তোমাৰ মাতটো নুশুনিলে থাকিব নোৱাৰো।" তাইৰ বুকুখন চিৰিংকৈ যায়। আকাশ তাইৰ প্ৰেমত পৰা নাইতো।

অৱশেষত তাই ভবা অঘটনটোৱেই হ'ল, আকাশে এদিন নিজ মুখেৰে তাইৰ আগত স্বীকাৰ কৰিলে- সি তাইক ভাল পাবলৈ লৈছে। তাৰ ফোন উঠাবলৈ আৰু মেছেজ পঢ়িবলৈ ভয় লগা হ'ল তাইৰ। ভাল বন্ধু এজন হেৰুৱাৰ দুখেও মৰ্মাহত কৰিলে। এতিয়া ফোন কৰিলে প্ৰায়ে সি তাৰ মনৰ কথাবোৰ কৈ থাকে আৰু তাই শুনি থাকে একো ক'ব নোৱাৰে মুখেৰে। তাই মেছেজেৰেই জনালে যে, আকাশক তাইৰ প্ৰেমিক হিচাপে তাই কেতিয়াও কল্পনাও কৰা নাই। তাক সদায় এজন মৰমিয়াল বন্ধু আৰু দাদা বুলিয়েই ভাবি আহিছে।

এদিনৰ ভিতৰতে সিহঁতৰ সম্পৰ্কই বেলেগ ৰূপ ল'লে।

আগতে তাই আকাশক প্ৰতিটো কথাই জনাইছিল। এতিয়া মোবাইল প্ৰায়ে অফ কৰি থয়? তাৰ পৰা সাৰিবলৈ। তাক বেয়া পোৱাৰ কাৰণে নহয়, তাৰ সেই প্ৰশ্নটোৰ সন্মুখীন হ'বলৈ ভয় কৰে তাই। সি বাৰু কিয় নুবুজিলে তাইৰ মনৰ কথাবোৰ, তাইৰ আদৰ্শক। তাই বহুত বুজালেও তাক কিন্তু সি একো শুনিবলৈ ৰাজিয়ে নহয়। মাথো কয় "নিশা মই তোমাক ভাল পাই পেলাইছো আৰু মই নিশ্চিত যে তুমিও মোক ভালপোৱা। কিন্তু 'প্ৰেম' নামৰ সম্বন্ধটোৰ পৰা আঁতৰি ফুৰাৰ কাৰণে তুমি নিজকে ফাঁকি দিছা, তুমি মোক ভাল নোপোৱা বুলি। তুমি তোমাক ফাঁকি দিব পাৰিবা, কিন্তু মই নিজক ফাঁকি দিব নোৱাৰো।" আকাশৰ কথাত যুক্তি আছিল, কিন্তু এই যুক্তিত হাৰিও হাৰ মানিব খোজা নাছিল নিশাই 'প্ৰেম' নামৰ সত্বাটোৰ আগত।

আকাশে ক্ৰমে বুজি উঠিছিল নিশাৰ তাৰ প্ৰতি কোনো Feelings নাই বুলি। সি আকৌ দুদিনৰ মূৰত ফোন কৰিছিল তাইলৈ। তাই ইচ্ছা কৰিয়েই ৰিচিভ কৰা নাছিল। বাৰে বাৰে বাজি আছে। ৰুমমেট প্ৰিয়ংকাই চিঞৰিছিল—

ঃ নিশা বা ফোনটো ৰিচিভ নকৰা কিয়? আকাশদাই তোমাৰ লগত কথা পাতিবৰ কাৰণে পাগল হৈ আছে। তাৰ অৱস্থাটো মইহে বুজিছো, তুমি নুবুজিবা সেইবোৰ।

তাই প্ৰিয়ংকাক মৃদু ধমক দি বিৰক্তিৰে উঠালে ফোনটো।

ঃ হেল্ল' কি খবৰ? —নিশাই পৰিস্থিতি চম্ভালিবলৈ আগৰ দৰে কৈ উঠিল।

ঃ বেয়া! —আকাশে যেন কোনোমতে মাতটো দিলে।

ঃ কিয়? ভাত খালানে নাই? আজি জানা আমাৰ Supperত মাংস আছিল। সিহঁতৰ মাজত যেন একো হোৱাই নাই এনে অভিনয় কৰিবলৈ যত্ন কৰিলে তাই।

ঃ ইমান সময় ফোন কিয় ৰিচিভ কৰা নাছিলা? মই জানো তুমি মোক বহুত বেয়া পোৱা। মই বহুত বেয়া ল'ৰা। মই যে তোমাক ভাল পাওঁ। সেই কাৰণেই বেয়া। দোষ মোৰেই। থোকা-থুকি মাতেৰে ক'লে আকাশে।

ঃ তুমি তেনেকৈ কিয় কৈছা ? মই কেতিয়া কৈছো তোমাক বেয়া পাওঁ বুলি?

ঃ অন্ততঃ তোমাৰ কাৰণে এই মূহুৰ্তত মই বহুত বেয়াই। তুমি মোক Avoid কৰিছা অথচ মই জানি বুজি তোমাক Disturb কৰিছো। কি কৰিম কোৱা? মই নিজকে মনাব নোৱাৰো। শেষলৈ কথাবোৰ হুমুনিয়াহলৈ পৰিৱৰ্তন হ'ল।

ঃ মই এতিয়াও কৈছো তুমি মোৰ Best friend আৰু তেনেকৈ থকাটোৱে বিচাৰো আৰু তোমাক মোৰ বন্ধু হিচাপে আটাইতকৈ বেছি ভাল পাওঁ।

ঃ Thanks, তুমি যে মোক বন্ধু হিচাপে ভাল পাওঁ বুলি কৈছা.....

ফোনটো কাট খাই গ'ল সিমূৰৰ পৰা।

দুদিন মান সি ফোন কৰি একো কথা নকৈ মাত্ৰ তাইৰ মাতটো শুনি কাটি দিয়ে।

ৰাতি চাৰে-ন বাজিছে। এই সময়খিনিত প্ৰায়ে সি ফোন কৰিছিল অথচ এই ঘটনাটো ঘটি যোৱাৰ পৰা চাৰি-পাঁচদিন হ'ল সি ফোন কৰা নাই। এই সময়খিনিত কিয় আজি বাৰে বাৰে তালৈ মনত পৰিছে! তাই বাৰু তাক চিৰদিনৰ বাবে হেৰুৱালে নেকি? তাইতো তাক আটাইতকৈ প্ৰিয় বন্ধুৰ স্থান দিছিল। তেন্তে এয়া কি হৈ গ'ল! কিন্তু দোষ কাৰ? আকাশৰ নে তাইৰ? তাৰ জীৱনৰ সকলো ঘাত-প্ৰতিঘাতৰ কথা জানিও তাক ইমান দুখ দিব নালাগিছিল। কথাবোৰ ভাবি থাকোতে হঠাতে আকাশৰ ফোন আহিল। আকাশে নহয় তাৰ ৰুমমেটেহে কৰিছে তাৰ চে'লৰ পৰা। সি তাইক ক'লে আকাশৰ অৱস্থা দিনে দিনে বেয়া হৈ গৈ আছে। আজি এসপ্তাহৰ পৰা খোৱা-লোৱাৰ একো ঠিক নাই। ক্লাছ-পাতিও কৰা নাই ঠিক মতে। কি প্ৰব্লেম হৈছে তাই জানে নেকি? সেইদিনাই তাই সিদ্ধান্ত ল'লে তাই তাক এবাৰ লগ ধৰিব। বন্ধু হিচাপেও হওঁক বা আন যিকোনো সম্বন্ধৰ খাতিৰতেই হওঁক আৰু আজি...

তাইৰ ওচৰেৰে পাৰ হৈ যোৱা মাৰুতিখনৰ হৰ্ণৰ শব্দত তাইৰ ভাৱনাত যতি পৰিল। ষ্টেচন পালে। ৰিক্সাৱালাজনক ভাড়াটো দি চহৰলৈ যোৱা বাছ ৰখা ঠাইখিনিতে থিয় হৈ ৰ'ল। আকাশক ফোন কৰি জনালে যে তাই বাছ ষ্টেণ্ডত আহি পাইছে। বুকুখন দুৰু দুৰু কপিছে তাইৰ জীৱনৰ প্ৰথম বাৰৰ বাবে। আকাশ বাৰু কেনেকুৱা হ'ব? কথা পাতিলে তাক বহুত আপোন যেনেই লাগে কিন্তু মুখা-মখি হ'লে সহজ হ'ব পাৰিব জানো। আজি বজাৰবাৰৰ কাৰণে বহুত মানুহ। চিনাকী অচিনাকী মুখবোৰ তাইৰ চকুৰ আগেৰে পাৰ হৈ আছে। সিটো তাইৰ ওচৰলৈ আহি পাব লাগিছিল। সি এই দোকানবোৰৰ ক'ৰবাতে আছে। পাঁচ মিনিট পাৰ হৈ গ'ল অথচ দেখা দেখিয়ে নাই। তাইতো তাক চিনি পাবৰ কাৰণে কোনো চিনাক্তকৰণৰ Hintsও লোৱা নাই তাৰ পৰা। আকাশ ইয়াতে আছে অথচ তাই...!

এজন ল'ৰাই তাইৰ ফালে চাই আন কোনোবা এজনৰ লগত কথা পাতি আছে। তাইৰ চকুৰ পিনে চাইছে ল'ৰাজনে। মুখত এটা হাঁহিৰ ভাৱ ফুটি উঠিছে। কোন হ'ব পাৰে এওঁ? ক'ৰবাত দেখিছিল নেকি তাই? আকাশ, আকাশোতো হ'ব পাৰে। নিয়মীয়া ওখ, বগাকৈ ল'ৰাজনৰ চকুযুৰিৰ কিবা এটা বিশেষ

আকৰ্ষণ আছে। তাইৰ চকু গ'ল তাৰ চকুলৈ। সি হঁহা নাই। তাই থিয় হৈ থকা দোকানখনৰ পিছফালে গৈ ৰ'ল সিঁহত মানে ল'ৰা দুজন। তাইৰ আৰু তাৰ মাজৰ দূৰত্ব এতিয়া মাত্ৰ ২ ফুট। এয়াই তাইৰ Best friend নহয়তো। কিন্তু সিটো অকলে অহাৰ কথা আছিল। হৃদস্পন্দনবোৰ ক্ৰমাৎ দ্ৰুত হ'ব ধৰিছে তাইৰ। খং উঠি গ'ল তাইৰ আকাশলৈ। ইমান সময়ে লুকাই থাকিব লাগেনে? তাই ম'বাইলৰ পৰা Call কৰিলে। ৰিং কৰি কৰি দুইবাৰ শেষ হৈ গ'ল অথচ সি ৰিচিভ কৰা নাই। এইজন তেনেহ'লে সি নহয়। ওচৰৰ PCO টৌলৈ গৈ আকাশৰ নম্বৰটো ডায়েল কৰিলে—

ঃ হেল্ল' নিশা।

ঃ তুমি ক'ত আছা? মই ইমান সময় তোমাক ৰখি আছো আৰু তুমি মানুহজন নোহোৱা হৈ গ'লা। মোক দেখা কৰিবৰ মন নাই যদি কৈ দিলেই হয়। ইমান Suspenseত ৰখাৰ প্ৰয়োজন নাই। তাইৰ মাতত অভিমানৰ সুৰ ফুটি উঠিল।

ঃ তুমি মোক দেখা নাই। কিন্তু মই তোমাক দেখি আছো। মোৰ লগৰ ল'ৰা এজন লগ পোৱাৰ বাবেহে...

ঃ অ' তাৰমানে তুমি মোৰ অৱস্থাটো Enjoy কৰিছা নহয়। ঠিক আছে তুমি যি মন যায় কৰা মই যাওঁ কলেজলৈ দেৰি হ'ব মোৰ।

ৰিচিভাৰটো ক্ৰেডেলত ঠংকৈ থৈ উলটিব খোজোতেই দেখিলে তাই সন্মুখত অলপ আগতে দেখা ল'ৰাজন, কাণত মোবাইল। ৰৈ গ'ল তাই।

ঃ তোমাৰ দেখিছো বিৰাট খং উঠিছে মোৰ ওপৰত। —তাইক আচৰিত কৰি কৈ উঠিল ল'ৰাজনে। তাইলৈ হাতখন আগবঢ়াই কৈ উঠিল—

ঃ আকাশ, তোমাৰ ফ্ৰেণ্ড।

ঃ I am Nisha তাই তাইৰ খংটো কমাবলৈ চেষ্টা কৰি নিম্ন সুৰত ক'লে।

ঃ তুমি Challange ত হাৰিলা, তুমি মোক চিনি নাপালা।

ঃ অ' মইতো ভাবিছিলোৱেই। পিছে ম'বাইলত কল কৰি থাকোতেই তোমাৰ ম'বাইল নাবাজিল বাবেহে।

ঃ তুমি তেনে কিবা কৰিবা বুলি ভাবিয়েই মই Silent কৰি থৈছিলো।

ঃ তুমি কিন্তু প্ৰথম দেখাতেই তেনেকুৱা ধেমালি কৰিব নালাগিছিল।

ঃ চাইছিলোহে। তুমি মোৰ কাৰণে কিমান...

ঃ হ'ব হ'ব, বাদ দিয়া সেইবোৰ। ব'লা, এইখনতেই যাওঁ। —সন্মুখত ৰৈ থকা গাড়ীখন দেখুৱাই স্বাভাৱিক হ'বলৈ কৈছিল তাই।

দুয়ো গাড়ীত উঠিল। আকাশ তাইৰ কাষৰ চিটত। গাড়ীখন চলিবলৈ এতিয়াও পাঁচমিনিটমান বাকী। কিছুসময় মনে মনে থকাৰ পিছত আকাশেই নীৰৱতা ভঙ্গ কৰি সুধিছিল "তোমাৰ দেখিছো মোৰ ওপৰত বহুত খং উঠিছিল আৰু একমিনিটমান পলম কৰা হ'লে, তুমি মোক এৰি গুচি গ'লাহেঁতেন। হয়তো চিৰদিনৰ বাবে!!" একো নকৈ তাই মনে মনে বহি থাকিল।

আকাশে তাইৰ পিনে চাই আছিল। নিশাই আকাশৰ চকুলৈ এবাৰ চালে আকাশৰ নীলা চকুযুৰিত তেতিয়া বিষন্নতাই বাহ পাতিছিল। যেন এই দুচকুৰ নীলা আকাশখনত থুপ খালেহি কিছুমান কজলা ডাৱৰ আৰু নামি আহিব অচিৰেই এজাক বৰষুণ। নিশাৰ সহ্য নহ'ল সেই আবেগ বিহ্বল চাৱনি। তাই বুজিলে, সি ভয় খাইছে তাইক হেৰুৱাই পেলাই বুলি। তাই কাষৰ খিৰিকীৰে বাহিৰলৈ চাই পঠালে। বাছখন ইতিমধ্যে চলিবলৈ আৰম্ভ কৰিছে আৰু কাষৰ গছ-গছনিবোৰ, দোকানবোৰ দৌৰিবলৈ ধৰিছে পিছলৈ। এনেতে তাইৰ ম'বাইলৰ স্ক্ৰীনত ভাহি উঠিল "মোৰ প্ৰতি থকা অভিমানবোৰ মৰমলৈ Convert কৰিব পাৰিবানে কেতিয়াবা আকাশ? তাই আকাশৰ দুচকুলৈ চাই পঠিয়ালে, মুহূৰ্তত যেন তাইৰ খং, অভিমানবোৰ পলাই ফাঁট মাৰিলে। দুচকু সজল হৈ অহিল। যেতিয়া হৃদয়ত ক'বলগীয়া বহুত কিব-কিবি থাকে তেতিয়া একো ক'ব পৰা নাযায়।

*'মৌনতাই হয় হৃদয়ৰ ভাষা*
*ভালপোৱাৰ সংজ্ঞা থাকেনে*
*তোমাৰ চকুত চকু থলে*
*হৃদয়ত উপচি পৰে যি।'*

নিশাৰ অজানিতেই তাইৰ অচিনাকী অথচ আটাইতকৈ আপোন আকাশক ভাল লাগি গ'ল আৰু মিচিকিয়াই হাহি তাৰ ফালে চায়। তাৰ দুচকুৰ কজলা ডাৱৰবোৰ যেন ক্ৰমশঃ আতৰি গ'ল গাড়ীৰ গতিবেগ বৃদ্ধিৰ লগে লগে। ○○

# সিদ্ধান্ত

✍ হৃদয়াশ্ৰী ৰাভা
স্নাতক ৩য় বৰ্ষ, অৰ্থনীতি বিভাগ

৬ বজাৰ লগে লগে হ'কাৰটোৱে খবৰ কাকতখন নীলা শইকীয়াৰ ঘৰত দি গ'লহি।

নীলা শইকীয়া সু-প্ৰতিষ্ঠিত দেৱীচৰণ বালিকা বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ নামজ্বলা শিক্ষয়িত্ৰী। পৰিয়াল বুলিবলৈ তেওঁ, তেওঁৰ স্বামী সু-চিকিৎসক বিনন্দ কুমাৰ শইকীয়া আৰু তেওঁলোকৰ সুযোগ্যা কন্যা অন্তৰীপা।

পুৱাই তেওঁলোকৰ ঘৰত আৰম্ভ হয় ব্যস্ততাপূৰ্ণ লৰা-ঢপৰা। কোনেওঁ কাৰো লগত কথা পাতিবলৈ সময় নাই। ৭ বজাৰ লগে লগে কন্যা অন্তৰীপাৰ স্কুল, স্বামী বিনন্দই চেম্বাৰলৈ যাবলৈ কৰা লৰা-ঢপৰা লগাওঁতে নীলা শইকীয়া মানুহজনীও যন্ত্ৰৰ দৰে টাকুৰি ঘূৰাদি ঘূৰিব লাগে। দিনটো লৰা-ঢপৰা কৰোতে নিজৰ ব্যক্তিগত বুলি সময়কণ উলিয়াবলৈ নীলা শইকীয়াই পাহৰিয়েই পেলায়।

আজি দেওবাৰ। বন্ধৰ দিন। নীলাৰ স্বামী পুৱাই এটি জৰুৰী চিকিৎসাৰ বাবে চেম্বাৰলৈ গৈছে আৰু কন্যা অন্তৰীপা বন্ধৰ দিনৰ টোপনিৰ আমেজত নিমগ্ন। বন্ধৰ দিনটোক আজি অন্য দিনৰ ব্যস্ততাপূৰ্ণ লৰা-ঢপৰাৰ পৰা আঁতৰাই কিছু ব্যতিক্ৰমী কৰি তোলাৰ মানসেৰে নীলাই হাতত বাতৰি কাকতখন তুলি ল'লে। টোপনিৰ পৰা উঠিয়েই কাকতখন হাতত তুলি লৈ বাতৰিৰ শিৰোনামলৈ চাই কিছু অবাক হ'ল যদিও তেওঁ চকু দুটা ভালকৈ মোহাৰি লৈ কাকতখন একেবাৰে চকুৰ আগলৈ আনিলে। বাত্ৰৰিৰ শিৰোনামটো পঢ়ি তেওঁ নিজৰ চকুযুৰিকে বিশ্বাস কৰিবলৈ টান পালে। তেওঁ বাৰু বাতৰিটো পঢ়িছেনে?

শিলপৰা কপৌৰ দৰে হৈ পৰা মানুহৰ দৰে তেওঁ শিৰোনামটো পঢ়িলে।

'আন্তঃৰাষ্ট্ৰীয় নাৰী ব্যৱসায়ীৰ চক্ৰত অসমৰ যুৱতী কমলা ডুবাইত বিক্ৰী।' 'প্ৰলোভনেৰে লুটিলে যুৱতীৰ সৰ্বস্ব।'

হঠাৎ কিবা যেন মনত পৰিল নীলাৰ। সোঁৱৰণীৰ পাতখিলা এবাৰ লুটিয়াই চালে।

কমলা। আজি দুবছৰ আগতে নীলাৰ চিকিৎসক স্বামীয়ে নীলাৰ কামত সহায় হ'ব বুলি ৰংজুলি নামৰ ভিতৰুৱা গাঁওখনৰ পৰা কমলাক আনি তেওঁলোকৰ ঘৰত কাম কৰা ছোৱালী হিচাপে ৰাখিছিল। সদ্য যৌৱনপ্ৰাপ্ত কমলাৰ তেজে ফুটো ফুটো কৰা দেহ, কঁকাললৈ বৈ পৰা চুলি, আকৰ্ষণীয় দেহৰ গঠন, তাইৰ কথনভংগীয়ে নীলাৰ অন্তৰত তাইৰ প্ৰতি সহানুভূতিৰ উদয় কৰিলে। অতি কম দিনৰ ভিতৰতে কমলাই নীলাৰ ঘৰখনক আপোন কৰি পেলালে। দিনৰ দিনটো কাম কৰি ভাগৰি পৰা নীলাৰ কামবোৰ কমলাই নিজে মূৰ পাতি লোৱাত নীলাই বহুখিনি সকাহ পালে। নিজৰ জীয়েকৰ দৰে তাই নীলাৰ সকলোবোৰ কাম চম্ভালি ল'ব পৰা হ'ল। নীলাই স্কুললৈ যোৱাৰ আগে আগে সকলো কাম নিয়াৰিকৈ কৰি কমলাই নীলাৰ লাচনি-পাচনি হিচাপে লাগি যায়। কমলাৰ আকৌ ওটা বিশেষ গুণ আছিল যে তাই পঢ়া-শুনা কৰিব নোৱাৰিলেও তাইৰ স্মৃতিশক্তি প্ৰখৰ আছিল বাবে যিকোনো কথা সতকাই মনত ৰাখিব পাৰিছিল। সেয়েহে নীলাই নিজেই ঘৰতে কমলাক অসমীয়া আৰু ইংৰাজী আখৰ চিনাকি কৰি দিয়াত কমলাই পঢ়িব আৰু লিখিব পৰা হ'ল। এনেকৈয়ে নীলাহঁতৰ ঘৰত কাম কৰা ছোৱালী হিচাপে গেবাৰি খাটিবলৈ অহা কমলা নীলাহঁতৰ বাবে হাতৰ লাখুটি স্বৰূপ হৈ পৰিল।

কিন্তু পৰৰ জী! কিমাননো আৰু লোকৰ ঘৰত গেবাৰি খাটিব। সেয়েহে এদিন দুপৰীয়া পৰত কমলাৰ মাক-দেউতাকে আহি কমলাক লৈ যাবলৈ ওলাল। কথা প্ৰসংগত কমলাৰ মাকে ক'লে যে, কমলাক চাবলৈ হেনো ল'ৰা আহিছে আৰু এইবাৰেই তাইক বোৱাৰী কৰি নিবৰ বাবে যো-জা চলাইছে। ল'ৰাটো হেনো ডাঙৰ ব্যৱসায়ী, বহুত টকা উপাৰ্জন কৰে। আনন্দত বিভোৰ হৈ পৰা মাকে ইয়াকো ক'লে যে সেই ল'ৰাটোলৈকে কমলাক উলিয়াই দিব পাৰিলে তেওঁলোকৰ কমলাই ৰাণীৰ দৰে ৰাজসুখত থাকিব পাৰিব। সেয়েহে তেওঁলোকে কমলাক নিবলৈ বুলিয়েই আহিছে।

মাক-দেউতাক আৰু মালিক-মালিকনীৰ আলোচনা দূৰৰ পৰাই শুনি থকা কমলাই আপত্তি দৰ্শালে। তাই নীলাক ক'লে যে তাই হেনো আৰু ঘৰলৈ নাযায়, বিয়াও নকৰাই, কেৱল মাত্ৰ নীলাৰ আলপৈচান ধৰিব আৰু পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব।

নীলাৰ মনে কমলাৰ দৰে মৰমলগা ছোৱালীজনীক তেওঁলোকৰ লগত যাবলৈ দিব বিচৰা নাছিল যদিও মাক-দেউতাকে টানি ধৰাত আৰু কমলাৰ ভৱিষ্যৎ ভাল হওঁক বুলি

ভাবিয়েই অতি মৰমেৰে বুজাই বঢ়াই তাইৰ পাবলগীয়া ধনখিনি দি বিদায় দিলে। যাবৰ পৰত কন্দনামুৱা কমলাই নীলাৰ ভৰি চুই সেৱা কৰি গোটেই বাটটোৱে কান্দি কান্দি ওলাই গ'ল। সেইদিনা বুজনশীলা তথা পৰিস্থিতিৰ দাস হৈ পৰা অভাবী কমলাৰ প্ৰতি সুবিচাৰ কৰিব নোৱাৰি তাইক তাইৰ ইচ্ছাৰ বিৰুদ্ধে পঠিয়াই দি নীলাৰ অন্তৰাত্মাই কান্দি উঠিছিল।

ঃ বাইদেউ অ' বাইদেউ, উঠক, চাহ বাকিছো।

কণমাইৰ মাতত নীলাই সাৰ পাই চাহকাপ হাতত তুলি ল'লে। খবৰ কাকতখন একাষৰীয়াকৈ তেওঁ টেবুলখনত জাপি থ'লে। কমলাৰ কথা ভাবি থাকোতে কেতিয়ানো তেওঁৰ চকুযুৰি মুদ খাই পৰিল তেওঁ ক'বই নোৱাৰিলে।

দুচকুৰ পৰা নিগৰি থকা চকু পানীখিনি চাদৰৰ আঁচলেৰে মচি লৈ তেওঁ কণমাইক মাতিলে আৰু তাইক তেওঁৰ কাষত বহুৱাই ল'লে। আলফুলে তেওঁ কনমাইৰ মূৰত হাত ফুৰাই ক'লে—'কণমাই, তই বাৰু সদায় মোৰ লগত থাকিবিনে? পঢ়ি-শুনি ডাঙৰ মানুহ হ'বিনে?'

কণমাইয়ে প্ৰথমে নীলাৰ কথা একো টলকিবই পৰা নাছিল যদিও পিছত যেতিয়া তাই নীলাৰ কথাত হয়ভৰ দিলে তেতিয়া নীলাই কণমাইক বুকুৰ মাজলৈ টানি আনিলে আৰু ক'লে, "মই তোক ভালদৰে পঢ়াই-শুনাই হাঢ়ৰ মানুহ কৰিম। মোৰ ছোৱালী অন্তৰীপাৰ সমানে আগবঢ়াই নিম।" কথাখিনি কৈ নীলাই কণমাইক আলিংগনৰ প্ৰথম চুমাটো তাইৰ কপালত আঁকি দিলে। নীলাই সিদ্ধান্ত ল'লে যে তাই আৰু কেতিয়াও পৰিসিথতিৰ দাস হৈ নাৰী ব্যৱসায়ীৰ চক্ৰান্তৰ বলি হ'বলৈ আন এজনী কমলাৰ জন্ম হ'বলৈ নিদিয়ে। তেওঁ এইবাৰ ভাল দৰমহা দি হ'লেও কণমাইক সমাজত ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হ'বলৈ শিকাব আৰু অন্যায়-অবিচাৰৰ বিৰুদ্ধে মুক্ত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সাহসিকতাৰ পাঠ পঢ়াব। তেতিয়া অন্ততঃ এজনী হ'লেও অন্য এজনী কমলা নাৰী ব্যৱসায়ীৰ চক্ৰান্তৰ বলি হ'ব নালাগিব। এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'বলৈ পাই নীলাৰ মনটো ফৰকাল লাগিল। বুকুত সাবটি ধৰি থকা কণমাইক তেওঁ আৰু অলপ ওচৰলৈ টানি আনি স্বস্তিৰ নিশ্বাস পেলালে।

ৰাতিপুৱাৰ উদিত সূৰ্য্যৰ কিৰণে তেওঁলোকৰ নতুন ভাৱনাৰ জগতখনক স্বাগতম জনালে। ○○

# নুশুনা হ'লেই ভাল আছিল

✍ সংগীতা শৰ্মা
স্নাতক ৩য় বৰ্ষ

ওৰণিৰ তলৰ পৰাই মাহ-হালধি ঘঁহাই ধুওৱাই মেহেন্দী লগোৱা নিজৰ হাত দুখনি দেখি পুলকিত হৈ উঠিল ন-কইনা হিয়া। অলপ আগতে হোমৰ জুইক সাক্ষী কৰি পৰাণৰ সৈতে যুগ্ম জীৱনৰ পাতনি মেলা হিয়াই যেন সেই মেহেন্দীৰ গাঢ় ৰঙখিনিৰ মাজতেই বিচাৰি পাইছে নিজৰ বহুৰঙী সপোনবোৰৰ পূৰ্ণতা। ওৰণিৰ আঁৰ লৈ মাত্ৰ কিছুসময় আগতে স্বামীগৃহত ভৰি থোৱা হিয়াই এতিয়াও ভালকৈ চাবলৈ পোৱা নাই তাই বহি থকা ৰুমটো। ওৰণিৰ মাজেৰে সকলোৱে ন-কইনাৰ মুখখন তন্ন-তন্নকৈ চালেও সেই ওৰণিৰ আঁৰৰ পৰা মুক্ত মনে চাৰিওফালে চাবলৈ হিয়াৰ সংকোচ লাগিছে। সেয়েহে তলমূৰকৈ থাকি ওৰণিৰ তলতে কেৱল নিজৰ হাত দুখনকে চাইছে হিয়াই। তাৰ মাজতে কাৰোবাক সৌজন্য সূচকভাৱে সৰুকৈ কিবা ক'বও লগা হৈছে। বুকুত অলেখ আশা-আকাংক্ষা কঢ়িয়াই লৈ অহা হিয়াই ভাবিবলৈ ধৰিছে— পাৰিবনে তাইৰ অতি মৰমৰ পৰাণৰ এখন সুখৰ সংসাৰ বনাব! তাইক বাৰু এইখন ঘৰৰ মানুহে নিজৰ বুলি ভাবিবনে? হিয়াৰ মনত অকণমান ভয় ভাৱ এটাও হৈছে— যদিহে তাই ভবাৰ দৰে কথাবোৰ নহয়! এইবোৰ ভাবি ভাবি তাই মাত্ৰ মনে মনে প্ৰাৰ্থনা কৰিলে, সকলো পিনৰ পৰাই যাতে তাইৰ ঘৰখন সুন্দৰ হয়। বহুত সময়ৰ পৰা ওৰণিৰ তলত একেদৰে বহি থাকি হিয়াৰ আমনি লাগি গৈছে। কিন্তু তাই বুজিছে ইয়াৰ গত্যান্তৰ নাই। হিয়াৰ চাৰিওফালে বহু কেইগৰাকী ছোৱালী-তিৰোতা বহি আছে। তেওঁলোকৰ মাজত বহু ধৰণৰ কথা আলোচনা চলি আছে। হিয়াই অলপ শুনিবলৈ যত্ন কৰিলে তেঁওলোকেনো কি কৈছে। কিন্তু মানুহবোৰৰ দৰে তেওঁলোকৰ কথা-বতৰাৰ বিষয়বোৰো হিয়াৰ বাবে অপৰিচিত হৈ পৰিছে। এনেতে ৰুমটোলৈ হুবুমুৰকৈ তিনিজনীমান ছোৱালী সোমাই আহিল। আহিয়েই অতি চঞ্চলভাৱে ছোৱালীকেইজনীয়ে ন-কইনাৰ মুখ চাবলৈ ব্যস্ত হৈ পৰিল। ওৰণিখন গুচাই দিয়াত হিয়াৰ অকণমান লাজ লাগিল যদিও এটা মিঠা হাঁহিৰে পান-মচলাৰ শৰাইখন আগবঢ়াই দিলে। ছোৱালীকেইজনীয়ে বৰ ধুনীয়া বুলি মুখৰ আগতে কোৱাত হিয়াই লাজতে আকৌ ওৰণিৰ তলত মুখখন লুকালে। ছোৱালীকেইজনীয়ে হুলস্থুল কৰি থকা বাবে সিহঁতৰে

কোনোবাজনীৰ মাকে সিহঁতক মনে মনে থাকিবলৈ কোৱাত লাহেকৈ সিহঁতে কইনাৰ পিছফালৰ ঠাইখিনিত বহি ল'লে। তাৰ অলপ সময় পিছতে সিহঁতকেইজনীয়ে লাহে লাহেকৈ কোৱা কথাবোৰ হিয়াৰ কাণত পৰিবলৈ ধৰিলে।

"ইচ্ ৰাম, ইমান ধুনীয়া ছোৱালীজনীলৈ বেয়াই লাগে নহয়নে? বিয়া হ'বলৈ গৈ তাই নিজৰ জীৱনটো ধ্বংস কৰাৰ দৰেহে হ'ল।"

"হয় দেই। কেইজনমান মানুহৰ কাৰণে ছোৱালীজনীয়ে গোটেই জীৱনটো কষ্ট পাব।"

"সঁচাকৈয়ে জানা, ময়ো তাকেই ভাবি আছো। ল'ৰাবোৰে কিয় জানো এনেকুৱা কৰে! ভাল পায় বেলেগক আৰু বিয়া পাতে বেলেগক।"

মুহূৰ্ততে হিয়াৰ ভৰিৰ তলৰ পৰা মাটি নোহোৱা হোৱাৰ দৰে অনুভৱ হ'ল। হিয়াৰ মনলৈ আহিল পৰাণৰ সহজ- সৰল যেন দেখা মৰম লগা মুখখন। সকলো সপোন মুহূৰ্ততে থান্-বান্ হৈ যোৱা হিয়াৰ মনলৈ পৰাণৰ লগত জড়িত সকলো স্মৃতি আহিবলৈ ধৰিলে। পৰাণে ঘৰৰ মানুহৰ লগত তাইক সুধিবলৈ প্ৰথম যোৱাৰ দিনটো, তাইক প্ৰথম ফুৰাবলৈ নিয়াৰ সময়খিনি, যোৰণৰ আঙঠি পিন্ধোৱা, হোমৰ জুই এই সকলোবোৰ হিয়াৰ চকুৰ আগত ভাহি উঠিল। হিয়াৰ কাৰনে সঁচাকৈ ই অবিশ্বাস্য। পাৰে জানো পৰাণে তাইক এনেকৈ ঠগিব? ভাবি ভাবি চকুপানীৰে একো নেদেখা হৈ পৰিল হিয়া। সকলো আশা শেষ হৈ যোৱা বুলি জানিও হিয়াই অশেষ ধৈৰ্য সহকাৰে স্বামীগৃহতে নিজৰ কৰ্তব্য পালন কৰি যাব বুলি ঠিক কৰিলে। তাই জানে যে, যদি তাই এতিয়া ঘৰলৈ ঘূৰি যায় তেতিয়া মাক-দেউতাকে সঁচা কথা গম পাই মনত অতি দুখ পাব। নিজৰ কপালকে ধিয়াই হিয়াই অশেষ যত্ন সহকাৰে নিজৰ কৰণীয়খিনি কৰি যাবলৈ ধৰিলে। তাই এতিয়াও আশা কৰে কিজানি পৰাণ সলনি হয়েইবা! এই আশাৰেই হিয়াই বুকুৰ বেদনা গুপুতে ৰাখি পৰাণৰ লগতে পৰিয়ালৰ সকলোৰে লগত নিজৰ সম্পৰ্ক ৰক্ষা কৰি গ'ল। হিয়াৰ ব্যৱহাৰত পৰিয়ালৰ সকলোৰে মুখতে সন্তুষ্টিৰ হাঁহি বিৰিঙি উঠিল যদিও সকলোৰে অজানিতে এক বিষাক্ত কীটে দংশন কৰি ক্ৰমে হিয়াক মানসিকভাৱে উদ্‌ভ্ৰান্ত কৰি তুলিলে। জীৱনৰ সকলো আনন্দ হেৰুওৱাৰ বিষাদ আৰু ন-কইনাৰ জাক্-জমকতাৰ মিশ্ৰণত হিয়াৰ মনটো এক অচিন ভাৱযুক্ত হৈ উঠিল। এদিন এদিনকৈ হিয়াই চিনি পোৱা হৈ গ'ল নতুন ঘৰখনৰ ৰান্ধনী ঘৰ, আলহী থকা ৰুম, ড্ৰয়িং ৰুম, টি. ভি. ৰুম সকলো। পৰিচিত হৈ পৰিল নতুন চুবুৰীয়াবোৰো। নিজৰ সকলো সুখ বাদ দি আনৰ বাবে জীয়াই থকা হিয়াই এইকেইদিনতে ঘৰৰ সকলোকে দুপৰীয়াৰ সাজ বনাই দিয়া দায়িত্ব হাত পাতি ল'ব পৰা হ'ল। শহুৰেক-শাহুৰেকেও ন-বোৱাৰীৰ হাতে ভাত খাই পৰম তৃপ্তি পালে।

আনদিনাৰ দৰেও সেইদিনাও দুপৰীয়াৰ ভাত সাজ খাই শহুৰেক-শাহুৰেকৰ সৈতে হিয়াই আগফালৰ বাৰান্দাত বহিছেহি। বুকুৰ সকলো দুখ লুকুৱাই ৰাখি হিয়াই তেওঁলোকৰ লগত কষ্টকৈ হ'লেও হাঁহি- মাতি কথা ক'বলৈ যত্ন কৰিলে। এনেতে দুজনী ছোৱালী গে'টখন খুলি আগবাঢ়ি আহিল। হিয়াই ভালকৈ চিনি পালে সেইদিনা তাই কইনাৰ সাজত বহি থাকোতে তাইৰ পিছত বহা ছোৱালী দুজনীক। ছোৱালী দুজনী বহাৰ পিছত শাহুৰেকে হিয়াক চিনাকি কৰি দিলে। তাৰপিছত তেওঁলোকৰ মাজত নানা কথা-বতৰা চলিবলৈ ধৰিলে। তাৰ মাজতে হিয়াই সিহঁতক চাহ খাবলৈ দিলে। চাহ খাই থকাৰ মাজতে এজনী ছোৱালীয়ে ঘপ্‌কৈ ঘড়ীটোলৈ চালে।

ঃ ঐ, তিনিটা বাজিলেই দেখোন। আৰম্ভ হ'লেই চাগে চিৰিয়েলখন। টি. ভি.টো দেচোন।

ঃ অ, হয়তো, তিনি বাজিলেই। অ' বৌ, আমি আকৌ এইখন চিৰিয়েল সদায় চাও যে, বিৰাট ভাল লাগে। আপুনি নাচায় নেকি? এইজনী ছোৱালী যে, ল'ৰাজনে মিছা কথা কৈ বিয়া কৰালে। কিন্তু সি বেলেগ এজনী ছোৱালীক ভাল পায়। বেয়াই লাগে ছোৱালীজনীলৈ...। —ছোৱালীজনীয়ে অনৰ্গলভাৱে কৈ গ'ল হিয়াক।

মুহূৰ্ততে হিয়াৰ মনত এক অনামী আনন্দই ঢৌ খেলি উঠিল। পৃথিৱীৰ সমস্ত আনন্দ যেন হিয়াৰ বুকুত থুপ খাই পৰিল। হিয়াই যেন ভাবিয়েই পোৱা নাই তাই এতিয়া কি কৰিব! সেই সময়তে অফিচৰ পৰা আহি পোৱা পৰাণৰ পিছে পিছে নিজৰ ৰুমলৈ গৈ হিয়াই এক ক'ব নোৱাৰাকৈয়ে ক'লে—

"আই এম ছ'ৰি..."

পৰাণে বুজি নাপালে কিহৰ কাৰণে হিয়াই ছ'ৰি ক'লে। কিন্তু সি হিয়াৰ মুখলৈ চাই অতি সুখী হ'ল। আবেলিৰ ৰ'দৰ পোহৰত উজ্জ্বল হৈ উঠা সেন্দুৰৰ ফোঁটটো হিয়াৰ হাঁহিৰ লগত একাকাৰ হৈ পৰিল। ○○

# বিষাদৰ সন্মতি

✍ আমিনা আহমেদ
স্নাতক ১য় বৰ্ষ

তাই স্তব্ধ। কল্যাণী থমকি ৰ'ল। সিঁহত একেখন কলেজৰ ছাত্ৰ-ছাত্ৰী। দুয়োৰে মাজত বন্ধুত্ব গঢ়াৰ কাৰণ হ'ল দুয়োৰে সু-আচৰণ। কল্যাণীৰ কথা মৃণালে তাৰ মাকক কোৱাত মাকে কল্যাণীক লগ পাবলৈ বৰকৈ ইচ্ছা প্ৰকাশ কৰাত মৃণালে কল্যাণীক ঘৰলৈ মাতি পঠিয়ালে। সৰুতে কল্যাণীৰ মাকৰ মৃত্যু হোৱা বাবে মনতে আদৰেৰে সাঁচি ৰখা সপোন বাস্তৱত পৰিণত হোৱাৰ পথত নানা বাধাই নেউচি ধৰিছে বুলি মৃণালে জানে। কল্যাণীৰ এই আন্তৰিক বেদনাই তাইক মন খুলি জীয়াই থাকিবলৈ নিদিয়ে। কিন্তু মৃণালৰ মাকে কল্যাণীৰ প্ৰতিটো ব্যৱহাৰত বৰকৈ আপোনভাৱ অনুভৱ কৰিছিল। তাই প্ৰায়ে এতিয়া জেঠীমাকক লগ পাবলৈ মৃণালৰ ঘৰলৈ যায়। আজি মৃণালৰ দেউতাকৰ বছৰেকীয়া কাজ পাতিছে বাবে মৃণালৰ মাকে কল্যাণীক মাতি পঠিয়াইছে। সেয়েহে কল্যাণী মৃণালৰ ঘৰলৈ আহিছে।

মৃণাল ঃ কোৱাচোন কল্যাণী, আমাৰ ঘৰলৈ আহি তোমাৰ বেয়া লাগে নেকি?

কল্যাণী ঃ সচাঁ কওঁ, ইয়াত আহি বিশেষকৈ জেঠীমাক লগ পাই মোৰ আত্মীয়ক লগ পোৱা যেন লাগে।

মা ঃ মই ভৱা নাছিলো যে বৰ্তমানৰ ৰঙচঙীয়া যুগত স্বাৰ্থপৰ লোকৰ মাজত, তোমাৰ দৰে এজনী সহজ-সৰল আৰু মৰমিয়াল ছোৱালী লগ পাম!

মাক-দেউতাক, মৃণাল আৰু তাৰ ভনীয়েকৰ সৈতে সুখৰ সংসাৰখনত এবছৰ আগতে এখন বাছৰ দূৰ্ঘটনাত দেউতাকৰ মৃত্যু হোৱাত ঘৰখনত গভীৰ শোঁকৰ ছাঁ পৰে। মৃণালৰ দেউতাক এজন শিক্ষক আছিল। মোমায়েকৰ সহায় লৈ মৃণালে ঘৰখন নিয়াৰিকৈ পৰিচালনা কৰাত মাকৰো সহায় হৈছে।

মা ঃ এবছৰ আগতে মোৰ মনত এটা ভয়, এটা অশান্তিয়ে জন্ম লৈছিল। যদি মৃণালে আন ল'ৰাবোৰৰ দৰে সময়ৰ মূল্য বুজি নাপায়, যদি সি মোৰ কথা অমান্য কৰে, ঘৰখনৰ কি হ'ব! কিন্তু ভগৱানে মোৰ ভয় ভাৱক বিনাশ কৰি দিছে। মই দৃঢ়বিশ্বাসী যে সি কেতিয়াও মোক অমান্য নকৰে।

কল্যাণী ঃ জেঠী মা, প্ৰত্যেকজন মাতৃৰ মনত এনে প্ৰশ্ন উঠা স্বাভাৱিক, কিন্তু মৃণালে কেতিয়াও তেনেকুৱা নকৰে, নহয়নে মৃণাল?

মৃনাল ঃ মোৰ জীৱনৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ল মা আৰু ভন্টিক সকলো পৰিস্থিতিতে সুখত ৰখাটো।

মা ঃ জানানে কল্যাণী, মোৰ কেতিয়াবা এনে লাগে যে তুমিও যদি মোৰ ছোৱালী হ'লা হয়, তেন্তে মোৰ সেমেকা জীৱনটো তিনিওটাৰ 'মা' শব্দৰ ধ্বনিত আনন্দত ভাহি উঠিলে হয়।

কল্যাণী ঃ পিছে মা এতিয়া মোৰ যাবৰ সময় হ'ল।

মৃনাল ঃ বাঃ বাঃ মাক মোৰ পৰা আঁতৰাই নিয়াৰ জাল পাতিলাইনে?

মা ঃ মই মুহূৰ্তৰ বাবে পাহৰি গৈছিলো, তোমাৰ যে যাব লাগিব! যোৱা, নহ'লে দেউতাৰাই চিন্তা কৰিব।

মৃণালে জানে যে কল্যাণীৰ জীৱনত আনন্দ, বন্ধু-বৰ্গ, প্ৰেম-ভালপোৱা আদিৰ বাবে কোনো বিশেষ স্থান নাই। একমাত্ৰ মাকক সুখী দেখিবলৈ তাই গভীৰ দুখেৰে ভৰা জীৱনটো ধেমেলীয়া আচৰণৰ ভাও জোৰে। এনেকৈয়ে দুবছৰমান পাৰ হ'ল। মৃণালৰ পৰীক্ষা থুল-মূলকৈ সামৰিছিলেই মাথোন, এনেতে এদিন হঠাৎ মৃনালৰ ঘৰৰ পৰা খবৰ আহিল যে মৃনালৰ মাকৰ টান নৰিয়া, কল্যাণীক সেয়েহে মাতি পঠিয়াইছে। কল্যাণীয়ে খবৰটো পাই দেউতাকৰ লগত উপস্থিত হ'লহি, মৃনালৰ ঘৰৰ সন্মুখত। এনেতে হস্পিতালৰ পৰা উভতি অহা গাড়ীখনৰ পৰা জেঠীমাকক ঘৰলৈ নিয়া দেখি কল্যাণীৰ চকুলো ব'বলৈ ধৰিলে, লগে লগে কল্যাণী ভিতৰলৈ সোমাই গ'ল।

কল্যাণী ঃ মৃণাল, জেঠীমাৰ কি হৈছে? কি হৈছে?

কোনোৱে নকয় দেখোন কি হৈছে জেঠীমাৰ? মাকৰ কাষত বহি থকা মৃনাল দুখৰ সাগৰত যেন বুৰ হৈছে, ভন্টিয়ে উচুপি কান্দিছে। ঘৰখনক যেন দুখৰ কালিমাই গ্ৰাস কৰিব ওলাইছেহি।

কল্যাণীয়ে 'জেঠী মা, জেঠী মা' বুলি চিঞৰি উঠোতে ঘৰখন কান্দোনৰ ধ্বনিৰে ভৰি পৰিছে। এনেতে মৃণালৰ মাকে মুখেৰে কিবা কোৱা যেন লাগিল। কল্যাণীৰ দেউতাকক উদ্দেশ্যি ক'বলৈ ধৰিলে "কল্যাণী মোৰ ছোৱালী নহয়, কিন্তু মই তাইক মোৰ ছোৱালী ৰূপে ঘৰখনত আনিব বিচাৰিছিলো" বুলি যেন ৰৈ গ'ল। পুনৰ কোৱা শুনা গ'ল— "মোক কথা দিয়ক, কথা

দিয়ক মোৰ অন্তিম ইচ্ছা" বুলি মুখেৰে লাহে লাহেকৈ ওলাই অহা শব্দবোৰৰ মাজতেই হঠাতে যেন যন্ত্ৰনাত ক'বলৈ ল'লে "ইচ্ ইচ্, কি বেথা! কি যন্ত্ৰণা, আহ! আহ!" বুলি চকুযোৰ ৰঙা হৈ স্থিৰ হৈ গ'ল। মৃণালৰ মাকৰ অন্তিম ইচ্ছা কল্যাণীৰ দেউতাকে বুজি পাইছে আৰু সেয়েহে কল্যাণীৰ মুখৰ ফালে চাই ইয়াৰ সন্মতি বিচাৰিছে। কিন্তু কল্যাণীয়ে ভাবিবলৈ ধৰিলে মই প্ৰতিজ্ঞাবদ্ধ যে, মোৰ সপোনক দিঠকত পৰিণত হোৱাৰ আগলৈকে মই যুঁজিম, কষ্ট কৰিম, সকলো বাধাক নেওচিম; কিন্তু মোৰ লক্ষ্যত উপনীত হ'মেই। মাকৰ মৃত্যুৰ পিছত মোক কোনেও বুজি পোৱা নাই, মোৰ সুযোগ দিয়া নাই, বিশ্বাসত লোৱা নাই। হ'লেও মই যে প্ৰতিজ্ঞাবদ্ধ। মোৰ সপোনেই মোৰ জীৱনৰ জীয়াই থকাৰ কামনা। কিন্তু আজি জীৱনে সময়ৰ কোনটো মুহূৰ্তত উপস্থিত হৈছোহি বুলি ভাবোতেই, হঠাতে যেন তাই চক খাই উঠিল আৰু দেখিলে মৃণালৰ মাকক ইতিমধ্যে টিউমাৰ নামৰ ঘাতকে বস কৰিলেহি। তেওঁৰ মৃত্যু হ'ল। ঘৰখনক দুখৰ ক'লা মেঘে গ্ৰাস কৰিলে আৰু এই গ্ৰাসত মৃণাল আৰু ভনিয়ে সৰ্বহাৰা হৈ পৰিছে। কিন্তু কল্যাণীৰ কাণত সেই অন্তিম ইচ্ছাই সন্মতিৰ সপেক্ষাত যেন বাৰে বাৰে বাজি উঠিবলৈ ধৰিলে আৰু কল্যাণীৰ চকুলো বৈ নামি আহিব ধৰিলে ইয়াৰ মাজত থকা বিষাদৰ নিজৰা। ○○

# আপোন মানুহ

✍ দীপশিখা হাজৰিকা
স্নাতক ১ম বৰ্ষ

ৰাতি পুৱাবলৈ আৰু আধা ঘন্টামান বাকী আছিল। ৰভাতলিত টোপনিয়াই থকা বৰযাত্ৰীসকলক শিৱপ্ৰসাদে পুনৰবাৰ বাছত উঠিবলৈ অনুৰোধ কৰিলে। তেওঁলোকেও শিৱপ্ৰসাদৰ মুখৰ পৰা ওলোৱা এই কথাষাৰলৈহে যেন অপেক্ষা কৰি আছিল। মুহূৰ্তৰ ভিতৰতে দৰা অহা বাছখন পূৰ্ণ হৈ পৰিল। এম্বেচাদৰখন দৰা-কইনাৰ বাবে এৰি দি সকলো যাত্ৰী বাছত উঠাত দুই-এগৰাকী থিয় হ'ব লগা হ'ল। কইনাৰ ভায়েকে এপদ-দুপদকৈ বস্তুসমূহ বাছত তুলি দি আছিল। শিৱপ্ৰসাদ কিন্তু বাছত উঠা নাছিল। তেওঁৰ চকু এপদ-দুপদকৈ তুলি থকা বস্তুবোৰৰ ওপৰতহে পৰিছিল।

সকলো বৰযাত্ৰী বাছত উঠাৰ পিছতো শিৱপ্ৰসাদ কিন্তু ব্যস্ত আছিল। নিজৰ একমাত্ৰ সন্তানজনৰ বিয়াত দেউতাকজন হৈ ব্যস্তনো নাথাকিব কিয়? তাতে ল'ৰা বেংকৰ ডাঙৰ বিষয়া। সাধাৰণ কেৰাণীৰ কাম কৰা ল'ৰাবিলাকেও আজি-কালি ষাঠি-সত্তৰ হেজাৰ টকাৰ বস্তু কইনাৰ লগত লৈ আহে। তেওঁৰ ল'ৰা সৌৰভ বেংকৰ ডাঙৰ বিষয়া যেতিয়া অতি কমেও দুই লাখমানৰ বস্তু-বাহানি নিদিলে আত্মসন্মান লাঘৱ নহ'বনে? সেইবাবে বাছৰ ওপৰত তুলি দিয়া বস্তুবোৰ তন্ন-তন্নকৈ পৰীক্ষা কৰিছে যাতে এপদো বৈ নাযায়। আগৰ কথা বেলেগ আছিল। শিৱপ্ৰসাদৰ নিজৰ বিয়া সাধাৰণ দুই-এপদ বস্তুৰ ভিতৰতে সীমাবদ্ধ আছিল। যুগ সচাঁকৈয়ে সলনি হ'ল। অৱশ্যে সৌৰভৰ এইবিলাকত মন নাই। ছোৱালীজনী পছন্দ হৈছে যেতিয়া সম্পৰ্ক এটা স্থায়ী হ'ব যেতিয়া কইনাৰ নামত বস্তু-বাহানি দিয়াটোত মুঠেও সন্মত নহয়। সেইবুলি হৰি মাষ্টৰে একমাত্ৰ ছোৱালীজনীক এনেয়ে উলিয়াই দিবনে? ভিক্ষাৰীয়েও ছোৱালী উলিয়াই দিলে কিবা নহয় কিবা এপদ বস্তু দিয়ে। অঞ্চলটোত নাম থকা শিক্ষক হৰি মাষ্টৰে ছোৱালীৰ মৰমত বস্তু-বাহানি দিবই।

ঘৰৰ ভিতৰত কান্দোনৰ ৰোল। থমকি ৰ'ল শিৱপ্ৰসাদ। এৰা, এয়া কইনাৰ বিদায়ী কান্দোন, কইনাক বিদায় দিয়াসকলৰ কান্দোন। আপোন ঘৰখন এৰি নতুন ঘৰলৈ যোৱাৰ প্ৰস্তুতিৰ কান্দোন।

শিৱপ্ৰসাদ বাছত উঠিল। আগত এম্বেচাদৰখন আৰু পিছত বাছখন গৈ আছে। গাড়ীৰ শব্দ আৰু কইনাৰ কান্দোনৰ বাহিৰে একো শুনিবলৈ পোৱা নাযায়। বায়েক সাগৰিকাক কান্দিবলৈ বাধা দি দি ভায়েক নিৰুপম ভাগৰি পৰিছে।

কইনাৰ লগত অহা ভায়েক নিৰুপমে অসহায় দৃষ্টিৰে বাৰে-বাৰে সৌৰভৰ মুখলৈ চাই আছে। তাৰ বাধা শুনি সাগৰিকাৰ কান্দোন বেছিহে হ'ল। বিয়াত কন্দাটো স্বাভাৱিক বাবে সৌৰভে অস্বস্তি পোৱাৰ পিছতো মৌন হৈ ৰ'ল।

ছোৱালীৰ জীৱনবিলাক এনেকুৱাই। জন্মৰেপৰা যিখন ঘৰক আপোন বুলি ভাবি আছিল, বুজন বয়সত সেইখন ঘৰ এৰি নকৈ ঘৰ পতাৰ প্ৰস্তুতিৰে ওলাই আহিব লাগে। মাক-দেউতাক, ককাই-ভাই সকলোকে এৰি কোনোদিনে নিচিনা-নজনা যুৱক এজনৰ হাতত নিজকে সপি দিব লাগে। অতীতৰ স্মৃতি, বাস্তৱৰ ভয় আৰু ভৱিষ্যতৰ অনিশ্চয়তাই গাভৰুৰ অন্তৰত খুন্দা মাৰিলে কান্দিবই। সেইবুলি ইমান কান্দিব লাগেনে? সৌৰভে মনতে ভাবিলে।

এম্বেচাদৰখন দ্ৰুত গতিত আগবাঢ়িছিল।

সাগৰিকাৰ কান্দোনৰ ব্যতিক্ৰম দেখি গাড়ী চলোৱা ড্ৰাইভাৰজনেও দুবাৰ মান ঘূৰি চাইছিল। সৌৰভৰ বৰ অসহ্য হৈছিল। গাড়ীখনে প্ৰায় আধাঘন্টা মান পথ অতিক্ৰম কৰিছিল। এইবাৰ সাগৰিকাৰ কান্দোন ফেঁকুৰনিলৈ পৰিৱৰ্তন হ'ল। বায়েকক বুজাব নোৱাৰি সজল হৈছিল নিৰুপমৰ চকুযুৰি।

আপোন মনে ভাবি গৈছে সৌৰভে। কিজানি তাক সাগৰিকৰ পছন্দই হোৱা নাই।

দুখীয়া পৰিয়ালৰ ছোৱালী। পৰিয়ালৰ দাৰিদ্ৰতা আৰু কন্যাদায়গ্ৰস্ত দেউতাকৰ অৱস্থাটোৰ পিনে লক্ষ্য কৰি হয়তো শিক্ষিত সাগৰিকাই হৰি মাষ্টৰৰ ইচ্ছাকেই সৰ্বাধিক গুৰুত্ব দি নিজৰ ইচ্ছা-অভিৰুচিক প্ৰকাশ নকৰিলে। তেনেকৈয়ে বিয়া সমাপ্ত হ'ল। সাগৰিকা এতিয়া এটা পৰিয়ালৰ বোৱাৰী হৈ আহিছে। কাৰোবাৰ বৌ, কাৰোবাৰ খুড়ী ইত্যাদি সমন্ধৰ গৰাকী হৈ সেইখন ঘৰত থাকিবলৈ আহিছে।

সৌৰভে ভাবিলে অনিচ্ছাত বিয়া হৈ অহা সাগৰিকাই জানো সিহঁতৰ সংসাৰ সুখময় কৰিব পাৰিব!

যুৱীয়া জীৱনৰ অভিন্নতাৰে জানো সিহঁতৰ সংসাৰ মধুময় হ'ব। সাগৰিকাৰ মানসিক সহযোগ পোৱা যাবনে? এইবাৰ সৌৰভে ভাবি নাথাকিল।

সাগৰিকাক সি সুধিলে, "তোমাৰ কান্দোনৰ ব্যতিক্ৰমখিনি সকলোৰে চকুত পৰিছে সাগৰিকা। ইমানকৈ কান্দিব লাগেনে? নে মোক তোমাৰ ভাল লগা নাই? যদি এয়ে হয় এইবিলাক কথা আগতে কোৱাতো উচিত আছিল।"

সাগৰিকাৰ ফেঁকুৰনি বন্ধ হৈছিল। অসহায় দৃষ্টিৰে তাই এবাৰ সৌৰভ আৰু ভায়েক নিৰুপমৰ ফালে চালে।

"কিবা কবা সাগৰিকা? সৌৰভে সুধিলে।"

লাজুকী কইনাজনী হৈ আৰু সাগৰিকা বহি থকা নাছিল। তাই কথা কৈছিল। তাইৰ কথাবোৰক সৌৰভৰ কিবা কান্দোন-কান্দোন যেন লাগিছিল। সাগৰিকাৰ কথাৰ সাৰাংশ আছিল এনে ধৰণৰ—বেংকৰ উচ্চ পদস্থ জোঁৱাই পাবলৈ মাক-দেউতাকৰ আগ্ৰহৰ সীমা নাছিল। দেউতাক দুখীয়া হ'লেও একমাত্ৰ জীয়েকৰ বিয়াখন উলহ-মালহৰে পাতিবলৈ মনতে পাঙি আছিল। সৌৰভৰ দেউতাকে সৌৰভৰ সন্মান যাতে লাঘৱ নহয়; তাৰ বাবে লগত দিয়া বস্তুখিন চাই-চিতি দিবলৈ হৰি মাষ্টৰক কৈছিল। তাৰোপৰি সৌৰভৰ বন্ধুসকলে যাতে উপলুঙা কৰিব নোৱাৰে তাৰবাবে ৰঙীন টি.ভি.ৰ পৰা ফ্ৰীজলৈকে দিবলৈ বাধ্য কৰোৱাত উপায়ন্তৰ হৈ দেউতাকে বৰ্তমান জীৱিকাৰ সম্বল খেতি-মাটি গোটেইখিনিয়েই বন্ধকত দিলে। দেউতাকে এবাৰ বিয়াখন বন্ধ কৰিবই খুজিছিল। কিন্তু সাগৰিকাৰ কলেজত পঢ়ি থকা ভায়েক দুজনেও সৰ্বহাৰা হৈ হ'লেও বিয়াখন সম্পন্ন হ'বলৈ দেউতাকক টানি ধৰিছিল।

বিয়া শেষ হ'ল। বিয়াৰ লগে-লগে শেষ হ'ল সাগৰিকাৰ অতি আদৰৰ মানুহবোৰৰ জীয়াই থকাৰ অৱলম্বন। কইনাৰ-পোছাক পিন্ধি, হোমাগ্নিক সাক্ষী কৰি এজন পুৰুষক জীৱন লগৰী কৰি লৈ যি মুহূৰ্তত তাই শপত খাইছিল; সেই সময়ত তাইৰ বুকুখনে হাহাকাৰ কৰি উঠিছিল। নতুন ঘৰৰ ন-কইনা হৈ গাড়ীত বহাৰ লগে লগে তাইৰ আগত দৃশ্যমান হৈছিল শেষ হৈ যোৱা মাক-দেউতাকৰ মুখ। কংকন গাড়ীত বহাৰ লগে লগে তাইৰ নিজকে ৰাক্ষসী যেন লাগিল। যিজন ভায়েকে তাইক ন-ঘৰত থ'বলৈ যাবলৈ আহিছে; তাই যে তাৰেই কবৰ খান্দি থৈ আহিছে। আবেগে তাইক খুন্দা মাৰি ধৰিছিল বাবেই ক'ব নোৱাৰা কথাবিলাক কান্দোন হৈ প্ৰকাশ পাইছে।

হিয়া বিদাৰক কান্দোন।

হিয়াত জুই জ্বলা কান্দোন।

সাগৰিকাৰ কথাখিনি শুনি সৌৰভে একো উত্তৰ নিদিলে। এম্বেচাদৰখন ৰাখিবলৈ দি মাথোন নীৰৱে অপেক্ষা কৰিলে দৰাযাত্ৰী অহা বাছখনলৈ। বাছত আহি থকা দেউতাকলৈ।

ইতিমধ্যে ৰাতি পুৱাইছিল। কিছুসময় পিছতেই বাছখন আহি পালে। এম্বেচাদৰখনৰ কিবা যান্ত্ৰিক বিজুতি ঘটা বুলি খৰখেদাকৈ শিৱপ্ৰসাদ নামি আহি সৌৰভৰ নিচেই ওচৰলৈ গ'ল। শিৱপ্ৰসাদৰ বাহিৰে আন যাত্ৰীসকল বাছৰ ভিতৰতেই থাকিল।

"দেউতা আপোনাৰ বাবেই ৰৈ আছো।"

"কি হ'ল বোপা? স্থান, কাল, পাত্ৰ নোচোৱাকৈ কম কথা কোৱা সৌৰভে অনৰ্গল কৈ গ'ল— "মোৰ বিয়াৰ নামত কোনো ধৰণৰ দাবী নকৰিবলৈ মই আপোনাক বাৰে বাৰে কৈছিলোঁ। শেষত যিটো নকৰিবলৈ কৈছিলোঁ আপুনি তাকেহে কৰিলে। এতিয়া বস্তু-বাহানি সমন্বিতে আপুনি আপোনাৰ বোৱাৰীক লৈ ঘৰলৈ যাওঁক আৰু মই মোৰ চাকৰিলৈকেহে যাম।"

"আৰে, এইবিলাক তুমি কি কৈছা। বিয়াততো বস্তু-বাহানি দিয়েই। তুমি আনৰ বিয়া দেখা নাই জানো?"

"আনৰ কথা মই কোৱা নাই দেউতা। মই যি বেয়া পাওঁ সেইটো নকৰিবলৈ আপোনাক কৈছিলোঁ। নুশুনিলে। বিয়াৰ নামত এটা পৰিয়ালক সৰ্বনাশ কৰা সম্পৰ্কটো কেনেধৰণৰ সম্পৰ্ক দেউতা? আপুনি দেখোন জানে যৌতুকৰ নামত অত্যাচাৰৰ বলি হৈ ন-কইনাই আত্মহত্যা কৰা কথা। আজি আপুনি মোক সেইসকলৰ শাৰীত বহুৱাই গৰ্ব বোধ কৰিলেও মই বহুত লাজ পাইছো দেউতা। মই ঘৰলৈ গৈ মাৰ আগত মুখ উলিয়াব

নোৱাৰিম।" সৌৰভে ক্ষোভেৰে ক'লে।

"এইবোৰ বস্তু হৰি মাষ্টৰে ছোৱালীৰ মৰমতে দিছে।"

"মৰমত নহয় দেউতা, উপযুক্ত জোঁৱাইৰ লোভ সামৰিব নোৱাৰি কন্যাদায়গ্ৰস্ত হৰি মাষ্টৰে বাধ্য হৈ দিছে। মোৰ নাম কৈ আপুনি খুজি লৈছে। বৰ বেজাৰ পাইছো দেউতা। কন্যাদান দিয়া হৰি মাষ্টৰৰ ওচৰত বেংকৰ বিষয়াৰ দেউতাকে সাধাৰণ এজন ভিক্ষাৰীৰ দৰে টেলিভিছন, ফ্ৰীজ ভিক্ষা কৰিছে। হৰি মাষ্টৰে মাটি বন্ধকত থৈ ভিক্ষাৰীৰ সন্তানৰ সন্তুষ্টিৰ বাবে ভিক্ষা দিছে আৰু এই তুচ্ছ বস্তুবোৰক লৈ আপুনি মোৰ সন্মান বঢ়াইছে।"

"এতিয়া কি কৰিম। যি হ'ব লগা আছিল হৈ গ'ল। পিছত কিবা এটা কৰিম বাৰু। মিতিৰ হ'ল যেতিয়া কিবা এটা এৰা-ধৰা কৰিবই লাগিব।" শিৱপ্ৰসাদ অলপ সৰু মাতেৰে ক'লে।

"বিয়া এটা ব্যৱসায় নহয় দেউতা। মই গাড়ীৰ পৰা মাটিত নামিলোঁ। কাৰণ মই পুনৰ ঘৰলৈ নাযাওঁ। ভিক্ষাৰীৰ লাজ-মান একো নাথাকে। আপুনি যদি পাৰে এই গাড়ীখন লৈ ঘৰলৈ যাওঁক। আমি ৰাজপথতে থাকিলো। য'ৰ পৰা নহওঁক কিয় মাষ্টৰে বন্ধকত থোৱা মাটিখিনি মোকলাই দিয়ক। যদিহে আপুনি নিজে কৰা ভুলৰ বাবে ক্ষমা খুজিবলৈ লাজ কৰে, তেনেহ'লে সেই কামটো মই কৰিম।"

"ইমান টকা মই এতিয়া ক'ত পাম?" —দেউতাকে অলপ চিন্তিত হৈ ক'লে।

"অৱসৰ প্ৰাপ্ত শিক্ষক হৰি মাষ্টৰে ছোৱালীৰ বিয়াত খৰছ কৰিবলৈ ইমানবোৰ টকা ক'ত পাব সেইটো হিচাপ আপোনাৰ মগজুত নাছিল অথচ হৰি মাষ্টৰে টকা জোগাৰ কৰি বস্তু-বাহানিৰে সৈতে ছোৱালী উলিয়াই দিলে। এনেকুৱা বিয়া দহখন চলাবলৈ আপোনাৰ নিজৰ টকাই দেখোন বেংকত আছে। গতিকে আপুনি নিশ্চয় পাৰিব লাগিব।"

উপাই-নাপাই শিৱ প্ৰসাদে কি কৰো-কি নকৰো অৱস্থাত পৰিল। বাছত থকা বৰযাত্ৰীসকলে কিবা কোৱা-কুই কৰিছিল। খঙৰ ভমকত সৌৰভে প্ৰথমতে যিয়েই নকওঁক কিয় শান্ত হৈ ধীৰে ধীৰে পুনৰ ক'লে—

"আপুনি বাছলৈ যাওঁক। ময়ো যাম। সাগৰিকাক বিয়া কৰাইছো যেতিয়া তাইৰ মাক-দেউতাক, ভায়েক আমাৰ নিজৰ মানুহ। নিজৰ বুলি ভাবিব পৰাটোকহে সম্পৰ্ক বোলে। তেওঁলোকৰ সংকট আমি দূৰ কৰিব লাগিব। টকা, ঐশ্বৰ্য, সম্পত্তি সদায় শ্ৰেষ্ঠ নহয় দেউতা, মানুহৰ মনুষ্যত্ববোধ আৰু সন্মানবোধটোহে আচল কথা।"

সৌৰভ পুনৰ গাড়ীত উঠিল।

ড্ৰাইভাৰে গাড়ীখন ধীৰে ধীৰে আগুৱাই লৈ গৈ আছিল। নিৰুপমে যেন ইমান সময়ে কোনোবা মহাপুৰুষৰ বাণীহে শুনি আছিল। গাড়ীখন চলাই দিয়াৰ পিছতহে তাৰ তন্দ্ৰা ভাগিল। কান্দি থকা সাগৰিকাৰ কান্দোন বন্ধ হৈছিল। চকু দুটা বহলকৈ মেলি সৌৰভৰ মুখৰ পিনে চাই থাকিল। নিজৰ মানুহজনক এয়া যেন তাই প্ৰথমবাৰৰ বাবে দেখিলে। OO

# পৰিৱৰ্তন

✍ শিউলী সেন
স্নাতক ২য় বৰ্ষ, কলা

শোষণ, লুণ্ঠন, প্ৰৰোচনা আৰু হত্যাকাণ্ডই বৰ্তমান সমাজখনক অস্থিৰ কৰি তোলাৰ মাজতো আমি বিচাৰি পাওঁ সময়ে কঢ়িয়াই অনা স্নেহ-প্ৰীতিৰে ভৰা উৎসৱসমূহ।

আজি গৰু বিহুৱেই হওঁক বা মানুহ বিহুৱেই হওঁক। বিহু বিহুৱেই। আজিৰ নগৰ-চহৰতনো কাৰ কেইটা গৰু আছে যে তেল-তুল ঘঁহি লাউ-বেঙেনাৰ মালা গাঁথি পিন্ধাই নদীত গা-ধুৱাবলৈ নিব। গাঁৱৰ কথা বেলেগ।

অৱশ্যে চহৰ-নগৰতো কিছুমান ঘৰৰ কথা সুকীয়া। হাজাৰ হ'লেও নিজৰ ঐতিহ্য পৰম্পৰা এৰিব নোখোজা পৰিয়ালৰে এজনী নিৰ্মলা বাইদেউ। গৰু বিহুৰ দিনা ধোঁৱাত দিবৰ বাবে বগৰীৰ ডাল এটা বিচাৰি প্ৰতিবেশী নিৰ্মলা বাইদেউ আমাৰ চোতাললৈ আহি চিঞৰি চিঞৰি মাতি আছিল হেনো। আমাৰ কাৰো মাত-বোল নাই। আনকি ভাৰা ঘৰৰ পিনাকীৰ মাকহঁতৰো খবৰ নাই।

ঃ কি হ'ল ইহতৰ যে খবৰেই নাই। নিজকে নিজে কৈ উঠিছিল নিৰ্মলা বাইদেৱে।

ঃ অন্য নহ'লেও এওঁলোকৰ গৰু এজনীতো আছে। গধূলি চাকি-বন্তি জ্বলাই ধোঁৱাবোৰ বিচনীৰে চাৰিওপিনে দিয়াৰ নিয়ম নায়েই নেকি?

দীঘলতি, মাখিয়তী, বিহলঙনি, হালধি, দেৱীটোকন, বেতৰ কাঁইট সকলো পালো; মাত্ৰ বাকী থাকিল বগৰীৰ কাঁইট। নোসোধাকৈ নিলে যেনিবা চোৰ বুলিয়েই ভাবে! যেনেকৈ ঘৰ-দুৱাৰ খোলা আছে, যাওঁৱেই দে বুলি নিৰ্মলা বাইদেউ ঘূৰি দিয়া মাত্ৰকেই দেখিলে আমাৰ বাইদেউ আৰু ভিনদেউক।

ঃ অ' বাইদেউ আৰু ভিনদেউ দেখোন। ভালেই হ'ল। ইহঁত দুয়োঘৰৰ খবৰ নাই। ঘৰ-দুৱাৰো খোলা। ভিতৰত হ'লে সাৰ-সুৰ নাই। ইমানকৈ মাতিলোঁ। ধোঁৱাত দিবৰ বাবে এডাল বগৰীৰ ডাল বিচাৰি আহিছিলোঁ।

ঃ দুৱাৰ খোলা, ক'ত গ'ল ইহঁত বুলি ভিতৰ সোমাই দেখো দুয়ো দুখন বিছ্নাত শুই আছে।

"হেৰ প্ৰমীলা, হেৰ প্ৰমীলা" বুলি কেইবাবাৰো মতাৰ পিছতো কোনো ধৰণৰ মাত বোল নোহোৱা দেখি পানী এচলু মাৰি দিলে বায়েকে।

ঃ কি হৈছে তহঁতৰ? এনেদৰে দিন দুপৰতে মৰাৰ দৰে শুই থাকিবলৈ কিহে পাইছে? উঠ যদি উঠ্, নহ'লে যাওঁ, বিহুৱান দিবলৈ আৰু অহা কাইলৈ ভাত খাবলৈ মাতিবলৈ আহিছিলোঁ। যাবি। —গালি পৰাৰ সুৰতে কৈ উঠিল প্ৰমীলাৰ বায়েক উৰ্মিলাই।

ঃ ইমানকৈ টোপনি লাগিছে যদি ভালদৰে দুৱাৰ-ঘৰ মাৰি শুই থাক, কিহৰ বিহু, কিহৰ বিহুৰ চাকি-বন্তি জ্বলাব লাগিছে। গৰুজনী নাই নেকি একা?

হঠাৎ বা-মাৰলীৰ দৰে মনটো উৰা মাৰি গ'ল উৰ্মিলাৰ।

ঃ হেৰা ! ইহঁতৰ নিশ্চয় কিবা এটা হৈছে। ইমান মাতিলোঁ। তাইতো ভিনদেৰেক আহিলে এনেকৈ নাথাকে আৰু জোঁৱাইয়ো নাথাকে। 'শালপতি শালপতি' বুলি পৰি মৰিব পাৰে।

গিৰিয়েকক তেনেদৰে কৈ ভনীয়েকক প্ৰায় টানি উঠাই দিলে উৰ্মিলাই। চকুহাল মোহাৰি সন্মুখতে বায়েকক দেখি কৈ উঠিল প্ৰমীলাই— "মিঠাই খাই শুই আছো বাইদেউ, মিঠাই খাই। এৰোঁ নিশ্চয় শুই আছে।"

ঃ কোনে মিঠাই খুৱালে? কি মিঠাই খুৱালে তহঁতক, নকব কিয়?" —বায়েকে প্ৰায় একে উশাহে প্ৰশ্ন কৰিলে।

ঃ চোৰা বাইদেউ, মোৰ ডিঙিত চেইনডাল নাই; শ্ব'কেছটোলৈ চোৱা— টিভি, টেপ্, ৰেডিঅ' একোৱেই নাই! অতপৰে তোমালোকৰ চকুত পৰা নাই?

একেমুখে দুয়োটাই কৈ উঠিল 'ডকাইত, ডকাইত; দিন দুপৰতে ডকাইত এইহেন বিহুৰ বতৰত।'

ঃ চোৰ-ডকাইতৰ বাবে বিহুৰ বতৰত সুবিধাহে হয়।

ঃ ক, কাৰ এই কাণ্ড, কোনে কৰিলে এই কাম?

ঃ কি ক'ম বাইদেউ। সেই মৰঙত যোৱা আমাৰ এই ঘৰ বনোৱা মিস্ত্ৰীটোৰ এই কাণ্ড। আজি দুবছৰেই তাৰ কোনো খবৰ নাই। আজি চাৰি-পাঁচদিন একেলগে আহি তাৰ কি লেকচাৰ। অমুক হৈছে, তমুক হৈছে। ইপিনে এটা চিৰি লাগে, সিপিনে এখন বেৰ লাগে, ক'ত ফাঁট মেলিছে সকলো চাই ফুৰিছে। যেন মোৰ সহোদৰ ভাইজনহে। আজি তাক মই ভাত-পানীও খুৱালোঁ। ভাত খাই সি গুচি গ'ল। অলপ পিছত মিঠাইৰ টোপোলা এটা আনিলে। ভাড়াঘৰৰ সিহঁতকো মাতি চাহ বনাই সি অনা মিঠাইৰে আটায়ে চাহ খালো। খোৱাৰ পিছত আৰু একো ক'ব নোৱাৰো। সি হেনো কমলা বেপাৰ কৰি বহুত পইছা ঘটিলে। তাৰে মিঠাই আনি আমাক আনন্দেৰে খুৱাইছে।

কান্দি কান্দি প্ৰমীলাই কথাবোৰ কৈ গ'ল।

ঃ আমি সি অনা মিঠাই খালোঁ আৰু আমাৰ বয়-বস্তু, সোণ-ৰূপৰ গহনা সোপাকে খালে। —হুমুনিয়াহ এটা কাঢ়ি প্ৰতাপে কৈ উঠিল।

ঃ চাওক শালপতি, আপোনাৰ খুলশালীৰ কাণ্ড। অইনৰ মিঠা কথাত ভোল যোৱা অসমীয়া নাৰী। যিকোনো মানুহ ঘৰলৈ আহিলেই আপোনজন কৰি লোৱা স্বভাৱটোৰ আজি দহ বছৰে পৰিৱৰ্তন কৰাব নোৱাৰিলো।

ঃ এই যে গাঁৱলীয়া স্বভাৱটো। চিনাকি-অচিনাকি যি মানুহেই নাহক চাহ খাই যা, ভাত খাই যা। পাইছে এতিয়া মজাটো? অসমীয়া মহিলাৰ এই সৰল স্বভাৱটোৰ বাবে আজিৰ অঘটনটো ঘটিবলৈ পালে।

ঃ মই কিমান দিন ক'লো, মানুহক ভাত-চাহ খুৱাবা, কিন্তু সকলো মানুহক আপোন কৰি বৰঘৰৰ বৰপীৰাত বহুৱাবলৈ চেষ্টা নকৰিবা।

ঃ তোমাৰ ভায়েৰাই কি কি নিলে এবাৰ চাই লোৱা। —গিৰিয়েকে ঠাট্টাৰ সুৰত কৈ উঠিল।

ঃ ৰাম ৰাম, কি কলিকাল! আমাৰ আইতাহঁতৰ দুৱাৰ খোলা থাকোতেই জীৱন গ'ল, আমাৰ দিনত দিন দুপৰতে সৰ্বনাশ কৰিলে।

ঃ কিয় সিদিনা দিন দুপৰতে হাজৰিকানী বাইদেউৰ চিলিণ্ডাৰটো লৈ যোৱা নাই নে? বাইদেউৰে ভৰ্ত্তি চিলিণ্ডাৰটো লৈ ৰিক্সাৱালাজনক কৈছিল— "হেৰ, তইতো আমাৰ ঘৰ চিনি পাৱ। পদূলি মূৰত সদায় থাক'। গাড়ীখন নানিলো। তয়েই চিলিণ্ডাৰটো লৈ যা, ঘৰত বনকৰা ছোৱালীজনী আছে। তাইক দি দিবি আৰু কবি— বাইদেৰে দি পঠাইছে।" কিন্তু কথা ইমানতে শেষ নহ'ল। চিলিণ্ডাৰটো ৰিক্সাৱালাজনক যি দিলে আৰু সেই চিলিণ্ডাৰটো আজিও আহি বাইদেউহঁতৰ ঘৰ নাপালে।

ৰিক্সাৱালাজনৰো শুংসূত্ৰ নোহোৱা হ'ল...।

ঃ বলক শালপতি, যদি খাই ৰোৱা মিঠাই আছে লৈ ব'লক। ৰাতিও হ'ল, গৰুকেইটাক পঘা দিব লাগিব। এনেয়ে থানাত এখন এজাহাৰ দি আহো। ভিনদেউৱে ক'লে।

ঃ আৰু তুমিও শিকি লোৱা প্ৰমীলা, কালৰ কেনে কুটিল গতি। নিজৰ গাৰ ছাঁটোৱেই শত্ৰু, বুজিছা! ○○

# উৰণীয়া চাকি

✍ হিমাদ্ৰী ডেকা
স্নাতক ২য় বৰ্ষ, কলা শাখা

জোনাক নিশা আৰু আকাশখন খুউব সুন্দৰ।

মোৰ মনটোও খুউব ফৰকাল যেন লাগি আছিল। কামৰ বোজাৰ বাবেই অফিচতেই পলম হ'ল। ইফালে সিদিনা গাড়ীখনো লগত নাই। ঘৰলৈ ওভতোতে নিশা প্ৰায় ১২ বাজি গৈছিল, ঘৰ সোনকালে পোৱাৰ আশাত পথৰুৱা ৰাস্তাটোৰে অহা ঠিক কৰিলো।

আকাশখন যদিও ফৰকাল তথাপি বাৰিষা বাবে সি স্থিৰ নহয়। বাৰু যি কি নহওঁক, মই আগবাঢ়িব ধৰিলো। বহুখিনি অকলেই আহি পালো। হঠাৎ আকাশলৈ চকু গ'ল। জোনাক লাহে লাহে নাইকিয়া হৈ আহিছে। বিশেষ একো নাভাবি আগবাঢ়ি থাকিলো। কিন্তু অলপ পিছতেই দুই-এটোপাল বৰষুণৰ পানী মোৰ গাত পৰিব ধৰিলে আৰু লাহে লাগে তাৰ মাত্ৰা বৃদ্ধি পালে। ওচৰে-পাজৰে মানুহৰ ঘৰো নাই। কি কৰা যায় এই ৰাতিখন!

পথাৰখনৰ সিমূৰে এখনি হাবি-বননিৰে ভৰা সৰু শ্মশান আছে। সেই ঠাইডোখৰ পোৱাৰ সময়ত এনে লাগিল যেন সিদিনা জোনৰ আৰ্বিভাৱেই হোৱা নাছিল। শ্মশানৰ পৰা নানা ধৰণৰ শব্দ কিছুমান মোৰ কাণত সোমাল। হঠাৎ মনটো কিবা যেন লাগিল। মনত সাহস গোটাই আহি থাকিলো। পিছে মোৰ মনত নানা ধৰণৰ কথাই জুমুৰি দিব ধৰিলে। সোঁ-বাওঁ একো চোৱা নাই। পিছফালৰ পৰা কিবা এটা আহি থকা যেন অনুমান লাগিল। কিন্তু চাব নোৱাৰিলো। কোনোবাই মতা যেন লাগিল। নাই এইবাৰো চাব নোৱাৰিলো। কিন্তু কাণ পাতিলো— কোনোবাই মাতে নেকি!

এই ভূত থকা ঠাইখিনি পাৰ হ'বলৈ বৰ বিশেষ দূৰ নাই। আকৌ কিছু দূৰৰ পৰা কোনোবাই মোক মতা যেন লাগিল।

আগতকৈ দুগুণ বেগে খোজকাঢ়ি মই দলং এখনৰ ওপৰ পালো। বেছ ওখ দলং। এবাৰ পিছলৈ চাব বৰ মন গ'ল। ভয় ভয় ভাৱে চালো। কি আচৰিতদৃশ্য! সেই শ্মশানৰ কাষৰ আলি, যিটোৰে মই আহি আছো সেইটোৰে এগচি ক্ষীণ পোহৰৰ চাকি উৰি আহি আছে। মোৰ বুকুৰ ধপ্-ধপনি অনুভৱ কৰিলো। এয়া নিশ্চয় প্ৰেতাত্মা! শুনিছিলো ইয়াত হেনো মাজৰাতি ভূত ওলায়। আজি মই প্ৰমাণ পালো। ভগৱানক ভাবি খৰখেদাকৈ মছজিদটোৰ কাষ চাপিলো। বাৰান্দাৰ এটা ডাঙৰ খুঁটাৰ আঁৰত কুচি-মুচিকৈ বহি সেই প্ৰেতাত্মাটোৰফালে লক্ষ্য কৰিলো।

কাপোৰৰ পৰা পানী পৰি থাকিল। মোৰ খুউব গৰম লাগিছিল। আকৌ চালো— এইবাৰ সিয়ো দলংখন পাইছে। লাহে লাহে আগবাঢ়ি আহিছে। মই চকু দুটা মুদি দিলো। সাৰ-সুৰ নোহোৱাকৈ বহি আছো। কিবা এটা শব্দ মোৰ ফালে আগবাঢ়ি আহিছে। অলপ পিছত মোৰ ওচৰ পাওঁতেই শব্দটো নোহোৱা হ'ল। মই লাহেকৈ চকু দুটা মেলি চাওঁতেই সেই উৰি অহা চাকিটো মোৰ সন্মুখত আহি হাজিৰ। মই যেন এতিয়াই মৰিম এনে লাগিল। এটা চিঞৰ মাৰিব খোজোতেই মাত শুনিলো— 'কোন তাত? ঐ, মছজিদত সোৱা কোন?

ঃ আগতে তুমি কোন সেইটো কোৱা?

ঃ মই ৰছুল।

ৰছুল নামটো শুনি মই সাহস গোটাই ভালকৈ চাকিটোলৈ চালো আৰু কোনো ভয় ভাৱ নেদেখুৱাই তাক ক'লো।

ঃ তই এই মাজৰাতি ক'ৰপৰা আহিলি।

সি চাকিটো মোৰ সন্মুখত ৰাখি ক'লে—

ঃ আপুনি ইয়াত? মই অন্য কোনোবা বুলিহে ভাবিছিলো। বাইদেউৰে মোক বজাৰলৈ পঠাইছিল, পিছে বজাৰ কৰি থাকোতেই...

ঃ কি হ'ল বজাৰ কৰি থাকোতে?

ঃ ছাৰ মানে একো নহয়। মোৰ সেই লগৰজন যে, তাৰ দোকানখনত কোনোবাই চুৰ কৰিলে। মই বজাৰ কৰি থাকোতেই ঘটনাটো ঘটিল।

ঃ এতিয়া বাদ দে, ঘৰলৈ ব'ল, পিছত ক'বি সেইবোৰ। চাকিগচি ক'ত পালি?

ঃ ছাৰ, মোৰ বন্ধুজনেই দি পঠালে।

বাৰু যিবোৰ হ'ল হ'লেই, এতিয়া ব'ল। ৰছুলৰ বুঢ়া কেৰ্‌কেৰীয়া চাইকেলখন আৰু চাকিগচি আৰু আমি ঘৰলৈ আগবাঢ়িলো। সেই শব্দটো আকৌ শুনিলো। কিন্তু এইবাৰ ভয় নালাগিল। সেয়া ৰছুলৰ চাইকেলৰ মাত।

মুছলমান ধৰ্মৰ হ'লেও তাক মই আমাৰ ঘৰতেই কাম কৰাকৈ ৰাখিছো। আজি সি মোক যিখন কৰিলে তাক ভাবি মনে মনে নিজেই হাঁহিলো।○○

# এটা স্বপ্নৰ সমাধি

✍ দিপাংকৰ ডেকা
স্নাতক ৩য় বৰ্ষ

একেৰাহে প্ৰায় তিনিদিনমান বৰষুণ দি আছে। কেৰ...কেৰ...কৈ দুৱাৰ খন খোল খোৱাৰ লগে লগে বৰষুণৰ মাজেৰে কান্দোনৰ সুৰ ভাহি আহিছে। ভোকৰ আৰু পেটৰ তাৰণাত কান্দোন ওলাইছে। তথাপিতো ৰাতিপুৱাৰ কাম সকলোখিনি কৰিবই লাগিব। বাঢ়নীডাল লৈ হৰিশৰ মাকে ঘৰৰ কাঠিকেইটা সাৰিবলৈ ল'লে। দেউতাকে লাহেকৈ মটৰৰ টায়াৰৰ চেন্দেলযোৰ ভৰিত সুমুৱাই উঠি আহিল। বাহিৰত পাৰি থোৱা বেঞ্চত বহিল। কিছুসময় বহি থাকি হঠাৎ কৈ উঠিল—

ঃ ছেঃ ! কি যে বৰষুণ, আজিও কামলৈ যাব নোৱাৰিম!

মাকে লাহেকৈ গৈ ৰান্ধনীঘৰত সোমাল, কিন্তু একো বস্তুৱে নাছিল। আনকি চাহ একাপৰ বাবে চাহপাতেই নাছিল। তিনিদিন ধৰি কামত যাব নোৱাৰাৰ বাবে ঘৰখনত একোৱে নোহোৱা হৈ পৰিছে। কাষৰ মন্টুহঁতৰ ঘৰৰ পৰা চাহপাত অলপ খুজি আনি চাহখিনি খালে। চাহ খায় থাকোতে মাকে ক'লে—

ঃ হেৰি, আজি ভাত খাবৰ বাবে শাক-পাচলিৰ বাহিৰেও চাউলো নাই। থকা কেইটাৰে ৰাতি সিহঁত দুয়োকে দিলো।

দেউতাকে হৰেণ মহাজনৰ দোকানত গ'ল। হৰেণ মহাজন এজন বৰ অহঙ্কাৰী আৰু চৰিত্ৰহীন লোক। তথাপিতো হৰিশৰ দেউতাকৰ কাবৌ-মিনতিত তুষ্ট হৈ মাত্ৰ ১কিল' চাউল কিছু সময়ৰ কাৰণেহে বাকীত দিলে। দেউতাকে চাউলকেইটা আনি মাকৰ হাতত দিলে। মাকে হৰিশ আৰু পঙ্কজক ভাত কেইটামান খুৱাই স্কুললৈ পঠালে। দুপৰীয়া বৰষুণ অলপ কমাত দেউতাকে ৰিক্সাখন লৈ টাউনৰ ফালে ওলাই গ'ল। টাউনৰ পৰা ২০.০০ (বিশ) টকা লৈ আহিল। আহোতে দেউতাকে হৰেণ মহাজনৰ চাউলৰ বাকী দি ৰোৱাখিনিৰে কিছু বজাৰ কৰি আনিলে। এনেকৈ বহু কষ্টৰে ঘৰখন দেউতাকে চলায় আছিল। হৰিশ আৰু পঙ্কজ দুয়ো পঢ়াত অতি চোকা আছিল। সিহঁতে মেট্ৰিক পৰীক্ষাত লেটাৰ মাৰ্ক লৈ উত্তীৰ্ণ হ'ল। হৰিশে অংক, ইংৰাজী আৰু বিজ্ঞানত আৰু পঙ্কজে হিন্দী, অংক আৰু অসমীয়াত। সিহঁতে চৰকাৰী সাহায্য লাভ কৰিলে। দুয়ো টাউনৰ কলেজ এখনত পঢ়িবলৈ গ'ল আৰু পঢ়ি থকা সময়তে দেউতাকৰ T.B. ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। দেউতাকৰ মৃত্যুৰ পাছত মাকে অ'ত-ত'ত কাম কৰি নিজৰ পেটটো পুহিলে। হৰিশ আৰু পঙ্কজ দুয়োয়ে টাউনত থাকি নিজৰ লগতে আনকো পঢ়াই দুই-চাৰি টকা আনিলে আৰু নিজৰ খৰচটো সিহঁতে নিজে উলিয়ালে। সিহঁতে বিজ্ঞান শাখাৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হৈ ভাৰতীয় ষ্টেট বেঙ্কৰ পৰা শিক্ষাৰ সাহাৰ্য লাভ কৰি হৰিশে Doctor আৰু পঙ্কজে Enginnering পঢ়িবলৈ গ'ল। কিছুদিন অৰ্থাৎ কেইবছৰমান পাছত সিহঁতে দুয়োয়ে Doctor আৰু Enginner হৈ গাঁৱলৈ আহে আৰু গাঁৱৰ মাটি-ঘৰ হৰেণ মহাজনক বিক্ৰী কৰি টাউনত থাকিবলৈ ল'লে। এতিয়া আৰু সিহঁতৰ ঘৰত কোনো অসুবিধা নাই। মাকে দুয়োকে দুফালে পঠায় দি ঘৰত অকলে থাকে। এদিনাখন হৰিশ কামৰ পৰা অহাৰ পাছত ভাত-পানী খাই উঠাৰ পাছত মাকে ক'লে—


ঃ হেৰ', ময়ো বুঢ়ী হ'লো। তহঁতক কিমান আৰু ভাত ৰান্ধি খুৱাম। হৰিশ, তোৰ বিয়াখন পাতিব পৰা হ'লে ভাল হ'লহেঁতেন!

সি লাজ কৰি তাৰ পৰা আঁতৰি গ'ল। মাক আৰু পঙ্কজে হাঁহিব ধৰিলে। কেইদিনমান পাছত মাকে এজনী ছোৱালীৰ সন্ধান পালে। মাক আৰু পঙ্কজ দুয়ো ছোৱালীজনী চাবলৈ গ'ল। ছোৱালীজনী ভাল, নম্ৰ, ভদ্ৰ, অমায়িক, বৰ মৰম লগা। M.A. পাছ কৰি ঘৰতে আছে। হৰিশৰ মাকে তাৰ বিয়া ঠিক কৰিলে। টেঙাচুবাৰ ৰত্নকান্ত বৰুৱাৰ একমাত্ৰ ছোৱালী প্ৰিয়ঙ্কাৰ সৈতে। বিয়া হোৱাৰ পাছত সিহঁতৰ দিনবোৰ বৰ আনন্দৰে পাৰ হৈ যায়। সিহঁতৰ যুগ্ম জীৱনৰ চিন স্বৰূপে ৰাহুলৰ জন্ম হয়। ৰাহুলৰ বৰ্তমান বয়স চাৰি বছৰ। এদিনাখন হৰিশ কামৰ পৰা অহাৰ পাছত অতিপাত জ্বৰ হয়। হৰিশক পঙ্কজ আৰু প্ৰিয়ংকাই নাছিং হোমত ভৰ্ত্তি কৰে। কিন্তু হৰিশৰ নাৰ্ছিংহোমতে মৃত্যু হয়। হৰিশৰ মৃত্যুৰ পাছত প্ৰিয়ংকাৰ মানসিক অৱস্থা দুৰ্বল হৈ পৰিল। প্ৰিয়ংকাৰ শিৰৰ সেন্দুৰ মোচা গ'ল। গাৰ কপোৰ বগা হৈ পৰিল। দিনে দিনে প্ৰিয়ংকাৰ অৱস্থা বেয়াৰ ফালে ঢাল খালে। একোকে নকয়, কাকো নামাতে। বহুবাৰ সোধাৰ পাছতহে কিবা এটা কয়। পঙ্কজে নবৌয়েকক বুজালে—

ঃ নবৌ, তুমি ৰাহুলৰ বাবেই জীয়াই থাকিব লাগিব। অতীতক পাহৰি যাব লাগিব।

লাহে লাহে ঘৰুৱা পৰিৱেশ অলপ ভালৰ ফালে আহে। পঙ্কজো কামলৈ যাব আৰম্ভ কৰিলে। আকৌ আগৰ দৰে হৈ পৰিল। ককায়েকৰ মৃত্যুৰ পাছত সকলো দায়িত্ব পঙ্কজে মূৰ পাতি ল'লে। ঘৰখনত এতিয়া মাক, নবৌয়েক, ৰাহুল আৰু পঙ্কজ।

পঙ্কজে ৰাহুলক আবেলি অফিছৰ পৰা আহি ফুৰাবলৈ লৈ যায়। এদিনাখন পঙ্কজে ৰাহুলক স্কুলত Admission দিবলৈ গ'ল। নবৌয়েক যাবলৈ মন কৰা নাছিল। কিন্তু নামানিলে আৰু জোৰ কৰি লৈ গ'ল। এনেদৰে দিন বাগৰি গ'ল। পঙ্কজহঁতৰ ঘৰৰ ওচৰৰে এখন বেচৰকাৰী স্কুলত শিক্ষকৰ চাকৰি এটা ওলাল আৰু সি নবৌয়েকক বায়'-দাতাখিনি খুজিলে। নবৌয়েকৰ মন ভাল লগাবৰ বাবে এনেখন কৰিলে। লাহে লাহে এনেদৰে প্ৰায় ছমাহমান গ'ল আৰু ককায়েকৰ ছমহীয়া তিথি পাতিলে। এতিয়া পঙ্কজো এজন ৩০ বছৰীয়া যুৱক। সি এজনী ছোৱালী ভাল পায় নাম মানসী। মানসী আৰু পঙ্কজৰ ভাল পোৱা প্ৰায় তিনি বছৰমান হ'ল। পঙ্কজে মানসীক আৰু মানসীয়ে পঙ্কজক বিশ্বাস কৰে আৰু অতি ভাল পায়। কিন্তু মানসীৰ মাক অতি চতুৰ তিৰোতা। সেয়েহে মানসীৰ মাকে সিহঁতৰ বিয়া সোনকালে পাতিব লাগে বুলি পঙ্কজক এদিনাখন ক'লে। কিন্তু পঙ্কজে একো নকলে মানসীৰ মাকক। এদিনাখন পঙ্কজ আৰু মানসী আবেলি সময়ত ফুৰিবলৈ ওলায় গ'ল। ফুৰিবলৈ যাওঁতে পঙ্কজে মানসীক ক'লে— "মই এতিয়া বিয়া পাতিব নোৱাৰিম। কাৰণ ককাইদেউৰ মৃত্যু হোৱা এবছৰেই হোৱা নাই।"



সি মানসীক কথাখিনি বুজাই ক'লে আৰু ককায়েকৰ মৃত্যুৰ এবছৰ হোৱাৰ পাছতেই সিহঁতৰ বিয়া পাতিব বুলি ক'লে। কিন্তু মানসীৰ মাক সেই কথাত অমান্তি হ'ল। এনেদৰে প্ৰায় এমাহমান পাৰ হৈ গ'ল। পঙ্কজ আৰু নবৌয়েকৰ মাজত গোপন সম্পৰ্ক থকা বুলি ওচৰ-চুবুৰীয়া মানুহে উলিয়াই দিলে। এনেবোৰ কথা শুনি মানসীৰ বিশ্বাসত পোকে ধৰিলে। এদিন পঙ্কজ নথকা অৱস্থাত মানসী আৰু মাক আহি হ'বলগীয়া বিয়াখন ভাঙি থৈ যায়। পঙ্কজে মনত বৰ কষ্ট পালে। এদিন-দুদিন নহয় তিনিদিনকৈ মানসীক সি লগ কৰিবলৈ গ'ল। কিন্তু মানসীয়ে তাক লগ নকৰিলে। এদিনাখন নিশা প্ৰায় দহমান বজাত মানসীয়ে পঙ্কজলৈ ফোন কৰিলে আৰু ক'লে যে যদি নবৌয়েকহঁতক ঘৰৰ পৰা বাহিৰ কৰি দিলেহেঁতেন তেতিয়া হ'লে তাই হেনো বিয়াত বহিব। পঙ্কজেও সেইটো যে কেতিয়াও নহ'ব তাক স্পষ্টভাৱে জনাই দিয়ে। সেই কথা পঙ্কজে গোপনে ৰাখিছিল। কিন্তু কিছুদিন পাছত নবৌয়েকে কথাখিনি জানিব পাৰি ভাড়াঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লে। পঙ্কজে সেইটো হ'বলৈ নিদিলে।

এদিন পঙ্কজে সকলো কথা মানসীক বুজাই ক'লে আৰু মানসীয়ে নিজৰ ভুল স্বীকাৰ কৰি নবৌয়েকক ক্ষমা খুজিলে। নবৌয়েকে মানসীক ক্ষমা কৰি দিলে আৰু সিহঁতৰ দুয়োৰে বিয়া পতাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।○○

---

এজন শিল্পীৰ এখন গীটাৰ বা এটা বাঁহীৰ সুৰে মানুহৰ মনক যি বিমল আনন্দৰ অনুভূতি প্ৰদান কৰিব পাৰে; বন্দুকৰ শব্দই মানুহৰ মন আৰু হৃদয়ক কি দিয়ে? আহক আমি শব্দৰ সাধনা কৰোঁ, মানুহ গঢ়াৰ!...



# নীলা খামৰ চিঠি

✍ মিছ নাজিয়া চুলতানা
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

মৰমৰ প্ৰিয়া,

*'ভালপোৱাৰ সংজ্ঞা থাকেনে?*
*তোমাৰ চকুত চকু থ'লে*
*হৃদয়ত উপচি পৰে যি...'*

সৌৱা বাহিৰত জোনাক বৰষিছে। ওলাই আহিছো চোতাললৈ। জোনাকৰ আস্বাদনত মতলীয়া হ'বলৈ। তোমালৈ বৰকৈ মনত পৰিছে জানা? এতিয়া মেলা খিৰিকীৰ কাষত অপৰিপাটি মোৰ অনুভৱৰ পৃষ্ঠা। কিয় জানো শৰৎ আহিলেই তোমালৈ মনত পৰে, জোনাকত খহি পৰিব খোজে দুচকুৰ ভগ্ন উপকূল। জ্বলি উঠা তৰাবোৰে যেন সংগোপনে দি যাব খোজে ভালপোৱাৰ এটি আকস্মিক খবৰ।

প্ৰিয়া, ক'ত হেৰাল তোমাৰ প্ৰতিশ্ৰুতি? তুমি মোৰ, কেৱল মোৰেই হ'বা যুগে যুগে লগৰীয়া। হিয়াৰ প্ৰস্তাৱ লৈ মৌন দুওঁঠত তুমি যে আহিছিলা মোৰ যৌৱনৰ প্ৰথম আলহী। জীৱনৰ দুৰ্ভিক্ষ আৰু আকালৰ মাজেৰে বাট বুলোতে সিদিনাই আবিষ্কাৰ কৰিছিলো তোমাৰ ভালপোৱা, কি আশ্চৰ্য যাক বুকুত থোৱাৰে পৰা জীৱনলৈ সেউজীয়াৰ প্লাৱন আহিছিল। তোমাৰ প্ৰেমেই কঢ়িয়াই আনিছিল জীৱনৰ জটিল গণিতৰ সমাধান। তুমি এখন নদী হৈ তিয়াইছিলা মোক বাহিৰে-ভিতৰে অনবৰতে তোমাৰ মৰমৰ বৰষুণত জুৰুলি-জুপুৰি হৈ তিতিছিলো মই। মই যে তোমাৰ মনৰ পথাৰৰ আধিয়াৰ খেতিয়ক আছিলো।

মোৰ বিধ্বস্ত হৃদয়খনক নিৰাপত্তা দিয়া, মোৰ অনুভৱক মূল্য দিয়া তুমি বাৰু এতিয়া ক'ত আছা, কেনে আছা? তোমাৰ এবাৰো মনত নপৰেনে মোলৈ? মন নাযায়নে জানিবলৈ, কিদৰে জীয়াই আছো তোমাৰ অবিহনে? তুমি কিয় নীৰৱে আঁতৰি গ'লা মোৰ হৃদয় লুৰুকি মই নুবুজিলো। কঙাল হৃদয়খন লৈ মই পৰি ৰ'লো শামুকৰ খোলা হৈ মন সাগৰৰ পাৰত। অৰ্থৰ অংকত মোৰ হাত শূণ্য হ'লেও তোমাক সমগ্ৰ প্ৰাণময়তাৰে ভাল পাবলৈ মোৰ এখন হৃদয় আছিল।

বুকুত উক্-মুকাই থকা স্মৃতিবোৰ কত যে আমনি কৰে তুমি নুবুজা। তুমি পাহৰি গ'লেও মই কিন্তু কাহানিও পাহৰিব নোৱাৰো প্ৰথম প্ৰেমৰ সেই উমাল পৰশ। বুকুৰ গভীৰত আজিও বৈ ফুৰে য'তে থাকো য'লৈকে যাওঁ— সোণোৱালী দিনবোৰ। মোৰ দুচকুত আজিও নাচে তোমাৰ বাদাম ৰঙী দুওঁঠত মিল্‌মিল্ হাঁহি। কলেজৰ আমলখি-কৃষ্ণচূড়াৰ তলৰ ব্যস্ত দুপৰীয়া, কেন্টিনৰ আড্ডা আৰু কবিতাৰ আবেলিবোৰ। ফাগুনৰ মলয়াই সোঁ-সোঁৱাই তোমাৰ চুলিত ঢৌ খেলিছিল। অস্তগামী সুৰুযৰ আভাৰে উদ্দীপিত তোমাৰ সৌন্দৰ্য, কবিতা কবিতা লগা তোমাৰ কথাবোৰ, সাগৰৰ দৰে গভীৰ আৰু আকাশৰ দৰে নীলা তোমাৰ উজ্জ্বল চকুযুৰি... কেনেকৈ পাহৰো কোৱা? তুমি কথা ক'লেই সৃষ্টি হৈছিল কবিতাৰ, হাঁহিলেই বৈ আহিছিল ধৰালে এটি পাহাৰী চঞ্চল নিজৰা। মনত আছেনে প্ৰিয়া, তোমাৰ আৰু মোৰ মাজত যে এদিন তৰ্ক লাগিছিল বৰষুণ বেছি ভাল লগা নে জোনাক, — এই বিষয় লৈ? মই জোনাক ভালপাওঁ আৰু তুমি বৰষুণ। বৰষুণৰ দৰেই হঠাৎ আহি জীৱনলৈ গুছি গ'লা তুমি মোক কন্দুৱায়, ক্ষন্তেকীয়া মাদকতাৰে জীৱন বুৱায়।

মোৰ পদূলিৰ মৰা শেৱালী গছকি নিয়ঁৰৰ দলিছাৰে তুমি গুছি গ'লা। পুনৰ নাহিলা ঘূৰি। চুৰমাৰ কৰি গ'লা মোৰ সপোনৰ আটোমটোকাৰি ঘৰ। নিভাজ ভালপোৱাৰ প্ৰতিশ্ৰুতিবোৰ বিলীন কৰি দিলা অচিন ধুমুহাত। মই যে সৰ্বস্ব হেৰুৱাই আহিলো তোমাতে। বিশ্বাস, সততা আদি শব্দবোৰ কেৱল শব্দ হৈ থাকিল ভাস্কৰ হৈ নুঠিল। ভবাই নাছিলো তুমি বিলীন কৰি দিবা ভালপোৱাৰ প্ৰতিশ্ৰুতিবোৰ যুগৰ যান্ত্ৰিকতাত।

তথাপি মই জীয়াই আছো। কাৰণ মই জীয়াই থাকিবই লাগিব। অন্ততঃ প্ৰেমৰ বাবে। মোৰ মনৰ মাজত জীয়াই ৰাখিম আমাৰ প্ৰেমৰ সুবাস আৰু স্মৃতিবোৰ ধূসৰ হ'লেও আশাৰ এৰালেৰে আতি আতি বান্ধি ৰাখিম নিয়ঁৰৰ বুটা বছা এপিটাফ...!

*'তোমাৰ এই স্মৃতিবোৰে,*
*কাবুলীৱালাৰ দৰে*
*মোৰ পৰা বাৰে বাৰে*
*চক্ৰবৃদ্ধি সুত লুটি নিব'*

মৰমৰ প্ৰান্তত—
'তোমাৰ আকাশ'

# মহাবিদ্যালয় সংগীত

রচনা ঃ শ্ৰীপ্ৰভাত চৌধুৰী
সুৰ আৰু স্বৰলিপি ঃ কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল ঃ দাদ্ৰা (ভাট্খাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পুণ্যভূমি। ১।

অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শতদল
তোমাৰ চৰণ চুমি। ২।

বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি। ৩।

সুৰ আৰু স্বৰলিপিকাৰ কুমাৰ আনন্দ নাৰায়ণ দেৱ ২৭ আগষ্ট, ২০০৯ তাৰিখে স্বৰ্গগামী হয়। তেখেতৰ বিদেহী আত্মাৰ সদ্গতি কামনা কৰিলোঁ।
—সম্পাদনা সমিতি

# ৰোমন্থন




✍ ড° কুমুদ চন্দ্ৰ শৰ্মা
মুৰব্বী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ

স্মৃতিৰ আঁচলত তেওঁৰ অতীত সুৰভি
তাৰেই উমালত মুগ্ধ তেওঁ
প্ৰলয় ধুমুহাই লৰাব নোৱাৰা
এক সজীৱ অনুভূতি।
সুন্দৰ সাৰস্বত জ্ঞানৰ স্মৃতি
বিয়পাই থাকে ওঁঠত হাঁহি
ৰোমন্থনৰ মাদকতা
ধন্য তেওঁৰ...
কৰ্ম আঁচনি।

বৃক্ষৰোপন
সাক্ষৰতা অভিযান
শিশু দিৱস
বিজ্ঞান জনপ্ৰিয়কৰণ
অন্ধবিশ্বাস দুৰীকৰণ
দুৰ্নীতি নিবাৰণ
সাহিত্য সেৱা
সঙ্গীতানুষ্ঠান
ইত্যাদি... ইত্যাদি।
বিনন্দীয়া কৰ্ম স্মৃতি
সাঁচতীয়া ধনৰ দৰে
ৰাখিছে তেওঁ সমল কৰি
লাগিব তেওঁক বিয়লি বেলাত
অৱসৰী মুহূৰ্ত এটিত।

সু-কৰ্মৰ মালাধাৰি
গাঁঠিব পাৰো এলাহ নেওঁচি
জোনটোৰ নৰিয়া হ'লে
গধূলি পৰত অকলে থাকিলে
সঙ্গী হ'ব অতীত স্মৃতি
বজাম বীণ হৃদয় উজাৰি
তাৰেই সুবাস প্ৰাণৱন্ত হৈ
বিদায় দিব বিষাদ লগৰী। ○○



# অনুৰাধা

✍ নাৰায়ণ মুদৈ

অনুৰাধা,
তুমি ক'ত?
মই আজিও বৈ আছো
তোমাৰ বাবে।
শৈশৱৰ সপোনবোৰ
বাস্তৱৰ পথত
অথচ,
নাই তুমি
মোৰ
কাষৰত।
তুমি দেখা সপোনবোৰ?
মহাকাল!
ইমান নিষ্ঠুৰ। ○○

# জুন্ জুন্ বাজেনে পায়েলৰ শব্দ........

কুলদীপ কুমাৰ চহৰীয়া
স্নাতক ৩য় বৰ্ষ

নষ্ট নিশাৰ ভ্ৰষ্ট চোতালত
বৰকৈ মনত পৰে—
হৃদয় সাগৰত জোৱাৰ তোলা নিশা কাকতি,
বৰকৈ মনত পৰি থাকে তোমাক, ক্ষণে ক্ষণে
কৃষ্ণচূড়াৰ সুগন্ধিক চতিয়না বৃক্ষৰ বুকুত গুজি
নৰকৰ খবৰ লবলৈ বৰ মন যায় তোমাৰ বাবে
যাৰ যন্ত্ৰনাত উমান পাব পাৰি সৰগী সুখৰ সোণগুটিৰ
চমকনিৰ
আনহাতে কিমান বয়সীয়া ৰসন্তক উদ্‌বাউল কৰি
কিমান হাড়ৰ যন্ত্ৰনাই
সোণগুটি চটিয়াবলৈ দিয়ে কাননবোৰক
জুখিবলৈ মন যায়।

আগৰ দৰেই আছানে তুমি
শুকান ফ্ৰেম এটাত হৃদয়খন আবদ্ধ কৰি
কেল্‌টীয়ৰ পৰা আৰ্যলৈকে
আৰ্য-অনাৰ্যৰ সংঘৰ্ষ বৰ্ণিত নোটবুকটো
বুকুত সযতনে সুমুৱাই আহ-যাহ চলেনে এতিয়াও;
প্ৰতিটো ডিপাৰ্টমেন্টৰ বাৰান্দাৰ খুটাক
তোমাৰ চকুযুৰিৰ নীলাবোৰক পঢ়াই পঢ়াই
নিজ ডিপাৰ্টমেন্টলৈ বুলি।

সেই লাহী হাঁহি
প্ৰতিজন যুৱকক দিৱানা কৰা কইনা বুলীয়া খোজ
বাজেনে এতিয়াও কলেজ ৰোডৰ ফুটপাথত
তোমাৰ পায়েলৰ শব্দ—
জুন্ জুন্ জুন্...,
ঠিকে আছেনে নিশা
কলিজা গৰকি পাৰ হৈ যোৱা লাৱণ্য ভূগোল তথা
অনবৰতে ডেমকেয়াৰ ডেমকেয়াৰ লগা মুখখন?
তোমালোকবোৰৰ ইমান অভিনয়-ঠগ্‌বাজ
উস্, কছমেটিকৰ মাক্স ধৰিবই নোৱাৰি।

ঐ, নেভাবো বুলিও ভাবি পেলাও তোমাক...
পূৰ্ণিমাৰ ৰাতি হেনো হৃদয় গঢ়াৰ ৰেৱাজ কৰিছিলা
হোষ্টেলৰ চাদত লাজুক কৰি তুলিছিলা
বিশাল আকাশলৈ বুলি ঢাপলি মেলা
প্ৰেমৰ গজালিবোৰক
আৰু এতিয়া ক্ৰমশঃ
বন্ধ কৰিবলৈ শিকা তোমাৰ কল্পনা বিলাসী সুৰ।

পূৰ্ণিমাৰ ৰাতি
এটি নষ্ট জোনে ৰাউচি জুৰি থাকে দন্যতাৰে
একেই ব্যস্ততা... একেই কামনা...
জবকাৰ্ডৰ সকীয়নি... ইন্টাৰভিউত নতভাৰ...
জীৱনৰ সংগ্ৰামে হেৰুৱাই পেলাইছে মৰমৰ আবদাৰ।
তিনিটকীয়া চাউল... বিনামূলীয়া ঘৰ...
পঞ্চায়তত ভীৰ... গুভাইত দালালক কাকুতি,
এইবোৰেই আমিবোৰৰ মাতাল ব্যস্ততা।

আমাৰ আশা... আমাৰ প্ৰেম... !

ধুৰ্, তোমালোকে সভ্যতাৰ উইচিৰিঙা
প্ৰেম উলংগ আশা ভুল
ৰিচৰা কি?
পকেটত টকা, পালচাৰ টু-টুৱেন্টি, মাল্টিমেডিয়া চে'ল
এইবোৰ নহ'লে কি হৃদয় বেসুৰা?
কেতিয়াবা ৰিম'ট দবাই দবাই নিউজ চেনেল পালে চাবা
ধ্বংসৰ ৰংগমেলাত ৰং চটিওৱাত ব্যস্ত হৈ পৰা ৰজা-প্ৰজাক
অস্তিত্বহীন সংগ্ৰামীৰ নেঠু ছিগা অৱস্থাক।

নিশা,
বৰকৈ চকুলোৰ ঢৌ উঠিছে জোনৰ দুগালত
জীৱন আৰু উল্লাস মৃত্যুৰ যজ্ঞ
আজৰ সন্তানৰ আহুতি
গায়ত্ৰীৰত শাসক দল
সাঁথৰ হৈ ভুমুকি মাৰে ৰাজনীতি
নুসুধিবা সেইবাবেই কান্দিছে নেকি?

হৃদয়াবেগ বনাম নষ্ট অনুভূতি।

আগৰ দৰেই আছানে তুমি?
এতিয়া পূৰ্ণিমাৰ ৰাতি বাহিৰলৈ নোলাবা
নষ্ট এটি জোনে কান্দি আছে ৰাউচি জুৰি
আৰু আমাৰ ঘৰৰ মূধচৰ শালিকীযুৰি!
চুটি ঠোঁটৰ পোনাটো ঠৰঙা শীতত মৰি থাকিল...।OO

# চাৰিআলি চ'কত আড্ডা মৰা আমিবোৰ বে'কাৰ ল'ৰা

✍ মুন্না ডেকা
প্ৰাক্তন ছাত্ৰ

চাৰিআলি চ'কত আড্ডা মৰা
আমিবোৰ বে'কাৰ ল'ৰা—
বিশ্বাস কৰক
সুহুঁৰি বজাই অশ্লীল ইঙ্গিতেৰে ছোৱালী জোকোৱা
আমাৰ অভ্যাস নাই
তথাপিও ছোৱালীবোৰে কয় আমিবোৰ হেনো বদমাছ।

হেৰৌ ছোৱালী, তোমাৰ ফটোখন মানিবেগত ৰাখোতেই
বুকুত ওলমি থকা ৰঙা বেলুনটোত খোচ মাৰি দি
আঁতৰি যোৱা কিয়?

কি ভাবা—
আমাৰ ফাটি-ছিৰি শতচ্ছিন্ন হোৱা কাপোৰবোৰৰ মাজতো কি
ধপ্-ধপাই থকা এখন কলিজা নাই?
এবাৰ চুই চোৱা—
অৱশ্যে নগ্ন প্ৰেমৰ উদ্যমত তোমাৰ দেহৰ স্নায়ুবোৰ
বিকল হৈ যোৱাতো স্বাভাৱিক।

এতিয়াতো সকলো কথা স্বাভাৱিক—

আমাৰ দৰে ল'ৰাই দিব নোৱাৰিব পাৰো
ৰেষ্টুৰেন্ট, নৈশ ক্লাৱৰ আধুনিক প্ৰেমৰ মজা
আমাৰ সৈতে কনট্ৰাচেপ্টিভ প্ৰেমৰ আমেজ নাপাব পাৰা
পাবা মাথোঁ হৃদয়ৰ গোপন কুঠৰীৰ এবুকু নিভাঁজ ভালপোৱা
তোমাৰ বাবে গুৱাহাটী-মঙলদৈৰ ফুটপাথে ফুটপাথে চিঞৰি
ফুৰিব পাৰো
ভালপাওঁ তোমাক— তুমি মোৰ বুলি।
শদিয়াৰ পৰা ধুবুৰীলৈ বাটে-ঘাটে পোষ্টাৰ লগাই ফুৰিব পাৰো
তোমাৰ আৰু মোৰ, আমাৰ—
কিন্তু তুমি হেৰালা বুলিয়েই বুকুত গজা তোমাৰ পেইন্টিংখন
মচি পেলাব নোৱাৰো।
চাৰিআলি চ'কত আড্ডা মৰা
আমিবোৰ বে'কাৰ ল'ৰা—
বজাৰ দৰত মলঙ্গা আমাৰ জীৱনৰ অস্তিত্ব।

ক'কাকোলা, থামচ্ আপ খোৱাদি
প্ৰৱঞ্চনা, দাসত্ব, উৎকোচ, দুনীতি
আদি শব্দৰ নতজানু হৈ সেইবোৰ গলবীকৰণ কৰিব
নোৱাৰো বাবেই পৃথিৱীখন আমাৰ বাবে নিমিলা এটা জটিল অংক।

চচ্মাৰ ক'লা গ্লাচেৰে পৃথিৱীখনক অধিক—
ক'লা কৰি ল'ব নোৱাৰো বাবেই
সমাজত আমি নগণ্য অৱহেলিত দুৰ্গন্ধময় আৱৰ্জনা।

কেনেকৈ মানুহে ইমান সহজভাবে ল'ব পাৰে
তেজ লগা কামিজৰ গোন্ধ, ক্ষমতাশালীৰ লুটপাত
প্ৰৱঞ্চনা, টকাৰ মালা পিন্ধা মন্ত্ৰীৰ মিছা আশ্বাস কিম্বা
খুচি খুচি হত্যা কৰা গজলীয়া ডেকাৰ মনৰ যন্ত্ৰণা।

ঐ ভাই, বেকাৰ ল'ৰা আমি
পাৰ্চ খোচৰিলেও পইচা নোপোৱা
তাৰ ঠাইত পাব পাৰা নষ্ট দিনৰ কেইটামান আধালিখা কবিতা
হেৰোৱা প্ৰেয়সীৰ ফটো কেইখনমান, চাকৰিৰ বিজ্ঞাপনৰ
কাগজৰ টুকুৰা।
আৰু একবিংশ শতিকাৰ গোট মাৰি শিল হোৱা কলিজাবোৰ
গলাবলৈ
একুৰা জুই।

কিন্তু ভুলতে হ'লেও এবাৰ সুধি চাবা চোন
বাটৰ ভিক্ষাৰী, বেশ্যা, ধৰ্ষিতা নাৰী, ভোকত আওমৰণে মৰা
কৃষক
অথবা শুনি চাবা হাজাৰ বেকাৰৰ মুক্ত স্বীকাৰোক্তি
কিয় ৰণৰ দামামা বাজে আমাৰ দৰে ল'ৰাৰ বুকুত,
সুধি চাবা কি কয় সিহঁতে।

ৰাতিৰ আন্ধাৰবোৰ দিনৰ পোহৰৰ সৈতে মিহলাই
মদ খায় উৰুৱাই দিব নিশিকিলো বাবেই
আমিবোৰ কুন্ধচ, অৱহেলিত—
দহজনৰ দৰে বনলৈ যোৱাও নহ'ল
এশজনৰ দৰে বিদেশত বাহৰ পাতি
জৰাজীৰ্ণ ঘৰখনলৈ আনমনা হৈ মুখ লুকুৱাবলৈও নহ'ল
ৰাজনীতি কৰাও নহ'ল, সমাজ সংস্কাৰৰ কথাও
এতিয়া মাত্ৰ প্ৰহসন।

চাৰিআলি চ'কত আড্ডা মৰা
আমিবোৰ বে'কাৰ ল'ৰা
বিশ্বাস কৰক, আন্ধাৰত আড্ডা মৰা অভ্যাস আমাৰ নাই।OO

# মই বিলীন হওঁ

✍ ভাৰ্গৱ কুমাৰ বৰুৱা
প্ৰাক্তন ছাত্ৰ

তুমি বাৰে বাৰে
কিয় কৰা এনেকুৱা
মোৰ শাৰদীয় গধূলিবোৰ,
শেৱালি শেৱালি ৰাতিবোৰ,
মদৰুৱা আবেলিবোৰ
মোৰ পৰা চুৰ কৰা
জোনৰ দেশলৈ।
তুমিতো তাতেই থাকা
মেঘৰ বুকুৰে বুকুৰে দৌৰি,
আৰু মই চাই ৰওঁ মাথোঁ তোমাক মোৰ পৃথিৱীৰ পৰা।
আস! তোমাক এবাৰ চুই চাব খোজা হেপাহঁবোৰ,
তোমাৰ চুলিৰ বতাহত আহিব খোজা ঘুমটিটো,
আৰু ঘুমটিত বগাব খোজা সপোন লতাবোৰ.....
মই ইয়াৰ পৰাই তোমাৰ ওঁঠৰ হেলনীয়াখিনি চুমিব খুজি
বাৰে বাৰে ওঁঠযুৰি হেলনীয়া কৰি দিও আলাসত।
এৰা! কি এন্ধাৰ, কি পোহৰ
তোমাক সকলোতে চুই চাব খোজো 'জোনটো'।
চাবা তোমাৰ এই পগলা প্ৰেমিকৰ
চুমাৰ শব্দই তোমাৰ গানত যতি লগাব।
মোৰ হিয়াৰ খবৰ আঁৰি থোৱা মেঘবোৰ
বৰষিব তোমাৰ বুকুত চিপ্ চিপ্ চিপ্ চিপ্।
তুমিটো তাতেই থাকা নিজতে বিলীন হৈ
আৰু মই বিলীন হওঁ তোমাক বিচাৰি
তোমাৰ ওঁঠৰ হেলনীয়াত, তোমাৰ চুলিৰ বতাহত
তোমাৰ শ্ৰাৱণী অভিমানবোৰত
তোমাৰ দেহৰ ভূগোলৰ আটাইতকৈ
আলসুৱাখিনিত গোপনে মোৰ সপোনত।○○



# নীৰৱ নিশা

✍ চন্দ্ৰমা ডেকা
স্নাতক ১ম বৰ্ষ

নীৰৱ, নিস্তব্ধ প্ৰতি নিশা
প্ৰতিটো নিশাতে থাকে
অলেখ ৰঙীণ সপোনে।
যি সপোনে
আকাশৰ জোন-বেলি-তৰাকো
সামৰি লয়।
নিশাৰ আকাশত প্ৰাণ পাই উঠা
জিক্‌মিক্ তৰাবোৰো
মোৰ সপোনৰ অন্তৰ্ভূক্ত।
নীৰৱতাই যেতিয়া আৱৰি ধৰে
এই মায়াময় পৃথিৱী,
প্ৰাণ পাই উঠে
প্ৰেমাসিক্ত মোৰ ৰঙীণ সপোন।
নীৰৱ, নিস্তব্ধ নিশাবোৰত
জোনাকৰ প্ৰেৰণাৰে ভৰি পৰে
মোৰ মন।
নীৰৱতাত হেৰাই যাওঁ মই
অতীতৰ স্মৃতিত।
যি স্মৃতিত কলীয়া ডাৱৰ
এচপৰায়ো ভুমুকি মাৰে।
লগতে আছে এমুঠি দুখ,
তথাপি দেখো মই সপোন
হৃদয়ৰ সপোন, শান্তিৰ সপোন।

# মাতাল নহ'বা

✍ তাপস শৰ্মা
প্ৰাক্তন ছাত্ৰ


নৈখন পাৰ নহ'বা
সিপাৰত নৰখাদকৰ শাৰী শাৰী গাঁও
পাৰ হ'লেই গোন্ধ পাবা—
মহামাৰীত আক্ৰান্ত কলিজাৰ!

হাঁহি,
অথবা কান্দিয়েই
কিয় ক্ষণ গণিছা মৃত্যুৰ?
নষ্টাল'জিক হোৱাৰ প্ৰয়োজন নাই।

আশা গ'লগৈ,
থাকিলে হয়তো ক'লেহেঁতেন—
'ধুমপান নকৰিবা, অতি বেয়া বস্তু'!

ইয়াতেই অলপ জিৰোৱা,
নাই বাৰিষাৰ ঢল,
মোৰ জুপুৰীটো ভাঙিবলৈ
বলিয়া হাতীও নাহে ইয়ালৈ।

মাতাল নহ'বা,
ময়ো হৃদয়খন বিক্ৰী কৰিলো
এইমাত্ৰ, তোমাৰ দৰেই!OO



# অবুজ কিয় হোৱা

✍ মোস্তাক আলি চিদ্দিক
প্ৰাক্তন ছাত্ৰ

তুমি মোক বুজিও
কিয় বাৰু অবুজ হোৱা
মোৰ হৃদয়ৰ করুণ বিননিৰ
সুৰ শুনিও
নুশুনাৰ ভাও জুৰি
যাব খোজা কিয় আঁতৰি?

মোৰ মন দাপোনত নাচিছিলা
মোৰ হৃদয়ৰ গান শুনি
কৈছিলা বহু
সেইবোৰ গ'লা কিয় পাহৰি?
তুমিটো জানাই
মোৰ হৃদয়ৰ আৰ্তনাদেৰে ভৰা
অমানিশাৰ সেই অতীতবোৰ
তথাপিও কিয় দি যাব খোজা ৰেঙনি?

কি দিম, কি ল'বা
সকলো তোমাৰেই
নক'বা মাথোঁ মোক—
'যোৱাগৈ পাহৰি'!!OO



## মহাবিদ্যালয় অনুভূতি

✍ হিমাক্ষী ডেকা
স্নাতক ২য় বৰ্ষ

কুঁৱলি চত্ৰছায়া, শুভ্ৰতাৰ প্ৰকৃতি ৰূপ যৌৱনত
অঙ্কন অঙ্কুৰ অঙ্গ অচল বাটত।
সংগ্ৰামী তোমাৰ দেহ হয় অজেয়
জ্ঞান গৰিমাত অজ্ঞাত সাৰে আয়।
কোন অজ্ঞাত কুলশীলে চজিলে অজ্ঞেয় যৌৱন কৰি,
অটল উপহুপাৰাতেই তোমাৰ আকৰ্ষণীয় আহৰি।
ধৰ্ম-অধৰ্ম নাই বাচ-বিচাৰ
অধ্যৱসায়ে হয় পৰীক্ষাৰ ঈশ্বৰ।
যাৰ অনভিজ্ঞ আমলখিৰ তলত,
অনাগত কেঁচা প্ৰেমৰ বিগত।
সিওঁ আজি অন্তঃসত্ত্বাৰ গহ্বৰা,
অবৈধ স্বাক্ষৰ কাৰ হ'বনো কইনা।
ইলেক্‌চনৰ সময়ত অপৰিচিত মুখাত,
ৰহস্যময় হয় অবিৰাম যাত্ৰাত।
খিলঞ্জীয়া খাটি খোৱা শিক্ষাগুৰুৰ মনোবাঞ্ছাৰ চালুকীয়া,
নকৰো কাকো অবহেলা, আমাৰ ভৱিষ্যৎ চিক্‌মিকীয়া।
গ্ৰন্থগাৰো হ'ল দুখীয়াৰ আপদ
পৰীক্ষাৰ সময়ত কৰে সম্পদ।
শুনা, দহৰ ভিতৰত দুজনেহে যায়,
আঠোজনৰ মিছা অভিলাস, দুজন নিৰুপায়।
অৰ্থনীতিও দুৰ্ভগীয়া, পৰিদৰ্শক অহাৰ বাটত
সকলোৰে জাগা জননীৰ খোজত।
হোষ্টেলৰ খিৰিকীৰে ভমুকিয়ালেও
নকৰে-কোনোৱে সঁচা প্ৰতিবাদ,
কলেজ সপ্তাহত জ্বলন হয় প্ৰতিভাবোৰ আদৰি
ভয় খাও আশা বাস্তৱক সুঁৱৰি।
এন. এচ. এচ., এন. চি. চি.এ আনে সমাজৰ জীৱন্ত
অপদাৰ্থও হয় দেশৰ দৃষ্টান্ত।
আহিছে এদিন যাবওঁ এদিন
শোকাকোল যদিও দুৰ্লভ জীৱন।
তথাপিও খ্যাত হয় হৃদয়ৰ গৰল
নিৰ্মিত হয় মহাবিদ্যালয়ৰ অনুভূতি চগুল।OO

## লুইতপৰীয়া সাধু

✍ পাপৰী কৌশিক
স্নাতক ২য় বৰ্ষ

পিতাই বান আহিছে
সৌৱা,
বৰলুইতৰ বলীয়া বান।
গো-গ্ৰাসে গিলিবলৈ গাঁওখন
এইবেলিও আহিছে,
বৰলুইতৰ বলীয়া বান।
যোৱাবেলিৰ বানে যে
হালৰ কজলা বলধটোৰ
স'তে মিতিৰালি পাতিছিল
পিতাই, তোৰ জানো মনত নাই?
ক'ত আমাৰ সোণৰ সপোনৰ
সোণগুটিৰ পথাৰ?
আয়ে চাকি জ্বলোৱা ভঁৰালটোও তেনেই উদং।
আমাৰ আশ্ৰয়ৰ পথাৰখনত
লুইতৰ নটৰাজী নৃত্য।
লুইতপৰীয়াৰ বছৰৰ আশা
লুইতৰ ওপঙা পানীৰ বুকুত...।
চাচোন চা পিতাই,
তোৰ কষ্টৰ ইকৰাৰ বেৰখনে
সহিছে নীৰৱে লুইতৰ অত্যাচাৰ।
পিতাই যাওঁগে ব'ল,
লুইতৰ ওপঙা পানীৰ স'তে
মিতিৰালি নাপাতো আমি...।
আমি যে লুইত পৰীয়া তেনেই নিঠৰুৱা...।OO



## শব্দময়তা

✍ সঙ্গীতা বৰুৱা
স্নাতক ৩য় বৰ্ষ

সম্ভৱত ঃ তোমাৰ বিদায়ৰ পাছতেই
আৰম্ভ হৈছিল প্ৰথমজাক
দোপালপিটা বৰষুণ।
গাজনিত চিৰিলা-চিৰিল হৈছিল হৃদয়
তোমাৰ অনুপস্থিতিতেই
চিৰদিনৰ বাবে শায়িত হৈছিল
উচ্ছল হেঁপাহ মোৰ।
শব্দয়ো আঘাত কৰিছিল বাৰে বাৰে
মোৰ নিভৃতৰ নীৰৱতাক
সম্ভৱতঃ জীঘাংসু কোলাহলত
স্তিমিত হৈ পৰিছিল
নীৰৱ নিৰ্জন গধূলি...
পৰা হ'লে উটুৱাব চৌপাশৰ
এই শব্দময় অস্থিৰ গতিশীলতা
প্ৰশান্ত জলধিৰ প্ৰৱাহমানতাত
প্ৰোথিত কৰিলোহেঁতেন জীৱন।
নৈঃশব্দৰ পৰা নিঃসৰিত শান্তি বিচাৰি
শব্দৰ হেজাৰ পদধ্বনিৰ পৰা
শতেক যোজন আঁতৰত
অলসভাৱে থাকিলোহেঁতেন পৰি।
সম্ভৱতঃ তুমি যোৱাৰ পিছৰে পৰাই
বিচাৰি আছো
অন্তহীন শব্দৰ মিছিলৰ পৰা
চিৰদিনৰ বাবে চিৰ মুক্তি...।OO

## এটা নবীন প্ৰভাত

✍ জিনুমা বৰ্মন
স্নাতক ১য় বৰ্ষ

এয়া স্বপ্নভঙ্গৰ জয়াল নিশা
পৃথিৱীত মুষলধাৰ তেজ বৰষুণ
আলসুৱা সেউজীয়া ঘাঁহনিডৰাত
এজাক শাৰ্দূলৰ চুৰিকাঘাত।

ৰূপহী অসমৰ সোণাৰু গৰিমা আজি ক'ত?
বুঢ়ালুইতৰ পাৰৰ
অসমৰ ৰণুৱা ডেকা ক'ত?
চাউলুং চুকাফাৰ সাতখলপীয়া আহোম সিংহাখনৰ মৰ্যাদা ক'ত?

সৌৱা, শুনিবানে?
পৰ্বত, ভৈয়াম, নগাপাহাৰ, খাচীপাহাৰ
চৰাইদেউ ভেদি বৰষিছে বাৰুদ।
তেজে চিৰাল ফাঁটি মেলিছে।
ৰক্তাক্ত বিবৰ্ণ মোৰ স্বদেশ
এৰা দুঃসময়। এয়া যে দুখৰ ৰাতি
ৰঙীন কল্পনা অৱলুপ্ত কৰিবলৈ
উদীপ্ত তেজৰ কৰুণ মৃত্যু।


কিন্তু প্ৰতিবাদ?
সময়ে আজি তোমাক আহ্বান কৰিছে
আইৰ বুকুৰ উম লৈ তুমি ৰচিব লাগিব
সেউজ স্বপ্ন...
আড়ষ্ট জনতাক জাগ্ৰত কৰি
কাল চেতনাৰ বীভৎস আঁচনি ধ্বংস কৰিবা তুমিয়েই।

বিনষ্ট হ'ব অভিচাৰী ক্ষমতা।
অসীম তৃপ্তিত আইৰ বুকু জুৰ পৰিব
অৰুণৰ হিৰন্ময়ী আভাৰে ৰঙচুৱা হৈ ওলাব
এটা নবীন প্ৰভাত
বিশ্বৰ মুক্ত নীলিম আকাশত উৰিব
বিজয় আৰু শান্তিৰ পতাকা
চৌদিশে মুখৰিত হ'ব
জয় ভাৰতৰ জয়
জয় অসমৰ জয়
জয় নবাগতৰ জয়...।OO

# এটি পল

✍ কৃষ্ণ কলিতা
স্নাতক ৩য় বৰ্ষ

এটি পলত তুমি হাঁহিছা,
তোমাৰ দুচকুৰ পতাত ভাহি
উঠিছে জোনাকৰ খেলা,
সন্ধানপ্ৰাপ্তি পথিকে আনন্দত
আত্মহাৰা হোৱাৰ দৰে
তুমি উদাত্ত কণ্ঠেৰে চিঞৰিছা...
মই নীৰৱে চকুলো টুকিছো
অশ্ৰুধাৰাৰে জীৱনৰ সমস্ত
বেদনা ধুই ম্লান কৰিছো
এটি পলত তুমি,
গভীৰ নিদ্ৰাৰত
দুখ-ভাগৰৰ অনুপস্থিতিত
এটি জীপাল, ৰোমান্টিক
নতুবা কৌতুহলপূৰ্ণ সপোনৰ অপেক্ষাৰত।
আৰু মই, উজাগৰে পাৰ কৰিছো
গোটেই ৰাতি চকু মুদিলেই হতাশা,
ব্যৰ্থতাৰ নিদাৰুণ আঘাতে বেৰি ধৰে।
আশাৰ গজালি সপোন মোৰ
নিৰাশাৰ দাপোনত মৰহি যায়।
এটি পলত তুমি,
তোমাৰ বিজয়ৰ আত্ম স্বাৰ্থ পূৰণৰ
নতুবা কোনো আত্মীয়ৰ জীৱন দানৰ
কাৰণে ভগৱানক উলহ মালহেৰে
পূজা-অৰ্চনা কৰিছা।
হেঁপাহ পলুৱাই দান কৰিছা ভিক্ষাৰীক,
পেট ভৰাই খুৱাইছা তোমাৰ পোহনীয়া
প্ৰভুভক্ত দূত প্ৰহৰীক
কিয় ?
তোমাৰ দোষ-কলংকৰ চাপ ঢাকি
ৰাখিবলৈ লোৱা এয়া এক
পদক্ষেপ নহয়নে?
আৰু মই
জীৱনৰ লালসাত বাকৰুদ্ধ হৈ
নীৰৱে চাই আছো দূৰৈৰ পৰা
বিস্ফোৰিত হ'ব ধৰিছে



মোৰ হৃদয়ৰ ভাষা,
আজি প্ৰাণ খুলি হাঁহিব পাৰিছো
মিছা প্ৰলোভন, অহংকাৰ, হিংসা
দুস্বপ্ন, ধৰ্ষণ, হত্যাই যদি
জীৱন কৰি তোলে মহিসাময়!
তেন্তে মোক তেনে হাজাৰজন
গুণমুগ্ধৰ আশীৰ্বাদৰ কোনো প্ৰয়োজন নাই।
এটি পল,
যিদিনা তুমি সংগীহীন
তুমি সকলো হেৰুৱালা
আশ্ৰয়হীনা হৈ অকলে ফুৰিছা
তোমাৰ এসময়ৰ মূল্যবান বক্তব্যৰ
ওঁঠ দুটি কিয় কঁপিছে থৰ্থৰ্কৈ?
শীতৰ ৰাতি জুইশালত বহি থকা
হাড় ভগা খেতিয়কৰ দৰে,
মোতকৈ তুমি বেছ ভালদৰে অনুভৱ কৰিছা
হৃদৰোগত আক্ৰান্ত হৈ অথচ এটি
শব্দ কৰিব নোৱাৰা
সেই একেটি পলত
মই দেখিছো—
কলীয়া ডাৱৰে পূৰ্ণিমাৰ জোনটি ঢকাৰ দৰে
অন্ধকাৰে আৱৰি ধৰিছে তোমাক
বিশ্বাস মোৰ দৃঢ়—
এটি পলত
কোনোৱে প্ৰাণ খুলি হাঁহিলেও
কোনোৱে চকুৰ লোতকৰে নিজৰা বোৱাই
সোণৰ পালেঙত গভীৰ টোপনি গ'লেও
কোনোৱে উজাগৰী ৰাতিৰ ক্ষণ গণে
ধ্বংস কৰিছে নিজৰ স্বাৰ্থত
আন কোনোৱে সৃষ্টিৰ সপোন দেখিছে
যদি পুৰস্কাৰেৰে সন্মানিত হয়
শাস্তিৰে কোনো অপমানিত হৈছে
আৰু আজিও এটি পলত
কোনোৱা চঞ্চলা গাভৰুৱে এৰি থৈ যোৱা
বাৰিষাৰ চঞ্চলা আকাশত
প্ৰেমত মতলীয়া প্ৰেমিকে
বিচাৰি পাইছে শৰৎ
ক্ৰমাৎ নীলাত হেৰাই গৈছে
কবিতা আওৱাইছে—
'তোমাৰ দুচকুত সাগৰৰ এচামুচ নীলা'।OO


# গায়ত্ৰী বৰুৱাৰ দুচকুত জ্বলিছে ভালপোৱাৰ টিউব লাইট

✍ অনুভৱ শইকীয়া
প্ৰাক্তন ছাত্ৰ

চাহগছৰ মাজত জোনাক নিশাৰ
সুবাস লগা গাঁও এখনৰ পৰা তুমি
আহিছা চহৰৰ দামী কলেজখনলৈ...
বুকুত মুঠি মুঠি স্বপ্নৰ মালিতা বান্ধি।

গাৰ্লচ হোষ্টেলৰ এটি আবেলি আবেলি
গোন্ধত দুচকু 'প্লাছ' দুচকুৰ মুখামুখি
হওঁতে তোমাৰ নীলাভ চাৱনি...
মোৰ বুকুত নিদাৰুণভাৱে পোখাইছিল
এটা অনুভৱৰ গোলাপ...

এদিন অনুভৱৰ গোলাপটোক
তোমাৰ ওচৰলৈ লৈ যোৱা হৈছিল সংগোপনে
হালধীয়া হৈ পকা সুমথিৰাৰ দৰে
তোমাৰ ওচৰত হৃদয় বাকি দিছিলো
অনুভৱৰ সুগন্ধি...



তেতিয়া যেন ক'ৰবাৰ পৰা বৈ আহিছিল
মোৰ আকুলতাত তোমাৰ অনুৰাগৰ গান
সেই অনুৰাগৰ তৃপ্তিত তোমাৰ দেহত
বোৱাই দিয়াৰ কথা আছিল
উত্ৰাল যৌৱনৰ এজাক বৰষুণ...
মোৰ সমস্ত আৱেগক বেত্ৰাঘাত কৰি
তুমি পিন্ধাইছিলা যন্ত্ৰণাৰ পোছাক
ময়ো আছো দিয়া...
যন্ত্ৰণাৰ পোছাক পিন্ধি আকৌ ব'হাগ আহিব বুলি
ভালপোৱাৰ ঋতুত......
পিছে তুমি এতিয়া অনুভৱৰ শেতেলীত
শুই শুই কিহৰ সপোন দেখা
স্বপ্নৰ ৰাজকোঁৱৰৰ নে আন কাৰোবাৰ
বৰষুণত এতিয়াও লোৱানে বেঙুনীয়া ছাতি
কমলাৰঙী চুৰিদাৰযোৰ বেছিকৈ পিন্ধানে...!

যিহেতু ৰঙীন হৈ থাকিলে মোৰো অনুভৱ
উৰি যায় তোমাৰ ওচৰলৈ
এতিয়াওঁ হোষ্টেলৰ কৰিডৰ কঁপাই পঢ়ানে
গোপনে হৃদয় ভঙা যুৱকৰ
ভালপোৱাৰ কবিতা.....
পিছে....
বাথৰুমত সোমাওঁতে বহুজাতিক কোম্পানীৰ
চাবোনক নুসুধিবা বুকুত কিমান ফেন উঠিলে
থাৰ্ড ইয়েৰৰ কাৰোবাক বুকুত ঠিকনা দিব পাৰি
ওখ হিলৰ চেণ্ডেল পিন্ধি বৰকৈ ঘূৰি নুফুৰিবা
কলেজ উইকৰ শেষ সন্ধ্যা অডিটৰিয়াম
হ'লত উজুটি খাব পাৰা কাৰোবাৰ
দুচকুৰ ফেনিল জল তৰংগত...
কলেজীয়া নতুন বতাহৰ নিশ্বাসত
নিঃসংগতাক সাৱতি পাহৰণিৰ উল নুগুঠিবা
হোষ্টেলৰ হেঙুলীয়া আড্ডাত কাকো
নুসুধিবা কিমান ফিলিংগছ আহিলে
ভালপোৱা জাগে...
যিহেতু তুমি গ'ম নাপালা
কাক অকালতে হেৰুৱাই অকলশৰীয়া হ'লো
নুবুজিলা...
মাৰ আখলৰ ধোঁৱাৰ তাপ মোৰ কিমান
পুৰণি...
দৰকাৰ হ'লে তোমাৰ দেউতাৰাক কৈ দিবা
মোৰ ভালপোৱাৰ ঋতুৰ পত্ৰখন
এটাষ্টেড কৰি দিবলৈ...
যিহেতু মই বুকুত সাঁৱটি আছো অ'তদিনে
এটা নষ্টালজিয়াক
ভুলতো তুমি এইবাৰ মোক
নাৰ্ভাছ্ নকৰিবা
মোৰ জীৱনৰ স্বপ্ন ভঙ্গৰ সাধুকথা শুনি।OO

# কবিৰ বিচ্ছিন্নবাদী চিন্তা


✍ প্ৰণৱজ্যোতি নাথ
স্নাতক ১ম বৰ্ষ

এইয়া ধোঁৱা নে কুঁৱলি...?
ৰক্ত নে অমৃত ৰস...?
কুলিৰ শব্দ নে
বন্দুকৰ গুলি...?
নাই নিচিনি, একোকে নমনি।

টিভিৰ পৰ্দাত একোকে নমনি—
সভ্য সমাজ নে বৰ্বৰ সমাজখনি
নে বিজ্ঞানৰ বোকোচাত উঠি
বহিঃবিশ্বত উপনিৱেশ পতাৰ গুণ-গুণনি—
এড্‌ভাৰটাইজত গণেশ গুৰিৰ বোমাৰ গুম্-গুমনি......?
চিঃ শঙ্কৰদেৱৰ ঘোষাটি...
আৰ. জে.ৰ বাৰে-বঙলুৱা
কথাবোৰৰ পৰা একো নুশুনি।

উৱা! হাইপাৱাৰ চশ্‌মাযোৰেও
আজি মোৰ ফালে পিঠি দিলে,
বাতৰি কাকতৰ পিঠিত থকা
শব্দবোৰে চকুত কিলালে।
প্ৰথম পৃষ্ঠাত নাৰী ধৰ্ষণ
ছিপাঝাৰৰ নিচেই কাষত
বেংকৰ কেচিয়াৰক হত্যা...
দ্বিতীয় পৃষ্ঠাত হেম ভাইৰ শান্তি যাত্ৰা,
বৰপেটা ধামত গুৰু জয়ন্তীৰ সুখৰ বণ্যা।

এইডাল জখলা সোণৰ নে ৰূপৰ
সভ্য সমাজখন ওপৰলৈ নামিছে নে উঠিছে...?
নমনি.... হায়! একোকে নমনি
এইয়া বোমা-বাৰুদৰ ডাঠ কুঁৱলি!○○



# মনালিছা

✍ আমিনা আহমেদ
স্নাতক ১ম বৰ্ষ

তোমাৰ হাঁহিত মুগ্ধ বিশ্ব অ' মনালিছা।
ৰূপেৰে ভুলাই ইটালিয়ানৰ হ'লা ভাৰ্যা।।
নহয়, তুমি ফ্ৰান্সিচক' ডেল নিঅ'কনড'ৰ প্ৰিয়া।
ৰূপৱতী মডেল ছাগে অন্য নাম মেড'নালিছা।।
হয়তো প্ৰতিচ্ছবি এৰাগনাৰ ইছাবেলৰ তুমি।
'বিখ্যাত হ'ল নিউনাৰ্ভ' ভিন্সিৰ প্ৰতিচ্ছবি বুলি।।
কনড'ই হৃদয়ঞ্জী পত্নীক যুগমীয়া কৰিবলৈ।
দিছিল লিঅ' ন্যাভ দা ভিঞ্চিক প্ৰতিকৃতি আঁকিবলৈ।।
এনমিয়াৰীৰ যুদ্ধৰ ছবি ভিঞ্চিয়ে মনোকৃষ্টকৈ আঁকে।
হাতৰ বোলত নিদৰ্শন প্ৰতিকৃতি মনালিছা হাঁহে।।
অৱলম্বি ভিন্ন প্ৰক্ৰিয়া দুবছৰত প্ৰতিকৃতি সাজিলে।
নোহোৱাকৈ কিঞ্চিত ক্ষয় পেৰিচৰ লুভ শালত ৰাখিলে।।
ৰহস্যময়ী ন গুণীয়া হাঁহিৰ আতংকত বিশ্ব বিস্মিত।
বিশ্বৰ সবাতোকৈ পুৰণি প্ৰতিকৃতি, বিতৰ্কৰ চিত্ৰ।।
তোমাৰ হাঁহিত আনন্দ, আতংক আৰু আছে বিৰক্তি।
কোমল ওঁঠত বিৰিঙিছে ক্ৰোধ, মৌনতাৰ প্ৰতিনিধি।।○○

# প্ৰিয়তমালৈ অনুৰোধৰ চিঠি

✍ নয়ন কাজল
স্নাতক ১ম বৰ্ষ



হৃদয় আকাশত উৰিছিলো!
উৰি উৰি গৈছিলো,
বহু দূৰলৈ,
আনন্দৰ দুখন ডেউকা মেলি,
আজি সপোন ৰচোঁ আহা
সপোনৰ বৰষুণ জাকত তিতি
তুমি আৰু মই...
চৰাই হৈ আকাশত উৰাৰ সপোন
চিৰকাল চিৰদিন
আমাৰ ভাগৰুৱা দেহবোৰ
শুকাই কৰ্‌কৰীয়া দিয়া মনবোৰ
প্ৰেমৰ সাগৰত ডুবাই, পুনৰ জীপাল কৰো আহাঁ
এসন্ধ্যাৰ আকাশ,
ডুবু-নুডুবুকৈ গৈ থকা সেন্দুৰী সন্ধ্যা বেলি,
আৰু এজাক মলয়া বতাহ
মাতাল হৈ পৰিছিল,
তোমাৰ গোলপীয়া ওঁঠৰ পৰশত
কাজলসনা দুটি নয়নৰ চাৱনিত
আৰু ঢৌ-খেলি, বাহ লগা
তোমাৰ ক'লা-কপিলা চুলিৰ সুবাসত
ৰচিছিলো লুইতৰ বালিময়ী বুকুত
সপোনৰ কাৰেং চাপৰি,
খোজত-খোজ বহুৱাইছিলো
তোমাৰ নামৰ কাষত লিখিছিলো
মোৰ নাম...
উচন হৈ পৰি থকা মোৰ বুকুৰ
বাগিছাত,
তুমিয়েতো ৰুইছিলা ৰঙা গোলাপৰ পুলি,
প্ৰিয়তমা, আঁতৰি নাযাবা তুমি
নেযাবা বহু দূৰলৈকে
বিনম্ৰ অনুৰোধ তোমালৈ,
তুমি আঁতৰিলেই উচন হৈ ৰ'ব
মোৰ হৃদয় বাগিছাখন
মৰহি, শুকাব গোলাপৰ পাহিবোৰ
মাথো মৌন হৈ ৰ'ব, এই পৃথিৱী
আৰু জাহ যাব দুখৰ এন্ধাৰৰ মাজত
তোমালৈ ৰচা আশা আৰু সপোনবোৰ।OO

# এখন প্ৰেম পত্ৰ দিয়া

✍ জুমি আৰা বেগম
স্নাতক ২য় বৰ্ষ

বুকুত সেউজীয়া হৈ থকা নোকোৱা কথাষাৰ
পাৰিম জানো ক'ব কাহানিবা?

অস্থিৰ হৈ পৰা মন স্থিৰ হ'লহেঁতেন
জ্বলি গ'লহেঁতেন এনে বহুত মমশিখা
চিঠি লিখাৰ তাড়নাত
নাইবা
কাগজৰ টুকুৰাৰে পূৰ্ণ হৈ গ'লহেঁতেন
দ দ খাৰৈ
কোমল আঙুলিৰ স্পৰ্শত সাৰ পাই উঠা
নীলা নীলা পাইন গছৰ শাৰীবোৰে
কঢ়িয়াই আনিলেহেঁতেন বিলুপ্ত হ'ব ধৰা
বুকুৰ সেউজীয়াখিনি।
কুৰুকি কুৰুকি শিপাই থকা প্ৰেমৰ শিপাডাল
ফুলে পাতে জাতিষ্কাৰ হ'লহেঁতেন
যদি ক'ব পৰা গ'লহেঁতেন;
তাহানিও ক'ব নোৱাৰা কথাষাৰি
মোক এখন প্ৰেমৰ পত্ৰ দিয়া।OO

# মঙ্গলদৈ মহাবিদ্যালয়

✍ পূৰবী শইকীয়া
স্নাতক ১

হে, জয়তু মঙ্গলদৈ মহাবিদ্যালয়
তুমি আমাৰ জ্ঞানৰ আলয়,
শত-সহস্ৰ বিদ্যাৰ্থী তোমাৰ আশিষ বিচাৰি
বহু দূৰ অতিক্ৰম কৰি
তোমাতে লৈছেহি থিতাপি।
বহু বিদ্যাৰন্ত লোকে অশেষ কষ্টৰে
বিদ্যাৰ্থীসকলৰ বাবে
তোমাক কৰিছিল প্ৰতিষ্ঠা।
তোমাৰ আকাংক্ষাক আগবঢ়াই নিবলৈ
কত শ্ৰমিকৰ আজি
কপালৰ ঘাম মাটিত পৰিছে
কত বিদ্যাৰ্থী তোমাতে শৰণ লৈ
নিজকে কৰিলে উচ্চ শিক্ষিত
সিহঁত আজি নিজেই ধন্য।
সমাজৰ অন্ধকাৰ বিদূৰিত কৰিছা
সমাজৰ উন্নতিত
কিমান যে অৱদান আগবঢ়াইছা।
শিক্ষাৰ বাহিৰেও বিদ্যাৰ্থীৰ হকে
সৰ্বতো দিশত
কিমান যে অতুলনীয় সুবিধা দিছা।
সৰ্বতো শেষত,
হে জয়তু মঙ্গলদৈ মহাবিদ্যালয়
তোমাৰ চৰণ চুমি আশীৰ্বাদ ল'বলৈ,
মোকো দিবানে অলপ ঠাই?
জয় জয় মঙ্গলদৈ মহাবিদ্যালয়।OO



# কবিতাৰ তেজেৰে

✍ ফাতেমা চুলতানা
স্নাতক ১ম বৰ্ষ

তুমি অহালৈ বৈ আছো নীৰৱে,
কবিতাৰ বেদনাবোৰে উত্তেজনাৰ সৈতে
বৈ আছো তোমালৈ বুলি
অভিমানত আতুৰ হৈ।
চকুৰ পতা আজুৰি বৈ আছো তুমি অহাৰ ক্ষণলৈ।
বাৰিষাৰ বানৰ সময়ত
নে
ৰ'দে পোৰা খৰাং বতৰত
আহিবা বকুল-নাহৰৰ মতলীয়া সুবাসবোৰ লৈ?
তুমি লগত লৈ নাহিবা যন্ত্ৰণা
দুখৰ উপহাৰ দিবলৈ,
লগত লৈ নাহিবা বিষাদৰ সন্ধিয়া
দুখৰ সোঁৱৰণী দিবলৈ।
তুমি আহিবা
জুৰিটিৰ মিঠা ৰং লৈ,
পথাৰৰ সেউজীয়া লৈ,
হৃদয়ৰ অনুভূতিবোৰ লৈ,
মই তোমাক আদৰিম
সযতনে কবিতাৰ তেজেৰে।OO

# জোনাক

✍ ভাস্বতী শৰ্মা
স্নাতক ১ম বৰ্ষ


জোনাক, তুমি কেতিয়া আহিবা?
পোন্ধৰদিনীয়া অপেক্ষাৰ অন্তত
তুমি আহিবা নহয়।

তুমি আহিলেহে মই চোতালত বহি
ৰাতিৰ আকাশখন চাওঁ।
অন্ধকাৰ আকাশত তৰা গণি গণি
ক্লান্ত মই।

জানা জোনাক,
যেতিয়া মই তোমাক চাবলৈ
ঢাৰি পাৰি চোতালত বহো
তেতিয়াই মোৰ মুখেৰে
ওলাই আহে এফাঁকি গান
'জোনাকৰে ৰাতি অসমীৰে মাটি
জিলিকি জিলিকি পৰে'...।

তুমি আহিলেই যেন মোৰ মনটো
ৰঙীণ হৈ পৰে।
তুমি আহিলে মনত পৰে সেই ল'ৰালিত
চোতালত বহি আইতাৰ সাধু শুনাৰ কথা
তুমি দেৰি নকৰিবা জোনাক
সোনকালে আহিবা।
মই আছো তোমাৰ অপেক্ষাত।





# জনতাৰ পৃথিৱী

✍ প্ৰীতিৰেখা ডেকা
স্নাতক ১ম বৰ্ষ

বিংশ শতিকাৰ
সভ্যতাৰ পৃথিৱীত
জনতাৰ বিস্ফোৰণ।


জাগৰিত হোৱা
কৰ্মবিমুখী এজাক মানুহৰ
এতিয়া কৰ্মৰ সন্ধান।

বিভিষীকাময়ী বেচেৰা
সিহঁত নিৰপেক্ষ দল,
কিংকৰ্তব্য বিমূঢ় ভোকাতুৰ সিহঁত
মৰ্যাদাৰ বাবে লোভাকৃষ্ট।
সৰগময়ী অমৃত ভাষণত
অপেক্ষাৰত,
এটি দীঘল বাটত।
ৰাজনীতি কিম্বা
স্বাৰ্থৰ কোপত
সিহঁত এতিয়া
জ্বালামুখী... আগ্নেয়গিৰি।
কিন্তু...
সিহঁতৰ কোনো দোষ নাই
প্ৰগতি সিহঁতৰ বিবেকৰ পথত।○○

# এক বিয়োগ এক

✍ নিক্ষশ্ৰী কলিতা
স্নাতক ১ম বৰ্ষ

বাটৰুৱাজনে কি ভাবিছিল মই নেজানো
শীতৰ জৰতাত মোৰ অংগবোৰ
সৰি... সৰি... সৰি... গ'ল।
মই যেন নিঠৰ এটি প্ৰতিবিম্ব
তথাপি জীয়াই আছো মই
কিছুৰে ভাৱে, কিছুৰে কাটে
এইয়েইটো মোৰ বাসনা জীৱনৰ,
মই এটি নিঠৰ প্ৰতিবিম্ব।OO



# কেন্টিন

✍ মৌচুমী কলিতা
স্নাতক ৩য় বৰ্ষ

গাৰ্লছ্ কমন ৰুমৰ বাৰান্দাত গা ঘঁহি ঘঁহি
ক্লান্ত ৰ'দবোৰে যেতিয়া
বয়জ কমন ৰুমৰ দক্ষিণৰ বেৰত শুই পৰে,
আকাশী নীলাৰ চঞ্চল মনবোৰে
তোমাৰ আলিঙ্গন বিচাৰে,
এক চিনাকী তৃপ্তিৰ প্ৰত্যাশাত।
তোমাৰ অজ্ঞাতে দৃষ্টিত ক্ষত-বিক্ষত হ'ব পাৰে
কনফাৰেন্স হলৰ বাৰান্দাৰ আকাশী নীলাৰ শাৰী,
তুমি সাক্ষী বহুতো কেঁচা স্মৃতিৰ
লগতে হাঁহিৰ গুণগুণনিৰ
তোমাৰ উপস্থিতিতেই কঁপে পাই হেৰুৱাৰ বিননি,
তুমি মাথোঁ নীৰৱ দৰ্শক,
ইমান স্বাৰ্থপৰ তুমি।
তোমাৰ উদ্দেশ্যও নিলাজ
তুমি মাথোঁ বিচৰা আকাশী নীলাৰ মিঠা আলিঙ্গন,
য'ত তুমি পোৱা আৰু দিয়া সতেজ তৃপ্তি।OO

# এচমকা জোনাক

✍ কাকলি কলিতা
স্নাতক ১ম বৰ্ষ

শুকুলা মেঘৰ দৰে
আহিছিলা জীৱনলৈ মোৰ
দি গ'লা এক গধুৰ স্মৃতিৰ সঁফুৰা
স্মৃতিক সাৰতি জীয়াই থকাৰ

চেষ্টা কিছু কৰিছো।
কিন্তু, সোঁৱৰণী, সদায় আমনিদায়ক
অতীতলৈ যাবলৈ ভয় লাগে
কিজানি বৰ্তমানটো মোৰ
কষ্টকৰেই হয়।
মই তোমাক আৱেগত
ভালপোৱা নাছিলো
নিস্বাৰ্থ মৰমেই দিছিলো
তুমি হয়তো ল'ব নোৱাৰিলা
মোৰ মৰমবোৰ আকোঁৱালি
স্মৃতিবোৰ দি গ'লা কিয়
যদি জীয়াই ৰাখিবই নোৱাৰা ?OO


# হেৰুৱাৰ ভয় নেহেৰুওৱাৰ...

✍ ৰেখা দেৱী
স্নাতক ৩য় বৰ্ষ

এয়া নীৰৱ কোঠাত
অকলশৰীয়াকৈ বহি আছো
একান্তই তোমাৰ কথাকে ভাবি।

কিন্তু সিপাৰহে পোৱা নাই
মাজে মাজে ব'ঠাডাল ভাঙি যায়
জোৰালেও দেখোন মজবুত নহয়
হঠাৎ অচিনটোৱে
মাৰেহি খুন্দা

চকু মেলিবলৈকো ভয় লাগে,
জানোচা সকলো শেষ হৈ যায়
এয়াই হয়তো প্ৰেম ভালপোৱা
হেৰুওৱাৰ ভয়
নেহেৰুওৱাৰ আনন্দ
পোৱাৰ হাবিয়াস
জয়ৰ আশা
তথাপি কোঠাটিত মই বৰ অকলশৰীয়া।OO



# প্ৰতীক্ষা

✍ কবিতা নাথ
স্নাতক ৩য় বৰ্ষ

কোনোবা অহাৰ প্ৰতীক্ষাত
আহিছো ওলাই,
বুকুত ৰাখিছো যতনাই
সঞ্চয়ৰ টোপোল।

এখোজ-দুখোজকৈ খোজ আগবাঢ়ি
ভাৱনাত বুৰ গৈ
গোলাপ জুপিৰ তললৈ।

কল্পনাসিক্ত মনেৰে বহু প্ৰতীক্ষাৰে
লগ নোপোৱাৰ বেদনাত
ফাগুন অহাৰ বতৰা দিবলৈ
কোনে জগাই শিহৰণ।

তুমি দিয়া সিদিনাৰ মধুৰ স্মৃতিৰে
কাৰ বাবে গাইছিলা গীত
সেই মধুৰ আবেলিত।

তোমাৰেই সুৰ
সেই নীৰৱ শ্ৰোতাৰ
দূৰৈৰ বননি লৈ
বসন্তৰ লাহ-বিলাস সাজি
তোমাৰ গীতৰ সুৰ
আহিছিল ভাহি।OO



# সময় সোঁৰণীৰ এখিলা পাত

✍ গিতালী বৰুৱা
স্নাতক ২য় বৰ্ষ

তুমি আহিব পাৰিবানে?
হৃদয় নদীৰ গৰা খহনীয়াৰ পাৰে পাৰে
খোজত তোমাৰ পাৰ ভঙা নদী
বুকুত মোলৈ মৰমৰ উম লগা চিঠি লৈ
আহিব পাৰিবানে সপোন প্ৰদেশৰ পৰা?
আছেনে তোমাৰ মুখত
বেলিৰ পশ্চিম মুখৰ হাঁহি
ওঁঠত মেঘ মল্লা ৰাগ
নখত বেলিৰ হেঙুলীয়া ৰং
মই কিন্তু চাই আপোন পাহৰা হ'ম
আহিলেও বা কি হ'ব?
আহিলেও বা কি হ'ব জীৱনৰ দুখৰ বেলাত
সময়ৰ সোঁতত সকলো পাহৰি যাবা
সময়, সোঁৰণীৰ এখিলা পাত হৈ ৰ'ব।○○

# সময়

✍ বৰষা শৰ্মা
স্নাতক ১ম বৰ্ষ

আপাততঃ
মোৰ ৰুগ্ন চুবুৰীৰ প্ৰতিটো প্ৰহৰ সাৰে থাকে
এটা সুহুঁৰিৰ বাবে
যিটো সুহুঁৰিয়ে
মথাউৰিৰ লিকৃটোৰে
কঢ়িয়াই আনে ভৰুণ পথাৰৰ গোন্ধ

বাঢ়ি অহা জোনটোৱে
গেৰ ওলোৱা ধানৰ ভিতৰে ভিতৰে
চপ্‌চপীয়া কৰি তোলে
সপোনৰ অৱশেষ
শূণ্যতাত থেকেচা খাই ৰয় চকু
দুলি থকা সময়ে হিচাব নাৰাখে
সন্তীয়া জীৱনৰ খবৰ ...।○○

# অনুৰাগ, তোমাৰ বাবেই

✍ দ্বীপশিখা হাজৰিকা
স্নাতক ১ম বৰ্ষ

তুমি মোক চুই দিয়াচোন
মই স্পৰ্শৰ শীতলতাত
ঘৰ সাজি ভালপাওঁ।
মোৰ কোনো খং নাই,
অলপ অভিমান থাকিব পাৰে
পৰিচয় পোৱা নাই তাৰ।
ভাল পোৱালৈ কিন্তু খং নালাগে
মই তাৰে কচৰৎ কৰো আজিকালি
চোৱা, ইমান ব্যস্ততাৰ মাজতো
কবি হ'ব পাৰো মই,
গোন্ধ ল'ব পাৰো
আঘোণৰ মতলীয়া বতাহ।
কেৱল তোমাৰ বাবেই যে
মই মানুহ হ'বলৈ আগবাঢ়িছো।○○

# শেৱালি গন্ধা শৰতত সেমেকা শীতৰ ভ্ৰমন

✍ বৰ্ণালী শইকীয়া
স্নাতক ১ম বৰ্ষ

বেলিৰ সেমেকা বালিত কৰ্ফাল খাই পৰিবা।
চাক পক্ষী হৈ উৰি নাযাবা।
সৌ চোৰাচোন শিলিখা ডালত কপৌযুৰিৰ ধৰণ
থক্ থক্ কৈ কঁপি সলনি হৈছে সিহঁতৰ দেহ মন
সঁচাকৈয়ে শেৱালি
এয়া শৰতৰ আগমন নেকি ?
দূৰৰিয়ে সুকোমল শেতেলী পাৰিছে,
শেৱালিয়ে বগা সাজ পিন্ধিছে
নৈৰ পাৰত শুকুলা চাদৰ মেলিছে
ৰাতিবোৰ জোনাকৰ প্ৰেমত পৰিছে
লখিমীৰ আগমন ঘটিছে,
তুমি এতিয়াও শৰতৰ সেমেকা অনুভৱ কৰা নাই ?
শৰতে সেউজীয়া কৰি প্ৰকৃতিক মমতাৰ আচলেৰে বান্ধি,
হেমন্ত ঋতুৰ বোকোচাত উঠি আহি আছে আঘোণ।
তোমাৰ, এই সুনীল আকাশত, শেৱালি গন্ধা শৰতত,
আৰু, কিমান দিন বৰষুণ হ'ব ?
শৰৎ, তুমি আহিব পাহৰিলে
মই আৰু নুফুলিম তোমাৰ এই সেমেকা পৰশত।
প্ৰতিটো সেমেকা শীতৰ আগমন
মোৰ বাবে ৰাতি আৰম্ভ হৈ ৰাতি পুৱা শেষ হোৱাৰ এটা নিয়ম
নাওঁ চপাই নিয়া, যাবৰে হ'ল -
এই সেমেকা শীতৰ আবেলিত,
প্ৰতিজোপা শেৱালিৰ সুগন্ধিময় পৰশত
মোৰ জীৱন স্মৃতি বিষাদময় কৰি তোলে
এই ব্যস্ততাময় জগতত আৰু কিমান দিন থাকিব
শৰৎ সাধিনী শেৱালি হৈ... ।OO



# শৰতৰ আনন্দ

✍ হিমাশ্ৰী হাজৰিকা
স্নাতক ৩ য় বৰ্ষ

শৰৎ আহিলেই শেৱালি ফুলে
শৰৎ আহিলেই নিয়ঁৰ পৰে,
শৰতেই কঢ়িয়াই আনে আমালৈ
শেৱালিৰ মিঠা মিঠা সুবাস।

শৰতেই লৈ আহে আমালৈ উৎসৱৰ বতৰা
সকলোৰে মন-প্ৰাণ কৰি তোলে
অধিক আনন্দৰে ভৰা।

শৰতেই আনে শীতল মলয়া বতাহ
যাৰ পৰশত আমি অনুভৱ কৰো
প্ৰকৃতিৰ সৈতে আমাৰ একাত্মতাৰ কথা
এয়াই জানো নহয়
আমাৰ শৰতৰ আনন্দ ?
হয়... এয়াই আমাৰ
শৰতৰ মিঠা আনন্দ ।OO

# চলনা

✍ মহেশ্বৰ ঘোষ
স্নাতক ৩য় বৰ্ষ

আন্ধাৰে ভৰা মোৰ এই জীৱন,
আহিছিলা যে তুমি এক জোনাকৰ জেউতি লৈ।
যেন এই শান্ত অকলশৰীয়া ৰাতিটোত,
অসংখ্য তৰাৰহে তিৰ্‌বিৰণি।
আকাশলৈ চাই আছিলো মই মতলীয়া হৈ।
এই স্থিৰ মলয়াৰ মৃদু পৰশতো মোৰ মন যেন অস্থিৰ।
এয়াই যেন আছিল মোৰ প্ৰথম প্ৰেমৰ জোকাৰণি।
অন্তৰত জ্বলি থকা বনজুই নুমাবলৈ,
লাগে মাথোঁ তোমাৰ অযুত বলিয়া হাঁহি।OO



# সোঁৱৰণী মোৰ মিঠা অনুভূতি

✍ হিমাংশু শৰ্মা
স্নাতক ৩ য় বৰ্ষ

নিসংগতাত সাৰ পোৱা সোঁৱৰণীয়ে
মাথোঁ দুখৰ ৰং ছটিয়াই
বিষাদৰ মালা গাঁঠি বোৱাই দিয়ে
তপ্ত চকুলো।
যন্ত্ৰণাৰ ভৰত টুকুৰা-টুকুৰ হৃদয়ে
সলাই নিথৰ হুমুনিয়াহ।
বসন্তৰ ৰংবিহীন সোঁৱৰণীবোৰ
জীৱন্ত হৈ উঠিলে ভয় লাগে,
আকৌ হেৰুওৱাৰ, আন্ধাৰত কক্‌বকাই ফুৰাৰ
অথবা বেদনাদগ্ধ অৰণ্যত বন্দী হোৱাৰ।
তথাপি বিষাদ সোঁৱৰণীবোৰেই
কেতিয়াবা হৈ পৰে সুখৰ নাও
দুখৰ নৈবোৰ পাৰ হ'বলৈ।
সেয়ে হয়তো সোঁৱৰণী মোৰ
আকাংক্ষিত মিঠা অনুভূতি
কাৰোবাক কাষতে লগ পোৱাৰ কোমল অনুভৱ।OO

# অনুভৱৰ দুটা স্তৱক

✍ পুলকেশ হাজৰিকা
স্নাতক ২য় বৰ্ষ

(১)

মোৰ স্নেহৰ উমত
বাঢ়ি আহিব খোজা ছোৱালীজনী
তোৰ ওঁঠত ইমান অভিমান
কিদৰে লাগি থাকে
যিয়ে মোক কৰি তোলে
প্ৰেমৰ চহকী।


(২)

তই নৈ হৈ বই যাবি
বুকুৱেদি
নাৱেৰে মই ভালপোৱাৰ ঘাটেৰে
হৃদয়খন লৈ উটি যাব সপোন
ঢৌ হোৱাৰ বাসনাৰে...।OO

# বিচ্ছেদ

✍ অনামিকা ৰাজবংশী
স্নাতক ২য় বৰ্ষ

নিভাজ ভালপোৱা
তুমি হয়তো বুজি নোপোৱা
তুমি বুজি নোপোৱা
আনৰ আদৰ, আনৰ হৃদয়ভাব
এবাৰ মাত্ৰ বুজিবলৈ
চেষ্টা কৰা
দেখিবা,
পৃথিৱীৰ সকলো সুখ, ৰূপ লাৱণ্য
তোমাৰ ওচৰত
যেতিয়া লগ পাইছিলো তোমাক
মই জানিছিলো
এদিন হ'লেও, ভঙা যাব
এই ভালপোৱাৰ সাঁকো
কিন্তু ইমান সোনকালে।
ইমান সোনকালে ভাঙিল এই
ভালপোৱাৰ সাঁকো
সৃষ্টিৰ আন এটা নাম ধ্বংস
মিলনৰ আন এটা নাম বিচ্ছেদ
তথাপি বিচ্ছেদক কেন্দ্ৰ কৰিয়েই
জানো গঢ়ি উঠে মিলন
ধ্বংশ কেন্দ্ৰ কৰিয়েই জানো
গঢ়ি উঠে সৃষ্টি?
এবাৰ ভাবি চাবাচোন...
মাত্ৰ এবাৰ...।OO



# ভগ্ন হৃদয়ৰ কবিতা

✍ হিমাংশু শৰ্মা
স্নাতক ২য় বৰ্ষ, কলা

বিচাৰি পালো তোমাৰ দুচকুত,
এটা মিঠা সপোন
মিঠা মিঠা অনুভৱে সহাৰি জনাই
কিছু কিছু আশা
পুৱাৰ নিয়ঁৰে জনাই তোমাৰ খবৰ,
জোনাকে প্ৰেমৰ বাতৰি সোধে
মনৰ মাজত আজি ফুলনি শেৱালি
এপাহ দুপাহ সৰে, মনৰ মণিকোঠাত
পলে পলে অনুভৱ কৰো তোমাক
সেমেকা বতাহজাকে স্পৰ্শ কৰে হৃদয়ত
সাৰ পাই যায় এক ৰাগিনী,
পাব বিচাৰে,
এক মধুৰ প্ৰেমৰ গীত
যি গীতৰ কথা... 'তুমি আৰু মই'।OO

# কঁহুৱাবোৰ হালি-জালি আছে

✍ প্ৰীতিৰেখা ডেকা
স্নাতক ২য় বৰ্ষ

বতাহত কঁহুৱাবোৰ হালি-জালি আছে।
যেন কপাহৰ দৰে উৰি আছে কঁহুৱাবোৰ
ঠিক তেনেকৈ মোৰ মনটোও
উৰিব খোজে তোমাৰ কাষলৈ।
বতাহ জাকৰ লগত উৰি যাব বিচাৰে মোৰ মনটো।
তোমাৰ প্ৰেমত পৰিছো সঁচাকৈ
প্ৰতিটো মুহূৰ্তত মনত পৰে তোমালৈ।
ভয় হয় তুমি মোক পাহৰি যোৱা বুলি।
তোমাৰ প্ৰেমে মোক সঁচাকৈ
বলিয়া কৰিছে।
কহুৱা ফুলিছে মোৰ মনটো আনন্দৰ নাচি উঠিছে
তোমাৰ কাষলে যাবলৈ।OO



## বিনিময় বিচাৰি যুৱাসকলৰ প্ৰতি

✍ প্ৰাঞ্জল ডেকা
স্নাতক তৃতীয় বৰ্ষ

বন্ধু, যি কৰিলা ভালেই কৰিলা
সূতাডাল চিঙি দি
তোমাৰ ভাষাত
চিঙা সুতা এডাল কৰা টান
স্থিতি জড়তাৰ প্ৰয়োগত
সৰু সূতাতকৈ ডাঙৰ সূতা জগতে চিঙে।
তুমিতো জানাই বন্ধু,
তোমাৰ মোৰ মনৰ দৰে।
একেখন বিচনাত বাগৰি কিমান দিন যে খেপিয়াই চালো
প্ৰেয়সীৰ মন...।
কিন্তু ধৰিব নোৱাৰিলো।
বন্ধু, প্ৰথম বহাগতে বিহুৱানখন যে দিছিলা
আঁতৰাই থ'ব পৰা নাই আজিও।
শেষত তুলনা কৰিবলৈ শিকা
বালিক আকাশৰ স'তে,
মাটিক পানীৰ স'তে,
প্ৰেমক বিনিময় নকৰিবা
দোকানত পোৱা পুতলাৰ দৰে। OO

## তুমি মোক পাহৰি গ'লা কিয়

✍ প্ৰাঞ্জল বৰা
প্ৰাক্তন ছাত্ৰ

নিজানৰ আঁৰত দুহাতেৰে লিৰিকি বিদাৰি থকা,
তোমাৰ হৃদয়ৰ ভিতৰৰ,
ৰঙা-নীলা কোমলতাখিনি আজি
ক্ষন্তেকতে লীন হৈ গ'ল কিয়?

মনৰ পূজাৰীক,
গোপনে আঁৰি থোৱা হৃদয় মন আজি
হঠাতে উকা হ'ল কিয়?

বিৰহৰ বেদনা সহিব নোৱাৰা
শান্তিৰ কপৌযুৰি উৰাই দিয়া।
হৃদয়ৰ কোমলতাৰে ভৰা কোঠাতো,
তুমি আজি দানৱলৈ
ৰূপান্তৰিত কৰিলা কিয়?

মোৰ হৃদয়ৰ ৰক্ত জবা মোহাৰি
তুমি মোক পাহৰি গ'লা কিয়?OO

# তুমি তোমাৰ কথা ৰাখিব নোৱাৰিলা

✍ ছাইনা বেগম
স্নাতক ২য় বৰ্ষ

তুমি তোমাৰ কথা ৰাখিব নোৱাৰিলা,
প্ৰথম চিনাকিতেই দিয়া প্ৰতিশ্ৰুতিবোৰ
তুমি পালন নকৰিলা।
অচিনাকি মানুহৰ দৰে গুছি গ'লা
মোৰ জীৱনৰ পৰা।
যিদিনা তোমাক প্ৰথম দেখিছিলো
সেইদিনাই তোমাক হৃদয়ৰ মাজত
সোমোৱাই সপোন দেখিছিলো।
ভাবিছিলো তুমিয়েই মোৰ সকলো আকাংক্ষা।
হয়তো তোমাৰ মাজতেই মই বিচাৰি পাম
সঁচা মৰম।
তুমিয়েই হয়তো হ'বা মোৰ জীৱনৰ প্ৰেৰণা।
এই সকলো বোৰ আশা মোহাৰি থৈ
তুমি গুছি গ'লা
নিষ্ঠুৰ বাস্তৱৰ সৈতে অকলে এৰি।
কিয় গুছি গ'লা তুমি,
নিসংগতাক সংগী কৰি দি?
মই ভবা নাছিলো কেতিয়াও
তুমিও মোক এনেকুৱা কৰিবা!
মোক এন্ধাৰত পেলাই থৈ,
তুমি পোহৰৰ ফালে গতি কৰিলা।
তুমি জানো আহিবা আকৌ
মোৰ ওচৰলৈ?
দিবা জানো আকৌ
প্ৰেমৰ প্ৰতিশ্ৰুতি? ○○



# প্ৰেমৰ সপোন

✍ ৰিজু ৰাণী শৰ্মা
স্নাতক ১ম বৰ্ষ

কেতিয়াবা মোৰ মন যায়
তোমাক ভালপোৱাৰ প্ৰস্তাৱ দিবলৈ
কিন্তু কিয় জানো ভয় লাগে
ইয়াক প্ৰকাশ কৰিবলৈ
মই জানো
প্ৰেম স্বৰ্গীয় দান
তথাপিও...!

আজি-কালিচোন এই স্বৰ্গীয় প্ৰেম
কিনা-বেচাৰ দৰে হয়
বজাৰত
তথাপিও...!

তোমাক বিচাৰো মই
পূৰ্ণিমাৰ জোনাকত
কৃষ্ণপক্ষৰ এন্ধাৰৰ মাজতো
সপোন দেখো মই
তোমাক পোৱাৰ আশাৰে
পাৰ কৰো ক'ত উজাগৰি নিশা
বেদনাৰ অশ্ৰুৰে ক'ত কবিতা লিখো
সপোনৰ মাজত হেৰাই যায়।
তোমাক ভালপোৱাৰ আশা।○○

# প্ৰিয়তমা




✍ মিৰাজুল হক
স্নাতক ২য় বৰ্ষ


তুমি মোৰ প্ৰিয়তমা
মাথো মোৰ প্ৰিয়তমা
তোমাৰ অবিহনে মোৰ
জীৱন আধৰুৱা।
আছিলা যেতিয়া হৈ
হিয়াৰ লগৰী,
সকলোতে দেখিছিলো
তোমাৰ ছবি।
পালা তুমি বিচাৰি
তোমাৰ নতুন ভালপোৱা,
পাহৰিলা মোৰ কথা!
তুমি এদিন গুছি যাবা
মোৰ হৃদয়ৰ ৰক্ত জৰা চিঙি
দিবা মোক মায়াৰে ভৰাই
এই সংসাৰৰ বেদনা।
পাহৰিব খোজা
অতীতৰ দিন আৰু
মায়া ভৰা বৰ্তমান যন্ত্ৰণা।○○



# ঠিকনা ক'ত


✍ মানৱ জ্যোতি চহৰীয়া
স্নাতক ৩য় বৰ্ষ


নিশাৰ চহৰৰ ফুটপাথত
জীৱনৰ দৰদাম কৰা
সিহঁতো এদল মানুহ...
আৰু—
ট্ৰেফিক পুলিচ
নিশাৰ চহৰ ট্ৰেফিক পইন্টত...!

বিলাতী সুৰাৰ দোকানৰ
পিছদুৱাৰৰ পৰা ওলাই অহা
এজন বন্ধুৱে
পথৰ বহলতা জুখিছে।

চিটীবাছৰ শব্দ
ক্ৰমাৎ মাৰ গৈছে
মিউনিছিপালীটিৰ প্ৰস্ৰাৱগাৰৰ দুৰ্গন্ধত।

ন্যায়ালয়ৰ দেৱালত
বিজুলীবাতিৰ যৌনতাত
মহাত্মা গান্ধীৰ হৰতাল।

কেৰেলুৱা এডালে বগাই গৈ
জোনাকক কৈছে—
হেৰৌ, এতিয়া নহয়;
আৰু কিছু শতিকাৰ পিছতহে
তোমাৰ ঠিকনা...।○○

# Human Rights

✍ Narayan Mudoi
*Principle, i/c*

International humanitarian law constitute a system of principles and rules that regulates the conduct of states in International relations rules that are binding on all states. It constitute a broad democratic basis for the progressive forces, struggle for world peace and security, for the protections of human rights and freedoms, for man's right to live in peace and freedom, and to be protected against arbitrary treatment and conscious. if these principles are rejected on their violations incurs international liability of states.

In 1977 united nations General Assembly adopt a resolution, on exercise of human rights and fundamental freedoms. It adopt two principles on International cooperations in promoting Human rights :

(i) Promotion of Human rights and fundamental freedoms in all countries

(ii) Efforts to combat it mass-scale violations of its rights and freedoms. The resolutions underscores the importance of International treaties in reaching these objectives.

This resolution reaffirm the universally accepted principle that the UN promote international cooperation, respect for human rights, and ensure these rights for particular state. The principle of respect for state sovereignties and none interfence in any domestic affairs. The document also point out the priority for mass scale violations of human rights in particularly concern over the continued existence of apartheid, racial discriminations, refusal of certain state to recognized the rights of peoples self determinations.

The existing system monitoring of the observation of human rights and freedom, has demonstrated that complain by individuals about human rights abuses and their examinations by international bodies is not an effective method of international human rights protections, since no international organization can substitute for national bodies in respect of human rights. Dozens of examples can be cited of individual being brought to justice for violations of international agreements rectified by their countries. The individual enjoy rights and assumes responsibilities under an international agreement only when it has becomes a part of national legislation. So there in now need an increase no. of agreement to draw up a uniform set of principles of co-relations between national and international law.

Now due to scientific and technological progress gives the international community an effective means asserts human dignity, international peace and well-being for all people and promote the free development of every peoples talents and abilities. Now a days any foreign policy move and any measure taken by an international organizations should taken into account all the above mentioned aspects of relationship between technological progress and human rights.

The top priority areas in this respect includes the environmental protections, human rights development of new principles for scientific informations on an international level, including exchanged of technical concepts and patents.

The freedom of speech and opinion creates obstacles to efforts ensure the free exercise of human rights and freedom and to combate violation of such rights. OO

# Blues Lyrics

✍ Manimugdha Barthakur
*Associate Professar, English Dept.*

Although the word "blues" referring to anxiety or sadness dates from around the sixteenth century, the music called the blues is more recent. The blues initially emerged in the 1890s, when the first generation of African Americans born after emancipation came into their majority subjected to the post-Reconstruction brand of freedom. While slaves were brutalized within a system in which they often had well-defined rolesthat sought toprevent much dignity or responsibility, the post-Reconstruction African American was brutalized by a more ambiguous and uncertain,but still inferior, status. The theoretical freedom created the illusion of the possibility of social and economic success, but the lack of education and economic independence, and continuing racial discrimination, was a prescription not only for failure but also for haunting self-doubt. Lacking an older generation with this same experience to consult for advice, the new generation responded by expressing their reactions in a variety of new forms, including the blues, that were recognizably rooted in the African American tradition. Although critics may disagree on the particulars of the African influence on the blues, most agree that there are certain African elements in the blues as well as the work songs and field holders from which the blues seem to have developed. The creations of people often unable to read and write, the texts of this tradition were not written down but passed on orally. From the common hopes, fears, and language of the people, the blues singers created songs that were, in turn, passed back to the audience in a form that was both traditional and individually creative. The folk blues songs heard around the turn of the century, by people like Howard W. Odium and W. C. Handy, mirrored the variety of stanzas as employed in the blues tradition. The text of a blues stanza might consist of one "line"(sometimes rendered as two lines on the page, divided where a singer might pause in performance) repeated exactly or approximately twice (AA) or more; one line repeated twice or three times combined with a rhyming line to complete the thought expressed in the first line (AAB or AAAB); one line sung once followed by rhyming line sung twice (ABB); two different lines followed by a refrain (AB refrain); or a variety of other patterns. The musical performances, executed with a fluid rather than a rigid sense of measures, tended toward eight-, twelve-, or sixteen-bar stanzas most often, and the songsters or musicians who performed these blues provided the tradition from which the first generation of recorded blues singers in the 1920s drew. Inevitably, phonograph recordings influenced the nature of the blues, helping establish the AAB stanza as the predominant form, changing the often traditional, non-thematic or associative texts into more original, thematic texts, and removing the song from its original performance context in the community. The first blues recordings by African Americans were the so-called vaudeville blues of the "Jazz Age" written by people like Handy who drew on both their knowledge of the oral tradition and on professional musical training that created a more sophisticated hybrid, sometimes straing for sexual innuendo, or creating the role of the rebellious "hot mama", but reaching their pinnacle in folk blues-based performances by such greats as Bessie Smith and Ma Rainey.

There is also disagreement about the nature of the blues performer and what the blues represent. While some see the blues as autobiographical laments, others have seen them as a recounting of "species experience". In reality they can be either or both. The singers may be describing what has or might have happened to someone like them, or may be conforming the lyrics to the idea of a mythological singer created over the years. Although the blues have been rejected by many middle-class blacks as old-fashioned and self-pitying, or as signs of resignation and defeat, others have seen in them a spirit of hope, a creativity, an unwillingness capitulate to white middle-class values, and even a defiance and revolutionary resistance. Blues performances are intended for entertainment and deal primarily with love relationships between men and women. The often secular nature of the blues sometimes caused devout Chritians to term them "devil's music ", which promoted responses like those of Wright Holmes "Alley Special". The blues have been seen as a central expression of African American spirit, providing structures, rhythms, images, themes and characters for literary artist like Langston Hughes, Sterling A. Brown, Zora Neale Hurston, Allen Ginsberg, john Berryman, Ralph Ellison, Albert Murrary, Alice Walker, Etheridge Knight, and Gayl Jones. And the blues are still being created and performed today. OO

# I Miss You

✍ Manabendra Kakati
*T.D.C. 2nd year*

I miss you my dear lovely father
You was the special one for me.
You are not now near to me.
But are always near to me weeping my tears
Your soft voice gives me peace and relief
Your cheerful face displace my sorrow.
But now you have gone away,
Far away from me.
Time goes by
Summer come and Winter gone
I will wait for you,
Till the end to come.
Oh. God send him back,
To our near.
Even though the world changes
Even after the sunset.
I will never forget you
Till the end, I will pray you.
You are the special one.
Father, I miss you, I love you !OO

# Fear of Separation

✍ Sunita Devi
*TDC 2nd Year(Arts)*

Life was full of ups and downs
Sometimes smiled sometime cried
Always in hope of meeting someone
Finally I met that someone
Who always stands beside me
But fear of losing him
Is killing me every moment
even though he says
We will be together
Forever, ever and ever...OO

# Gita : Its influence in human life

✍ Manju Kalita.
*Asistent Professar, Philosophy Dept.*

The Gita is the most popular and secret book of the Hindu. Gita is not only a book of religion but Gita is the friend, philosopher and guide of every human being. Mahatma Gandhi, takes Gita as the pioneer of his life. Gita is said a karma yoga Sastra. Perhaps, Gita is the only Sastra in the world which teaches as the actual duty of our life. There are three ways to attain liberation viz karma, bhakti and jyana which are called marga or path. In Gita we find a synthesis of these three paths. Among of these three marga of liberation , Gita is interested in Karma an action which is very important in our day to day life.

The philosophy of 'Karma' is a doctrine considered to be the foundation stone of entire Indian philosophy. The word 'Karma is derived from 'Kr' dhatu of Sanskrit literature, it means to do something. Metaphysically it means which of our past actions were causes of our present states of affairs. The consequences of 'Karma' are inevitable. It is depend on the doctrine that "Every effect has a cause". It is a natural law and we know that in ordinary cause in life it can't be challenged. The Dharmasastra, upanisads and the puranas are living testimony to this effect.

The philosophy of Karma is a moral postulate which is based on scientific doctrine of conservation of matter and energy. Moral science is always related with the doctrine of 'Karma'. The view of Karma as bounded in Indian philosophy presuppose that any Karma is bound to produce some result positive and negative.

The third chapter of the Gita contains Karmayoga. It is mainly known as the "Art of working". Lord Krishna said about the nature of Karma that, Karma was natural, inherent, in man's existences and everybody has to work. Niskama Karmayoga is the central teaching of Gita, its meaning however requires a classification. In Gita one may easily find some apparently conhadictory remarks. It is due to this apparent centradiction that the different commentators has established widely different isms on the basis of Gita. But by seeing this problem from the integral and spiritual standpoint these apparently conhadictory remarks views are seen as complimentary. Pointing out to end of the Bhagawat Gita, Bal Gangadhar Tilak (author of the "Gita Rahasya") remarks that after hearing gita, Arjuna neither became recluse nor a dancing devotee, but what he did was to begin a buld fight. Tilak proves that its aim is action. Tilak painted out that during the whole course of Bhagawad Gita, Sri Krishna has been repeating the same goal of activism which is its central teaching.

Action of Karma has been divided into two types Sakama Karma and Niskama Karma. Gita undoubtedly preaclus action, but this action is not the ordinary action as we take it. It is Niskama Karma. In Sakama Karma we desire the result action but in Niskama Karma one should not desire or consequent of any action. In Gita it is also said that we have the right to do work only, but none of its result. That is only we should act not with the expectation of reward for our actions. Niskama Karma is the way of life for self realization or God realization. In Western Philosophy Aristotle also declared that self realization should be ethical goal of our life. Gita's motto viz self realizations can be compared with Aristotle's view.

Gita says -

*'Karmanya eva dhikaraste*
*ma phalesu kadacana*
*ma karma phalaheturbhu*
*ma te sango sti akarmani'*

Niskama does not mean action without desire or deteaced action. It is rather to act according to God's will. Acting according to God's will is possible only in the stage of identify with God.

Hence Niskama Karma means to act as a successful instrument in God's hands through complete identify with him. Such action will not based bondage. In this stage however it is not the action which is so much important, but rather self-surrender and identification with God.

Gita is a Karmayoga Sastra because in Gita, the apparently contradictory paths of knowledge, devotion and action are really complementary to each other. This synthesis is neither

a Pragmatic compromise nor a golden mean and nor an organic relation. It is the stage of spiritual unity. It can not be understood or explained by intellectual concepts.

Gita is science of yoga. At the end of every chapter in Gita it has been called "The knowledge of Brahman, the science of yoga" A science means a systematic study of a certain subject. Thus as science of yoga, Gita systematically studies yoga. It is not only a science of knowledge or devotion or action, but yoga. Hence the central teaching of Gita is yoga. Yoga has been derived from the root 'yuj' which means union or identity. According to Lord Krishna,"Yoga is perfection in actions." It is by this alone that one can attain the ultimate end, i.e realization of God or the society. It is here that the God can be realized and the social good can be attain.

Gita has synthesized the modern psychological findings with the spiritual truths. The actions are not for the individual or for the society but for the God. Yoga in Gita means identify with God and this identify with God is the ultimate end of Gita.

Action is good for physical, mental and spiritual nature of man. It synthesizes selfishness with altrenism. It harmonious the good of the individual with that of society. It fulfils the good in he world to come. Gita has Preached a life of yoga established in divine self-consciousness, in which the man forgetting all other rights and duties passes his life as divine instrument, working in the hands of God. In the Gita the sthitaprajna works for the good of the living, but ultimately it becomes spontaneously and natural for him. It is his nature.

The purpose of Karmayoga according to the Gita is public benefit. The central principle of Karmayoga is to determine whether a particular art is good or bad. The The mystic impart of the Karma yoga is to giving up the desire prompted actions and the performance of one's duties desirously. One who released that the result of any action is controlled only by the Lord and performs an act desirables. Unaffected by positive or negative result is not affected by the sin or the merit of the action.

Gita considers all the three, i.e, jynama, karma and bhakti as the best means for the realizations of the highest goal which is called Liberation or Moksha. Gita's ethical teaching is very very useful for switchable life. Due to its importance Gita has been translated to different language in the world. OO

# Non conventional Energy Source as Future Energy

✍ Dr. Buddhin Ch. Hazarika
*Associate Professor, Dept. of Zoology*

Energy can be defined as the capacity to do work. Each and every living organization including human being require energy and this energy is acquired from food. But in the present world the word "Energy" generally indicates the sources that provide power to the innumerable gadgets of the present day world which provide us comforts. Resources are the things that provide us energy and benefits. Resource means "the things which are used for human benefit also used to provide us with energy". Resources can be broadly classified into three categories which are-

1) Natural Resources
2) Human Resources
3) Human- made resources

Except mechanical energy, energy is obtain mainly from the natural resources. Natural resources are further divided into two categories- Renewable resources and non-renewable resources.

The word renewable itself indicates that this kind of resource can be renewed or reproduced. The energy that we obtain from sources such as wind, sunlight geothermal, tide etc. can be used for an unlimited number of times and hence called renewable resources. These resources can reproduce themselves in nature within a short period and can be used cutaneously through proper planning. The sources of renewable energy cannot be depleted and more importantly the technologies are clean with a much lower environmental impact than conventional technologies.

Non renewable resource means the natural resources which once used cannot be reused in future. Fossil fuels and minerals are such type of resources. These resources requires comparatively longer period of regeneration.

Energy requirements of the present day world is largely fulfilled by the non- renewable resources such as petrolium oil, coal, natural gas and other fossil fuels due to their user friendliness and easy availability. Cars, bikes, machines and factories are using fossil fuels to meet their fuel/energy needs and the demand for the fossil fuels is increasing at a faster rate then ever before. Like that of any other natural non - renewable resource the stocks of the fossil fuels are running out at a fast rate and are going to finish anywhere within 50-200 years from now. The signs of scarcity are already being seen on the world market with oil prices touching $60 a barrel. Although the fossil fuels are easy to use, they are polluting the natural environments and combustion of these fuels release a huge amount of pollutants into the air every year which has resulted in various environmental and health problems all over the world. In India too, the pollution caused by the vehicles and factories due to the use of fossil fuels has given rise to such a situation that it is becoming major problem in some cities as the condition of getting fresh air becoming a rare scene.

Energy is the main components of human life today and there will be a demand for more energy in the future to meet the energy requirement for growing population. The energy for the non renewable resources will not be able to fulfill the energy needs in future and we will need to search for other alternatives. Renewable energy sources have been quoted as the energy sources for the future due to their easy availability,

reliability and environment friendliness. These are also comparatively cheap, after all keeping in view all their advantages and the fact that these will never get exhausted. There is huge scope for more utilization of these resources as most of these are available freely in nature and these could trapped for economic benefits.

There are various sources of renewable energy. These are also known as non-conventional resources or non-conventional energy sources. Some important non-convolutional sources of energy are :

i) Wind Energy
ii) Solar Energy
iii) Biomass Energy
iv) Hydel Energy
v) Tidal Energy
vi) Geothermal Energy and
vii) Energy from Urban household and industrial wastes.

These renewable resourses are the energy sources for the future as they are non exhaustible. As the stock of the fossil fuels is going down the people will be forced to start using the renewable resources as their energy source. These sources are very reliable and are also environment friendly.

Wind energy is one of the most popular kinetic energy and easily available renewable recource associated with the movement of atmospheric air. It is the ideal renewable energy source for our country because many areas of our country are very windy. The places like the coastline of Gujrat, Western Ghats, parts of central India and most places along the coastal parts of India are suitable for generation of energy from wind, because these places have a steady flow of wind. Wind power can be used to generate electricity, to pump water and also to grind food grains. India is a leader in this field of renewable energy and is the fifth largest producer of wind energy in the world. In India windmills have been set up in Rajasthan, Maharastra and Gujarat to generate electric energy. This source of energy would be very useful in remote areas to provide electricity. As the supply of wind will never stop, so it is very reliable source of energy. As only about 20 % of the total capacity has been utilized so it has a huge potential as a source for future energy. Steps taken by the government and NGO's would be very useful to popularize this very useful source of energy.

Solar energy or energy generated from the light and heat of the sun is also a very useful source of renewable energy. Solar energy can be used for domestic heating, water heating and also for generation of electricity. Electricity from sunlight is generated from a Solar Photovoltaic (SPV). SPV converts the solar energy into electricity by a device call the solar cell. India receives about 250-300 days of sunshine in a year and hence it has an immense potential for generation of solar energy. The trapped solar energy can be used to heat water in solar water heating plants, which are easily available in the market today. Solar energy is also used to generate electricity in solar lanterns and solar home lighting systems. Such devices are very useful in the remote areas because they can provide electricity to the people with a one time investment and without any recurring cost. Most of the total capacity of the solar energy is utilized and hence it has a large potential as a renewable energy source for the future. World Health Organizations reports that cooking with fuelwood is the equivalent of smoking two packs of cigarettes a day. Inhaling smoke from cooking fires cause as respiratory disease and death. One of the solutions advocated to address this problem is solar cooking which gives out no smoke at all. It just uses free and abundant solar energy.

Energy from biomass is one of the oldest used sources of renewable energy. It is the term used to describe the energy, which

we obtain from plants and animals. Biomass also refers to the use of agricultural and animal wastes as energy. It has a huge potential as the future source of energy for our country as most of the parts rural India is very rich in biomass resources. Agricultural wastes such as rice straw and rice husks may be used as sources to provide us with biomass energy. Energy from biomass may be used to provide us with heat energy and electrical energy. Some biomass based energy plants have already come up in India, which is a very encouraging sign. Animal wastes may be used to produce gas in a biogas chamber and this might be used for cooking and heating purposes. This source of renewable energy might be very useful for the future as the natural gas resources are going to finish in the coming years. Many biogas plants have already been setup to provide energy to the rural households. This source of energy is also very environment friendly as the waste from the biogas plants may be used as manure in the fields. A relatively new source of energy is the energy from 'Bagasse'. It is a waste product from the sugar mills. The bagasse can be used to produce electricity that would help in increasing the earnings of the sugar mills. It would also reduce the waste from the factories. Alcohol produced from biogass is a kind of excellent fuel. Research work is going on to find ways to generate more energy from biomass sources. Biomass is thus a very useful easily available source of renewable energy and can also be an energy source for the future.

Energy produced by the force of water i.e. hydel energy has been in use since a long time. The force of water in used to run a turbine to generate electricity. The electricity generated from running water is hence known as hydel energy. Dams are built to provide water force to the turbines. Some famous dams are Bhakra-Nangal and Tehri dam. Small hydro power plants can be used to provide energy in hilly areas. Hydel energy is an energy source for the future, as the flow of water stop. The energy generated from running water is also cheap in addition to being environment friendly, although, some environmental and social objection has been observed in case of Tehri and Narmada Project. Small dams are however are free from these problems.

Tidal energy or oceanic energy is the energy generated by the harnessing the energy in the rise and fall of seawater. This source of renewable energy is yet to make its mark in India although the technology has been here for a considerable amount of time. The first energy of plant to generate energy from tides was set up in France in 1966. This source of energy has a great potential as India has a long coastline. The energy from tides could be used to generate electricity. The occurrence of tides is a regular feature and thus this source of energy is very reliable. Since the demand for energy is going to increase by the day, hence, use of waves to generate energy could come as a boon for India.

Geothermal energy is the future source of enrgy in which we use the heat of the interior of the earth to generate electricity and to heat our homes. It has not become popular because the utilization of this source of energy is economically viable in volcanic regions and areas where hot springs occur. But, as the need for energy increases this source could be very useful. Some foreign countries have already started the use of this source and it is high time now that people should start thinking about this source of energy.

In the present stage of urbanization production of a huge amount of wastes both organic and inorganic has creating environmental problems and also the problem of the safe disposal of the wastes. A large quantity of wastes is produced in our cities of which is about 60% are organic wastes. Our country can use this wastes to produce

electricity that would help in overcoming the shortage of energy that is being faced. Since these wastes also create the problems of pollution, the use of these wastes to generate energy will serve a dual purpose. Getting up of these energy plants will thus be very helpful for the society because it also reduces the pollution in air, water and soil and degradation process.

In addition to these new sources of energy along with some other sources have also been discovered such as the use of some plant oils such as *Jatropha curcus* (Bhutara) and *Mesua ferra* (Nahor) to produce fuel and the use of hydrogen to run cars. These sources are still in the developing stage and the use of these fuels by the common people will be possible within a short period.

Energy is the main ingredient for progress and there cannot be produced any energy without resources. Thus resources are the key to the development of mankind. The fossil fuels, which were the vehicles of the industrial development, are now going to finish. So the renewable resources are the only reliable source for a permanent supply of energy for the future generations. The energy obtained from renewable resource is not only eco-friendly but it will also last forever.

The renewable energy is thus the source of energy, which is the future energy. In the future we will have to shift completely to renewable energy. Since our country is a importer of fuel hence, the use of renewable energy will be very good steps in making India a developed country and a country self sufficient in energy. Energy resources also play a very important role in the life of the common people and the use of renewable energy will also aid the common people in particular and the whole country in general.

In the present scenario of the world we should think for renewable resource as our prime source of energy for the future. Many *government and non governmental organizations are working in the field to popularize the renewable sources of energy. The common public should gradually try to shift from fossil fuels to the renewable energy within stipulated short period. The renewable sources of energy will be the only source of energy in the future for the public as the remaining reserves of fossil fuels are diminishing at very fast rate.* Renewable energy is thus said as the future energy.

In the present scientific age there are advancement in every field and energy is the key to progress for a nation. There should be more research and development in the field of renewable energy, since this will be the source of energy for the future. To make renewable energy as the future energy we must also try to make it cheaper than what it is today. Since, the aim of the poor people is to save their money. Therefore, to them environmental factors don't make a point so, the reduction of cost should the main focus. As other non-environments friendly sources might be available to them at a cheaper they would use that source. So the main challenge lies in making the cost of renewable energy resources at par with the fossil fuels. User friendliness is another field where much improvement is to be made. Therefore, to make renewable energy as the future energy there should be more improvement in both the technology field and the cost factor.

Thus, the main aim of making renewable energy as the energy of the future will be possible only when the common people start using renewable as their source of energy. Since renewable energy will be the source of for the future, we should start the campaign for using renewable energy form today. Renewable energy is thus the energy for the future. OO

# Disaster Management : Role of National Cadet Corps.

✍ Dr. Leena Saikia
*Associate Prof. Zoology Dept.*

Disaster, which occur globally with regular periodicity, are either natural such as floods, droughts, cyclones and earthquakes or human induced such as conflicts, riots, environmental and industrial accidents. Irrespective of whether it is an 'act of God' or human induced, disasters create mass destruction and impede developmental work. Disaster management is multi-disciplinary covering wider aspects such as forecasting, warning, search and rescue, evacuation, relief, reconstruction and rehabilitation, education, training and awareness. Actually, disaster management activity comprises certain key components such as prevention, mitigation, preparedness, response and recovery. These components are interconnected as one supplements

the other. This includes activities before or pre-disaster during disaster and after the occurrance of a disaster i.e., post disaster. Prevention aims at impending the occurances of a disaster event, while mitigation attempts to prevent some and reduce the effects of certain disasters. Preparedness comprises measures which equip governments at various levels, organisations, communities and individuals to handle and respond effectively to disaster situations. The phase of response begins after the disaster impact, which is aimed at saving the lives and property, disruption and damage caused by disasters. The recovery encompassing restoration, rehabilitation and reconstruction intends to bring back the people, and the country affected to their proper levels of functioning.

The High Powered Committee (HPC) was set up by the Government of India in August 1999. The Chairman of the Committee was Shri J.C. Pant and it had members drawn from different ministries, various states, NGOs and experts from relevant fields. That was the first attempt in India towards involving a systematic, comprehensive and holistic approach to all disasters, natural as well as man-made. The Committee felt that prevention is more cost-effective than post-disaster relief and rehabilitation and submitted its report in Oct 2001. The Central government set up a National Disaster Management Authority in January 2005 and the Disaster Management Act has been passed by the Parliament in December 2005.

Youth movement is a critical component of the education system that can play an important role in the area of disaster management. Some institutions such as the National Cadet Corps (NCC), National Service Scheme (NSS), Bharat Scouts and Guides, Nehru Yuva Kendra (NYK) have capability potential, and are very suitable for disaster management.

The NCC came into existence on the 16th july, 1948 under the NCC Act XXI of 1948 under the Ministry of Defence. The three main aims or objectives of NCC are:

a) To develop qualities, character, courage, comradeship, discipline, leadership, secular out look, spirit of adventure and sportsmanship and the ideals of selfless service among the youth to make them useful citizens.

b) To create a human resource of organized, trained and motivated youth to provide leadership in all walks of life including the Armed Forces and be always available for

the service of the nation.

c) To create suitable environment to motivate the youth to take up a career in the Armed Forces. Actually, a committee under Pandit H. N. Kunjru was set up in 1946 at the behest of our first Prime Minister, Pandit Jawaharlal Nehru for the creation of youth organisation to train young boys and girls to be better citizens in all walks of life and as a result NCC was formed.

NCC as a corps by virtue of its sheer size and values can contribute in a big way by mitigating on the human sufferings, loss of life and damage to property. It plays important role in disaster management:

i) to provide relief and succour to the affected people

ii) to bring in law and order in affected areas by ensuring an even and speedy distribution of relief

iii) to ameliorate the difficulties and problems of the affected people

NCC can act different activities such as :

a) it can reach the affected area speedily and assess the situation with references to severity and requirements.

b) it can help to provide first aid & assistance to the people in the affected area.

c) it can organise of local relief teams.

d) it can help in collection, packing, marking and speedy despatch of relief material.

In view of the important role of NCC in disaster management, there is a need to emphasis on:

* The physical fitness, including their participation in adventure, sports and games to make them eminently suitable for assisting the country in such situation.

* Activities to shape defence force aims and objectives. As defence forces are many a times required to work in disaster management area, NCC also tries to give some similar inputs to NCC cadets, and some training inputs are there in their activities which enable them to provide services such as first aid services.

* Develop trained and disciplined NCC personnel to help the country in the eventuality of disaster emergency.

Of course, while undertaking relief works or disaster management some important points should be clearified:

a) Security of cadets against calamity must not get affected while providing well-planned assistance.

b) Adequate preparation for effective relief work,

c) Reasonable and sound administrative backing

d) Collection of required relief material in adequate quantity- shelter, food & water, medicines, clothing as per season.

e) Cordination with local authorities regarding disaster should be carried ont. Proper briefing and preparations have to be made before launching the relief operations.

In summary, if the NCC cadets are trained and motivated effectively and efficiently, it can be usefully deployed in disaster management. OO

*Ref: Disaster Preparedness MPA-04*
*Disaster Response MPA-03*
*NCC Precise Vol I, OTA,*
*Guwalior*

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো যিসকলৰ মহৎ ব্যক্তিৰ শুভেচ্ছা, অধ্যাৱসায় আৰু মহান ত্যাগৰ ফলত এই বিদ্যামন্দিৰ প্ৰতিষ্ঠা হ'ল আৰু যিসকলৰ আশাসুধীয়া প্ৰচেষ্টাৰ ফলত আজি এই মহাবিদ্যালয়ে দৰং জিলাৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হৈ পৰিছে। তেখেতসকল আমাৰ বাবে হৈ ৰওঁক চিৰস্মৰণীয়। এইসকল মহান ব্যক্তিলৈ প্ৰথমে মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো।

যিসকলে মহানুভৱতাৰ পৰিচয় দি নিজ মাতৃভূমিৰ কাৰণে প্ৰাণ উছৰ্গা কৰিলে তেওঁলোকলৈও কৃতজ্ঞতা যাঁচিলো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ বৃহৎ পৰিয়ালটিৰ এজন দায়িত্বশীল সদস্য ৰূপে মোক সেৱা আগবঢ়াবলৈ যি সুযোগ প্ৰদান কৰিলে তাৰ বাবে কৃতজ্ঞতাৰ ভাষা আজি মই আবেগৰ বন্যাত হেৰুৱাই পেলাইছো। সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰি নিষ্ঠাৰে মহাবিদ্যালয়ৰ সকলো ক্ষেত্ৰতে সৰ্বতো প্ৰকাৰ বিকাশত মনোনিৱেশ কৰিছিলো। কি কৰিব পাৰিছো, নোৱাৰিছো সেইতো আপোনালোকৰ বিচাৰ্য বিষয়।

১৯৫১ চনত দৰঙী ৰাইজৰ অশেষ কষ্টৰ বিনিময়ত প্ৰতিষ্ঠিত সোণালী জয়ন্তী গৰকা ঐতিহ্যমণ্ডিত মঙ্গলদৈ মহাবিদ্যালয় অসমৰ এক উল্লেখনীয় শিক্ষানুষ্ঠান। তাহানিৰ পৰাই মঙ্গলদৈ মহাবিদ্যালয়ৰ ক্ৰীড়া, সাহিত্য, সংস্কৃতি সকলো ক্ষেত্ৰতে এক সুকীয়া সুনাম আছে। প্ৰায় সকলো বিভাগতে পৰ্যাপ্ত সুবিধা থকা, আমাৰ মহাবিদ্যালয়ৰ প্ৰকৃত অভিভাৱক স্বৰূপ শিক্ষাগুৰুৰ মাজত থাকি এই মহাবিদ্যালয়ত পঢ়িবলৈ সুবিধা পোৱাত আমাৰ সকলোৰে বাবে সুখ আৰু আনন্দৰ বিষয়। সকলো দিশতে কঠোৰ পৰিশ্ৰম আৰু সাধনা মন্তৰে নিজৰ ভৱিষ্যতৰ সেন্দুৰীয়া আলি সুদৃঢ় কৰা লগতে মঙ্গলদৈ মহাবিদ্যালয়লৈ সুনাম আৰু কঢ়িয়াই আনিবলৈ সক্ষম হ'ব বুলি মোৰ দৃঢ় বিশ্বাস পৰিছে. ছাত্ৰ সমাজ প্ৰতিটো স্তৰতে প্ৰত্যাহবানৰ সন্মুখীন হৈ নিজৰ ভৱিষ্যৎ, সমাজৰ অগ্ৰগতি আৰু দেশৰ ভৱিষ্যৎ গঢ়িবলৈ সংকল্পবদ্ধ হওঁকহি।

অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত ঐক্য, সংস্কৃতি আৰু অধিকাৰৰ সম্পৰ্কেও আমি ছাত্ৰ সকল যথেষ্ট সচেতন হ'ব লাগিব। আমাৰ দেশৰ লগতে ৰাজ্যখনৰ সাম্প্ৰদায়িক দিশত আমি সন্মুখীন হোৱা সমস্ত সংকটবোৰ সমাধান কৰাত জনসাধাৰণৰ লগতে আমি মিলিত হৈ আগবাঢ়িব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ নিষ্ঠা আৰু কৰ্তব্য অবিহনে সেয়া অসম্ভৱ। সেইবাবে আমি সকলো পৰিস্থিতিৰে ধৈৰ্য, নিষ্ঠা আৰু সাহসেৰে অগ্ৰসৰ হৈ আমাৰ ইঙ্গিত লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰাটোহে প্ৰয়োজন।

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। ডাৰউইনৰ "Survival of the fittest" এই মূলতত্বৰ আধাৰত ছাত্ৰসকলেও সকলো দিশতে যোগ্যতা অৰ্জন কৰি এজন ভাল ছাত্ৰ বা এজনী ভাল ছাত্ৰী হিচাপে পৰিচিত হৈ মঙ্গলদৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনি উজ্বলাওক দৰঙৰ নাম।

ইং ১২/১১/২০০৯ তাৰিখে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰা বিগত কাৰ্যকালত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰিছিলো। ইয়াৰ ভিতৰত—

**মহাবিদ্যালয় সপ্তাহ ঃ** ইং ৭/১২/০৯ তাৰিখৰ পৰা ১১/১২/০৯ তাৰিখলৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত বিভিন্ন শিতানত প্ৰতিযোগিতামূলক কাৰ্য-ক্ৰমণিকাৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ লগতে মানসিক আৰু আধ্যাত্মিক দিশৰ বিকাশতো যথেষ্ট বৰঙণি যোগায়। ইং ১১/১২/২০০৯ তাৰিখ শুক্ৰবাৰে মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। সভা উদ্বোধন কৰে জৰং জিলা পৰিষদৰ মাননীয় সভাপতি শ্ৰীবংশী বৰুৱাদেৱে। সভাত সভাপতিৰ আসন শুৱনি কৰে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধিদেৱে। নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াইছিল আমাৰ মহাবিদ্যালয় শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক মাননীয় ড° হৰিশ চন্দ্ৰ ডেকাদেৱে। মুখ্য অতিথিৰ ভাষণ আগবঢ়াইছিল বিশিষ্ট সাহিত্যিক ইছমাইল হুছেইন মহন্তদেৱে।

সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ কৰা অসমৰ চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা পল ফুকন আৰু অভিনেত্ৰী তনভী শৰ্মা উপস্থিত থাকে। লগতে বিশিষ্ট কণ্ঠশিল্পী ইন্দ্ৰজিৎ কুমাৰ সাগৰে সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰি সকলোকে আনন্দৰ খোৰাক যোগায়।

**সৰস্বতী পূজা উদ্‌যাপন ঃ** বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজাভাগ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত মহাবিদ্যালয়ত বিপুল উলহ মালহেৰে অনুষ্ঠিত কৰা হয়।

**ফাতেহা ই-দোৱাজ দাহম ঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত সমূহ শিক্ষক-কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ

উপস্থিতিত ফাতেহা-ই-দোৱাজ-দাহম উৎসৱ মুখৰ পৰিৱেশেৰে অনুষ্ঠিত হয়।

**নৱাগত আদৰণী সভা ঃ** ইং ৩১/০৮/১০ তাৰিখ মঙ্গলবাৰে দিনযোৰা কাৰ্যসূচীৰে নৱাগত আদৰণী সভাখন অনুষ্ঠিত কৰা হয়। ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীৰ সমাগমেৰে এক বৰ্ণাঢ্য পৰিৱেশত এই সভা আনন্দ মুখৰ হৈ পৰে।

সাংস্কৃতিক অনুষ্ঠানৰ বাবে আমন্ত্ৰণ জনাইছিলো অসমৰ আগশাৰীৰ অভিনেতা কপিল বৰা আৰু অভিনেত্ৰী জেৰিফা ৱাহিদক। তেওঁলোকৰ উপস্থিতিয়ে অনুষ্ঠানটি অধিক মনোমোহা কৰি তোলে। নৱাগতৰ চা-চিনাকি আৰু 'শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মুকলি চ'ৰা' অনুষ্ঠানটিয়ে নৱাগত আদৰণী সভাখন আটকধুনীয়া কৰে।

**তৰ্ক প্ৰতিযোগিতা ঃ** বিগত বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ত অসম ভিত্তিত আন্তঃমহাবিদ্যালয় শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰা হয়। অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে।

**অভাৱ-অভিযোগ ঃ** মঙ্গলদৈ মহাবিদ্যালয়ে আজি ৫৯ বছৰ অতিক্ৰম কৰিলে যদিও অভাৱ-অভিযোগ শেষ হোৱা নাই। এই অভাৱবোৰ অন্ত পেলাব নোৱাৰি যদিও মূল অভাৱ কেইটিমান প্ৰতিবেদনৰ যোগেদি বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিলো।

১। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জিৰণি কোঠাৰ অভাৱ।

২। মহাবিদ্যালয়ত বিশুদ্ধ খোৱা পানীৰ অভাৱ।

৩। মহাবিদ্যালয়ৰ অসমীয়া, আৰবী আৰু বুৰঞ্জী বিভাগলৈ যোৱা পথ তথা তাত প্ৰস্ৰাৱগাৰ, শৌচাগাৰৰ ব্যৱস্থা আৰু গোটেই চৌহদটো চাফ-চিকুন কৰাৰ প্ৰয়োজন।

৪। ছাত্ৰ-ছাত্ৰী উভয়ৰে উপযুক্ত প্ৰস্ৰাৱগাৰ আৰু শৌচাগাৰ লাগে।

আমি সকলো আশাবাদী যে, অনাগত দিনবোৰত উক্ত সমস্যাসমূহ দূৰ হ'ব। সেয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক বিনম্ৰ অনুৰোধ জনালো।

**কৃতজ্ঞতা ঃ** মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমূহ কাৰ্যসূচীতে আমাৰ মাজত থাকি বিভিন্ন দিহা-পৰামৰ্শ দি আমাক উৎসাহিত কৰা ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক মহোদয়, সকলো বিভাগৰে অধ্যাপক-অধ্যাপিকা শ্ৰদ্ধাৰ শিক্ষাগুৰু সকল, সমূহ কৰ্মচাৰীবৃন্দ, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী লৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০০৯-২০১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোৰ দায়িত্ব কিমান দূৰ সফলতাৰে পালন কৰিব পাৰিছে, সেইটো বিচাৰ্যৰ বিষয়। মোৰ দায়িত্ব আৰু কৰ্তব্য পালনত অজানিতে যদি কিবা ভুল কৰিছিলো তাৰ বাবে ক্ষমা বিচাৰিছো।

শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

'জয়তু মঙ্গলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা'

শ্ৰদ্ধাৰে—

পুলকেশ হাজৰিকা

সাধাৰণ সম্পাদক

ছাত্ৰ একতা সভা

ইং ২০০৯-২০১০ বৰ্ষ

# সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দক সশ্ৰদ্ধ প্ৰণাম জনাইছো। মোৰ সতীৰ্থসকললৈ হিয়াভৰা চেনেহ জনাইছো। লগতে ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাহিত্য বিভাগৰ সম্পাদিকা পদত মোক জয়যুক্ত কৰি মঙ্গলদৈ মহাবিদ্যালয়ত সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে মোৰ অতি মৰমৰ ভাই-ভনী, বন্ধু-বান্ধৱীসকলক ধন্যবাদ জনাইছো।

২০০৯-১০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ পৰা গল্প লিখা প্ৰতিযোগিতা, স্ব-ৰচিত কবিতা প্ৰতিযোগিতা, নীলা খামৰ চিঠি শীৰ্ষক প্ৰতিযোগিতা, প্ৰৱন্ধ লিখা প্ৰতিযোগিতা, ইংৰাজী কবিতা আবৃত্তি, অসমীয়া কবিতা আবৃত্তি, স্ব-ৰচিত কবিতা আবৃত্তি আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহত বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰা দেখি মই উৎসাহিত হৈছিলো। প্ৰতিযোগিতাসমূহৰ ফলাফল অনুযায়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানৰ লগতে নিচুকনি বঁটাও প্ৰদান কৰা হৈছে। প্ৰত্যেক বছৰে এজন শ্ৰেষ্ঠ সাহিত্যিক নিৰ্বাচন কৰাৰ দৰে ২০০৯-১০ বৰ্ষতো জয়ন্ত ডেকাক শ্ৰেষ্ঠ সাহিত্যিক হিচাপে

বিচাৰক মণ্ডলীয়ে নির্বাচিত কৰিছে। সেয়ে ২০০৯-১০ বর্ষৰ শ্ৰেষ্ঠ সাহিত্যিক জয়ন্ত ডেকাক মঙ্গলদৈ মহাবিদ্যালয়ৰ ফালৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিছো। সকলোৰে সহায়-সহযোগত সাহিত্য বিভাগৰ পৰা উলিওৱা প্ৰাচীন পত্ৰিকা 'কুঁহিপাত' আৰু কবিতা সংকলন 'প্ৰেৰণা'খনো সুকলমে উলিয়াবলৈ সক্ষম হৈছো।

মোৰ কাৰ্যকালত অধ্যক্ষ মহোদয়, সাহিত্য বিভাগৰ উপদেষ্টা ড° বিজয় কুমাৰ শৰ্মা ছাৰে প্ৰতি পদে পদে সহায় কৰা বাবে তেখেতসকলক কৃতজ্ঞতা জনাইছো। তাৰোপৰি যিসকল শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীয়ে মোৰ প্ৰতিটো কামত গাৰ ছাঁৰ দৰে থাকি সহায়-সহযোগ তথা প্ৰেৰণা যোগালে সেই সকলোৰে ওচৰত মই চিৰ ঋণী।

সদৌ শেষত মোৰ কৰ্তব্যৰত অৱস্থাত অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো আৰু মঙ্গলদৈ মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।'

অনামিকা ৰাজবংশী

সম্পাদিকা, সাহিত্য বিভাগ

# সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকীয় প্ৰতিবেদন



'গীতম বাদ্যম্, নৃত্যম, এয়ম্ সংগীত সুচ্যতে' —গীত, বাদ্য আৰু নৃত্য তিনিও কলাৰ কেন্দ্ৰভূক্ত হোৱাকে সংগীত বুলি কোৱা হয়।

কলা আৰু জীৱন গভীৰভাৱে সংপৃক্ত। জীৱনৰ অসহায়তা, অক্ষমতা কিম্বা আশাৰে পূৰ্ণ প্ৰকাশ ঘটে কলাৰ মাজেৰে। সংগীতো এবিধ শ্ৰৱণীয় কলা।

আপাতত ঃ কলা আৰু জীৱন গভীৰভাৱে একাত্ম যেন বোধ হ'লেও মূলত কলা আৰু জীৱনৰ মাজত এডাল নেদেখা সীমাৰেখা বিৰাজমান।

প্ৰতিটো জীৱন এটি কলাত্মক শিল্প। আমি শ্ৰদ্ধাৰে সুঁৱৰিছো চিনা-নিচিনা সেই সকলোকে, যিসকলে বিগত সময়ত প্ৰাণ দিলে মানুহৰ কাপুৰুষালিতাৰ হাতত।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৯-১০ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলে সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰি যি গুৰু দায়িত্ব অৰ্পন কৰিলে, তাৰ বাবে নিজকে ধন্য মানি যৎসামান্য হ'লেও সেৱা আগবঢ়াবলৈ পাৰ্যমানে চেষ্টা কৰিছো।

প্ৰথম অৱস্থাত জোঁটত সোমোৱা যেন লাগিছিল যদিও দেৱতুল্য, সহজ-সৰল, সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক প্ৰণৱ কুমাৰ শৰ্মা ছাৰৰ সান্নিধ্যই বৰকৈ অনুপ্ৰেৰণা যোগোৱাত মনতে সংকল্প লৈছিলো যে বৰ্ষটোত সাংস্কৃতিক বিভাগটো প্ৰাণোজ্জ্বল কৰিব চেষ্টা কৰিম। প্ৰথমে মই মহাবিদ্যালয় সপ্তাহৰ মাজেৰে নিজৰ দায়িত্ব প্ৰত্যক্ষভাৱে সম্পন্ন কৰিবলৈ সুযোগ পাওঁ।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা নৃত্য, গীত, নাটক সকলো প্ৰতিযোগিতাতে ছাত্ৰ-ছত্ৰীসকলে অংশগ্ৰহণ কৰি পাৰদৰ্শিতা পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই আদৰণীয় সহযোগে মোক উৎসাহিত কৰি তুলিছিল।

মঙ্গলদৈ মহাবিদ্যালয় নাটকৰ এটা সুকীয়া স্থান আছে। এই স্থান অটুট ৰাখিবলৈ নতুন শিল্পানুৰাগী ছাত্ৰ-ছাত্ৰক অনুপ্ৰাণিত কৰিবলৈ বৰ্ষটোত এখনি দহদিনীয়া নাট কৰ্মশালা অনুষ্ঠিত কৰা হয়। আশা কৰিছো এনে নাট কৰ্মশালাৰ জৰিয়তে এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল আৰু অধিক উৎসাহী হ'ব।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত প্ৰতিটো দিশত সকলো সময়ত সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে যোৱা বছৰৰ সাংস্কৃতিক বিভাগৰ সম্পাদক ত্ৰিদিবদাক ধন্যবাদ জনাইছো। লগতে বন্ধুবৰ্গ— ননী, জয়ন্ত, শংকৰ, পংকজ, বনজিত, ৰাজীৱ সকলোকে মোৰ কাৰ্যকালত বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়োৱা বাবে এই সুযোগতে ধন্যবাদ জনালো।

মোৰ সম্পাদনাত অনুষ্ঠিত হোৱা সাংস্কৃতিক কাৰ্যবেলিত অজানিতে বৈ যোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো।

মঙ্গলদৈ মহাবিদ্যালয়ৰ বৌদ্ধিক, সাংস্কৃতিক, শৈক্ষিক সকলো দিশতে উন্নতি কমনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। 'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

যুগলৰাজ বৰুৱা

সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ

## খেল সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে জাতিৰ নামত জীৱন উছৰ্গা কৰা মহান ব্যক্তিসকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিলো।

কাৰ্যকাল ঃ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ পিছৰে পৰা মই মহাবিদ্যালয়খনত বিভিন্ন খেল অনুষ্ঠিত কৰাৰ চেষ্টা কৰিছিলো। এই খেলসমূহ হ'ল— ল'ৰাৰ ১০০ মিটাৰ দৌৰ, ২০০ মিটাৰ দৌৰ, ছোৱালীৰ ১০০ মিটাৰ আৰু ২০০ মিটাৰ দৌৰ, ল'ৰা-ছোৱালী উভয়ৰে ৪০০ মিটাৰ দৌৰ, ৮০০ মিটাৰ দৌৰ, জেপলিন থ্ৰো, ভলীবল, লং জাম্প, হাই জাম্প, ওৱেট থ্ৰো, কাবাদী, মাৰাথান দৌৰ ইত্যাদি। এই খেলসমূহত ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি খেলসমূহ সুচাৰুৰূপে পৰিচালনা হোৱাত সহায় কৰিছিল। ইয়াৰ বাহিৰেও বিভিন্ন খেল অনুষ্ঠিত কৰা চেষ্টা চলাইছিলো যদিও সীমিত পূঁজিৰ বাবে কিছু খেল অনুষ্ঠিত কৰিব পৰা ন'গল।

অভাৱ-অভিযোগ ঃ যিটো মন লৈ খেল সম্পাদকৰ দায়িত্ব লৈছিলো, কিছুমান অভাৱৰ বাবে পিছপৰি ৰ'ব বাধ্য হৈছিলো। তথাপিও অভাৱ-অভিযোগবোৰ কাটি কৰি থৈছিলো আৰু মোৰ দায়িত্ব পালন কৰি গৈছো। দৰঙৰ এখন উচ্চ শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ৰ খেল বিভাগৰ পূঁজিৰ ক্ষেত্ৰত আগবঢ়োৱা ধন পৰ্যাপ্ত নহয়। মই ইয়াৰ দ্বাৰা কৰ্তৃপক্ষক অনুৰোধ জনাওঁ যে, পূঁজি বৃদ্ধি কৰা হয় যেন। মহাবিদ্যালয়ৰ ক্ৰিয়াৰ আন্তঃগাঁথনি তথা সা-সঁজুলিও তেনেই নগণ্য।

কৃতজ্ঞতা স্বীকাৰ ঃ মোৰ কাৰ্যকালৰ প্ৰয়োজনীয় দিহা-পৰামৰ্শৰে উপকৃত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধি ছাৰ আৰু হৰিমন ডেকা ছাৰ, শ্ৰীঅনুপম ঠাকুৰীয়াৰ ছাৰ আৰু তত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীশশীন চহৰীয়া ছাৰৰ লগতে মোৰ বন্ধু জ্যোতি, সীমান্ত, প্ৰাঞ্জল, মোস্তাক, হিমাশ্ৰী, পূৰবী, আয়েশা, দিপাংকৰ আৰু বিভিন্ন বন্ধুলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

**প্ৰাঞ্জু বৰুৱা**
খেল সম্পাদক

## ব্যায়াম শালা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



মোৰ এই প্ৰতিবেদনৰ আৰম্ভণিতে মই মোৰ অন্তৰৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিছো যিসকল বীৰ-বীৰাংগনাৰ তেজৰ বিনিময়ত আজি ধৰিত্ৰী মাৰ আচলৰ ছাঁয়াত মুক্তভাৱে আশ্ৰয় ল'ব পাৰিছো আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে ব্যায়ামশালাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটিৰ সম্পাদক হিচাপে বিবেচনা কৰি মহাবিদ্যালয়খনৰ বাবে কিঞ্চিত মান হ'লেও সেৱা আগবঢ়োৱাৰ হেঁপাহকণ আগবঢ়াইছে সেইসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ লগতে মোৰ এই দায়িত্বভাৰত পৰামৰ্শ দিয়া ভাৰপাৰপ্ত অধ্যাপক শ্ৰদ্ধাৰ হৰিমন ডেকা ছাৰ আৰু ব্যায়ামশালাৰ আভ্যন্তৰীণ ক্ষেত্ৰত মোক দিহা-পৰামৰ্শ দি সহায় কৰা শ্ৰদ্ধাৰ (Instructor) জয়ন্ত ৰাজবংশীলৈ মোৰ হৃদয়ৰ পৰা শ্ৰদ্ধা নিবেদিছো।

মহাবিদ্যালয়ৰ ব্যায়ামশালা বিভাগৰ সম্পাদক পদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মোৰ দায়িত্ব আহি পৰে মহাবিদ্যালয় সপ্তাহখনি পৰিচালনা কৰা। মহাবিদ্যালয়ৰ ব্যায়ামশালাৰ ছাত্ৰৰ মাত্ৰা বৃদ্ধি হোৱাৰ লগে লগে ব্যায়ামশালাৰ কোঠাটোত ব্যায়াম কৰাত ছাত্ৰ সকলৰ বহুতো অসুবিধা হৈ পৰে। যিহেতু ছাত্ৰৰ পৰিমাণ বেছি হোৱাত ব্যায়ামশালাৰ কোঠাটোও আৰু অলপ আহল-বহল আৰু ডাঙৰ কৰাৰ কথা মই প্ৰায়ে ভাবিছিলো আৰু এই বিষয়ে ছাত্ৰসকলে মোক প্ৰায়ে কৈছিল।

মই অধ্যক্ষ ছাৰৰ ওচৰত Gymnasium Hall টো আৰু অলপ ডাঙৰ কৰাৰ বিষয়ে আলোচনা কৰিছিলো। বহু চেষ্টা কৰাৰ পিছত Gymnasium Hall টো ডাঙৰ কৰা হ'ল। ইয়াৰ উপৰিও ব্যায়ামশালাত ছাত্ৰসকলৰ ব্যায়ামৰ কিছু সা-সৰঞ্জামৰ অভাৱ ঘটিছিল ছাত্ৰসকলৰ সেই অভাৱ কিঞ্চিত হ'লেও পূৰণ কৰিবলৈ সক্ষম হওঁ।

সদৌ শেষত ব্যায়াম শালাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটিৰ সম্পাদকৰ দায়িত্ব পালন কৰাত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

**ধনমণি দাস**
সম্পাদক, ব্যায়ামশালা বিভাগ

# তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আদিতে মই শ্ৰদ্ধাৰে সুঁৱৰিছো সেইসকল স্বহীদলৈ, যাৰ ৰক্তৰ প্লাৱনেৰে প্ৰজ্বলিত হৈছিল ৰণদেৱতাৰ ৰঙা থাপনাৰ শলিতাগছি লগতে সেইসকল সদস্যলৈ যি অকালতে নিয়তিৰ পৰিহাস স্বীকাৰ কৰি মহাবিদ্যালয় পৰিয়ালৰ পৰা বিদায় মাগিলে।

কাৰ্যকালৰ প্ৰেক্ষাপট ঃ মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই তৰ্ক বিভাগৰ সম্পাদক হিচাপে বিবেচিত হওঁ। পূৰ্বৰ লক্ষ্য অনুসৰি কাৰ্যভাৰ হাতত লৈয়ে মই মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি তেজপুৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সদৌ অসম আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত অংশ লও, য'ত আমি ২য় শ্ৰেষ্ঠ দলৰ লগতে মই নিজে ২য় শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লভিবলৈ সক্ষম হওঁ।

ইয়াৰ পিছতো মোৰ কাৰ্যকালত বহুকেইখন প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ দলে প্ৰতিনিধিত্ব কৰি সন্মান আনিবলৈ সক্ষম হৈছে। যিটো আজি কেইবছৰ মান দেখা পোৱা নগৈছিল।

কাৰ্যভাৰ গ্ৰহণৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। ইয়াত এই বিভাগৰ পৰা তিনিটা (তৰ্ক, বক্তৃতা আৰু কুইজ) প্ৰতিযোগিতা সুকলমে অনুষ্ঠিত হয়।

ইয়াৰ পিছতে মঙ্গলদৈ মহাবিদ্যালয়ৰ তৰ্ক সম্পাদকৰ এটা উল্লেখযোগ্য পদক্ষেপ হয় শ্বহীদ সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখনি। এইবেলি বিশেষ কাৰণত প্ৰতিযোগিতাখনি কিছুদিন পিছত অনুষ্ঠিত কৰা হয় যদিও অংশগ্ৰহণকাৰী দলৰ সংখ্যা, দৰ্শকৰ উপস্থিতি আদি বিভিন্ন দিশেৰে প্ৰতিযোগিতাৰ মানদণ্ড উন্নত হোৱা বুলি মন্তব্য পাই আনন্দিত হৈছো।

এইবেলি এই প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ তাৰ্কিকৰ পুৰস্কাৰৰ নগদ ধনৰ পৰিমাণ আগৰ ১০০১ (এহাজাৰ এক) টকাৰ পৰিৱৰ্তে ৩০০১ (তিনিহাজাৰ এক) টকালৈ বৃদ্ধি কৰা হয়। সেই অনুপাতে বাকীবোৰতো বৃদ্ধি কৰা হয়। প্ৰতিযোগিতাত তেজপুৰ বিশ্ববিদ্যালয়ৰ দিপাংকৰ কলিতাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান আৰু গুৱাহাটী RBIZ Solution ৰ দলে শ্ৰেষ্ঠ দলৰ সন্মান লভিবলৈ সক্ষম হয়।

কৃতজ্ঞতা স্বীকাৰ ঃ কাৰ্যকালৰ প্ৰতিটো খোজতেই পুত্ৰ স্নেহেৰে মোক অনুপ্ৰাণিত কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, তত্বাৱধায়ক মহোদয়লৈ মোৰ সহস্ৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। ধন্যবাদ যাচিছো ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ। তদুপৰি মোৰ লগত ছাঁৰ দৰে লাগি থকা পংকজ, ত্ৰিদীপ, ৰাতুল, হৰেণদা, হৰিশ, হিমাংশু, কিশোৰহঁতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

সময়ে কাৰোলৈকে অপেক্ষা নকৰে। সময়ৰ সোঁতত এই বিভাগলৈ বহু সম্পাদক আহিব, যাব। তথাপিও ভৱিষ্যতলৈকে মহাবিদ্যালয়ৰ হৈ যথাসাধ্য কাম কৰি যাম, —এয়ে মোৰ সংকল্প।

শেষত এনে এটি সোণালী দিনৰ আশাত ৰ'লো, যিটো দিনত মঙ্গলদৈ মহাবিদ্যালয়ে শৈক্ষিক, সাংস্কৃতিক সকলো দিশেৰে দেশৰ আগস্থান দখল কৰিবলৈ সক্ষম হ'ব।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

বনজিৎ ডেকা
সম্পাদক, তৰ্ক আৰু বক্তৃতা বিভাগ

# চাৰু-কলা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা জনালোঁ পুণ্যতীৰ্থ মঙলদৈ মহাবিদ্যালয়ৰ জ্ঞাত-অজ্ঞাত সেই মহান ব্যক্তিসকললৈ, যিসকল বীৰ শ্বহীদে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি প্ৰাণ বিসৰ্জন দি স্বৰ্গাভিমুখী হ'ল।

অসমৰ আগশাৰীৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আৰু জিলাৰ বাইজৰ ভৰষাৰূপে এই মহান 'মঙলদৈ মহাবিদ্যালয়'খনিত ২০০৯-১০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ চাৰু-কলা বিভাগৰ সম্পাদক হিচাপে সেৱা কৰিবলৈ সুবিধাকণ পালো। এই সুবিধাখিনি কৰি দিয়াৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায় কৰিলে তেওঁলোকক এই সুযোগতে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

২০০৯-১০ বৰ্ষত অনুষ্ঠিত হোৱা 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি অন্য বছৰৰ দৰে এইবাৰো বিভিন্ন ধৰণৰ প্ৰতিযোগিতা চাৰু-কলা বিভাগৰ পৰা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত আছিল— ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা, ৰুমাল চিলাই প্ৰতিযোগিতা, মেহেন্দী লগোৱা

প্ৰতিযোগিতা আদি। ইয়াৰ উপৰিও এখনি প্ৰদৰ্শনীমূলক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল। ইয়াৰ ভিতৰত গামোছা, মেখেলা-চাদৰ, তল্‌চা, ফ্ৰেবিক, দলিচা, বাঁহ-বেতৰ সামগ্ৰী, কাগজৰ ফুল বনোৱা আদি আছিল। এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পৰিচালনা কৰাত ছাত্ৰ-ছাত্ৰীসকলে সহায় কৰিছিল। প্ৰতিযোগিতা মুকলি কৰিছিল মঙলদৈ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীবিচিত্ৰ কুমাৰ মেধিদেৱে।

কৃতজ্ঞতা ঃ মোৰ কাৰ্যকালত প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ দি সহায় কৰা তত্বাৱধায়িকা বৰ্ণালী কলিতা বাইদেউৰ লগতে সঞ্জীৱ, মলয়, জয়ন্ত, ৰাজীৱ, প্ৰণৱ (জান), মানৱেন্দ্ৰ, মহেশ্বৰ, ৰিতুপৰ্ণ, পুলকেশ, পম্পী, মুনমী, বৰ্ণালী আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

**হীৰকজ্যোতি নাথ**

সম্পাদক, চাৰু-কলা বিভাগ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



যিসকল বীৰ-বীৰঙ্গনাই অসমী আইৰ মুকুতিৰ বাবে প্ৰাণ বিসৰ্জন দিছিল সেইসকললৈ প্ৰতিবেদনৰ আৰম্ভণিতেই নিবেদন কৰিলো মোৰ সশ্ৰদ্ধ প্ৰণাম আৰু লগতে যিসকল ব্যক্তিৰ কৰ্তব্যনিষ্ঠা আৰু কেঁচা ঘামৰ সাক্ষী হৈ 'মঙ্গলদৈ মহাবিদ্যালয়' সগৰ্বে থিয় হৈ আছে সেইসকললৈও জনাইছো মোৰ সাদৰ প্ৰণাম।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০৯-২০১০ বৰ্ষত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা পদত মোক বিপুল ভোটত জয়ী কৰাই মহাবিদ্যালয়খনিলৈ সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ বাবে মোৰ অগ্ৰজ, অনুজ আৰু সহপাঠীসকললৈ শ্ৰদ্ধা, মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ মহাবিদ্যালয় সপ্তাহ। সেয়েহে প্ৰথমতে সংৰক্ষণৰ অভাৱত নষ্ট হোৱা খেলৰ সামগ্ৰী কেৰেম, ডবা, বেডমিন্টন, ৰেকেট, নেট আদি কিনিলো। ছাত্ৰী জিৰণি কোঠাৰ বহিঃদ্বাৰ খেলসমূহ কেৰেম (একক, দ্বৈত), বেডিমিন্টন (একক, দ্বৈত), ডবা আদি ০৭/১২/২০০৯ তাৰিখৰ পৰা ১১/১২/২০০৯ তাৰিখলৈ পতা হ'ল আৰু লগতে এখন মুকলি কুইজ প্ৰতিযোগিতা পতা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণে মোক অনুষ্ঠানটো সুচাৰুৰূপে চলাই নিয়াত সহায় কৰে। শ্ৰদ্ধাৰ ৰুণজুন দেৱী, মঞ্জু কলিতা, সৰযোপ্ৰিয়া দেৱী বাইদেউৰ উপস্থিতিয়ে প্ৰতিযোগিতাখন সৌষ্ঠৱপূৰ্ণ কৰি তোলে।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ পৰাই মই মোৰ এবছৰীয়া কাৰ্যভাৰ সুচাৰুৰূপে চলাই নিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছো। ছাত্ৰী জিৰণি কোঠাৰ সুস্থ পৰিৱেশ বজাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাইছো। মহাবিদ্যালয় সপ্তাহত খৰচ হৈ বাকী ৰৈ যোৱা ধনেৰে মাননীয় অধ্যক্ষ মহোদয় আৰু তত্বাৱধায়িকা বাইদেউৰ অনুমতিত ছাত্ৰী জিৰণি কোঠাৰ বাবে তিনিজনীয়া নখন চকী কিনিলো।

এইখিনিতে এটা সুখবৰ যে, চৰকাৰে মোৰ কাৰ্যকালতে ছাত্ৰী জিৰণি কোঠাৰ বাবদ ২ লাখ টকা অনুদান আগবঢ়াইছিল। মোৰ বাবে পৰিতাপৰ কথা এয়ে যে মোৰ কাৰ্যকালত নতুন ছাত্ৰী জিৰণি কোঠাটো হৈ নুঠিল।

সদৌ শেষত মোৰ কাৰ্যকালত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় বিচিত্ৰ কুমাৰ মেধি ছাৰ, তত্বাৱধায়িকা শ্ৰদ্ধাৰ দীপাৰাণী দেৱী বাইদেউ, প্ৰাণী বিজ্ঞান বিভাগৰ শিক্ষাগুৰুসকল, শ্ৰদ্ধাৰ বিজয়া বৰা বাইদেউ, মহাবিদ্যালয়ৰ সকলো বিভাগৰ শিক্ষাগুৰুসকল, সকলো কৰ্মচাৰী তথা ছাত্ৰ একতা সভাৰ সমূহ সদস্যলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয় সপ্তাহত মোক সততে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী— দিব্য, অমিত, মানবেন্দ্ৰ, ৰিপুঞ্জয়, হিমাংশু, জয়শ্ৰী, দীপিকা, মিনু, অনামিকা, কাবেৰী, ৰিতু, পল্লবী, নমি, টুটুৰ লগতে সকলো বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। এই খিনিতে আগন্তুক ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাসকলে মহাবিদ্যালয় সপ্তাহতেই তেওঁলোকৰ কাৰ্যভাৰ যেন সামৰি নথয় তাৰ বাবে বিশেষ অনুৰোধ জনালো।

সম্পাদিকাৰ কালছোৱাত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'

**হিমাক্ষি ডেকা**

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ সহযোগত এই মহাবিদ্যালয়খন গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে যি সকল ব্যক্তিয়ে দেশৰ নামত জীৱন উছৰ্গা কৰিলে সেইসকল ব্যক্তিলৈ অশ্ৰু-অঞ্জলি যাঁচিলো।

কাৰ্যকালৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সপ্তাহৰ লগত সংগতি ৰাখি ছাত্ৰসকলৰ মাজত কেৰম, ডবা, বেমিন্টন আৰু টেবুল টেনিছ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতাই মোক উৎসাহিত কৰি তুলিছিল আৰু মই ছাত্ৰ জিৰণি কোঠাৰ বিভিন্ন অভাৱ-অভিযোগবোৰ দূৰ কৰিব চেষ্টা কৰিছিলো।

বিভিন্ন পৰামৰ্শ আগবঢ়াই মোক সহায়ৰ হাত আগবঢ়োৱাসকলৰ নাম ল'বলৈ গ'লে প্ৰথমেই নাম ল'ব লাগিব মোৰ বিভাগৰ তত্বাৱধায়ক ভবেশ নাৰায়ণ চৌধুৰী ছাৰ আৰু ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পুলকেশ হাজৰিকা আৰু বিষয়ববীয়াসকলৰ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত এটি ছাত্ৰ জিৰণি কোঠাৰ দায়িত্বৰ প্ৰাসংগিকতা কিমান এয়া সকলোৱে উপলব্ধি কৰে। ছাত্ৰ জিৰণি কোঠাৰ প্ৰয়োজনীয় সা-সৰঞ্জাম খেলৰ সামগ্ৰীসমূহ ভালদৰে সংৰক্ষণ কৰি ৰাখিব নোৱাৰাৰ বাবে প্ৰতিবছৰে বিভিন্ন সামগ্ৰীসমূহ ক্ৰয় কৰিব লগা হয়। সেয়েহে পৰৱৰ্তী সম্পাদকলৈ মোৰ বিনম্ৰ অনুৰোধ সেইবোৰ সংৰক্ষণৰ বাবে বিশেষ যত্ন দিয়ে যেন।

সদৌ শেষত যিসকল ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতাৰ ফলস্বৰূপে মই ২০০৯ -১০ বৰ্ষৰ জিৰণি কোঠাৰ সম্পাদক হোৱাৰ সুবিধাকণ পালো সেই ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু মোৰ অজানিতে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিলো।

কন্দৰ্প চহৰীয়া
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই মহাবিদ্যালয় গঢ়ি উঠিছিল, তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে জাতিৰ নামত জীৱন উছৰ্গা কৰা মহান ব্যক্তিসকললৈও শ্ৰদ্ধাঞ্জলি নিবেদিলো।

মানুহ সামাজিক প্ৰাণী। সেয়ে সমাজখন সুস্থভাৱে গঢ় দিয়াতো প্ৰতিজন মানুহৰে প্ৰধান কৰ্তব্য। —এই বাক্যকে সাৰোগত কৰি মঙলদৈ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াইছিলো। সৌভাগ্যক্ৰমে নিৰ্বাচিত হৈ সমাজ সেৱাৰ নামত যৎকিঞ্চিত হ'লেও কাম কৰিবলৈ সুবিধা পালো।

মোৰ কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল, ছাৰ-বাইদেউসকল আৰু বিভাগীয় তত্বাৱধায়ক ছাৰৰ সহযোগ মোৰ বাবে চিৰ স্মৰণীয় হৈ থাকিব।

দুখৰ বিষয়, মোৰ কাৰ্যকালত বিভিন্ন অসুবিধাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সুলভ মূল্যৰ কেৰাচিন তেল যোগান ধৰিব পৰা নগ'ল। তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। লগতে কাৰ্যকালৰ সময়ছোৱাত মহাবিদ্যালয়খনৰ উন্নয়ণৰ বাবে হাতত লোৱা পদক্ষেপসমূহত ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থী।

'জয়তু মঙলদৈ মহাবিদ্যালয়'

ৰাতুল চহৰীয়া
সম্পাদক, সমাজ সেৱা বিভাগ

# আলোচনী সম্পাদনা সমিতি



শ্ৰী[illegible]চিত্ৰ কুমাৰ মেধি
মুখ্য উপদেষ্টা



শ্ৰীনাৰায়ণ চন্দ্ৰ মুদৈ
উপদেষ্টা



ড০ প্ৰণৱ কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীশচীন্দ্ৰ নাথ চহৰীয়া
উপদেষ্টা



শ্ৰীপৰেশ কুমাৰ শৰ্মা
উপদেষ্টা



শ্ৰীঅচ্যুৎ চন্দ্ৰ শৰ্মা
উপদেষ্টা



শ্ৰীডিম্বেশ্বৰ বৰুৱা
তত্ত্বাৱধায়ক



শ্ৰীমানৱ জ্যোতি চহৰীয়া
সম্পাদক



শ্ৰীৰূপজ্যোতি বৰুৱা
বিশেষ সদস্যা



শ্ৰীসৰযু প্ৰিয়া দেৱী
বিশেষ সদস্যা



ড০ লীনা শইকীয়া
বিশেষ সদস্যা



শ্ৰীমঞ্জু কলিতা চহৰীয়া
বিশেষ সদস্যা



শ্ৰীপুলকেশ হাজৰিকা
সদস্য



শ্ৰীযুগব্ৰত বৰুৱা
সদস্য



শ্ৰীকুলদীপ কুমাৰ চহৰীয়া
সদস্য



<u>ছাত্ৰ একতা সভাৰ</u>
<u>বিষয়ববীয়াসকলৰ একাংশ</u>

বাওঁফালৰপৰা বহি ঃ
বনজিৎ ডেকা, ধনমনি দাস, পুলকেশ হাজৰিকা, মানৱ জ্যোতি চহৰীয়া, অনামিকা ৰাজবংশী, কন্দৰ্প চহৰীয়া।
বাওঁফালৰপৰা থিয় হৈ ঃ
লিপীকা শৰ্মা, প্ৰাঞ্জু বৰুৱা, ৰাতুল চহৰীয়া, হীৰকজ্যোতি নাথ, শেৱালী বৰুৱা।

# মহাবিদ্যালয়ৰ গৌৰৱ আৰু প্ৰতিভা (২০০৯-১০ বৰ্ষ)

## ২০১০ বৰ্ষত স্নাতক চূড়ান্ত (১+১+১) পৰীক্ষাত প্ৰথম শ্ৰেণী প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলৰ একাংশ


কাবেৰী ডেকা
(অৰ্থনীতি বিভাগ)


নিকুমনি ডেকা
(শিক্ষা বিভাগ)


ধনিষ্ঠা মেধি
(শিক্ষা বিভাগ)


গীতাশ্ৰী ডেকা
(শিক্ষা বিভাগ)


মনোজ কুমাৰ শৰ্মা
(শিক্ষা বিভাগ)


[illegible]
[illegible]


চন্দ্ৰানী ঘোষ
(ভূগোল বিভাগ)


নয়নমনি ডেকা
(ভূগোল বিভাগ)


বিশ্বজিৎ নাথ
(ভূগোল বিভাগ)


কাব্যশ্ৰী মহন্ত
(ভূগোল বিভাগ)


বুলবুল হক চৌধাৰী
(ভূগোল বিভাগ)


কৰবী শৰ্মা
(সংস্কৃত বিভাগ)


যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ নাট্যদল
বাওঁফালৰ পৰা বহি ঃ ত্ৰিদীব কলিতা, ঋতুপৰ্ণ কলিতা, শোভমিত্ৰা চহৰীয়া, হৰিশ ডেকা।
বাওঁফালৰ পৰা থিয় হৈ ঃ পঙ্কজ চহৰীয়া, কুলদীপ কুমাৰ চহৰীয়া।


জ্যোতিষ নাথ
শ্ৰেষ্ঠ দেহশ্ৰী


যুৱ মহোৎসৱৰ শ্ৰেষ্ঠ মুকাভিনয়ৰ দল
বাওঁফালৰ পৰা বহি ঃ হিৰণ্ময় বৰুৱা, ঋতুপৰ্ণ কলিতা, দ্বিপজ্যোতি কলিতা।
বাওঁফালৰ পৰা থিয় হৈ ঃ চন্দ্ৰ নাৰায়ণ দেৱ, মুকুন্দ কলিতা, দিপক কলিতা, ৰাতুল চহৰীয়া, ৰাতুল ডেকা।


কুমাৰ চন্দ্ৰ নাৰায়ণ দেৱ
শ্ৰেষ্ঠ অভিনেতা


বৰ্ণালী দেৱী
শ্ৰেষ্ঠা অভিনেত্ৰী


কুলদীপ কুমাৰ চহৰীয়া
শ্ৰেষ্ঠ কৌতুক অভিনেতা


দিব্যজ্যোতি কৌশিক
শ্ৰেষ্ঠ গায়ক


ভাস্বতী শৰ্মা
শ্ৰেষ্ঠ গায়িকা



জয়ন্ত ডেকা
শ্ৰেষ্ঠ সাহিত্যিক



মহানন্দ হাজৰিকা
শ্ৰেষ্ঠ খেলুৱৈ

# মঙলদৈ মহাবিদ্যালয় আলোচনীৰ বৰ্তমানলৈকে সম্পাদক আৰু তত্ত্বাৱধায়কসকল

| সংখ্যা | বৰ্ষ | সম্পাদক | তত্ত্বাৱধায়ক |
|---|---|---|---|
| ১ম | ১৯৫৮-৫৯ | শ্ৰীবোধেশ্বৰ ডেকা | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ২য় | ১৯৬০-৬১ | শ্ৰীসোণেশ্বৰ শৰ্মা | শ্ৰীদেৱীদাস নেওগ |
| ৩য় | ১৯৬১-৬২ | শ্ৰীহৰগৌৰী অধিকাৰী | শ্ৰীপূৰ্ণ চন্দ্ৰ বৰা |
| ৪ৰ্থ | ১৯৬২-৬৩ | শ্ৰীমহেশ্বৰ কলিতা | শ্ৰীদেৱীদাস নেওগ |
| ৫ম | ১৯৬৩-৬৪ | শ্ৰীতুৱাৰাম ডেকা | শ্ৰীদেৱীদাস নেওগ |
| ৬ষ্ঠ | ১৯৬৪-৬৫ | মঃ ফজলুল কৰিম | শ্ৰীদেৱীদাস নেওগ |
| ৭ম | ১৯৬৫-৬৬ | শ্ৰীবাসৱ চন্দ্ৰ চহৰীয়া | শ্ৰীদেৱীদাস নেওগ |
| ৮ম | ১৯৬৬-৬৭ | শ্ৰীহেমকান্ত ডেকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ৯ম | ১৯৬৭-৬৮ | শ্ৰীঅৰুণ চন্দ্ৰ দাস | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১০ম | ১৯৬৮-৬৯ | শ্ৰীনৱেন হাজৰিকা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১১শ | ১৯৬৯-৭০ | শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰী | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১২শ | ১৯৭০-৭১ | শ্ৰীদীনবন্ধু শৰ্মা | শ্ৰীজীৱন চন্দ্ৰ শৰ্মা |
| ১৩শ | ১৯৭১-৭২ | মঃ মহিউদ্দিন জিয়াউল হক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৪শ | ১৯৭২-৭৩ | শ্ৰীপ্ৰেমানন্দ নাথ | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৫শ | ১৯৭৩-৭৪ | শ্ৰীভবেশ চন্দ্ৰ ডেকা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৬শ | ১৯৭৪-৭৫ | শ্ৰীজুৰণ চন্দ্ৰ কলিতা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৭শ | ১৯৭৫-৭৬ | শ্ৰীদেবেন্দ্ৰ কুমাৰ শৰ্মা | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৮শ | ১৯৭৬-৭৭ | শ্ৰীভৱকান্ত হাজৰিাক | শ্ৰীভূপেন্দ্ৰ নাথ কাকতি |
| ১৯শ | ১৯৭৭-৭৮ | শ্ৰীপৰমানন্দ ৰাজবংশী | শ্ৰীমতী নাহাৰুণ নেচা |
| ২০ম | ১৯৭৮-৭৯ | শ্ৰীশৈলেন্দ্ৰ কুঃ শৰ্মা বৰুৱা | শ্ৰীমহেন্দ্ৰপ্ৰসাদ বৰুৱা |
| ২১ম | ১৯৭৯-৮১ | শ্ৰীপংকজ কুমাৰ গোস্বামী | শ্ৰীবিজয় চন্দ্ৰ গোস্বামী |
| ২২ম | ১৯৮১-৮২ | শ্ৰীগজেন্দ্ৰ বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৩ম | ১৯৮২-৮৩ | শ্ৰীবিশ্বজিৎ গোস্বামী | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৪ম | ১৯৮৩-৮৪ | শ্ৰীদুলাল বৰুৱা | শ্ৰীভাৰত চন্দ্ৰ শৰ্মা |
| ২৫ম | ১৯৮৫-৮৬ | শ্ৰীশিৱপ্ৰসাদ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৬ম | ১৯৮৬-৮৭ | শ্ৰীমিনাৰাম হাজৰিকা | শ্ৰীমতিৰাম মেধি |
| ২৭ম | ১৯৮৭-৮৮ | শ্ৰীভৱেশ বৰুৱা | শ্ৰীমতিৰাম মেধি |
| ২৮ম | ১৯৮৮-৮৯ | শ্ৰীমুক্তানন্দ শৰ্মা | ইদ্ৰিছ্ আলি |
| ২৯ম | ১৯৮৯-৯০ | মমতাজ খানম | শ্ৰীবুদ্ধিন চন্দ্ৰ হাজৰিকা |
| ৩০ম | ১৯৯১-৯২ | শ্ৰীববিতা কুমাৰী মাজুডেকা | ইদ্ৰিছ্ আলি |
| ৩১ম | ১৯৯২-৯৩ | মঃ আমিনুল হক | ইদ্ৰিছ্ আলি |
| ৩২ম | ১৯৯৩-৯৪ | শ্ৰীলক্ষ্যধৰ শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৩ম | ১৯৯৪-৯৫ | শ্ৰীজয়ন্ত শৰ্মা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৩৪ম | ১৯৯৫-৯৬ | শ্ৰীপ্ৰণৱ ভট্ট | ইদ্ৰিছ্ আলি |
| ৩৫ম | ১৯৯৬-৯৭ | শ্ৰীচন্দন শইকীয়া | শ্ৰীমতিৰাম মেধি |
| ৩৬ম | ১৯৯৭-৯৮ | শ্ৰীঅৰুণ শৰ্মা | শ্ৰীমতিৰাম মেধি |
| ৩৭ম | ১৯৯৯-৯৯ | শ্ৰীদ্বীপকিশোৰ শইকীয়া | ড° বিজয় কুমাৰ শৰ্মা |
| ৩৮ম | ১৯৯৯-২০০০ | শ্ৰীঅসীম শৰ্মা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৩৯ম | ২০০০-০১ | শ্ৰীপ্ৰবীণ বৰুৱা | শ্ৰীবিচিত্ৰ কুমাৰ মেধি |
| ৪০ম | ২০০১-০২ | সম্পাদনা সমিতি | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪১ম | ২০০৩-০৫ | শ্ৰীচিন্ময় বৰুৱা<br>শ্ৰীদেৱৰ্ষি ডেকা | শ্ৰীডিম্বেশ্বৰ বৰুৱা |
| ৪২ম | ২০০৬-০৭ | শ্ৰীপ্ৰণামিকা শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৩ম | ২০০৭-০৮ | শ্ৰীজয়ন্ত ডেকা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৪ম | ২০০৮-০৯ | শ্ৰীৰঞ্জনজ্যোতি শৰ্মা | ড° বিজয় কুমাৰ শৰ্মা |
| ৪৫ম | ২০০৯-১০ | শ্ৰীমানৱ জ্যোতি চহৰীয়া | শ্ৰীডিম্বেশ্বৰ বৰুৱা |

০০০







Printed at : Comp-Ed Offset, M.G. Road, Mangaldai